# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Satayandra Nath Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhailaya Sabhaā Patākaikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1957 (1879 Sak) | Edition: |
| Size: 24 cms | Genre: Magazine |
| Volumes: 16 - 3 issues | Condition of the original: good |
| Remarks: 1st volume was published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

ষোড়শ বছৰ

দ্বিতীয় সংখ্যা

সম্পাদক—শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা

## সম্পাদনা সমিতি

শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী | অধ্যক্ষ হেম বৰুৱা
শ্ৰীপৰাগধৰ চলিহা | শ্ৰীলক্ষ্মীনাথ দাস
শ্ৰীনৱকান্ত বৰুৱা | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা ( সম্পাদক )


## সূচী


| | বিষয় | লেখক | পিঠি |
|---|---|---|---|
| ১। | অসমৰ নাট্য জগতত এভুমুকি | শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, এম্-এ, বি-টি | ৬১ |
| ২। | 'তীৰ্থ বুলি কৰে জলত শুদ্ধি' | অধ্যাপক শ্ৰীপদ্মেশ্বৰ গগৈ, এম্-এ | ৭৪ |
| ৩। | বলবৰ্ম্মাদেৱৰ তাম্ৰশাসন | শ্ৰীৰাজমোহন নাথ, বি-ই, তত্ত্বভূষণ | ৮৪ |
| ৪। | সাহিত্যত আধুনিক মূল্যবোধ | শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য | ৮৯ |
| ৫। | যতুমণিদেৱৰ গীত | শ্ৰীকুমুদচন্দ্ৰ মহন্ত, বি-এ, বি-টি ( সংগ্ৰাহক ) | ৯৯ |
| ৬। | সংস্কৃত ৰূপকত হাস্যৰস | শ্ৰীৰজনীকান্ত দেৱশৰ্ম্মা, এম্-এ | ১০৬ |
| ৭। | নাৰী-পৰ্ব্ব ( সাত শাক তোলা ) | শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস | ১১১ |
| ৮। | পিয়লি ফুকন | শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ | :১৩ |
| ৯। | ভাষাৰ ঐক্য ( ২য় খণ্ড ) | শ্ৰীৰত্নকান্ত বৰকাকতী | ১২০ |
| ১০। | কেৱল ঘোষা আৰু সম্প্ৰদায় সম্পৰ্কে দুআষাৰ | শ্ৰীগোপালকৃষ্ণ দেৱ ডেকা অধিকাৰ, ( চলিহা বাৰেঘৰ সত্ৰ ) | ১২২ |
| ১১। | সাহিত্য সভাৰ বাহিৰে ভিতৰে | — — | ১২৭ |
| ১২। | পুথি সমালোচনা | সম্পাদক | ১৩৫ |
| ১৩। | সম্পাদকীয় দুআষাৰ | — — | ১৪০ |

## গ্ৰাহকসকলৈ গোহাৰি

নিবেদন,

যোড়শ বছৰৰ পত্ৰিকাৰ প্ৰথম সংখ্যা আপোনালৈ পঠোৱা হৈছিল। সম্প্ৰতি দ্বিতীয় সংখ্যা আপোনালৈ পঠোৱা হৈছে। অনুগ্ৰহ কৰি অসম সাহিত্য সভা পত্ৰিকাৰ বছেৰেকীয়া বৰঙণি ৪৲ টকা ( সভ্যৰ কাৰণে ৩৲ ) মনি অৰ্ডাৰ যোগে পঠাব। নহলে তৃতীয় সংখ্যা পত্ৰিকা ভি. পি. কৰি পঠোৱা হব।

আশা কৰো আপুনি পত্ৰিকাৰ বৰঙণি ফেৰা পঠিয়াই সাহিত্য সভাক সহায় কৰিব।

ইতি
শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী
সহকাৰী সম্পাদক,
**অসম সাহিত্য সভা**
যোৰহাট

---

## অসম সাহিত্য সভাৰ দ্বাৰা সদ্য প্ৰকাশিত ইংৰাজী গ্ৰন্থ

১। **THIS IS ASSAM :** **শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী** আৰু **শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য** সম্পাদিত বেচ ৩॥০ টকা ( সভ্যৰ কাৰণে আধা )।

২। **THE OUTLOOK ON NEFA :** প্ৰধান সম্পাদক **শ্ৰীপৰাগ চলিহাৰ** দ্বাৰা সম্পাদিত থনে ৪৲ ( সভ্যৰ আধা )।

**পুথি বেচোঁতাক কমিচন দিয়া হব।**

শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী
সহকাৰী সম্পাদক,
**অসম সাহিত্য সভা**


# অসম সাহিত্য সভা পত্ৰিকা

যোড়শ বছৰ | ১৮৭৯ শক, ভাদ-আঘোন | দ্বিতীয় সংখ্যা


## অসমৰ নাট্যজগতত এভুমুকি


**অধ্যাপক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা**


যোৱা শাৰদীয় উৎসৱত ( ইংৰাজী ৩০ ছেপ্টেম্বৰ '৫৭ চন ) শিৱসাগৰত অসমৰ প্ৰথম ঘূৰণ নাট্যমঞ্চ প্ৰতিষ্ঠা কৰা হ'ল। ভাৰতৰ আন আন ঠাইত ঘূৰণ নাট্যমঞ্চতকৈ উন্নত আধুনিক নাট্যমঞ্চ সম্প্ৰতি স্থাপিত হলেও 'লাহে লাহে'ৰ দেশ অসমত এই ঘূৰণ নাট্যমঞ্চই অসমৰ নাট্যজগতত এটা নতুন যুগৰ সূচনা কৰিছে। অসম সঙ্গীত নাটক একাডেমীৰ উদ্যোগত আজি কেবাবছৰো আগতে নগাঁৱত এটা আধুনিক ধৰণৰ উন্নত কেন্দ্ৰীয় নাট্য-শালা স্থাপন কৰিবলৈ আঁচনি হাতত লোৱা হৈছিল যদিও আজিলৈকে সেই আঁচনি বাস্তৱত ৰূপান্তৰিত হোৱা নাই। আমি আশাকৰো, বিশেষকৈ নগাঁৱৰ নাট্যশিল্পী সকলে লাগি ভাগি সেই আঁচনি শীঘ্ৰে কাৰ্য্যকৰী কৰি তুলিব। শিৱসাগৰৰ "ভগৱতীপ্ৰসাদ বৰুৱা নাট্যমঞ্চ"ৰ উদ্বোধনী উৎসৱৰ ভাষণত আমি সংক্ষেপে অসমৰ ৰঙ্গমঞ্চৰ চমু ইতিবৃত্ত এটা আগবঢ়াই আমাৰ নাট্যজগতত কেইটামান সমস্যাৰ কথা উল্লেখ কৰিছিলো। সুধীসকলৰ আগ্ৰহ অনুসৰি সেই কথাখিনিকে অলপ আহল বহলকৈ মেলি লৈ অসমৰ নাট্যজগতৰ বিষয়ে আলচ এটা দাঙি ধৰা হ'ল। আমাৰ এই আলচ নাট্যজগতত ভুমুকি এটাহে আৰু এই ভুমুকিত আমাৰ ক্ষীণ দৃষ্টিত বহু কথা চকুত নপৰাটো সম্ভৱ। তদুপৰি আমি জনা কথা অলপ বেছিকৈ কোৱাটো আৰু কৰ-লগীয়া আমি নজনা বহু কথা বাদ পৰি যোৱাটো আচৰিত নহয়। প্ৰসঙ্গক্ৰমে আমি উল্লেখ কৰা নাটঘৰ, নাটক আৰু অভিনয় শিল্পীও এই প্ৰসঙ্গত

উল্লিখিত নহলেও সেইসকলৰ স্থান আমি কেতিয়াও লেখত লবলগীয়া নহয় বুলি কব নোখোজো। আগলৈ জনাজনে এই সকলো কথা খৰচি মাৰি আলোচনা কৰিব বুলি আশা কৰিছো।

আমাৰ এই জনমভূমি সোণৰ সফুৰা অসম দেশ যে সকলো বিষয়তে চহকী আছিল সেই বিষয়ে আজি ন-দি কবৰ আৱশ্যক নাই। নাট-ভাওনা, নৃত্য-গীত, সাহিত্য, ভাস্কৰ্য্য আদি সকলো বিষয়তে এদিন অসমৰ অৱস্থা জয়-জয় ময়-ময় আছিল। আন কথা বাদ দিও আমি যদি নাট্যকলাৰ ফালে চকু দিওঁ তেতিয়াহলেও আমি মুগ্ধ নহৈ নোৱাৰো। এই নাট্যকলাৰ সম্পৰ্কত আজি আমি ৰণত পৰি কলীয়া, তেল নাপাই ফপৰীয়া হব পাৰো; কিন্তু অতিজতে যে আমাৰ এনে পাচপৰা অৱস্থা আছিল সেইটো কেতিয়াও নহয়। নৰক, ভগদত্ত, শঙ্কলাদিৰ, ভাস্কৰবৰ্ম্মা আদি অসমৰ অতি প্ৰাচীন ৰজাসকলৰ আমোলত যে এই দেশত সংস্কৃত ভাষাৰ নাট অভিনয় আদি হোৱা নাছিল তেনে কথা সম্ভৱ নহয়। বাণৰ জীয়াৰী উষাৰ সখী চিত্ৰলেখা যে নৃত্য-গীত পাৰ্গতা আছিল সেই কথা সৰ্ব্ববাদী-সম্মত। আনকি এই দেশৰ অধিষ্ঠাত্ৰী দেৱী কামাখ্যা গোসানীয়েও নৃত্য-গীতৰ ছন্দত এদিন নীলাচলৰ শিখৰ মুখৰিত কৰিছিল বুলি প্ৰবাদ আছে। হয়গ্ৰীৱ মাধৱৰ নাট-মন্দিৰত হাজোৰ নটীয়ে নুপূৰৰ ছন্দেৰে পাষাণ দেৱতাৰ হিয়াতো স্পন্দন তুলিছিল। অসম-জীয়াৰী বেউলাই দেৱসভাত নৃত্য-সঙ্গীতৰ হিল্লোল তুলি মৃত পতি লক্ষীন্দাৰক পুনৰ জীৱিত কৰি তুলিব পাৰিছিল। দেওধনী, ওজাপালি আদি নৃত-গীতত আজিও অসমৰ আকাশে-বতাহে অতীতৰ প্ৰতিধ্বনি উঠে।

আমি জানো পঞ্চদশ শতাব্দীত অসমৰ ধৰ্ম্ম-গুৰু, কৰ্ম্ম-গুৰু, সমাজ-গুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ-দেৱ আৰু তেৰাৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱে অঙ্কীয়া নাট-ভাওনাৰ সৃষ্টি কৰি কলা-লক্ষ্মীৰ আগত যি অখণ্ড প্ৰদীপ জ্বলাই গ'ল ভাৰতৰ নাট্যজগততে তাৰ তুলনা নাই। প্ৰাচীন যুগৰ সেই অঙ্কীয়া নাট-ভাওনা, বিহুনাম, বিহুনাচ, ওজাপালি, বিবিধ জনজাতীয় নৃত্য-গীত আদি যিবোৰ অমূল্য সম্পদ আমি উত্তৰাধিকাৰসূত্ৰে লাভ কৰিছোহঁক সেইবোৰৰ চৰ্চ্চা কৰি, অণুশীলন কৰি আজিও ভাৰতৰ গীত-নাট্যৰ ক্ষেত্ৰত আমি আগশাৰীত ঠাই লব পাৰো। অঙ্কীয়া নাটৰ আঁতিগুৰি, গঠনৰীতি, বৈশিষ্ট্য সম্পৰ্কে পণ্ডিত সকলে নানাপ্ৰসঙ্গত বহল আলোচনা কৰিছে। সেই কথা এৰিও আমি নিঃসন্দেহে কব পাৰো যে ভাওনা-নাটবোৰে তাহানিৰ পৰা আজিলৈকে অসমৰ সামাজিক জীৱনত অসাধাৰণ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। তাহানি স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ দিনত মণিপুৰৰ ৰজাক দেখুৱাবলৈ ৰংপুৰৰ ৰংঘৰৰ চোতালত ৰাৱণ বধ ভাওনা পতা হৈছিল। সেই ভাওনাত এশৰো ওপৰ ভাৱৰীয়াই ভাও লৈছিল বুলি বুৰঞ্জীত উল্লেখ আছে। তাৰ পৰাই তেতিয়াৰ দিনত ৰজাঘৰ প্ৰজাঘৰত ভাওনাৰ পয়োভৰ কিমান বেছি আছিল সেই কথা সহজে অনুমান কৰি লব পাৰি। আজিৰ যুগতো আমি বাৰু অসমৰ যিকোনো ঠাইত এখন অভিনয়ত এইদৰে একেলগে শতাধিক ভাৱৰীয়াক নমাব পাৰিছোনে?

আজিও অসমৰ সুস্থ সৰল সমাজ এখনৰ কল্পনা কৰিলে আমাৰ মনলৈ স্বভাৱতে এখনি ৰবৈয়া গাওঁ, তাত থকা নামঘৰকে কেন্দ্ৰ কৰি গঢ়ি উঠা ভাওনা সবাহ আদি গঞা ৰাইজৰ নিজস্ব অনুষ্ঠানবোৰৰ ছবি আমাৰ চকুৰ আগলৈ ভাহি আহে। এই নামঘৰকে ডক্টৰ শ্ৰীযুত বিৰিঞ্চি



কুমাৰ বৰুৱাদেৱে অসমৰ জাতীয় নাট্যশালা আখ্যা দিছে। এই কথা যে যথাৰ্থ সচা তাত অলপো সন্দেহ নাই। অসমৰ গাৱঁত যদিও আজি ভাওনাৰ প্ৰভাৱ কমা নাই তথাপি তাত বহুত মলি-মামৰে টাটৰি বান্ধিছে। মহাপুৰুষে সৃষ্টি কৰা ভাওনাৰ পটভূমিত আছিল এখনি সুস্থ বলিষ্ঠ অসমীয়া সমাজ; সেই সমাজত নানা কাৰণে আজি ঘূণে ধৰিছে। এনে ঘূণে ধৰা সমাজত যে ভাওনাতো ঘূণে ধৰিব তাত সন্দেহ নাই। গুৱাহাটী আদি ডাঙৰ চহৰত ভাওনাই লোকৰঞ্জন কৰিব নোৱাৰাৰ কাৰণো আছে। ইয়াৰ প্ৰধান কাৰণ হৈছে নগৰত বাৰে-বাঙ্কৰা সমাজ। এনে বাৰ-মিহলি সমাজ ভাওনাৰ বাবে উপযুক্ত পটভূমি হব নোৱাৰে। আৰু এটা কথা ভাবি চাব লাগিব— মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাওনা সৃষ্টি কৰিছিল ধাঁইকৈ মানুহৰ মনত ধৰ্ম্মভাবৰ কঠিয়া সিঁচিবলৈ। সেই কাৰণেই ভাওনাৰ পৰিবেশ গভীৰ আছিল আৰু ভাওৰীয়াসকলৰ মুখত সৰ্ব্বসাধাৰণে ব্যৱহাৰ নকৰা ব্ৰজাৱলী ভাষা দিয়া হৈছিল। আমি আজি ভাওনাৰ বুকুত গীত-নাট, সংস্কৃতিৰ মৌ-কোঁহ বিচাৰিবৰ সময়ত এই মূল কথাটোলৈ পাহৰি গ'লে নচলিব। গধূৰ আৰু মধুৰ ভাওনাত লঘু-সঙ্গীত, লঘু-নৃত্য, লঘু-বচন ভঙ্গীৰে লেটিপেটি কৰি চকি-মাচিয়াত বহি তাৰ ৰস উপভোগ কৰিবলৈ বিচাৰিলে ভুল কৰা হব আৰু হয়তো তেতিয়া ভাওনাৰ প্ৰকৃত ৰূপটো আমাৰ চকুত ধৰা নপৰিব। আমাৰ ধাৰণা মহাপুৰুষৰ এই ভাওনা লাট চাহাব বা ৰাষ্ট্ৰপতিৰ ৰাজ-দৰবাৰত প্ৰতি-যোগিতাৰ বিষয় হব নোৱাৰে। ইয়াৰ কাৰণে লাগে এটা পৱিত্ৰ সাত্বিক মুকলি পৰিবেশ আৰু লাগে সহৃদয় ভক্তিভাৱাপন্ন এখনি সমাজ। ভাওনাৰ গাত ইতিমধ্যে গোটখোৱা মলি-মামৰ-বোৰ নিশ্চয় গুচাই লব লাগিব। কিন্তু তাকে কৰোঁতে যাতে ঘঁহনিত গাৰ ছাল নাযায় সেই বিষয়েও সাৱধান হব লাগিব। দীঘলীয়া আমনি-লগা বিধৰ নৃত্য-গীত থাপ খোৱাকৈ চমুৱাই লব লাগিব। ভাওৰীয়াৰ গাৰপৰা তেলচিকতিয়ে ধৰা মলিয়ন সাজপাৰো সলাব লাগিব। হেৰাই যোৱা সুৰবোৰৰ আঁত বিচাৰি উলিয়াব পাৰিব লাগিব। তেতিয়াহে ভাওনাই পূৰ্ব্বৰদৰে লোক-ৰঞ্জক হব পাৰিব। গতিকে এই বিষয়ত যিসকল ব্যক্তি আৰু অনুষ্ঠানে আগবাঢ়িব খুজিছে তেওঁ-লোক যেন সতৰ্ক আৰু সুদূৰদৰ্শী হয় তাকে আমি কামনা কৰো।)

মহাপুৰুষ দুজনাই ৰচনা কৰা অঙ্কীয়া নাট কেইখনিৰ উপৰিও শ্ৰীযুত বিৰিঞ্চিকুমাৰ বৰুৱাদেৱ সম্পাদিত "অঙ্কীয়া নাট"ত গোপাল আতা বিৰচিত "জন্মযাত্ৰা", "উদ্ধৱ সংবাদ" নাট আৰু কালিৰাম মেধি ডাঙৰীয়া সম্পাদিত "অঙ্কাৱলী"ত; ৰামচৰণ ঠাকুৰ বিৰচিত "কংসবধ" নাট; দ্বিজ-ভূষণ বিৰচিত "অজামিল উপাখ্যান" নাট আৰু দৈত্যাৰি ঠাকুৰ বিৰচিত "নৃসিংহ যাত্ৰা" আৰু "স্যমন্ত হৰণ" নাট ছপা হৈ পোহৰলৈ ওলাইছে। এনে অসংখ্য নাট হাতে লিখা অৱস্থাতে এতিয়াও সত্ৰ নামঘৰ আৰু প্ৰাচীন লোকৰ ঘৰত স্তূপীকৃত হৈ আছে। সেইবোৰৰ কিছুমান ইতিমধ্যে নষ্টও হৈ গৈছে। আমাৰ কোনো কোনো ডাঙৰ সত্ৰত নতুনকৈ এজনা সত্ৰাধিকাৰ হলে তেখেতে নকৈ এখন নাট লিখাৰ নিয়ম চলি আহিছে। এইদৰেও সত্ৰসমূহত ভালেমান ভাওনাৰ নাট লিখা হৈছে। এতিয়ালৈকে প্ৰকাশ হৈ ওলোৱা নাটক কেইখনৰ সংখ্যাৰ তুলনাত হাতে লিখা ভাওনা-নাটৰ সংখ্যা বহুত বেছি হব। এইবোৰ গোটাই ভাগে ভাগে সম্পাদিত কৰি প্ৰকাশ কৰিব পাৰিলে আমাৰ

নাট্য-সাহিত্যৰ জেউতি চৰিব বুলি আমাৰ বিশ্বাস। ইমানতে ভাওনাৰ কথা এৰা হল।

( ২ ) সময়ৰ সোঁতত পৰি স্বাধীন আহোম ৰজাসকলৰ ৰাজদণ্ড যেতিয়া উটি গ'ল, মান-মৰাণে যেতিয়া দেশ গছকি জুকলা কৰিলে, ভাটিৰ বঘুমলা আহি যেতিয়া আমাৰ দেশৰ শেৱালি নেৱালি গছ ছাটি পেলালে, বৃটিছে আহি যেতিয়া ভগা দেশত বৰপীৰা পাৰি বহিল, তেতিয়া আমি আকৌ যেন এখোজ পিছুৱাই গ'লো। আমাৰ কি আছিল, কি নাছিল কব নোৱাৰা হ'লো। কানিৰ ৰাগীয়ে দেশ আচ্ছন্ন কৰিলে। গড়গাঁও, ৰংপুৰ মৰিশালি হ'ল। বৰদোৱা, কোচবিহাৰত ভোৰতালৰ মাত আচম্বিতে যেন বন্ধ হৈ গ'ল। বৰগীত, বনগীত, অঙ্কীয়া ভাওনাই বিকৃত ৰূপ ললে। আগৰ নাট্য-সাহিত্য লোপ পাবৰ উপক্ৰম হ'ল। মুঠতে স্বাধীন আহোম ৰজা গ'ল, কোচ ৰজা গ'ল, কছাৰী ৰজা গ'ল। আহিল ইংৰাজ ৰাজ। লগতে আহিল নতুন শাসন-যন্ত্ৰ চলোৱাত সহায় কৰিবলৈ বঙালী আমোলা মহৰী আদি ইংৰাজী শিক্ষাপ্ৰাপ্ত অনা-অসমীয়া লোকসকল। ভাটিৰ-পৰা গান-বাজনাৰ ওস্তাদ আহিল। বাইজী নাচ আহিল। যোধপুৰী, মণিপুৰী বাই আহিল। আমাৰ মানুহে এইবিলাকক ভাল বুলি সাবটি ধৰিলে, নিজৰ বোৰক "জঙ্ঘলী দেশ"ৰ বস্তু বুলি অনাদৰ অৱহেলা কৰিবলৈ শিকিলে। তাৰ ফলত ৰাজনৈতিক জগতৰ দৰে ভাষা-সংস্কৃতিৰ জগততো মহা বিপৰ্য্যয় ঘটিল। অসমৰ কলা-লক্ষ্মীয়ে টোপনিত লালকাল দিলে। তেওঁক জগাবলৈ দেশত মানুহ নোহোৱা হ'ল।

১৯ শতিকাৰ মাজছোৱাত এইদৰে কলা-সংস্কৃতিৰ ক্ষেত্ৰতো ঘোপমৰা এন্ধাৰে ঢাকি ধৰিছিল। অৱশ্যে এই এন্ধাৰৰ অৱসান ঘটাই সাহিত্যৰ নিচিনাকৈ সাংস্কৃতিক ক্ষেত্ৰটো এটি 'অৰুণোদয়ৰ যুগ' আহিছিল। এই অৰুণোদয়ৰ পোহৰ বৰ অস্পষ্ট হৈ পৰা নাছিল। তাৰ ক্ষীণ আলোকত যি কেইপাহ ফুল নাট্যজগতত ফুলি উঠিছিল তাৰ সৌৰভ আজি পাবলৈ প্ৰায় নাইকিয়া হ'ল।

বৰ্ত্তমান নাটৰ সেই অৰুণোদয় যুগতে ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই "কানীয়াৰ কীৰ্ত্তন" আৰু বুৰঞ্জীবিদ গুণাভিৰাম বৰুৱা ডাঙৰীয়াই "ৰাম-নৱমী" নামেৰে সামাজিক নাট ৰচনা কৰিছিল। "কানীয়া কীৰ্ত্তন" আৰু এই "ৰামনৱমী" নাট মঞ্চত অভিনীত হৈছিলনে নাই সেই কথাৰ আমি বিশেষ ভু নাপাওঁ। "কানীয়া কীৰ্ত্তন" এতিয়াও ছপাৰ আকাৰত পোৱা যায়। দুষ্প্ৰাপ্য হোৱা ওপৰোক্ত "ৰামনৱমী" আৰু সেই এন্ধাৰ যুগতে ৰচিত নগাঁৱৰ ৰুদ্ৰৰাম বৰদলৈয়ে লিখা "বঙাল-বঙালনী" নাটকৰ নকল ডক্টৰ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই লণ্ডনৰ বৃটিছ যাদুঘৰৰ পৰা বহু যত্নেৰে সংগ্ৰহ কৰিছে। বৰ্ত্তমান যুগৰ প্ৰথম অসমীয়া কাব্য ৰচোঁতা গুৱাহাটীৰ ৰমাকান্ত চৌধাৰীদেৱে প্ৰথমে কেইখনমান গহীন পৌৰাণিক অসমীয়া নাট ৰচনা কৰিছিল। সেইবোৰৰ ভিতৰত "সীতাহৰণ" আৰু "ৰাৱণ বধ"ৰ নাম উল্লেখযোগ্য। এই দুখন নাট সেইকালত বহুবাৰ অভিনীত হৈছিল। নাট্যকাৰ চৌধাৰীদেৱে নিজেও তাত ভাও লৈছিল। স্বৰ্গীয় সোণাৰাম চৌধুৰী তেতিয়া স্কুলীয়া ল'ৰা আছিল। তেওঁ হেনো "সীতাহৰণ" নাটত ছোক্ৰাৰ ভাও লৈছিল। আমাক তেখেতে সেই নাটৰ গীত একাকিও গাই শুনাইছিল। "ৰাৱণ বধ" নাট ছপা হোৱা সত্বেও আজি তাৰ কোনো চিনচাব পাবলৈ নাইকিয়া হৈছে। ইয়াৰ অলপ পিছতে নগাঁৱত দেৱনাথ বৰদলৈ ৰচিত "হেমপ্ৰভা" আৰু "বৈদেহী বিচ্ছেদ" নাটক নানা ঠাইত অভিনীত হয়। "বৈদেহী বিচ্ছেদ" ছপা হৈছিল কিন্তু "হেমপ্ৰভা" ছপা হোৱা নাছিল। এতিয়াও কৰবাত এই নাটৰ নকল থাকিব পায়। আমি স্কুলত পঢ়া অৱস্থাতে গুৱাহাটীত সেই সময়ৰ আৰ্ল-ল-কলেজৰ ছাত্ৰ-সকলে এই নাট মঞ্চস্থ কৰিছিল আৰু কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ মিঃ ব্ৰাউনে সেই নাটৰ ডেভিদ স্কট চাহাবৰ ভূমিকাত অৱতীৰ্ণ হৈ অভিনয়খনিৰ আকৰ্ষণ বৃদ্ধি কৰিছিল।

ওপৰত উল্লেখ কৰা নাট আৰু অভিনয় শিল্পীসকলে যদিও গুৱাহাটী, নগাওঁ, যোৰহাট আদি অ'ত ত'ত দুই এগছি বন্তি জ্বলাইছিল তাৰ পোহৰ অতি ক্ষীণ। তেতিয়া অৰ্থাৎ ১৯ শতিকাৰ শেষলৈকে অসমৰ ক'তো স্থায়ী ৰঙ্গমঞ্চ নাছিল। দুৰ্গোৎসৱ বা আন কোনো ৰাজহুৱা উৎসৱ উপলক্ষে অস্থায়ী ৰঙ্গমঞ্চ সাজি একোখনি অভিনয় পতা হৈছিল আৰু অভিনয়ৰ বাবে নতুনকৈ নাটক লিখি লৈ কাম চলোৱা হৈছিল। লিখকসকলে সেই নাটবোৰ ছপা হোৱা উচিত বুলি ভবা নাছিল। সেইকাৰণে সেইকালত ৰচিত হোৱা তেনে বহুত নাটক নষ্ট হৈ গ'ল। উদাহৰণ স্বৰূপে যোৰহাটত শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মাদেৱৰ দেউতাক কমলেশ্বৰ শৰ্ম্মাই "ভীষ্মৰ শৰশয্যা" আৰু "প্ৰহ্লাদ", গুৱাহাটীৰ ফটিক বৰুৱাৰ পুতেক পদুম বৰুৱাই ( কেপ্তেইন ) "পৰীক্ষিতৰ ব্ৰহ্মশাপ" নামৰ নাটক ৰচনা কৰিছিল আৰু এইবোৰ নাটক বহুত ঠাইত অভিনীত হৈছিল। এই পদুম বৰুৱা এজন সুদক্ষ অভিনয় শিল্পী আৰু চিত্ৰকৰো আছিল। তেখেতে নাটঘৰত দৃশ্যপট আদি আঁকি ষ্টেজ মেনেজাৰ হৈ অভিনয় পৰিচালনাও কৰিছিল।

দৰাচলতে অসমীয়া নাটকৰ পুনৰ্জ্জন্ম হয় কলিকতাত—অসমীয়া ছাত্ৰসকলৰদ্বাৰা অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা প্ৰতিষ্ঠা হোৱাৰ লগে লগে। দুখৰ বিষয় ইয়াৰ লগতো অসমীয়া বঙালীৰ ভাষা-বিৰোধৰ দুখলগা কাহিনী জড়িত আছে। ১৭৭২ চনত অসমীয়া ভাষাই বহু যুজ-বাগৰৰ অন্তত পঢ়াশালি আৰু আদালতত ন্যায্য স্থান লাভ কৰিলে ; কিন্তু তেতিয়াও বঙালীসকলৰ অসমীয়া ভাষা সাহিত্যৰ ওপৰত আক্ৰোশ মাৰ যোৱা নাছিল। প্ৰথমতে অৱশ্যে তেওঁলোকে মুখেৰে মিলি-জুলি চলিবলৈকে চেষ্টা কৰিছিল। আমাৰ সেই আত্মবিস্মৃতিৰ যুগত বহু অসমীয়া মানুহৰ মনতো এটা নীচাত্মিকা ভাবে দেখা দিছিল। আনকি গণ্যমান্য অসমীয়া ডাঙৰীয়াসকলৰ বহুতেও বঙলা ভাষা, বঙলা সাহিত্য, বঙলা নাট, বঙলা গান, বঙলা যাত্ৰা-অভিনয়, বঙালী আচাৰ-ব্যৱহাৰ, বঙালী সাজপাৰ আদি ভাল বুলি ভাবিছিল আৰু নিজৰবোৰৰ কিবা মূল্য আছে বুলি ভাবিবলৈ টান পাইছিল। কলিকতাত অ. ভা. উ. সা. সভাৰ সৃষ্টি হোৱাত বৃহত্তৰ বঙ্গবাসী সকলৰ গাৰ পোৰণি আগতকৈ বেছি হ'ল। এওঁলোকে আগতকৈও প্ৰৱলভাবে অসমীয়া ভাষা-সংস্কৃতিক নানা প্ৰকাৰে চেপি ৰাখিবলৈ চেষ্টা কৰিলে। কিন্তু কলিকতাৰ অ. ভা. উ. সা. সভাৰ সভ্য আৰু জোনাকী যুগৰ ধনুৰ্দ্ধৰ-সকলে অসমীয়া ভাষাক, অসমীয়া ভাষা সাহিত্যক সঞ্জীৱিত কৰিবলৈ প্ৰাণপণে কেউফালৰপৰা ৰণ দিলে। তেওঁলোকে ভাবিলে অসমত অসমীয়া ভাষাৰ নাটকৰ প্ৰচলন হলে অসমীয়া ভাষাৰ উন্নতিত বহুপ্ৰকাৰে সহায়ক হব। সেই উদ্দেশ্যে "ভ্ৰমৰঙ্গ" নাট ছপা কৰা হৈছিল। ছেক্সপীয়েৰৰ অমৰ নাট "কমেদি অৱ্ এৰৰচ্"-ক এই "ভ্ৰমৰঙ্গ" নাটলৈ ৰূপান্তৰিত কৰিছিল সেইসময়ৰ কলেজীয়া ছাত্ৰ

গুঞ্জানন বৰুৱা, ৰমাকান্ত বৰকাকতী, ৰত্নধৰ বৰুৱা আৰু ৺ঘনশ্যাম বৰুৱাই। সেই নাট তেতিয়া অসমৰ প্ৰায়বোৰ মঞ্চতে বৰ সৰবৰহী হৈ উঠিছিল। এই নাটৰ দ্বিতীয় তাঙৰণ কেইবছৰমান আগতে শ্বিলংৰ শ্ৰীযুত হৰিপ্ৰসাদ বৰুৱা ডাঙৰীয়াই ছপাই উলিয়াইছিল। কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ আৰু গোপালকৃষ্ণ দে এই তিনিজনে যুটীয়াভাৱে "সাবিত্ৰী-সত্যবান" নাট ৰচনা কৰিছিল। এই নাটো লুপ্ত হৈছে।

ওপৰত কোৱা হৈছে যে তেতিয়া সকলো ঠাইতে অস্থায়ী ৰঙ্গমঞ্চতহে অভিনয় কৰা হৈছিল। অসমৰ বিভিন্ন ঠাইত কেতিয়া কেনেকৈ স্থায়ী নাট্যমঞ্চ সজা হ'ল সেইবোৰ কথা গোটাব পাৰিলেও বহু উপাদেয় কাহিনী জনা যাব। দুই এটা এনে প্ৰসঙ্গ ইয়াত দিয়া হ'ল।

প্ৰথমতে যোৰহাটলৈকে যদি চকু দিওঁ তেন্তে দেখা যায় যে ১৮৯৩ কি ১৮৯৪ চনত যোৰহাটত প্ৰথমতে এটা অসমীয়া থিয়েটাৰ ঘৰ ( খেৰৰ ঘৰ ) বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্য আদি দুগৰাকীমান লোকৰ চেষ্টাত প্ৰতিষ্ঠিত হয়। বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্য ৰচিত "ৰমণী গাভৰু" আৰু "পাণ্ডৱ-পৰিচয়" তাত মহাসমাৰোহেৰে অভিনীত হৈছিল। এই নাট-ঘৰত বহুদিন অভিনয় হৈ আছিল। পিছত জয়চন্দ্ৰ মিত্ৰ ( ই, এ, চি, ) আহি অসমীয়া বঙালীৰ ভিতৰত মিলা-প্ৰীতি কৰিবৰ উদ্দেশ্যে সেই পুৰণি ঘৰটোকে ডাঙৰকৈ সাজি অসমীয়া বঙালী মিলি অভিনয় কৰাৰ দিহা কৰে (১৮৯৯-১৯০১)। বঙলা নাট আৰু অসমীয়া নাট দুয়োবিধেই তাত অভিনীত হৈছিল। অসমীয়া মানুহে বঙলা নাটকত আৰু বঙালী মানুহে অসমীয়া নাটকত ভাও লৈছিল। কিন্তু এইদৰে কিমান দিন থাকিব ? ফটা বাঁহ জোৰা নেলাগে। বঙালীবিলাক বেলেগ হৈ গ'ল। লাভৰ ভিতৰত অসমীয়া নাটঘৰটো স্থায়ী হ'ল।

নাট্যকাৰ শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা আৰু সাহিত্য-ৰত্ন শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা দেৱো যোৰহাট নাট্য-সমাজৰ লগত বিংশ শতিকাৰ প্ৰথম দশকলৈকে ওতঃপ্ৰোতভাৱে জড়িত আছিল।

এইখিনিতে উল্লেখ কৰিব পাৰি যে সেইকালৰ শিক্ষিতসকলৰ বহুতৰ মাজত ইংৰাজসকলৰ অনুকৰণত মদৰ প্ৰচলন হৈছিল। কিন্তু তেতিয়াৰ নাট্যসমাজৰ ভিতৰত সুৰাদেৱীয়ে প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল। একপ্ৰকাৰে সেইকালৰ নাট্যশিল্পীসকল কলা-লক্ষ্মীৰ সাধনাত এনেভাৱে ব্ৰতী হৈছিল যে তেওঁলোকে এনেবোৰ বস্তু নাটঘৰৰ চাৰি চাপৰ বাহিৰত ৰাখিছিল। তেতিয়া এবাৰ যোৰহাটৰ এখন অভিনয়ত মূৰামূৰি সময়ত শ্ৰীযুত ৰাধানাথ ফুকনদেৱে মদ খাই যোৱা কাৰণে এজন ডেকাক বাহিৰলৈ উলিয়াই দিছিল। সেই ডেকাজনৰ গাত তিৰোতাৰ ভাও আছিল। অগত্যা সেই নিশা ফুকনেই তেওঁৰ হৈ তিৰোতাৰ ভাও লৈ অভিনয় সম্পূৰ্ণ কৰিছিল। তেখেতৰ সেই অভিনয় চাই স্বৰ্গীয় ৰায়বাহাদুৰ জগন্নাথ বৰুৱাই ( বি, এ, জগন্নাথ ) পিছদিনা তেখেতক কৈছিল, "তুমি অলপ চাপৰ হোৱা হলে I would have fallen in love with you." কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়েও এইদৰে গুৱাহাটীৰ মঞ্চৰপৰা মদাহী শিল্পীক বাহিৰ কৰি দিছিল। এইবোৰ সজ আদৰ্শৰ কথা—সেইবাবেহে অপ্ৰাসঙ্গিক হলেও উল্লেখ কৰা হ'ল।

গুৱাহাটীত কিন্তু ৰমাকান্ত চৌধাৰীৰ দিনৰ পৰাই অভিনয় আৰম্ভ হৈছিল। স্থায়ী ঘৰ নথকাত স্বৰ্গীয় দুৰ্গানাথ বৰুৱাৰ হাউলিত (বৰ্ত্তমান শ্ৰীক্ষীৰদা বিষয়াৰ সৰস্বতী পূজা পতা ঠাইত),



নবীনচন্দ্ৰ বৰদলৈৰ ঘৰ, উজানবজাৰৰ বজাঘৰৰ হাউলি আদিত কেবাঠাইতো অস্থায়ী ভাবে গুৱাহাটীত নাট্যমঞ্চ আছিল। তাৰ পিছত ই লতাশিল খেলা-মাটিৰ ওচৰত বৰ্ত্তমানে শ্ৰীযুত জীতেন্দ্ৰনাথ বুজৰবৰুৱা থকা ঠাইলৈ স্থানান্তৰিত হয়। ১৮৯৭ চনৰ বৰ ভুঁইকঁপত ইয়াৰ পকীঘৰ ভাঙি পৰে। তাৰ পিছত নাট্যসমাজ আকৌ অথৰী হয়। কিছুদিন শুক্ৰেশ্বৰ ঘাটৰ ওচৰত থকা "আৰ্য্য নাট্যমঞ্চ"ত অসমীয়া আৰু বঙালী-সকলে মিলি-জুলি অভিনয় পাতিছিল। কিন্তু অলপ দিনৰ পিছতে সেই মঞ্চ বঙালীসকলৰ এদনীয়া সম্পত্তি হয়। তাৰ পিছতহে বৰ্ত্তমান থকা ঠাইত "কুমাৰ ভাস্কৰ নাট্যমন্দিৰ", "অসম ক্লাব" আৰু "কামৰূপ নাট্য সমিতি" আদি গঢ়ি উঠে। এতিয়া এই অসম ক্লাব নাই। কুমাৰ ভাস্কৰ নাট্য মন্দিৰ আৰু কামৰূপ নাট্য সমিতি আছে। শ্ৰীযুত ৰাধানাথ ফুকন দেৱৰপৰা জনা গৈছে যে তেখেতে কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ লগত লগ লাগি দুদিনৰ ভিতৰতে "জয়মতী" নাটক লিখিছিল আৰু সেই নাটকৰ সকলোবোৰ গান কৰ্ম্মবীৰ বৰদলৈয়ে ৰচনা কৰিছিল। ১৯০৩ চনত কাব্য-ভাৰতী শ্ৰীযুতা ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানীৰ স্বামী দুৰ্গানাথ বৰুৱাৰ প্ৰাঙ্গনত সেই অভিনয় পতা হৈছিল। কৰ্ম্মবীৰ বৰদলৈয়ে তাত নিজে গদাধৰৰ ভাও লৈছিল আৰু সেই অভিনয় বৰ সুন্দৰ হৈছিল। শ্ৰীযুত ৰাধানাথ ফুকন দেৱে নিজাকৈ "সাবিত্ৰী-সত্যবান" নামেৰে এখন নাট লিখিছিল আৰু সেই নাটকৰ অভিনয়ো হৈছিল। কিন্তু সি হাতেলিখা অৱস্থাতে লোপ পালে। কৰ্ম্মবীৰ বৰদলৈদেৱক পিছৰ জীৱনত আমি ঘাইকৈ ৰাজনৈতিক নেতা হিচাপে পালেও আগছোৱাত সাহিত্য, সঙ্গীত আৰু নাটকৰ প্ৰতিহে তেখেতৰ বিশেষ ধাউতি আছিল। তেখেতৰ "গৃহলক্ষ্মী" নাট ছপা হৈছিল আৰু এসময়ত বহুবাৰ অভিনয়ো হৈছিল। পিছৰ জীৱনতো তেখেতে একেবাৰে নাট্যমঞ্চৰপৰা ফালৰি কাটি যোৱা নাছিল। তেখেতৰ "কৃষ্ণলীলা" নামেৰে এখনি মধুৰ নাটক ছপা হৈ ওলাইছিল আৰু জেলৰ ভিতৰতে শ্বেক্সপীয়েৰৰ কেবাখনো নাট তেখেতে অসমীয়ালৈ ভাঙিছিল।

মঙ্গলদৈ, তেজপুৰ আদি ঠাইৰ নাট্যসমাজৰ জন্ম-কাহিনীও চমকপ্ৰদ। এইবোৰৰ লগত অসমীয়া বঙালী বিৰোধৰ বহু অপ্ৰিয় কাহিনী জড়িত হৈ আছে। ১৯০৪ চনত শ্ৰীযুত ৰাধানাথ ফুকনদেৱ মঙ্গলদৈলৈ ই, এ, চি, হৈ যায়। তাত স্থানীয় অসমীয়া ডেকা ৰজত বৰুৱা, গোলাপ ভূঞা আদিৰ সহযোগত তেখেতে অসমীয়া নাট-ঘৰ এটি প্ৰতিষ্ঠা কৰে। তেতিয়া অ, ভা, উ, সা, সভাৰ সভ্যসকলৰ এটা উদ্দেশ্য আছিল—এইদৰে যি যলৈকে যায় তাতে নাট্যসমাজ প্ৰতিষ্ঠা কৰি অসমীয়া সাহিত্যৰ উন্নতি সাধন কৰাতো। মঙ্গলদৈৰ সেই নাট্য-মঞ্চতে প্ৰথমে বৰদলৈৰ "জয়মতী", পদ্মম বৰুৱাৰ "পৰীক্ষিতৰ ব্ৰহ্মশাপ" আদি নাট অভিনয় হৈছিল। কিছুদিনৰ পিছত শ্ৰীযুত ফুকন তাৰপৰা তেজপুৰলৈ বদলি হৈ যায়। ৺বেণুধৰ ৰাজখোৱা ডাঙৰীয়াই নাটঘৰটোৰ সংস্কাৰ কৰি মঙ্গলদৈ চহৰত নাট্য-সমাজ আৰু নৃত্য-গীতৰ গুৰি ধৰে। তেখেতে তাত অসমীয়া নাটঘৰ সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰি অসমীয়া নাট্য চৰ্চ্চা, সাহিত্য চৰ্চ্চা আদি কৰা কাৰণে স্থানীয় বঙালী সকলৰ চকুৰ শূল যেন হ'ল। তেখেতৰ বিৰুদ্ধে বঙালী ডাৱোগাই তেজপুৰ জিলাধিপতিলৈ নানা প্ৰকাৰ লগনীয়া কথা লিখি পঠাবলৈ ধৰিলে। পুলিচৰ গোপনীয় ৰিপৰ্টত ৰাজখোৱাই অন্যায়ৰূপে ধন তুলি থিয়েটাৰ ঘৰ সাজি তাত সদায় গধূলি

বঙালীৰ বিৰুদ্ধে আলোচনা কৰে বুলি জনোৱা হৈছিল। কিন্তু শ্ৰীযুত ৰাধানাথ ফুকন তেজপুৰত গুৰিত থকা বাবে ৰাজখোৱা ডাঙৰীয়াৰ একো অনিষ্ট হ'বলৈ নেপালে ৰবং সেই টুটকীয়া পুলিচ বিষয়াজনহে মঙ্গলদৈৰপৰা বদলি হব লগীয়া হ'ল।

১৯০৬ কি ১৯০৭ চনত তেজপুৰত শ্ৰীযুত ৰাধানাথ ফুকন ই, এ, চি, আৰু পণ্ডিত হেমচন্দ্ৰ গোস্বামী চেটেলমেণ্ট অফিচাৰ হৈ আছিল। তেতিয়া তাত বঙালীসকলৰ মঞ্চ এটা আছিল; কিন্তু বঙালী আৰু অসমীয়াৰ মাজত সদ্ভাৱ বৰ কম আছিল। সেইবাৰ দুৰ্গোৎসৱত বঙালীসকলে অভিনয়ৰ আয়োজন কৰি নেতৃস্থানীয় অসমীয়া লোকসকলক তালৈ নিমন্ত্ৰণ কৰিছিল আৰু "কম্‌প্লিমেণ্টাৰী" টিকট দিছিল। যথাসময়ত সেই অভিনয় চাবলৈ শ্ৰীযুত ৰাধানাথ ফুকন, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, ভৱানী ভট্টাচাৰ্য্য, পদ্মনাথ গোহাঞি বৰুৱা, ৰামৰতন চৌধুৰী মৌজাদাৰ, মহীধৰ ভূঞা আদি গণ্যমান্য অসমীয়া কৰ্ম্মচাৰী সকল একেলগে অভিনয় চাবলৈ গৈছিল। দুখৰ বিষয় তেখেতসকল গৈ নাটঘৰত সোমাবলৈকে বাট পোৱা নাছিল। তেওঁলোকৰ ফালে বঙালী-সকলে দেখিও নেদেখাৰ ভাও জুৰিলে। কোনো-মতে ভিতৰলৈ সোমাই গৈও তেওঁলোকে বঙালী-সকলৰ পৰা ভাল ব্যৱহাৰ নাপালে। শ্ৰীযুত ফুকন সেইদিনা জিলাৰ চাৰ্জ্জত আছিল। সেইবাবে এজন বঙালী ইন্সপেক্টৰে চাৰিখনমান চকি আনি তেওঁ-লোকক একাষে বহিবলৈ দিলে। তলখাপৰ বঙালী কৰ্ম্মচাৰী সকল আগত ভেমজুৰি বহি আছিল। এই ঘটনাত সেই বিশিষ্ট অসমীয়া নিমন্ত্ৰিত লোকসকলে যথেষ্ট অপমান বোধ কৰিলে। পিছদিনা বাতিপুৱা ৰামৰতন মৌজাদাৰ আৰু দুজনমান ফুকনৰ ঘৰলৈ গৈ এটা অসমীয়া মঞ্চ ততালিকে স্থাপন কৰিব লাগে বুলি ফুকনক টানি ধৰিলে। মৌজাদাৰে তেতিয়াই তেখেতৰ হাতত ৫০০৲ টকা দিলে। ভৱানী ভট্টাচাৰ্য্যই মঞ্চৰ বাবে মাটি দান কৰিলে। নতুন মঞ্চৰ বাবে যেয়ে যেনেকৈ পাৰে দান আৰু সহায় আগবঢ়ালে। চাৰিওফালৰ পৰা ফুকনৰ হাতলৈ নাটঘৰৰ বাবে টকা আহিবলৈ ধৰিলে, এমাহমানৰ ভিতৰতে নাটঘৰ সম্পূৰ্ণ হৈ উঠিল। ইয়াৰ প্ৰধান উদ্যোগী আছিল তাৰিনীচৰণ ভট্টাচাৰ্য্য। হেম গোস্বামী, গোহাঞি বৰুৱা, ৰামৰতন চৌধুৰী আদিয়ে শ্ৰীযুত ফুকনৰ লগত নানাপ্ৰকাৰে সহায় সহযোগ কৰিছিল। পূজাৰ বন্ধত হোৱা এটি অশুভ ঘটনাৰ শুভ পৰিণতি স্বৰূপে পিছৰ বৰদিনৰ বন্ধত স্বকীয়া অসমীয়া মঞ্চত অসমীয়া নাট তেজপুৰত প্ৰথমবাৰ অভিনীত হৈছিল। এয়ে বিখ্যাত বাণমঞ্চৰ গুৰি কথা।

(৩) ইয়াৰ পিছত অসমীয়া নাট্য জগতৰ অৱস্থা ক্ৰমাৎ ভালৰ ফাললৈ আহিব ধৰিলে। বেজবৰুৱা, গোহাঞি বৰুৱা, দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা, বেণুধৰ ৰাজখোৱা প্ৰভৃতি নাট্যকাৰ সকলেও সেই সময়ত মূল নাটৰ যোগান ধৰি নাটঘৰবোৰ সঞ্জীৱিত কৰি তুলিলে। বেজবৰুৱাৰ "জয়মতী কুঁৱৰী", "বেলিমাৰ" আৰু "চক্ৰধ্বজ সিংহ" ঘটনাবহুল আৰু চৰিত্ৰবহুল হোৱাৰ কাৰণে সেই সময়ত মঞ্চত বিশেষ আদৰ পোৱা নাছিল—যদিও তেখেতৰ "লিতিকাই", "পাচনী" আদি মঞ্চত বিশেষভাবে সমাদৃত হৈছিল। অৱশ্যে তেতিয়াই তেখেতৰ "পদুম কুঁৱৰী" উপন্যাসে নাটকলৈ ৰূপান্তৰিত হৈ মঞ্চত যথেষ্ট সমাদৰ লাভ কৰিছিল। বহুবছৰৰ পিছতহে তেখেতৰ জীৱনৰ শেষ বয়সত "জয়মতী কুঁৱৰী"ক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে



বোলছবিত নকৈ গঢ়ি প্ৰাণ প্ৰতিষ্ঠা কৰে; মঞ্চতো ইয়াৰ সমাদৰ হয়। এই "জয়মতী কুঁৱৰী" নাট ( ১৯২৬ চনত ) ধুবুৰীত অসম সাহিত্য সভাৰ অধিবেশন উপলক্ষে সদৌ অসমৰ শিল্পীবৃন্দ মিলি মহাসমাৰোহেৰে অভিনয় কৰে। অভিনয়ত ভাও দিয়া কৃতী অভিনেতা শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰে গদাপাণিৰ ভাৱত আৰু শ্ৰীযুত প্ৰবোধ চন্দ্ৰ দাস ই, এ, চি,-য়ে ডালিমীৰ ভাৱত বিশেষ যশস্যা আৰ্জ্জিছিল। গোহাঞি বৰুৱাৰ "জয়মতী", "গদাধৰ", "সাধনী", "লাচিত বৰফুকন", "টেটোন তামুলী" আদি প্ৰায় আটাইকেইখন নাটেই—বিশেষকৈ "জয়মতী"য়ে অসমৰ ৰঙ্গমঞ্চত সুখ্যাতি আৰ্জ্জিব পাৰিছিল। শিৱসাগৰৰ দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ "মহৰী" আৰু "নিগ্ৰো"ৱে হাঁহিত অসমীয়া মানুহৰ পেটৰ নাড়ী ছিঙিবলগীয়া কৰিছিল। যোৰহাটত দেৱপ্ৰসাদ সৰ্ব্বাধিকাৰীৰ সভাপতিত্বত বহা অসম ছাত্ৰ সম্মিলনীৰ অধিবেশন উপলক্ষে পতা অভিনয়ত যিসকলে "মহৰী" অভিনয়ত ফক্স চাহাবৰ ভূমিকাত শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ আৰু মাকৰী মেমৰ ভূমিকাত শ্ৰীযুত মিত্ৰদেৱ মহন্তক দেখা পাইছে তেওঁলোকৰ মনৰ পৰা সেই অভিনয়ৰ ছবি আজিও মাৰ যোৱা নাই। সুখৰ বিষয় সেই সময়ৰ দুগৰাকী কৃতী নাট্যকাৰ এতিয়াও আমাৰ মাজত আছে। তাৰে এজন হৈছে যোৰহাটৰ শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়া। আৰব্য উপন্যাসৰ এটি সাধুৰ আলম লৈ লিখা তেখেতৰ "ভাগ্য পৰীক্ষা" আৰু "মেঘনাদ বধ" নাটক অতি কৃতকাৰ্য্যতাৰে বহু মঞ্চত অভিনীত হৈছিল। এই নাটকত বৰুৱাদেৱে নিজে যোৰহাটৰ অভিনয়ত মেঘনাদৰ ভাও লৈছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত বহা অসম ছাত্ৰ সম্মিলনৰ প্ৰথম অধিবেশন উপলক্ষে গুৱাহাটীত ল-কলেজৰ ছাত্ৰসকলে এই "ভাগ্য-পৰীক্ষা" নাট অভিনয় কৰিছিল। নগাঁৱৰ প্ৰখ্যাত অভিনেতা শ্ৰীযুত জগৎচন্দ্ৰ বেজবৰুৱাদেৱে পানীৰামৰ ভাও নি বেজবৰুৱা প্ৰমুখ্যে সকলো দৰ্শকক মুগ্ধ কৰি অভিনয় জীৱন্ত কৰি তুলিছিল। 'অঞ্জলী'ৰ কবি শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মাদেৱৰ "পাৰ্থ পৰাজয়", "চন্দ্ৰাৱলী", "বালীবধ" আৰু "পদ্মাৱতী" নাটকো অনেক ঠাইত অনেকবাৰ সফলতাৰে অভিনীত হৈছিল। যোৰহাটত হোৱা "পাৰ্থ পৰাজয়" অভিনয়ত তেখেতে শ্ৰীকৃষ্ণৰ ভাও লৈছিল। "চন্দ্ৰাৱলী" মহাকবি শ্বেক্সপীয়েৰৰ "এজ ইউ লাইক্ ইট্" নাটকৰ আৰু পদ্মাৱতী "চিম্বেলীন" নাটকৰ অসমীয়া ৰূপান্তৰ। পদ্মা-ৱতীৰ বাহিৰে বাকী তিনিখন নাটক ছপা হৈছিল। ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই "মূলা গাভৰু" নামেৰে এখন বুৰঞ্জীমূলক নাটক ছপাই উলিয়াই-ছিল। সন্দিকৈ ডাঙৰীয়া যোৰহাট নাট মন্দিৰৰ লগত জড়িত আছিল। নিজে ভাও নললেও তেখেতে অভিনয়ৰ আন কামৰ অংশ লৈছিল।

যোৰহাটৰ ৺ঘনকান্ত বৰুৱাদেৱে লিখা "উমা" নামেৰে এখনি সামাজিক নাটকেও আমাৰ মঞ্চবোৰত বিশেষ যশস্যা আৰ্জ্জিছিল। বঙলা "স্বৰ্ণলতা" নামৰ উপন্যাসৰ এছোৱাৰপৰা এই নাটৰ বিষয়বস্তু লোৱা হলেও বৰুৱাদেৱে নাটখনি এনেভাবে অসমীয়া ঠাচত ঢালিছিল যে কাহিনীটো এখনি সজীৱ অসমীয়াৰ ঘৰুৱা জীৱনৰ চিত্ৰ হৈ পৰিছিল। এই নাটৰ দেৱকান্তৰ ভূমিকাত শ্ৰীযুত জগৎচন্দ্ৰ বেজবৰুৱা আৰু ধূলিৰাম ওস্তাদৰ ভাৱত গুৱাহাটীৰ মীনকান্ত বৰদলৈয়ে বিশেষ পাৰ্গতালি দেখুৱাইছিল। ওস্তাদে চাহাবী ঠেঙা-টুপী পিন্ধি হনুমন্তৰ সাজেৰে সজ্জিত হৈ চোলাৰ ভিতৰৰপৰা ভীমকল উলিয়াই যেতিয়া "বোপা,

মেমনীয়ে কল খায়নে ? মেমনীৰ গা টেঙা টেঙা গোন্ধায়নে ?—আদি প্ৰশ্নেৰে দেৱকান্তক সম্ভাষণ জনাইছিল তেতিয়া দৰ্শকৰ শাৰীত বহি থকা ৰসৰাজ বেজবৰুৱা ( গুৱাহাটীত অসম সাহিত্য সভাৰ সভাপতি, ১৯২৪ চন ) প্ৰভৃতি দৰ্শকসকলে হাঁহি হাঁহি অপাৰ আনন্দ লাভ কৰাৰ কথা আজিও আমাৰ মনত আছে।

(৪) কেৱল নাট্যকাৰসকলেই নহয় আমাৰ বৰ্ত্তমান নাট্যজগতৰ সেই এমাডিমা অৱস্থাত যি সকল অভিনয়-শিল্পীয়ে কৃতিত্বপূৰ্ণ অভিনয় কৰি অসমীয়া নাট্যমঞ্চৰ সোণালী ভৱিষ্যতৰ সূচনা কৰিছিল সেইসকলৰ নামো আমি পাহৰিলে নচলিব। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে যেনেকৈ নিজ হাতে চিত্ৰপট আঁকি, বাদ্যযন্ত্ৰ তৈয়াৰ কৰি, গীত-মাত শিকাই, অভিনয় কৰি তেৰাৰ প্ৰথম নাট ‘চিহ্নযাত্ৰা’ৰ অভিনয় পাতিছিল ঠিক তেনেকৈ আমি উল্লেখ কৰা কালছোৱাত অসমীয়া নাট্যকাৰ আৰু অভিনয় শিল্পীসকলে নানা আলৈ-আথুকালৰ মাজেদি নাট্যমঞ্চ সাজি, নাট লিখি, গান গাই, ভাও দি একোখনি অভিনয়ৰ আয়োজন কৰি দেশত নতুন নাটকীয় পৰিৱেশ সৃষ্টি কৰি লবলগীয়া হৈছিল। তেতিয়াৰ অসমীয়া সমাজৰ গাঁথনিও আজিতকৈ বেলেগ আছিল। তেতিয়াৰ যুগত মানুহে গান-বাজনা শিকাটো ভাল মানুহৰ কথা বুলি ভৰা নাছিল। এনে এটা কাঁইটীয়া প্ৰতিকূল পৰিৱেশৰ মাজত অসমৰ বিভিন্ন ঠাইত যিসকল শিল্পীয়ে নাট-লক্ষ্মীৰ পাদপদ্মত ভক্তি-প্ৰদীপ জ্বলাই গ’ল সেইসকলৰ বহুতক আজি আমি পাহৰি পেলালো। ই নিশ্চয় পৰিতাপৰ কথা।

আজি কিছুমানদিন আগতে “নতুন অসমীয়া”ত অসমৰ কেইঠাই মানৰ নাট্যমঞ্চৰ ইতিবৃত্ত প্ৰকাশ হৈছিল। নগাঁও নাট্য সমাজৰ সোণালী জয়ন্তী উৎসৱত সেই নাট্যসমাজৰ ইতিবৃত্ত প্ৰকাশ হৈছিল। কিন্তু এতিয়াও গুৱাহাটী, যোৰহাট, তেজপুৰ, শ্বিলং, নাজিৰা, তিনচুকিয়া আদি অসমৰ বহুখন পুৰণি নাট্যসমাজৰ আৰু প্ৰতিভাসম্পন্ন অভিনয়-শিল্পীৰ জীৱন-কথা সংগৃহীত নোহোৱাটো দুখৰ কথা। দিন গৈ আহিছে মানে পুৰণি কথাৰ আঁত হেৰাবৰ উপক্ৰম হৈছে। অসমৰ বিখ্যাত স্বৰ্গগত অভিনেতা, গুৱাহাটীৰ কৃতী অভিনেতা ৰমাকান্ত চৌধাৰী, কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, পদুম বৰুৱা, ৰায়বাহাদুৰ কৃষ্ণচন্দ্ৰ চৌধুৰী, ৰূপেশ্বৰ বুজৰবৰুৱা, গোপালকৃষ্ণ দে, মীনকান্ত বৰদলৈ, ৰবিধৰ বৰুৱা, মোক্ষদা ভূঞা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, অধ্যাপক ৺বৰদাকান্ত শৰ্ম্মা, ডাঃ ভুবনেশ্বৰ বৰুৱা, যোগেশ্বৰ চক্ৰৱৰ্ত্তী, বদন শৰ্ম্মা, থানেশ্বৰ হাজৰিকা, ডিব্ৰুগড়ৰ ৰাধানাথ চাংকাকতী, ডাঃ উমেশ চন্দ্ৰ দাস, চাইফ্‌উদ্দিন আহমদ, তেজপুৰৰ বোধনাথ পটঙ্গীয়া, লোকনাথ শইকীয়া, ডাঃ কামিনীকান্ত দাস, বিষয়ৰাম মেধি, মাণিকচন্দ্ৰ শইকীয়া, জ্যোতিপ্ৰসাদ আগৰৱালা, মঙ্গলদৈৰ শৰৎচন্দ্ৰ বৰুৱা, শ্বিলঙৰ ভোলানাথ বৰুৱা, দিলীপ দাস, নগাৱঁৰ কমলানন্দ ভট্টাচাৰ্য্য, গোলাঘাটৰ গুণীন্দ্ৰ বৰুৱা, যোৰহাটৰ হৰিহৰ শৰ্ম্মা, ঘনকান্ত বৰুৱা, গণেশ গগৈ আদিৰ উপৰিও আমি নাম নজনা ভালেমান বিখ্যাত শিল্পীয়ে অসমৰ বিভিন্ন নাট্যমঞ্চত সুখ্যাতি আৰ্জ্জিছিল। সেই সকলৰ নাম আৰু কাম লাহে লাহে আমাৰ স্মৃতিপটৰপৰা আঁতৰি গৈছে।

সিদিনা অলপতে তেজপুৰ বাণমঞ্চৰ একেৰাহে ছকুৰি বছৰ সম্পাদকৰ বাবত থকা ৰাধিকাকান্ত দাস স্বৰ্গী হৈছে। তেখেতৰ মুখৰ পৰা কোনোবাই টুকি ৰাখিব পৰা হলে তেজপুৰ নাট্যসমাজৰ বহুত পুৰণি কথা জানিব পৰা গলহেঁতেন।



এতিয়াও আমাৰ মাজত কৃতী অভিনেতা শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, শ্ৰীযুত মিত্ৰদেৱ মহন্ত, শ্ৰীযুত জগতচন্দ্ৰ বেজবৰুৱা, শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰী, শ্ৰীযুত পদ্মনাথ চলিহা, ডাক্তৰ ললিত মোহন চৌধুৰী, শ্ৰীযুত ৰাধাগোবিন্দ বৰুৱা, শ্ৰীযুত মাণিকচন্দ্ৰ চৌধুৰী, ডাঃ শ্ৰীযুত প্ৰভাত চন্দ্ৰ দাস, শ্ৰীমহেন্দ্ৰ নাথ ডেকাফুকন, শ্ৰীযুত ব্ৰজনাথ শৰ্ম্মা, শ্ৰীযুত লক্ষ্মীনাথ ফুকন, শ্ৰীযুত শৈলেন্দ্ৰ কুমাৰ দত্ত, মঃ মুকল হক, শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ বৰুৱা আদি ভালেমান আমাৰ মাজত আছে। তেখেত সকলৰ অভিনয়-জীৱন সম্বলিত জীৱন-টোকা সংগৃহীত হলে অসমৰ নাট্যজগতৰ বিভিন্ন ঠাইৰ বহুত লাগতিয়াল কথাৰ সম্ভেদ ওলাব। বঙলা ভাষাত যেনেকৈ “বঙ্গীয় নাট্যমঞ্চৰ ইতিহাস” প্ৰণয়ন কৰা হৈছে, অসমতো তেনেকৈ অসমীয়া নাট্যমঞ্চৰ বুৰঞ্জী যুগুত কৰিবৰ সময় কেতিয়াবাই হৈছিল। আজিও অসম সঙ্গীত-নাটক একাডেমী, অসম সঙ্গীত-সম্মিলনী, অসম সাহিত্য সভা বা আন এনে কোনো প্ৰতিষ্ঠানৰপৰা এনে এখনি লাগতিয়াল মূল্যবান গ্ৰন্থ সংগৃহীত আৰু সম্পাদিত হৈ ওলাবনে ? এই বিষয়ে ইমানতে এৰি আমি আকৌ নাট্যমঞ্চৰ ভিতৰলৈ যাওঁ।

(৫) সময় যোৱাৰ লগে লগে অসমীয়া নাট্যমঞ্চৰো নতুন জীৱন কৃতকাৰ্য্যতাৰে আৰম্ভ হ’ল। কিন্তু মৌলিক অসমীয়া নাটৰ সংখ্যা কম হোৱাত আৰু যি কেইখন এনে নাট আছিল তাৰ দ্বাৰা দৰ্শকৰ হেপাহ নপলোৱাত অসমৰ সকলো নাট্যমঞ্চতে প্ৰচুৰ পৰিমাণে বঙলা নাটবোৰ অনুবাদিত হৈ চলিবলৈ ধৰিলে। সেই সময়ৰ তেনে কিছুমান জনপ্ৰিয় বঙলাৰপৰা অনুবাদিত হোৱা নাটক হৈছে—চন্দ্ৰগুপ্ত, চাজাহান, ৰাণা প্ৰতাপ, ৰাজীৱাও, সীতা, কৰ্ণাৰ্জ্জুন, কালাপাহাৰ, হিন্দুবীৰ, মোগল পাঠান, অহল্যাবাঈ আদি। ভাল অনুবাদিত নাটক অভিনয় হোৱাটো আমি দোষৰ কথা বুলি নাভাবো। কেৱল বঙলা ভাষাৰ পৰাই নহয়, সংস্কৃত, ইংৰাজী আৰু ভাৰতীয় আন আন ভাষাৰ ভাল নাটক আৰু আন কিতাপ আমাৰ ভাষালৈ অনুবাদিত হোৱাটো বাঞ্ছনীয়। কিন্তু সেই অনুবাদ নিভাঁজ আৰু হাড়ে-হিমজুৱে অসমীয়া হৈ আমাৰ আগত প্ৰকাশ পাব লাগে। তেনে অনুবাদ বিকৃত আৰু শব্দানুবাদ হব নালাগে। বঙলা গ্ৰন্থত থকা “ডয়েল পাখী” অসমীয়ালৈ “ডয়েল চৰাই” নহৈ দহিকতৰা চৰাই হৈহে অহা উচিত। কিন্তু সেইসময়ৰ বহুক্ষেত্ৰত অনুবাদবোৰ বৰ লৰালৰিকৈ আৰু জধে-মধে কৰা হৈছিল। সেইকাৰণে তাত বাৰে-বাঙ্কৰা ভাব আৰু ভাষাৰ প্ৰাচুৰ্য্য বেছি আছিল। তদুপৰি বান্দৰুৱা অনুকৰণ কেতিয়াও গ্ৰহণীয় নহয়। কিন্তু তেতিয়াৰ অভিনয়ত ভাব-ভাষাৰ উপৰিও বান্দৰুৱা অনুকৰণো অবাধে চলিছিল। বঙলা “সীতা” নাটকৰ অভিনয়ত প্ৰথম দৃশ্যতে বৈতালিকে শ্ৰীৰামচন্দ্ৰৰ আগত গীত গাব লাগে। কলিকতাৰ অভিনয়ত সেই বৈতালিকৰ ভাও লোৱা শ্ৰীকৃষ্ণচন্দ্ৰ দে অন্ধ হোৱাৰ কাৰণে তেওঁক ফুলনিৰ মাজৰ এঠাইত বহুৱাই থোৱা হয়। তাকে দেখি অসমৰ এজন চকু থকা বৈতালিকেও যদি ৰামৰ উদ্যানৰ এঠাইত থম্‌থম্ মদনগোপাল হৈ বহি থাকে তেন্তে তেনে কাৰ্য্যক বান্দৰুৱা অনুকৰণ বুলিব নোৱাৰিনে ? মুঠতে সেই নাটবোৰে আমাৰ ভাষা-সাহিত্যৰ ওপৰত বিজতৰীয়া প্ৰভাৱ পেলোৱাৰ উপৰিও অভিনয় কৰা ডেকাসকলৰ মনত এটা নীচাত্মিকা ভাব সৃষ্টি কৰিছে। তাৰ ফলত ৰাৱীৰ ঘাঁহে গোহালীৰ গৰুৱে ৰাহি নহাৰ নিচিনাকৈ তেওঁলোকৰ

মনত কোনো অসমীয়া মূল নাটকেই ভাল নলগা হৈছিল।

সুখৰ বিষয় এনে অৱস্থা বেছি দিন চলিবলৈ নাপালে। দেশৰ ডেকাসকলৰ মনলৈ আত্মচেতনা আৰু জাগৰণৰ ভাব আহিল। শোণিতপুৰৰ জ্যোতিপ্ৰসাদে ঘৰুৱা অসমীয়া গীত, মাত, নাচক নাটকত ঠাই দি "শোণিত কুঁৱৰী"ত চিত্ৰলেখাৰ "পদুমকলিৰ নাচ" দেখুৱালে। ৰূপকোঁৱৰে গছে গছে ফুলৰ শৰাই পাতি দিলে, নাগিনী ডালিমীয়ে লিহিৰিপতীয়া পৰ্ব্বতৰ ঢেঁকীয়াৰ লগত বোলছবিৰ পিঠিত নাচি দেখুৱালে। এই কালছোৱাতে অসমৰ নাট্যমঞ্চলৈ বহুজন কৃতী নাট্যকাৰে নতুন নতুন নাটক লিখি আমাৰ নাট্য-সাহিত্য ওপচাই পেলালে। তেজপুৰ, গুৱাহাটী, যোৰহাট, নগাওঁ, ডিব্ৰুগড় আদি ঠাইত ন-ন নাট্যকাৰ সৃষ্টি হ'ল। অসমৰ সকলো ঠাইতে অলেখ মৌলিক অসমীয়া নাট অভিনীত হ'ল। সেই নাটবোৰৰ বুজন সংখ্যা এটি এতিয়াও প্ৰকাশ নোহোৱাকৈ হাতেলিখা অৱস্থাতে আছে। তাৰে কিছুমান হৈছে জ্যোতিপ্ৰসাদ আগৰৱালাৰ শোণিত কুঁৱৰী, লভিতা, কাৰেঙৰ লিগিৰী, ৰূপালীম, জয়মতী আদি। শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাৰ বদন বৰফুকন, চন্দ্ৰকান্ত সিংহ, বিদ্ৰোহী মৰাণ আদি। শ্ৰীযুত ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ সিংহাসন, শ্ৰীবৎস চিন্তা, দক্ষযজ্ঞ আদি। শ্ৰীযুত মিত্ৰদেৱ মহন্তৰ নৰনাৰায়ণ, কুকুৰীকণাৰ আঠ-মঙলা, বিয়া-বিপৰ্য্যয়, অম্বা, ৰাম-বনবাস আদি। শ্ৰীযুত পদ্মধৰ চলিহাৰ অমৰলীলা, নিমন্ত্ৰণ, কেনে মজা। শ্ৰীযুত প্ৰসন্নলাল চৌধুৰীৰ নীলাম্বৰ, অপেশ্বৰী। শ্ৰীযুত লক্ষ্মীকান্ত দত্তৰ সংসাৰ-চিত্ৰ, মনোমতী আদি। ডাঃ ললিত মোহন চৌধুৰীৰ শঙ্কলাদিৰ। শেখৰচন্দ্ৰ দাসৰ লয়লা-পদুম। শ্ৰীযুত বেণুধৰ দাসৰ শ্ৰীবৎস-চিন্তা, নল-দময়ন্তী, যমদণ্ড আদি। শ্ৰীযুত মোহনলাল চৌধুৰীৰ মানৰ দিন। শ্ৰীযুত দৈৱচন্দ্ৰ তালুকদাৰৰ অসম প্ৰতিভা, শক্ৰদমন, বামুণী কোঁৱৰ, লহঙা আদি। শ্ৰীযুত শৈলধৰ ৰাজখোৱাৰ বিষ্ণুৱতী, ৰঞ্জিতা, দেৱযানী আদি। শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱাৰ পাৰ্থসাৰথি, শৰাইঘাট আদি। শ্ৰীযুত প্ৰভাত-চন্দ্ৰ শৰ্ম্মাৰ ৰাজনটী, উল্কা, আনাৰকলি আদি। ৺গণেশ গগৈৰ শকুনিৰ প্ৰতিশোধ, কাশ্মীৰ-কুমাৰী আদি। ৺বিষ্ণুচন্দ্ৰ গোস্বামীৰ কুবেৰ। শ্ৰীযুত প্ৰবীণ ফুকনৰ কাল-পৰিণয়, আসাম হলিউদ আদি। শ্ৰীযুত লক্ষ্যধৰ চৌধুৰীৰ আলিবাবা, বৰুকুমাৰ, বিষ্ণুশৰ্ম্মাৰ বিচাৰ আদি। ৺কমলানন্দ ভট্টাচাৰ্য্যৰ নগাকোঁৱৰ, মৰাণ-জীয়াৰী, অৱসান। শ্ৰীযুত আনন্দচন্দ্ৰ বৰুৱাৰ বিসৰ্জ্জন, বিজয়া, কমতা-কুঁৱৰী, দময়ন্তী আদি। শ্ৰীযুত অপূৰ্ব্বচন্দ্ৰ বৰদলৈৰ শ্ৰীবৎস-চিন্তা। শ্ৰীযুত কামাখ্যানাথ ঠাকুৰৰ বেউলা। ৺বদন শৰ্ম্মাৰ কুমাৰ-সম্ভৱ, সীতাহৰণ আদি। ডাঃ শ্ৰীযুত উমেশ চন্দ্ৰ শৰ্ম্মা বৰদলৈৰ পদুম কুঁৱৰী, হামিৰ সিংহ আদি। শ্ৰীযুত বিপিন চন্দ্ৰ বৰুৱাৰ বুদ্ধদেৱ, মেৱাৰ সন্ধ্যা আদি। শ্ৰীযুত অম্বিকা-প্ৰসাদ গোস্বামীৰ তাৰা। শ্ৰীযুত মহেন্দ্ৰনাথ গোস্বামীৰ মিলন-বিচ্ছেদ। দণ্ডিনাথ কলিতাৰ চিলাৰায়, অগ্নিপৰীক্ষা। কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈৰ লুইত-কোঁৱৰ, বাসন্তীৰ অভিষেক আদি। শ্ৰীযুত নাৰায়ণচন্দ্ৰ বৰুৱাৰ মায়ঙৰ মন্ত্ৰ। পজিৰুদ্দিন আহমদৰ গুলেনাৰ, সিন্ধু বিজয়। শ্ৰীযুত দুলাল-চন্দ্ৰ বৰঠাকুৰৰ মোহনমালা। শ্ৰীযুত জনাৰ্দ্দন ঠাকুৰৰ চাণক্য। শ্ৰীযুত তপেশ্বৰ শৰ্ম্মাৰ শিৱাজী, অজ্ঞাতবাস। বিষয়ৰাম মেধিৰ গুৰুভকত। শ্ৰীযুত সুৰেশচন্দ্ৰ গোস্বামীৰ কণুমী আদি।



বৃন্দাবন গোস্বামীৰ বিসৰ্জ্জন, পৰাচিত, ঠানুবাপু। শ্ৰীযুত বলৰাম পাঠকৰ লৱকুশ। শ্ৰীযুত দণ্ডিৰাম দত্তৰ উৰ্ব্বশী উদ্ধাৰ। শ্ৰীযুত শৈলেন্দ্ৰনাথ ফুকনৰ দক্ষযজ্ঞ। শ্ৰীযুত ধৈৰ্য্য দাসৰ স্বৰ্ণলঙ্কা। শ্ৰীযুত সত্যপ্ৰসাদ বৰুৱাৰ চাকৈ-চকোৱা। শ্ৰীযুত শুক্ৰেশ্বৰ বৰুৱাৰ সিংহাসন, নন্দ-দুলাল, চম্পাৱতী। শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাৰ নৰকাসুৰ, বেউলা, কনৌজ-কুঁৱৰী, কুৰুক্ষেত্ৰ, শ্ৰীৰামচন্দ্ৰ আদি।

(৬) ১৯৪৭ চনত দেশে স্বাধীনতা পোৱাৰ পিছত মানুহৰ চিন্তাধাৰাৰ সলনি হ'ল। দেশাত্ম-বোধক অভিনয়ৰ প্ৰতি বিশেষ আগ্ৰহ জন্মে। এই কালছোৱাত শ্ৰীযুত প্ৰবীণ ফুকনৰ মণিৰাম দেৱান আৰু নগাওঁ নাট্যসমাজৰ পিয়লী ফুকনে বিশেষ জনপ্ৰিয়তা অৰ্জ্জন কৰে। নগাওঁৰ নাট্য-সমাজে গুৱাহাটীতো তেওঁলোকৰ পিয়লী ফুকনৰ উৎকৃষ্ট অভিনয় কৰে। এনেদৰে বিভিন্ন নাট্য-সমাজবোৰৰ মাজত সাংস্কৃতিক ভাবৰ বিনিময় অভিনয়ৰ যোগেদি হোৱাটো বাঞ্ছনীয়। এই সময়তে সামাজিক আৰু সমস্যামূলক মনস্তাত্ত্বিক নাটকৰ প্ৰতিও দৰ্শকৰ আগ্ৰহ বাঢ়ে। মুঠতে এই কালছোৱাত প্ৰকাশ হোৱা আৰু হাতেলিখা অৱস্থাত থকা নাটকৰ সংখ্যা তাকৰ নহয়। তাৰেই কিছুমান হৈছে জ্যোতিপ্ৰসাদ আগৰৱালাৰ লভিতা। শ্ৰীযুত প্ৰবীণ ফুকনৰ লাচিত বৰফুকন। শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাৰ ছত্ৰপতি শিৱাজী, আহুতি, ৰুক্মিণীহৰণ আদি। শ্ৰীযুত ভবেন ঠাকুৰীয়াৰ গৰা-খহনীয়া। শ্ৰীযুত সাৰদা বৰদলৈৰ মগৰীৰ আজান, পহিলা তাৰিখ, এই বাটেদি। শ্ৰীযুত দুৰ্গেশ্বৰ বৰঠাকুৰৰ টেক্সি ড্ৰাইভাৰ। শ্ৰীযুত সৰ্ব্বেশ্বৰ চক্ৰৱৰ্ত্তীৰ অভিমান। শ্ৰীযুত অনিল চৌধুৰীৰ প্ৰতিবাদ। শ্ৰীযুত গিৰিশ চৌধুৰীৰ মীনাবজাৰ। শ্ৰীযুত মিহিৰ বৰুৱাৰ দাৰা। শ্ৰীযুত যুগল দাসৰ মীৰাবাঈ, ১৮৫৭ ছাল। শ্ৰীযুত সত্যপ্ৰসাদ বৰুৱাৰ শিখা, জ্যোতিৰেখা। শ্ৰীযুত কুমুদ বৰদলৈৰ গুদ্‌মৰ্ণিং ছাৰ আদি। শ্ৰীযুত সুৰেন্দ্ৰ শইকীয়াৰ লক্ষ্মণ, কৰ্ণ আদি। শ্ৰী অমৰেন্দ্ৰ পাঠকৰ ইন্টাৰভিউ।

ওপৰত যিমানখিনি নাটকৰ লেখ দিয়া হ'ল তাৰ সমানে বা তাতকৈ বেছি বুজন সংখ্যা এটা হিচাপত নপৰাকৈ ৰৈ গৈছে। মুঠতে বৰ্ত্তমান যুগত আদিৰে পৰা আজিলৈকে কমেও পাঁচশ নাটক ৰচিত হৈছে। তাৰে কিছুমান প্ৰকাশ হৈছে, কিছুমান হাতেলিখা অৱস্থাতে আছে আৰু কিছুমান প্ৰকাশ হোৱাৰ পিছত নাইবা প্ৰকাশ হোৱাৰ আগতে লুপ্ত হৈছে। ইয়াৰ ভিতৰত নিশ্চয় অভিনয়ৰ উপযোগী বাছকবনীয়া নাট ভালেখিনি ওলাব। তথাপি অৰ্থাৎ আমাৰ নাট-ভৰাল এনেদৰে চহকী হোৱা সত্বেও কোনো এখন নাট্যসমাজে অভিনয়ৰ বাবে নাট বাছিবৰ সময়ত আহুকলীয়া অৱস্থা এটাৰ সম্মুখীন হব লাগে কিয়? তেওঁলোকে ভাল নাটক বিচাৰি নাপায় কিয়? ইয়াৰ কাৰণে নাট্যকাৰসকলক নাইবা নাট্য-সমাজক জগৰীয়া কৰাটো উচিত নহয়। ইয়াৰ ঘাই কাৰণ হৈছে সকলোবোৰ ছপা হোৱা নাটক একে ঠাইতে পাব পৰা এখনি ডাঙৰ কিতাপৰ দোকানৰ অভাৱ। ছপা হোৱা কিতাপবোৰ সহজে বিতৰণ হব পৰা অৱস্থাতো এতিয়াও আমাৰ মাজত হৈ উঠা নাই। কিতাপ লিখিব পাৰি, ধাৰ ঋণ কৰি ছপাই উলিয়াবও পাৰি। কিন্তু ছপাই উলিয়ায়ো যদি উপযুক্ত আৰু সৎ পৰিবেশনৰ অভাৱত সেইবোৰ ঘৰতে নিগনি-পইতাচোৰাৰ খাদ্য হবলৈ এৰি দিবলগীয়া হয়, তেন্তে নাটকেই হওক বা আন কিতাপেই হওক, একমাত্ৰ দেশপ্ৰেমকে আশ্ৰয় কৰি গাঁঠিৰ ধন

ভাঙ্গি এনেদৰে গ্ৰন্থ প্ৰকাশ কৰিবলৈ কেইজনৰ আগ্ৰহ জন্মিব পাৰে ? আমাৰ অভিজ্ঞতাৰে কব পাৰো দেশত লিখোঁতা আছে, কিনোতাও আছে, কিন্তু ভাল বেচোঁতা নাই। তদুপৰি ভূতৰ ওপৰতে দানহ পৰাৰ নিচিনাকৈ চৰকাৰী ডাক-মাচুল অতিপাতভাৱে বৃদ্ধি পোৱাত ডাক-যোগে কিতাপ বেচা-কিনা কৰাটোৰো মুদা মৰিছে। সেইকাৰণে লিখক বা প্ৰকাশকসকলে এতিয়া তেওঁলোকৰ কিতাপ কোনো কিতাপৰ দোকানত অৰ্পণ কৰাৰ বাহিৰে আন উপায় নাই। এইবোৰ কাৰণত লাহে লাহে অসমীয়া গ্ৰন্থ প্ৰকাশৰ গতি মন্থৰ হৈ আহিছে। এই প্ৰসঙ্গ ইমানতে এৰা হ'ল।

( আগলৈ )

---

# "তীৰ্থ বুলি কৰে জলত শুদ্ধি"

**শ্ৰীপদ্মেশ্বৰ গগৈ**

শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনপুথিৰ পাষণ্ড-মৰ্দ্দনত বৈষ্ণৱ মত প্ৰকাশ কৰি লিখিছে—

শৰীৰ সৱক মই বোলে চিত্তে।
মনত কৰে পুত্ৰ ভাৰ্য্যা বিত্তে॥
তীৰ্থ বুলি কৰে জলত শুদ্ধি।
প্ৰতিমাত কৰে দেৱতা বুদ্ধি॥
বৈষ্ণৱত নাই ইসব মতি।
গৰুতো অধম কৃষ্ণ বদতি॥

দেখা যায় শ্ৰীশঙ্কৰদেৱে এই কথাখিনি শ্ৰীমদ্ভাগৱতৰ ১০ম স্কন্ধৰ ৮৪ অধ্যায়ৰপৰা প্ৰায় হুবহু অনুবাদ কৰি উক্ত ঠাইত সন্নিবিষ্ট কৰিছে। ভাগৱতত লিখিছে—

যস্যাত্মবুদ্ধিঃ কুণপে ত্ৰিধাতুকে স্বধীঃ কলত্ৰাদিষু
ভৌম ইজ্যধীঃ।
যত্তীৰ্থবুদ্ধিঃ সলিলে ন কৰ্হিচিজ্জনেষ্বভিজ্ঞেষু স
এৱ গোখৰঃ॥ ১৩॥

অৰ্থাৎ যাৰ বাত, পিত্ত আৰু শ্লেষ্মা এই তিনি ধাতুযুক্ত শতুল্য শৰীৰটোত আত্মবুদ্ধি, স্ত্ৰী-পুত্ৰাদিত আত্মীয়বুদ্ধি, ভূমিবিকাৰ প্ৰতিমাদিত দেৱতাবুদ্ধি আৰু জলত তীৰ্থবুদ্ধি আছে, অথচ অভিজ্ঞ অৰ্থাৎ তত্ত্বজ্ঞজনৰ প্ৰতি সেইৰূপ বুদ্ধি নাই, তেনেলোক গাধৰ তুল্য। উক্ত শ্লোকৰ 'অভিজ্ঞেষু'ৰ ঠাইত শ্ৰীশঙ্কৰদেৱে 'বৈষ্ণৱত' বুলি লিখিছে।

পাষণ্ড-মৰ্দ্দনৰ এই উদ্ধৃত পদৰ আলম লৈ অনেকে মত প্ৰকাশ কৰে যে শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম্ম বিশুদ্ধ ভাগৱতী ধৰ্ম্ম, ইয়াত তীৰ্থ কৰা আৰু মূৰ্ত্তিপূজা কৰা নিষেধ। যি বৈষ্ণৱ হৈ তীৰ্থ মানে আৰু প্ৰতিমা পূজা কৰে তাক ভাগৱতী ধৰ্ম্মমতে গৰুতো অধম বুলি স্বয়ং শ্ৰীকৃষ্ণই কৈছে। কেৱল পদৰ পংক্তিখিনিৰ বচনাৰ ওপৰত ভিত্তি কৰি কথাটো ব্যাখ্যা কৰিলে তেনেদৰে বুজাত ভুল ধৰিব নোৱাৰি। ভাগৱতৰ একে অধ্যায়ৰে আন এঠাইত লিখিছে—

নহ্যম্ময়ানি তীৰ্থানি ন দেৱা মৃচ্ছিলাময়াঃ।
তে পুণন্ত্যুৰুকালেন দৰ্শনাদেব সাধৱঃ॥ ১১॥



শ্ৰীমচ্ছুকদেৱকৃত সিদ্ধান্তপ্ৰদীপত ইয়াৰ ভাবাৰ্থ ব্যাখ্যা কৰি কৈছে "সাধৱো দৰ্শনাদেব পুনন্তি, অম্ময়ানি তীৰ্থানি দৰ্শনাৎ ন পুনন্তি, মৃচ্ছিলাময়া দেৱাশ্চ দৰ্শনাৎ ন পুনন্তি, কিন্তু উৰুকালেন পুনন্তি।" অৰ্থাৎ, সাধুসকলে দৰ্শনমাত্ৰকেই পৱিত্ৰ কৰে; জলময় তীৰ্থ বা মাটি বা শিলেৰে সজা দেৱতাই দৰ্শনমাত্ৰকেই ( জীৱক ) পৱিত্ৰ নকৰে; কিন্তু এনে তীৰ্থ বা দেৱতাই দীৰ্ঘকাল সেৱা কৰা জনক পৱিত্ৰ কৰে।

দেখা যায়, বৈষ্ণৱ শাস্ত্ৰত তীৰ্থ বা প্ৰতিমাত একেবাৰে মাহাত্ম্য নাই বুলি কোৱা হোৱা নাই, কেৱল তুলনামূলক ভাবে তীৰ্থ প্ৰতিমাদিতকৈ যে সাধু বা বৈষ্ণৱৰ মাহাত্ম্য অধিক তাকেহে বুজুৱা হৈছে; অৰ্থাৎ তত্ত্বজ্ঞ সাধুজনৰ প্ৰতি শ্ৰদ্ধা বা সেৱাই জীৱক যিমান শীঘ্ৰে পাপৰপৰা উদ্ধাৰ কৰিব পাৰে জলময় তীৰ্থ বা মৃন্ময় বা শিলাময় প্ৰতিমাই সিমান শীঘ্ৰে নোৱাৰে।

হৰিনামৰ মাহাত্ম্য প্ৰচাৰ বিষয়ত শ্ৰীশঙ্কৰদেৱক কোনো কোনো ক্ষেত্ৰত তাতোকৈয়ো উদাৰমত পোষণ কৰাহে দেখা যায়; যেনে—

স্বপূজে ভকতক মান্য নকৰে প্ৰাণীক।
একে প্ৰতিমাত মাত্ৰ আৰাধে হৰিক॥
সেইজন জানিবাহা প্ৰাকৃত ভকত।
আৰুঢ় হৈয়াছে তেহোঁ ভক্তিৰ পথত॥
অনুক্ৰমে উত্তম হৈবেক সিয়োজন।
একোমতে নোহে জানা নিন্দাৰ ভাজন॥

( নিমি-নৱসিদ্ধ সংবাদ )

ইয়াত 'গৰুতো অধম' জনকো ভক্তৰ শাৰীত ঠাই দিয়া হৈছে, অৰ্থাৎ হৰিভক্তক নিচিনি হৰি-প্ৰতিমাক আৰাধনা কৰা জনো ভক্তৰ শাৰীলৈ উঠে, যদিও ভক্তসকলৰ মাজত মধ্যম, উত্তম আদি স্তৰ থাকিব পাৰে।

শ্ৰীশঙ্কৰ বচিত 'উৰেষা বৰ্ণনত' তীৰ্থ আৰু প্ৰতিমাৰ মাহাত্ম্যৰ বিশেষভাবে উল্লেখ আছে।

উৰেষাৰ কীৰ্ত্তনক শুনিও লোকাই।
শঙ্কৰে বচিলা ব্ৰহ্ম পুৰাণক চাই॥

( উৰেষা বৰ্ণন, ১ম অঃ )

মালৱদেশৰ অৱন্তীপুৰীত মহাৰজা ইন্দ্ৰদ্যুম্নই "চিন্তন্ত সদায়ে নিদ্ৰাক এড়ি। কিমতে বিষ্ণুক দেখো সাক্ষাৎ। বিষ্ণুৰ প্ৰতিমা পাইবো কোথাত॥ কিমতে আৰে আৰাধিবো হৰি। প্ৰতিমা থাপো দোলে কেনে কৰি॥" এইদৰে বিষ্ণুৰ প্ৰতি আকৃষ্ট হোৱাত বিষ্ণুৰ কৃপাতে বিশ্বকৰ্ম্মাৰ সহায়ত কৃষ্ণ, বলভদ্ৰ আৰু সুভদ্ৰাৰ তিনিখনি কাঠৰ প্ৰতিমা কৰি উৰেষা পুৰীত ( বা বৰ্ত্তমান উৰিষ্যাৰ পুৰীত ) প্ৰতিষ্ঠা কৰিলে। এই প্ৰতিমা আৰু তীৰ্থৰ মাহাত্ম্য বৰ্ণাই কোৱা হৈছে যে—

"তাত দেখে যিজনে সুভদ্ৰা কৃষ্ণ ৰাম॥
সমস্ত পাতক তাৰ হোৱে মৰিমূৰ।
অন্তকালে মহাসুখে পাৱে বিষ্ণুপুৰ॥
উত্তৰাৰ্ক দক্ষিণাৰ্ক দিনা যিটো নৰে।
ৰাম কৃষ্ণ সুভদ্ৰাক দেখন্ত সাদৰে॥
প্ৰণাম কৰন্ত পড়ি হয়া শুদ্ধমতি।
সিয়ো বিষ্ণুলোকক আনন্দে কৰে গতি॥

*  *  *  *

বিষু দিনা বিধিমতে পঞ্চতীৰ্থ কৰি।
শুদ্ধমনে দেখায় সুভদ্ৰা ৰাম হৰি॥
সিয়োজনে সমস্ত যজ্ঞৰ ফল পাইব।
পাতক নিস্তাৰি বিষ্ণু ভুবনক যাইব॥

( উৰেষা বৰ্ণন, ২০ অঃ )

ইয়াত বাজেও কীৰ্ত্তনৰ আন আন ঠাইতো তীৰ্থাদিৰ মহিমা বৰ্ণনা কৰা দেখা যায়। কেৱল সেয়ে নহয়। চমক্‌প্ৰদ কথা হৈছে বৈষ্ণৱ মূৰ্ত্তি উপাসনাৰ ওপৰিও উৰেষা বৰ্ণনতে শিৱ লিঙ্গ

আৰু সুভদ্ৰা মূৰ্ত্তিক কাত্যায়নীৰূপে পূজামন্ত্ৰেৰে পূজা কৰিবলৈ দিয়া উপদেশ সন্নিবিষ্ট কৰাটো। উপদেশত কোৱা হৈছে যে "তিনি প্ৰদক্ষিণ কৰি, পূজি মূলমন্ত্ৰ পঢ়ি, শিৱৰ লিঙ্গক একমতি।··· শিৱৰ শৰীৰে লীন যাইব॥" আৰু "কমল-লোচনী, নমো কাত্যায়নী, কৰা মোক পবিত্ৰাণ। বলোৰ ভগিনী, সুভদ্ৰাক নমি, পাৱে বিষ্ণুলোকে স্থান॥" কাত্যায়নী সম্পৰ্কে ৰাধাতন্ত্ৰত কৈছে—

মথুৰা মণ্ডলং দেবি যত্ৰ গোবৰ্দ্ধনো গিৰিঃ।
তত্ৰ বৃন্দা মহামায়া দেবী কাত্যায়নী পৰা।
আস্তে সদা মহামায়া সততং শিৱসংযুতা॥ ৭
শিৱশক্তিময়ং দেবি মথুৰা ব্ৰজমণ্ডলং।

( পঞ্চমঃ পটলঃ )

অৰ্থাৎ, হে দেবি! মথুৰা মণ্ডল য'ত গোবৰ্দ্ধন পৰ্ব্বত আছে সেই ঠাইত শিৱসংযুক্তা মহামায়া বৃন্দাদেৱী কাত্যায়নীৰূপে সদায় বিৰাজ কৰিছে। হে দেৱি! মথুৰা আৰু ব্ৰজমণ্ডল শিৱ-শক্তিময়। এই সম্পৰ্কে বিশদ আলোচনা এই প্ৰৱন্ধত বাদ দিয়া গ'ল।

শ্ৰীশঙ্কৰদেৱে নিজেই টেমনি বৰদোৱাত কীৰ্ত্তন ঘৰ সাজি ভেটি তোলোঁতে কোবৰ চাবত পোৱা শিলৰ চতুৰ্ভূজ বিষ্ণুমূৰ্ত্তি এটি পাই সাত থলপীয়া সিংহাসনৰ ওপৰত স্থাপন কৰি লৈছিল। বেল-গুৰিত থাকোঁতে বেল কাঠৰ চতুৰ্ভূজ জগন্নাথ মূৰ্ত্তি সজাই স্থাপন কৰাই শ্ৰীশঙ্কৰদেৱে বিৰোধী মত-বাদীসকলৰ আগত সাধু বৈষ্ণৱৰ সৈতে তাৰ তুলনামূলক মাহাত্ম্য ব্যাখ্যা কৰিছিল। তদুপৰি শ্ৰীশঙ্কৰদেৱে নিজে লগত ভকত-সঙ্গী লৈ প্ৰথম-বাৰ বত্ৰিচ বছৰ বয়সত আৰু দ্বিতীয়বাৰ নব্বৈৰো ওপৰ বয়সত তীৰ্থভ্ৰমণ কৰি জীৱনৰ প্ৰায় তেৰ বছৰ কাল বাহিৰত কটাইছিল। গতিকে শঙ্কৰী ধৰ্ম্মোপদেশত তীৰ্থ বা মূৰ্ত্তি-পূজা নিষেধ বুলি পোৱা নাযায় আৰু শ্ৰীশঙ্কৰদেৱৰ নিজৰ কাৰ্য্যলৈ চালে ভাবিবও নোৱাৰি। কেৱল সেইবিলাকতকৈ যে হৰিনাম বা হৰিভক্তৰ মাহাত্ম্য অধিক তাকহে বুজাবলৈ চেষ্টা কৰা দেখা যায়।

নিৰ্গুণ চৈতন্য স্বৰূপৰ আৰাধনা অসম্ভৱ। এই হেতু বৈষ্ণৱ ভক্তসকলৰ আৰাধনাৰ সুবিধাৰ্থে পাৰ্থিৱ বস্তুৰেই সজা এটি বিশেষ ৰূপ থিয় কৰিব লগীয়া যে হৈছে তাক অবিশ্বাস কৰিবৰ উপায় নাই। মহাপুৰুষসকলৰ লিখনিতে সি প্ৰকাশ পাইছে; যেনে—

চৈতন্যস্বৰূপে ব্যাপী এক নিৰঞ্জন।
তোমাক বুলিবে দ্বৈত কোন অজ্ঞজন॥
নিশ্চল নিৰ্ম্মল সূক্ষ্মৰূপ যিটো স্বামী।
দেৱ নজানন্ত তাঙ্ক কেনে জানো আমি॥

( উৰেৱা বৰ্ণন, ৮ম অঃ)

অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিব তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৱস্থ মূৰ্ত্তিশূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন॥

( নামঘোষা, নমস্কাৰ)

উপনিষদ বা বেদান্তৰ 'অবাঙ্মনোঽগোচৰ' নিৰ্গুণ ব্ৰহ্ম বা চৈতন্যস্বৰূপক জগতৰ মূল কাৰণ বুলি ধৰিলে সকলো ঈশ্বৰ উপাসনাৰ পথ স্বভাৱতে ৰুদ্ধ হৈ পৰে। এনে অৱস্থাত নিৰ্গুণ চৈতন্যস্বৰূপ প্ৰাপ্তিৰ উপায় উদ্ভাৱন কৰাৰ বিষয়ত বিভিন্ন মতবাদৰ সৃষ্টি হোৱাটো স্বাভাৱিক। তাৰ ভিতৰত হয়তো কোনোৱে কেৱল 'নাম' আৰু কোনোৱে 'ৰূপো' দি সেই চৈতন্যস্বৰূপক প্ৰকাশ কৰিব খোজে। নাম-ৰূপাত্মক কৰি ঈশ্বৰক ভজনা কৰা যায়, কাৰণ নাম-ৰূপাত্মক বস্তুকেহে বাক্ আৰু মনেৰে বা ইন্দ্ৰিয়েৰে ঢুকি পোৱা যায় আৰু উপাস্য কৰি লব পাৰি। শ্ৰীশঙ্কৰদেৱেও কীৰ্ত্তনত নিজৰ



ভক্তসকলৰ সাধনাৰ্থে বিষ্ণু-মূৰ্ত্তিৰ বৰ্ণনা দি লিখিছে—

অপৰ তোমাৰ ৰূপ যাত ভুজ চাৰি।
পীত বস্ত্ৰে শোভে শঙ্খ চক্ৰ গদাধাৰী॥
পিন্ধি আছা ৰত্নৰ মুকুট আৰ হাৰ।
হিয়াত শ্ৰীবৎস গলে বনমালা যাৰ॥
সেহিসে মূৰ্ত্তিক আৰাধন্ত দেৱগণে।
তাকেসে ভকত জনে চিন্তে সৰ্ব্বক্ষণে॥

( উৰেষা বৰ্ণন, ৮ম অঃ )

এই ৰূপকেই কীৰ্ত্তনৰ "ধ্যান।বৰ্ণন"ত আৰু বিশদ ভাবে বৰ্ণাই বৈষ্ণৱ ভকতসকলক "স্থিৰ বুদ্ধি কৰি ভকতজনে। প্ৰত্যেক অঙ্গক চিন্তিব মনে॥ ····হেন মনোহৰ ৰূপ নিৰীক্ষি। থাকিব সমস্ত অঙ্গক দেখি॥ মস্তকৰপৰা পাদ পৰ্য্যন্তে। নমাইবে মনক চুনাই দেখন্তে॥" ইত্যাদি কথাৰে ভাবিবলৈ উপদেশ দিয়া হৈছে।

এইখিনিতে বিষ্ণু সম্পৰ্কীয় মূল কথাৰ সৈতে আমাৰ কিছু পৰিচয় হোৱা প্ৰাসঙ্গিক হব। ঋক্-বেদত সূৰ্য্যকেই যে বিষ্ণু বুলি কৈছে তাৰ আভাস পোৱা যায়।

"ইদং বিষ্ণুৰ্বিচক্ৰমে ত্ৰেধা নিদধে পদম্।
সমূঢ়মস্য পাংসুৰে।"— ( ঋ. সং ১।২২।১৭ )

বিষ্ণুৱে এই জগতত তিনিপদ বিক্ষেপ কৰিছিল; সমস্ত জগত তেওঁৰে পদ-ধূলাৰে ব্যাপ্ত হৈ আছে।

"ত্ৰীণি পদা বিচক্ৰমে বিষ্ণুৰ্গোপা অদাভ্যঃ।
অতো ধৰ্ম্মাণি ধাৰয়ন্।"— ( ঋ-সং ।১।২২।১৮ )

অদম্য আৰু জগতৰ পালক বিষ্ণুৱে ধৰ্ম্ম ৰক্ষা কৰি তিনি পদ বিক্ষেপ কৰিছিল।

নিৰুক্তকাৰ যাস্ক ঋষিয়ে এই দুই ঋকৰ ব্যাখ্যা কৰি কয়—'যদিদং কিঞ্চ তদ্বিচক্ৰমে বিষ্ণুঃ। ত্ৰিধা নিধত্তে পদং ত্ৰেধা ভাবায় পৃথিব্যামন্তৰিক্ষে দিবীতি শাকপূৰ্ণিঃ। সমাৰোহণে বিষ্ণুপদে গয়শিৰসী-ত্যোৰ্ণনাভঃ। —(নিৰুক্ত। ১২।১৯॥ ), অৰ্থাৎ বিষ্ণুৱে এই সমস্ত জগত পৰিক্ৰম কৰে। শাক-পূৰ্ণিয়ে কয় যে তেওঁ ( অৰ্থাৎ বিষ্ণুৱে ) তিনি প্ৰকাৰ ভাব ধাৰণ কৰিবলৈ ( বা তিনিটা বেলেগ বেলেগ ৰূপ লবলৈ ) পৃথিৱী, অন্তৰীক্ষ আৰু স্বৰ্গত তিনিবাৰ পদবিক্ষেপ কৰে। ঊৰ্ণনাভে কয় উদয়, মধ্যাকাশ আৰু অস্তযোৱা ঠাইত পদ বিক্ষেপ কৰে। দুৰ্গাচাৰ্য্যই নিৰুক্ত ভাষ্যত এই কথাখিনি আৰু বহল আৰু সুস্পষ্ট ভাবে ব্যাখ্যা কৰি "বিষ্ণুৰাদিত্যঃ" অৰ্থাৎ আদিত্যই বিষ্ণু বুলি পৰিচয় কৰি দিছে। ( ঋ-সং ।১০।৮৮।১০। ) বেদোক্ত আদিত্য-বিষ্ণু বলিক ছলনা কৰা পৌৰাণিক বামন-বিষ্ণু অৱশ্যে হব নোৱাৰে। মূলত কোনো অৱতাৰৰ প্ৰসঙ্গও নাই; তথাপি তাৰ আলম লৈয়েই পৌৰাণিক বিষ্ণুৰ বামন অৱতাৰৰ উপাখ্যান উদ্ভৱ হোৱা যেন বোধ হয়।

কথিত আছে যে যাজ্ঞবল্ক্যই ব্ৰহ্মাৰ ব্যক্ত বেদবিদ্যা বৈশম্পায়নক প্ৰত্যৰ্পণ কৰাৰ পাচত সূৰ্য্যক আৰাধনা কৰি সূৰ্য্যদেৱৰপৰা বেদবিদ্যা লাভ কৰিছিল যাক 'শুক্লযজুৰ্ব্বেদ' বোলা হয়। বেদৰ সাৰ আৰু অজ্ঞান-নিবৃত্তি আৰু ব্ৰহ্মপ্ৰাপ্তিৰ উপায় 'বেদান্ত' বা 'উপনিষৎ' এই শুক্লযজুৰ্ব্বেদীয় সংহিতা ভাগৰে অন্তৰ্গত এটি অংশমাত্ৰ আৰু তাক শেষৰ এক অধ্যায়ত অষ্টাদশ মন্ত্ৰেৰে আৰম্ভ কৰা হৈছে। তাৰে পঞ্চদশ মন্ত্ৰত সূৰ্য্যৰ ওচৰত ব্ৰহ্মলাভৰ প্ৰতিবন্ধক নিবাৰণৰ অৰ্থে প্ৰাৰ্থনা কৰা হৈছে আৰু ষোড়শ মন্ত্ৰত সূৰ্য্যৰ ওচৰত তেওঁৰ তেজঃ অপসাৰণ কৰি কল্যাণ-ৰূপ প্ৰদৰ্শনৰ অৰ্থে প্ৰাৰ্থনা কৰা হৈছে। এই সম্পৰ্কত গীতাৰ বিশ্বৰূপ দৰ্শন আৰু তাক ত্যাগ কৰিবলৈ কৰা অৰ্জ্জুনৰ প্ৰাৰ্থনা মন কৰিব লগীয়া। এই

উপাখ্যানেও সূৰ্য্য উপাসনাৰ প্ৰচলনৰ কাল সম্পৰ্কে ইঙ্গিত দিয়ে।

সূৰ্য্য জ্যোতিৰ্ম্ময় মহাশক্তি। সক্ৰিয় শক্তি তেজোময়, জ্যোতিৰ্ম্ময়; জ্যোতিৰ্ম্ময় পৰম-ব্ৰহ্ম। নিষ্ক্ৰিয় শক্তি গুণৰহিত। সকলো শক্তি আৰু সৃষ্টি-স্থিতিৰ মূল আদিত্য। এই শক্তিৰ দ্বাৰা জীৱ-জগত শক্তিমন্ত; ইয়াত বিনে জীৱ-জগত নিস্তেজ আৰু নিৰ্জ্জীৱ। জগতৰ সকলো ভূতৰ প্ৰত্যেক অণু-পৰমাণুত এই সূৰ্য্যৰ নিৰাকাৰ, নিৰঞ্জন চৈতন্য-শক্তি অনুপ্ৰৱিষ্ট। এই বাবেই বোধকৰো সূৰ্য্যক বিষ্ণু বোলে।

আত্মৰূপে জানা ইটো জগতক
আছন্ত হুয়া প্ৰবেশ।
এহি হেতুকেসে ঈশ্বৰক বিষ্ণু
বুলিয়া নাম বিশেষ॥ (নাম ঘোষা)

এই শক্তিয়েই সমস্ত ভৌতিক জগতৰ চৈতন্য, ই নহলে জড়। এই আদিত্য শক্তিয়েই নিজৰ সম্প্ৰসাৰণৰ দ্বাৰা ভৌতিক জগতত অগণন বিবিধ ৰূপত আত্মপ্ৰকাশ কৰিছে—'একোঽহং বহুস্যাম্' —আৰু ক্ষুদ্ৰ শক্তিবিলাকৰ বৃহত্তৰ শক্তিত বিলীন হোৱাৰ ক্ৰিয়াই লয় বা বিনাশ আৰু অনিত্যতাৰ ৰূপ লৈছে। ইয়াকো কল্পনা কৰা গৈছে যে এই পৃথিৱীৰ বাবে যি আদিত্য, যাৰ সম শক্তিমন্ত আৰু জ্যোতিষ্মান্ দ্বিতীয় নাই, তাৰো ওপৰত আদিত্য আছে। এই সূৰ্য্যই সূৰ্য্য নহয়, তাৰো ওপৰত মহাসূৰ্য্য বা মহাবিষ্ণু আছে। অনন্ত কোটি ব্ৰহ্মাণ্ডৰ অনন্ত কোটি সূৰ্য্য থাকিব পাৰে, কিন্তু সেই সকলোবিলাকেই এক মহাসূৰ্য্য বা মহাশক্তিৰে অংশ আৰু প্ৰত্যেক জীৱই সেই অংশৰে এক ক্ষুদ্ৰাংশ বা স্ফুলিঙ্গ।

প্ৰাচীন সভ্য জাতিবিলাকৰ প্ৰধান আৰাধ্য দেৱতা সূৰ্য্য। পাৰস্যৰ মিথ্ৰস্, ইজিপ্তৰ ৰা, গ্ৰীচৰ এপল' আদি বিভিন্ন ভাষাত সূৰ্য্য। মধ্য আমেৰিকা, দক্ষিণ আমেৰিকা, জাপান— এইবিলাক দেশৰ লোকেও সূৰ্য্যৰ উপাসনা কৰিছিল বা অনেকে আজিও কৰে। অতীজৰ কৃষি-প্ৰধান সভ্যতাবিলাকৰ লগত সূৰ্য্য-উপাসনা বিশেষভাৱে জড়িত আছিল। নিশ্চয় এই জাতিবিলাকে সূৰ্য্যৰ মহাশক্তিৰ বিষয়ে জ্ঞান পাইছিল।

ভাৰতৰ আদি বৈদিক যুগত আৰ্য্যবীৰ বা ক্ষত্ৰিয়সকলৰ কুলদেৱতা আছিল সূৰ্য্য। এই সূৰ্য্য-উপাসনা আৰ্য্যসকলে ভাৰত প্ৰৱেশ কৰাৰ বহুত আগৰেপৰা কৰি আহিছিল। বুৰঞ্জীবিদ্‌সকলে কয় যে খৃঃ পূঃ এহেজাৰ বছৰৰো অনেক পূৰ্ব্বে মিতান্নি বুলি এটা আৰ্য্য শাখাই টাইগ্ৰিস্ আৰু ইউফ্ৰেটিস্ নৈৰ উপত্যকা বেবীলনত (বৰ্ত্তমান ইৰাকত) এখন শক্তিশালী ৰাজ্য স্থাপন কৰিছিল। সেই সময়তে সেই ফালৰপৰা কেতবিলাক আৰ্য্যও আহি উত্তৰ ভাৰতত প্ৰৱেশ কৰেহি। উল্লেখযোগ্য যে এই আৰ্য্য-মিতান্নিবিলাকৰ প্ৰধান উপাস্য দেৱতা আছিল সূৰ্য্য, বৰুণ আৰু ইন্দ্ৰ, যিবিলাক ভাৰতলৈ অহা আৰ্য্যসকলৰো বৈদিক দেৱতা আছিল। বেবীলনত ৰাজত্ব কৰা মিতান্নিবিলাকৰ শেষ প্ৰতাপী ৰজা আছিল দোশৰত্ত (অৰ্থাৎ দশৰথ) যাৰ মৃত্যুৰ পাচত একপ্ৰকাৰ অৰাজকতাৰ সৃষ্টি হয় আৰু প্ৰায় খৃঃ পূঃ ১৩৬৭ ৰ সময়ত তাৰ আদিবাসী এচিৰীয় আৰু হিত্তাইটবিলাকৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি দলে দলে আৰ্য্য উত্তৰ ভাৰতৰ সিন্ধুনৈৰ উপত্যকাত সোমাইহি। এই যুদ্ধবিলাককে বেদৰ দেৱাসুৰৰ যুদ্ধ বুলি অনেক পণ্ডিতে অনুমান কৰে।

প্ৰাচীন আৰ্য্যবীৰ বা ক্ষত্ৰিয়সকলৰ কুলদেৱতা সূৰ্য্য বা বিষ্ণু-সূৰ্য্যৰ উপাসনা পৰৱৰ্ত্তী বৈদিক যুগত উপনিষদ আৰু দাৰ্শনিক চিন্তাধাৰাৰ প্ৰভাৱত



পৰি এক গভীৰ তাৎপৰ্য্যপূৰ্ণ অধ্যাত্মবিদ্যা বা ব্ৰহ্মবিদ্যাত পৰিণত হয় আৰু তাৰ লগত খাপ খোৱা 'বিষ্ণু' নাম আৰু বিষ্ণু মূৰ্ত্তিৰ প্ৰচলন বাঢ়ে। ভাৰতৰ প্ৰাচীন স্থাপত্যবিদ্যা আৰু শিল্প-কলা বিষয়ৰ লিখক হাভেলৰ মতে "the most ancient images of Surya, which are practically identical with those of Vishnu except for a slight variation of symbolism." *History of Aryan Rule in India* by E. B. Havell, p. 183 ) অৰ্থাৎ অতি প্ৰাচীন সূৰ্য্যমূৰ্ত্তিবিলাকৰ লগত বিষ্ণুমূৰ্ত্তিবিলাকৰ প্ৰায় হুবহু মিল দেখা যায়।

কোনো কোনো পণ্ডিতৰ মতে বৈষ্ণৱৰ ভক্তিবাদ প্ৰাচীন বীৰপূজাৰপৰা উদ্ভৱ হোৱা। এসময়ত আৰ্য্য-ক্ষত্ৰিয় সম্ৰাটসকলক বিষ্ণুৰ অৱতাৰ বা স্বয়ং বিষ্ণু বুলিয়েই প্ৰজাবৰ্গই জ্ঞান কৰিছিল। সেইবাবেই বিষ্ণুৰ কল্পিত মূৰ্ত্তিক অসাধাৰণ শক্তিৰ পৰিচায়ক স্বৰূপে শঙ্খ, চক্ৰ, গদা হাতত দি বীৰবেশে সজোৱা হৈছে। শিখৰযুক্ত বৈদিক ৰাজদুৰ্গ বা ৰাজগৃহৰ আহিত সজা বিষ্ণু মন্দিৰবিলাকেও তাৰেই সাক্ষ্য দিয়ে। আৰ্য্যপুৰী বা আৰ্য্য জনপদৰ কেন্দ্ৰস্থলত নিৰ্ম্মাণ কৰা ৰাজ-প্ৰাসাদ বিষ্ণুমন্দিৰ স্বৰূপ আৰু তাত বাস কৰা আৰ্য্য নৃপতি বিষ্ণু বা বিষ্ণুৰ অৱতাৰস্বৰূপ আছিল। এই ৰাজভক্তিৰ প্ৰতীক ক্ৰমে আৰ্য্য সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত ভাৰত আৰু বহিৰ্ভাৰতৰ দেশ বোৰতো সৃষ্টি হয়। উদাহৰণ স্বৰূপে, ভাৰতৰ অযোধ্যাৰ শ্ৰীৰামচন্দ্ৰ আৰু দ্বাৰকাৰ শ্ৰীকৃষ্ণ ক্ৰমে বিষ্ণুৰ অংশাৱতাৰ আৰু পূৰ্ণাৱতাৰ বুলি পৰিগণিত হয়। সেইদৰেই, কম্বোদিয়াৰ নয়টা শিখৰযুক্ত প্ৰসিদ্ধ আঙ্কৰ্ ওৱাটৰ মধ্যস্থলত বিৰাজ কৰা যিটো বিষ্ণুমন্দিৰ আছে তাত এটা গৰুড়বাহন সুৱৰ্ণৰ বিষ্ণু মূৰ্ত্তি আছে। এই বিষ্ণুমূৰ্ত্তি আচলতে বিষ্ণুৰূপে সেৱিত মধ্যযুগৰ প্ৰতাপী ক্মেৰ সম্ৰাট দ্বিতীয় সূৰ্য্যবৰ্ম্মণৰ (খৃঃ ১১১৩—৫০) প্ৰতিমূৰ্ত্তি। এই বিৰাট গাম্ভীৰ্য্যপূৰ্ণ ওৱাট বা মন্দিৰটো সম্ৰাটে তেওঁৰ মৃত্যুৰ পাচত তাক তেওঁৰ সমাধি-মন্দিৰ স্বৰূপে থৈ যাবলৈ সজাইছিল। একে শতাব্দীতে ৰাজত্ব কৰা যৱদ্বীপৰ কেদিৰি ৰাজ্যৰ ৰজাসকলক সেই দেশত বিষ্ণুৰ অৱতাৰ বুলি জ্ঞান কৰা হৈছিল।

বিষ্ণুবাচক বিভিন্ন নামবিলাকো তাৎপৰ্য্যপূৰ্ণ। অনেক নামৰ ভিতৰত 'নাৰায়ণ', 'হৰি', 'বাসুদেৱ' আৰু 'কৃষ্ণ' এই চাৰিটাৰ বিষয়ে যৎকিঞ্চিৎ অনুসন্ধান কৰি চোৱাটো উচিত হব। বৈষ্ণৱ শাস্ত্ৰত এই নাম কেইটাৰ ইতিবৃত্ত বিভিন্ন প্ৰসঙ্গত পোৱা যায়। সেইবিলাকৰ বহল আলোচনাৰ বাবে সুকীয়া প্ৰবন্ধৰ আৱশ্যক হব। আমাৰ মহাপুৰুষসকলে তাক এই দৰে বুজাইছে—

পৰম ঈশ্বৰ স্বৰূপে জীৱৰ
আছন্ত হুয়া আশ্ৰয়।
এতেকেসে তাঙ্ক বুলি নাৰায়ণ
নামৰ দিবা অন্বয়॥
* * * *
স্মৰণ মাত্ৰকে যিহেতু দুৰ্ঘোৰ
সংসাৰ দুঃখ হৰয়।
এহি হেতুতেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত॥
* * * *
জগতত কৰি আছন্ত নিবাস
জগতে তাতে বসয়।
এতেকেসে তাঙ্ক বুলি বাসুদেৱ
নামৰ ইটো অন্বয়॥
* * * *
কৃষ্ হেন শব্দ ইটো পৃথিবী বাচক ভৈল
ণ আনন্দত প্ৰৱৰ্ত্তয়।
দুইৰ এক পদ ভৈল পৰমব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়॥ (নাম-ঘোষা)

চৈতন্যস্বৰূপে স্বয়ং নিৰ্গুণ হৈয়ো ভূত জগতত অনুপ্ৰৱেশ কৰি বিবিধ গুনৰাশিৰ সৃষ্টি কৰিছে আৰু সেই গুণানুসৰিয়েই তেওঁ ভিন্ ভিন্ নাম পাইছে। ঘোষাত উল্লেখ কৰা প্ৰত্যেকটো নামো গুণবাচক। 'বাসুদেৱ' নামো 'বসুদেৱসুতং কৃষ্ণং' এই অৰ্থত ইয়াত দিয়া হোৱা নাই। মহাভাৰতৰ শান্তি পৰ্ব্বত নাৰদৰ নৰ-নাৰায়ণ দৰ্শন বৃত্তান্তত বাসুদেৱ, কৃষ্ণ আৰু হৰি স্বয়ং নাৰায়ণে নিজৰে ভিন্ ভিন্ ব্যূহ বুলি কৈছে। সমস্ত জগতব্যাপী যি পৰমাত্মা সিয়েই বাসুদেৱ। আজিৰ যি ভাগৱতী ধৰ্ম্ম তাক আদিতে নাৰদে জগৎপতি স্বয়ং নাৰায়ণৰপৰা পাইছিল। এই ধৰ্ম্মই ঐকান্তিক বা এক-ঈশ্বৰ-বাদী ধৰ্ম্ম। এই ধৰ্ম্মকে বৃষ্ণিবংশী সাত্বতসকলে প্ৰৱৰ্ত্তন কৰিছিল আৰু কুৰুক্ষেত্ৰত শ্ৰীকৃষ্ণই অৰ্জ্জুনক স্পষ্টকৈ কৈছিল। উপনিষদৰ যুগত যি স্বাধীন চিন্তা আৰু ধৰ্ম্ম-বিপ্লৱৰ প্ৰৱাহ জাগিছিল তাত ক্ষত্ৰিয়কুলে প্ৰধান অংশ গ্ৰহণ কৰিছিল। তাৰ ফলত উত্তৰ-পছিম ভাৰতত ভাগৱত ধৰ্ম্ম আৰু পূৰ্ব্ব ভাৰতত বৌদ্ধ আৰু জৈন ধৰ্ম্মৰ সৃষ্টি হয়। তাৰ যুক্তি আৰু প্ৰভাৱৰ হেঁচাত ক্ৰিয়াবহুল বৈদিক যাগ-যজ্ঞাদি স্থানচ্যুত হয়।

পুৰাণত 'নাৰায়ণ' অৰ্থে বিষ্ণুকেই বুজায়, কিন্তু প্ৰাচীনতৰ গ্ৰন্থত ব্ৰহ্মাক হে নাৰায়ণ বুলিছিল। ব্ৰহ্মাক কিয় নাৰায়ণ বোলে তাক ব্যাখ্যা কৰি মনুসংহিতাত কৈছে—"আপো নাৰা ইতি প্ৰোক্তা আপোবৈ নৰসূণবঃ। তা যদস্যায়নং পুৰ্ব্বং তেন নাৰায়ণঃ স্মৃতঃ"—( ১।১০। ) অৰ্থাৎ আপ্ বা জল নৰৰ অৰ্থাৎ পৰমাত্মাৰ অপত্য-স্বৰূপ, এই নিমিত্তে জলক নৰৰ অপত্যাৰ্থে নাৰা বোলা হৈছে। পূৰ্ব্বে ব্ৰহ্মা সেই নাৰাক আশ্ৰয় কৰি অৱস্থিত আছিল বাবে তেওঁক নাৰায়ণ বোলে। আনমতে ব্ৰহ্মা জলশায়ী বাবে নাৰায়ণ। সেই অৰ্থতে পিচৰ যুগত বিষ্ণুক নাৰায়ণ বোলা হৈছে আৰু নাৰায়ণৰ মুখৰপৰা ভাগৱত ধৰ্ম্ম ব্যক্ত হয় বুলিও কোৱা হৈছে। পুৰাণতকৈ প্ৰাচীনতৰ গ্ৰন্থত নাৰায়ণৰ মৎস্য-কুৰ্ম্মাদি অৱতাৰবিলাকো ব্ৰহ্মাৰ বুলিহে বৰ্ণিত। পৰবৰ্ত্তী কালত ব্ৰহ্মাৰ ঠাই বিষ্ণুৱে লয়।

আৰ, জি, ভাণ্ডাৰকাৰৰ মতে 'বাসুদেৱ' বৃষ্ণি নাম, কিন্তু 'কৃষ্ণ' বৃষ্ণি নাম হোৱাটো বিশ্বাস নহয়। তাৰ আগত বাসুদেৱৰ উপাসনাহে প্ৰচলিত আছিল, কাৰণ প্ৰাচীন বৌদ্ধ পালি শাস্ত্ৰ 'নিদ্দেশ' আৰু এতিয়ালৈকে আৱিষ্কৃত পুৰণি লিপি বিলাকত কেৱল বাসুদেৱ নামহে পোৱা যায়, কৃষ্ণ নাম নাই। কৃষ্ণ, জনাৰ্দ্দন, কেশৱ আদি নামেৰে বাসুদেৱক উপাসনা কৰাটো বাসুদেৱ-ধৰ্ম্ম বহুল ভাৱে বিস্তাৰিত হোৱাৰ পাচত হে উদ্ভৱ হয়। ( *Vaisnavism, Saivism and Minor Religious Systems*, pp. 9—11 দ্ৰষ্টব্য ) অৱশ্যে ললিত-বিস্তৰ নামৰ বুদ্ধ-চৰিতত ইন্দ্ৰ, চন্দ্ৰ, সূৰ্য্য, কুবেৰ, ৰুদ্ৰাদি দেৱৰ লগত কৃষ্ণ নামৰ উল্লেখ পোৱা যায়। ( ললিত-বিস্তৰ। ১১ অঃ। )

. প্ৰথম মৌৰ্য্যযুগত উত্তৰ ভাৰতত বাসুদেৱ কৃষ্ণৰ উপাসনাৰ প্ৰচলন থকা পোৱা যায়। নিশ্চয় সি তাৰো আগৰেপৰা ভাৰতত আছিল আৰু তাৰ উৎপত্তি পূৱ ভাৰতত বৌদ্ধ ধৰ্ম্মৰ উৎপত্তিৰ ওচৰা-ওচৰি সময়তে হৈছে। কিন্তু চীনা পৰিব্ৰাজক ফাহিয়ান (৫ম খৃঃ ) আৰু হিয়েনছাঙৰ ( ৭ম খৃঃ ) ভাৰতভ্ৰমণৰ কালত মথুৰা আদি ঠাইত অনেক বৌদ্ধ বিহাৰ আৰু হেজাৰ হেজাৰ বৌদ্ধ ভিক্ষুৰে-সৈতে বৌদ্ধ ধৰ্ম্মৰহে প্ৰাদুৰ্ভাৱ আছিল। তাৰ আগত খৃঃ দ্বিতীয় শতাব্দীৰ খোদিত লিপিত আৰু খৃঃ চতুৰ্থ শতাব্দীৰ গুৰ্জ্জৰবংশী নৃপতিবিশেষৰ খোদিত লিপিত কৃষ্ণ প্ৰসঙ্গ পোৱা গৈছে।



অনুমান কৰিব পাৰি যে সেই সময়ত বাসুদেৱ কৃষ্ণৰ উপাসনা চলি আছিল।

পাণিনিসূত্ৰৰ মহাভাষ্য লিখক পতঞ্জলিৰ সময়ত ( খৃঃ পূঃ ২য় শতাব্দীত ), সম্ভৱতঃ তাৰো আগৰেপৰা, হিন্দু সমাজত কৃষ্ণোপাখ্যান প্ৰচলিত থকাৰ প্ৰমাণ পোৱা যায়; আনকি তাত সেই কালত বাসুদেৱ-কৃষ্ণৰ উপাসনা প্ৰচলিত থকাৰো ইঙ্গিত আছে। যেনে—"জঘান কংসং কিল বাসুদেৱঃ" ( পাণিনি ৩।২।১১১ সূত্ৰৰ ভাষ্য ) অৰ্থাৎ বাসুদেৱে কংসক বধ কৰিলে যে সি নিশ্চিত। "অসাধুৰ্মাতুলে কৃষ্ণ"—( পাণিনি ২।৩।৩৬ সূত্ৰৰ ভাষ্য ) অৰ্থাৎ, কৃষ্ণৰ মোমায়েকৰ প্ৰতি সদ্ভাৱ নাছিল। পতঞ্জলিয়ে বাসুদেৱ নাম সম্পৰ্কে আন এঠাইত কৈছে "অথবা নৈষা ক্ষত্ৰিয়াখ্যা সংজ্ঞৈষা তত্ৰ ভগৱতঃ।" অৰ্থাৎ, অথবা ই ( অৰ্থাৎ বাসুদেৱ নামটো ) ক্ষত্ৰিয়ৰ নাম নহয়, ই ভগৱানৰ নাম।

বিষ্ণুৰ পূৰ্ণাৱতাৰ বা ভাগৱতৰ "কৃষ্ণস্তু ভগৱান্ স্বয়ং" এই দৃষ্টিৰপৰা বিচাৰি চালে বেদত শ্ৰীকৃষ্ণ প্ৰসঙ্গ পোৱা নাযায় বুলি বেদজ্ঞ পণ্ডিতসকলে কয়। কেৱল অপ্ৰাচীন উপনিষদতহে কৃষ্ণ নামৰ যৎকিঞ্চিৎ উল্লেখ আছে, সিয়ো পূৰ্ণ ভগৱান বুলি নহয়। যেনে, ছান্দোগ্য উপনিষদত কৈছে "তদ্বৈতদ্ ঘোৰ আঙ্গিৰসঃ কৃষ্ণায় দেৱকীপুত্ৰায়োক্ত্বোবাচ। অপিপাস এৱ স বভূৱ।" অৰ্থাৎ আঙ্গিৰাৰ বংশোদ্ভৱ ঘোৰ ঋষিয়ে দেৱকী-পুত্ৰ কৃষ্ণক উপদেশ দি কলে। তেওঁ শুনি পিপাসা বা কামনা ৰহিত হ'ল। বিষ্ণু-প্ৰধান বিষ্ণু পুৰাণত কৃষ্ণক বিষ্ণুৰ অংশৰো অংশ মাত্ৰ ( 'বিষ্ণোৰংশাংশ ৫।১।৪।১ ) বুলিহে কৈছে। সেই অংশনো কি তাক বিষ্ণু পুৰাণৰে আন এঠাইত লিখিছে—"তস্যায়মষ্টমো গৰ্ভো মৎকেশো ভৱিতা"—( ৫।১।৬৩।৬৪॥ ) অৰ্থাৎ, কৃষ্ণ বিষ্ণুৰ কেশ এগছি মাত্ৰ, বসুদেৱৰ পত্নী দেৱকীৰ অষ্টম গৰ্ভত জন্মগ্ৰহণ কৰি কংস বধ কৰিব।

কোনো কোনো পণ্ডিতৰ মতে ক্ষত্ৰিয় বৃষ্ণি-বংশী বাসুদেৱে কৃষ্ণ নাম পোৱাৰ গুৰিত কাষ্ণ্যায়ণ গোত্ৰ। কাষ্ণ্যায়ণ গোত্ৰ ঋগ্বৈদিক ঋষি কৃষ্ণৰপৰা সৃষ্ট হৈছে। অশ্বলায়নৰ মতে যজ্ঞাদিত ক্ষত্ৰিয়ই নিজৰ পুৰোহিতৰ গোত্ৰ আৰু পুৰোহিতৰ পূৰ্ব্বপুৰুষসকলৰ নামকে স্বগোত্ৰ আৰু স্বপূৰ্ব্বপুৰুষ বুলি উচ্চাৰণ কৰিব পাৰে। সেই মতে বাসুদেৱ কাষ্ণ্যায়ণ গোত্ৰৰ, যদিও সি ব্ৰাহ্মণ গোত্ৰ। ঋষি কৃষ্ণ গোত্ৰৰ বুলি ধৰি লৈয়েই বোধকৰো সভা পৰ্ব্বত কৃষ্ণক সৰ্ব্বোচ্চ সম্মান প্ৰদৰ্শন কৰাৰ কাৰণ দেখুৱাই ভীষ্মই কৈছিল যে কৃষ্ণ কেৱল সকলো বেদ-বেদাঙ্গৰ জ্ঞানসম্পন্ন লোকেই নহয়, তেওঁ এজন ঋত্বিজো, অৰ্থাৎ ভীষ্মই বৈদিক কৃষ্ণ আৰু কাষ্ণ্যায়ণ গোত্ৰ ঋষিকুলৰ সকলো শাস্ত্ৰ-জ্ঞান আৰু ব্ৰাহ্মণ্য ধৰ্ম্ম কৃষ্ণত আৰোপ কৰিছিল। ( R. G. Bhandarkar, ibid p. 12 দ্ৰষ্টব্য ) এই বাসুদেৱ-কৃষ্ণকে ভাগৱতত 'সাত্বতৰ্ষভ' অৰ্থাৎ সাত্বত শ্ৰেষ্ঠ বা যদু শ্ৰেষ্ঠ বুলি কৈছে ( ১০ম।৫৮।৪২॥ ) এই সাত্বতসকলৰ উপাসনা বিধি সেই যুগৰ চলিত বেদৰ কৰ্ম্মকাণ্ডী নীতি-নিয়মৰপৰা সম্পূৰ্ণ বেলেগ। পূৰ্ব্বে পঞ্চৰাত্ৰ সংহিতাবিলাকতে এই উপাসনা পদ্ধতি বৰ্ণিত হৈছিল।

এই উপাসনা প্ৰণালীত পশুবলি বিধান নাই, ই সম্পূৰ্ণ অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত একান্ত ধৰ্ম্ম। একমাত্ৰ জগৎ-কৰ্ত্তা হৰি একনিষ্ঠ ভক্তিতহে তুষ্ট হয়। দেবাদিদেৱ হৰিক হিংসামূলক ধৰ্ম্মানুষ্ঠানৰ দ্বাৰা কোনেও লাভ কৰিব নোৱাৰে। এই বিষয়ত এই নতুন সংস্কৃত ধৰ্ম্ম যি ভাগৱত ধৰ্ম্ম হিচাবে কালক্ৰমত প্ৰসিদ্ধি লাভ কৰিছে—তাতোকৈয়ো বৈপ্লৱিক বৌদ্ধ ধৰ্ম্মৰ লগত অনেক

দূৰ মিলে। খৃঃ পূঃ দ্বিতীয় শতাব্দীৰ আগ ভাগত এই সাত্বত বা বাসুদেৱ ধৰ্ম্মৰ উপাসক মণ্ডলীক ভাগৱত বোলা হৈছিল। ডাঃ আৰ, জি, ভাণ্ডাৰকাৰৰ মতে এই ভাগৱত ধৰ্ম্ম ভাৰতৰ উত্তৰ-পশ্চিমাংশত বা তাৰ সমীপস্থ দেশত থকা গ্ৰীক্‌বিলাকেও গ্ৰহণ কৰিছিল। ( ibid p. 4 )

ভাগৱত আৰু ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত শ্ৰীকৃষ্ণক স্বয়ং বিষ্ণু বা ভগবান্ বুলি বৰ্ণনা কৰা হৈছে যেনে—“কৃষ্ণস্তু ভগবান্ স্বয়ং” ( ভাগৱত। ১ স্কন্ধ। ৩য় অঃ ২৮ শ্লোক॥ ) কৃষ্ণই এই স্থান আগতে পোৱা নাছিল। আনকি মহাভাৰতৰ যুগতো কৃষ্ণক সকলোৱে গ্ৰাহ্য কৰা নাছিল। এই সম্পৰ্কে শিশুপালৰ বিৰোধিতা বিশেষকৈ উল্লেখযোগ্য। আনকি সখিয়েক অৰ্জ্জুনেও নাজানিছিল যে কৃষ্ণই বিষ্ণু বা নাৰায়ণ। শ্ৰীকৃষ্ণৰ বিশ্বৰূপ দেখিহে তেওঁৰ কৃষ্ণ সম্বন্ধে প্ৰকৃত জ্ঞান হ'ল। সেই ৰূপ দেখি তেওঁ হুবাবো কৃষ্ণক বিষ্ণু বুলি সম্বোধন কৰে। লক্ষ্য কৰিব লগীয়া এইটোহে যে অভূতপূৰ্ব্ব তেজোময় উজ্জ্বল ৰূপক উদ্দেশ্য কৰিহে তেওঁ বিষ্ণু আখ্যা দিছিল, কাৰণ সেই ৰূপ আছিল “নভঃস্পৃশং দীপ্তমনেকবৰ্ণম্” (১১।২৪॥) যাৰ দ্বাৰা “লেলিহ্যসে গ্ৰসমানস্‌সমন্তাৎ লোকান্ সমগ্ৰান বদনৈৰ্জ্জ্বলদ্‌ভিঃ, তেজোভিৰাপূৰ্য্য জগৎ সমগ্ৰং ভাসস্তৱোগ্ৰাঃ প্ৰতপন্তি বিষ্ণো॥” ( ১১। ৩০॥ )। এই ৰূপ আচলতে মহাসূৰ্য্য বা আদিত্যৰ ৰূপ যাৰ আগত কোনো তিষ্ঠিব নোৱাৰে আৰু যাক পৰমেশ্বৰৰে বিভূতি বুলিব পাৰি। কিন্তু একজনেই উপযোগী উপাস্য ৰূপত নৰৰূপী নাৰায়ণ বা কৃষ্ণ তাকেই কৃষ্ণই অৰ্জ্জুনক প্ৰত্যক্ষভাৱে দেখুৱালে আৰু ইয়াকো কলে যে—

নাহং বেদৈন তপসা ন দানেন ন চেজ্যয়া।
শক্য এবম্বিধো দ্ৰষ্টুং দৃষ্টৱানসি মাং যথা॥ ৫৩॥
ভক্ত্যা ত্বনন্যয়া শক্য অহমেবম্বিধোঽৰ্জ্জুন।
জ্ঞাতুং দ্ৰষ্টুং চ তত্ত্বেন প্ৰবেষ্টুং চ পৰন্তপ॥ ৫৪॥
( শ্ৰীমদ্ভগবৎ গীতা। ১১। )

অৰ্থাৎ, বেদপাঠ, তপস্যা, দান, পূজা-বলি—এইবিলাকৰ দ্বাৰা তুমি দেখিবলৈ পোৱা মোৰ এই ৰূপ কাৰো দেখিবৰ শক্তি নাই। হে পৰন্তপ অৰ্জ্জুন! কেৱল অনন্য অৰ্থাৎ একনিষ্ঠ ভক্তিৰ দ্বাৰাহে এই ৰূপ জানিব আৰু দেখিবলৈ পাব আৰু ইয়াৰ ভিতৰত নিশ্চয় প্ৰৱেশো কৰিব পাৰিব অৰ্থাৎ মোক্ষ লাভ কৰিব পাৰিব। কোনো কোনো পণ্ডিতৰ মতে গীতাৰ অংশটো মহাভাৰতত অনেক কালৰ পিচত সুমুৱাই দিছে, এই অংশটো নোহোৱা হলেও মহাভাৰতৰ কাহিনীত ব্যাঘাত নহলহেতেন। যুদ্ধক্ষেত্ৰৰ মাজত গভীৰ দাৰ্শনিক আলোচনা সম্ভৱো নহয় আৰু অৱস্থাৰ লগত খাপো নাখায়। সেই সময়ত শ্ৰীকৃষ্ণক এজন বীৰপুৰুষ আৰু কূটনীতিবিদ বুলিয়েই সকলোৱে ভাবিছিল। সি যি নহওক, গীতাৰ প্ৰাচীনত্ব সম্পৰ্কে বা সি যে পুৰাণাদিৰ অনেক কাল আগতে ৰচিত সেই সম্পৰ্কে বোধকৰো সন্দেহ কৰিব লগীয়া একো নাই। গীতাৰ বাণী বাসুদেৱ-কৃষ্ণৰ ঐকান্তিক উপাসনাৰ বাণী।

কিন্তু, ভাৰতৰ বৌদ্ধ যুগৰ পিচত, বিশেষকৈ খৃঃ একাদশ দ্বাদশ শতাব্দীৰ ভিতৰত কৃষ্ণই ভগৱানৰ স্থান পায় আৰু ভাগৱতত ভগৱান বুলি সম্পূৰ্ণ স্বীকৃতি লাভ কৰে। এই ক্ষেত্ৰত ভাগৱতৰ কাল নিৰ্ণয় কৰিব পাৰিলে বৈষ্ণৱ ধৰ্ম্মৰ পৰ্য্যায়বিলাক বুজাত সুবিধা হয়। ভাগৱতৰ মতে বেদব্যাসে পুৰাণ আৰু ইতিহাস বিলাক ৰচনা কৰি সন্তুষ্ট নহৈ পাচত ভাগৱত ৰচনা কৰে। পুৰাণবিলাক যদিও ব্যাসদেৱে ৰচনা কৰা বুলি কয় সি বিশ্বাস নহয়। কাৰণ পুৰাণবিলাকৰ



মত পৰস্পৰ-বিৰোধী। প্ৰবন্ধ দীঘল হোৱাৰ ভয়ত বিৰোধী মতবিলাক তুলি দেখুৱাব পৰা নহল।

' পুৰাণবিলাক তিনি শ্ৰেণীত ভাগ কৰিব পাৰি—শৈৱ, শাক্ত আৰু বৈষ্ণৱ মতবাদী। প্ৰত্যেক পন্থীৰ লিখকে নিজৰ নিজৰ দেৱতাৰ মহিমা কীৰ্ত্তন আৰু অন্য পন্থীয় ধৰ্ম্মক অনেক ক্ষেত্ৰত নিন্দা কৰিও বেদব্যাসৰ নামত গুৰুত্ব বঢ়াবলৈ পুৰাণবিলাক লিখিছিল। তদুপৰি বিভিন্ন পন্থীৰ প্ৰচাৰ প্ৰতিযোগিতাত আধিপত্য বিস্তাৰৰ বাবে অনেক যুগৰ চিন্তাপ্ৰসূত গভীৰ আধ্যাত্মিক তত্বমূলক কথাবিলাকৰ মৰ্ম্ম সুবুদ্ধিও, আনকি অনিচ্ছাতো, ঈশ্বৰৰ নাম লৈ সহজে কি দৰে মুক্তি পাব পাৰি তাকো লোক-ভাষাত সৰল আৰু আকৰ্ষণীয় সাহিত্য লিখি প্ৰচাৰ কৰা হয়। কেৱল পাণ্ডিত্যই যে মুক্তিৰ দ্বাৰ উদ্ঘাটন কৰিব নোৱাৰে, কপটতা আৰু পাণ্ডিত্যাভিমানৰ মল নথকা সৰল বিশুদ্ধ ভক্তিপূৰ্ণ হৃদয়ত হে যে ভগৱান বেকত হয় এই শিক্ষা পৌৰাণিক ধৰ্ম্মৰ, বিশেষকৈ, নৱ-বৈষ্ণৱ ধৰ্ম্মৰ বৈশিষ্ট্য। এই ভাৱধাৰাৰ প্ৰভাৱ বৰ্ত্তমান ভাৰতৰ হিন্দুসমাজৰ ধৰ্ম্ম, নীতি আৰু সাহিত্য সকলোতে পৰিলক্ষিত হৈছে—যদিও পাশ্চাত্য ভৌতিক বিজ্ঞানৰ আৱিষ্কাৰ সমূহে এই দৃষ্টিভঙ্গীৰ অন্তৰায়ৰূপে থিয় দিয়া দেখা গৈছে, বিশেষকৈ নব্য শিক্ষিত সমাজত।

আন হাতেদি, পৌৰাণিক যুগত ধৰ্ম্মমূলক সাম্প্ৰদায়িকতাৰো সৃষ্টি হয় আৰু তাৰ শাখা-প্ৰশাখাবিলাকে পৰবৰ্ত্তী কালত হিন্দু সমাজত বিভেদ সৃষ্টি নকৰাকৈয়ো থকা নাই। চলিত বৌদ্ধ মতবাদ খণ্ডন কৰি হিন্দুধৰ্ম্মক পুনৰ প্ৰতিষ্ঠা কৰা বিষয়ত শ্ৰীমৎ শঙ্কৰাচাৰ্য্যই ( খৃঃ ৭৮৮-৮২০ ) প্ৰধান নেতৃত্ব কৰে। তেওঁ শৈৱ আছিল। নৱ-বৈষ্ণৱ ধৰ্ম্মৰ অৱতাৰণা কৰাত প্ৰথম সুপ্ৰসিদ্ধ আচাৰ্য্য হৈছে দাক্ষিণাত্যৰ ৰামানুজ ( জন্ম খৃঃ ১০১৬ )। ৰামানুজৰ দৰ্শন বিষ্ণু-প্ৰধান। বিশ্বাস হয় বৈষ্ণৱ আৰু অন্যান্য পুৰাণবিলাকৰ ৰচনা এই সময়ৰপৰাই হয়। ভাগৱতৰ মতেই ব্যাসদেৱে প্ৰথমে পুৰাণ আৰু ইতিহাস লিখি সন্তুষ্ট নহৈ পাচত ভাগৱত ৰচনা কৰে। অনেক পণ্ডিতৰ মতে ভাগৱত অষ্টাদশ মহাপুৰাণৰ ভিতৰত নপৰে, তাক পাচত লিখা হৈছিল আৰু লিখিছিল দেৱগিৰি ৰাজ্যৰ ( দৌলতাবাদ ) মন্ত্ৰী হেমাদ্ৰিৰ পণ্ডিত বোপদেৱে। সেইমতে ভাগৱত খৃঃ ত্ৰয়োদশ শতাব্দীৰ গ্ৰন্থ হব। যদি সেয়ে হয় তেন্তে তেতিয়াৰ পৰাহে কৃষ্ণই স্বয়ং ভগৱান বুলি প্ৰতিষ্ঠা লাভ কৰে।

বেদ-সংহিতাৰ বিষ্ণু আঠ আদিত্যৰ এক আদিত্য বুলিহে পোৱা যায়। বিষ্ণু-পুৰাণতো বিষ্ণুক আদিত্য বিশেষৰ নাম বুলিয়েই কৈছে। পুৰাণোক্ত শঙ্খ-চক্ৰ-গদা-পদ্মধাৰী চতুৰ্ভুজ বিষ্ণু বেলেগ যেন বোধ হয়। কিন্তু তথাপি শাস্ত্ৰ-বিলাক পঢ়ি চালে বৈদিক বিষ্ণুকেই যে কালক্ৰমত আনন্দময় চতুৰ্ভুজ ৰূপ দি উপাস্য কৰি লোৱা হৈছে তাক নাভাবি নোৱাৰি। বাহুল্যৰ ভয়ত তাৰ বিশদ আলোচনা এই ক্ষুদ্ৰ প্ৰবন্ধত বাদ দিয়া গ'ল। আমাৰ অন্যান্য বিশেষজ্ঞ বৈষ্ণৱ পণ্ডিতসকলে আমাৰ ভুল-ভ্ৰান্তিবোৰ দেখুৱাই দিলে উপকৃত হম।

# বলবৰ্ম্মদেৱৰ তাম্ৰশাসন

( আলোচনা )

**শ্ৰীৰাজমোহন নাথ তত্ত্বভূষণ**

অসম সাহিত্য সভা পত্ৰিকাত ( ১৫-৩ সংখ্যা —১৮৭-১৯৪ পৃঃ ) ডক্টৰ শ্ৰীপ্ৰতাপচন্দ্ৰ চৌধুৰী ডাঙৰীয়াই বৰ্ত্তমান মিকিৰপাহাৰ জিলাৰ হাওৰা-ঘাট নামৰ ঠাইত নতুনকৈ আবিষ্কাৰ-হোৱা বলবৰ্ম্মদেৱৰ তাম্ৰশাসনৰ পাঠোদ্ধাৰ কৰি এটি আলোচনা কৰিছে।

প্ৰায় ষাঠি বছৰমান আগতে নগাওঁ জিলাৰ পুৰণি গুদাম অঞ্চলত এই বলবৰ্ম্মাৰ আৰু এখন তাম্ৰশাসন পোৱা গৈছিল। ৺মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্য, আৰু ৺মহামহোপাধ্যায় পদ্মনাথ বিদ্যাবিনোদে ক্ৰমান্বয়ে এই তাম্ৰশাসনৰ পাঠোদ্ধাৰ আৰু সম্পাদনা কৰি গৈছে। বৰ্ত্তমান তাম্ৰশাসনৰ পাঠ সেই তাম্ৰশাসনৰ পাঠৰ লগত প্ৰায় একেই; মাথোন মাটিৰ দান গ্ৰহণ কৰোঁতা ব্ৰাহ্মণজনৰ বংশ-পৰিচয় আৰু দান কৰা মাটিৰ অৱস্থান, পৰিমাণ আৰু সীমনা আদিৰ বৰ্ণনা বেলেগ।

বৰ্ত্তমান শাসনৰ সম্পাদনাত শ্ৰীচৌধুৰী ডাঙৰীয়াই যি সামান্য আলোচনা কৰিছে, সেই সম্পৰ্কে দু-আষাৰমান কোৱা প্ৰয়োজন বুলি ভাবোঁ।

শাসন দানকাৰী ৰজা বলবৰ্ম্মদেৱ শালস্তম্ভ বংশৰ ৰজা। এই বংশৰ হৰ্জ্জৰবৰ্ম্মা ৰজাৰ সঠিক তাৰিখ ৫১০ গুপ্তাব্দ ( ৮২৯-৩০ খৃঃ ) বুলি তেজপুৰৰ জাহাজঘাটৰ ওচৰৰ শিলালিপিত পোৱা গৈছে। হৰ্জ্জৰবৰ্ম্মাৰ পাছৰ ৰজা সকলৰ নাম:— বনমালবৰ্ম্মা, জয়মাল ( বীৰবাহু ) বৰ্ম্মা, বলবৰ্ম্মা। এই বলবৰ্ম্মাই আলোচ্যমান তাম্ৰশাসনৰ দাতা।

হৰ্জ্জৰবৰ্ম্মাৰ হায়ুঙ্থল লিপিত সস্ত্ৰীক ৰজাৰ "হাৰুপ্পেশ্বৰ জয়স্কন্দাবাৰাবাসি" বোলা হৈছে, আৰু সেই ঠাইৰ পৰাই ৰজাৰ পুত্ৰ বনমালে এটি আদেশ জাৰি কৰে।

১৮৪০ খৃষ্টাব্দমানত তেজপুৰ চহৰৰ ওচৰত পোৱা হৰ্জ্জৰবৰ্ম্মাৰ পুত্ৰ বনমালদেৱৰ তাম্ৰশাসনৰ পৰা জনা যায় যে হাটকেশ্বৰ মহাদেৱৰ মন্দিৰ কালৰ প্ৰভাৱত ধ্বংসপ্ৰায় হোৱাত ৰজাই ( বনমালে ) হিমালয় সদৃশ ওখ মন্দিৰ নিৰ্ম্মাণ কৰি দিছিল আৰু লগতে অলেখ গ্ৰাম, প্ৰজা, হাতী, ঘোঁৰা, বেশ্যা আদিৰো ব্যৱস্থা কৰি দিছিল। সেই সময়ত লোহিতৰ পাৰৰ এই হাৰুপ্পেশ্বৰ নগৰত নানা জাতি আৰু বৰ্ণৰ সাধু আৰু পণ্ডিত সকলৰ বসবাস আছিল। নগৰৰ বহল ৰাজ-আলিবোৰ সদাই ৰজা-ৰাজপুৰুষাদি বাহী হাতী আৰু ঘোঁৰাই টনা ৰথ আৰু পদাতিকৰ সমাগমত অৱৰুদ্ধ ( congested ) আছিল। নগৰৰ ওচৰৰ লোহিত নৈ সদাই ব্যৱসায়ী সকলৰ ডাঙৰ ডাঙৰ নাৱেৰে ভৰ্ত্তি হৈ আছিল।

এনে হেন হাৰুপ্পেশ্বৰ নগৰৰ পৰা ( শ্ৰীহাৰুপ্পেশ্বৰাৎ) বনমালদেৱে এজন ব্ৰাহ্মণক "ত্ৰিস্ৰোতা"-নৈৰ পাৰত এখন গ্ৰাম দান কৰি তাম্ৰশাসন প্ৰদান কৰে।

পুৰণিগুদামৰ শাসনৰ মতে বলবৰ্ম্মাই "পৈতা-



মহকটক শ্ৰীমতি হাৰুপ্পেশ্বৰ নামনি কটকে কৃতবসতি সতি" অৰ্থাৎ পিতামহৰ ( বলবৰ্ম্মাৰ পিতামহ বনমাল ) দিনৰ কটক শ্ৰীহাৰুপ্পেশ্বৰ নামৰ কটকত বসবাস কৰাৰ সময়ত এজন ব্ৰাহ্মণক দক্ষিণ কূলৰ দিজ্জিন্না জনপদত কিছুমান মাটি দান কৰিছিল। আলোচ্যমান হাওৰাঘাট লিপি-মতে বলবৰ্ম্মাই "লৌহিত্যস্য সমীপে তদেব পৈতামহংকটকং। তত্ৰ শ্ৰীমতি হাৰুপ্পেশ্বৰ নামনি কটকে কৃতবসতি"—এজন ব্ৰাহ্মণক "শক্ৰোত্থান" পূজাৰ দিনা "বাবাসে" পত্তন বিষয়ত ৰূপাদেৱ পাটকত কিছুমান মাটি দান কৰে।

চৌধুৰী ডাঙৰীয়াই কব খোজে যে হাৰুপ্পেশ্বৰ মাথোন এটি ৰাজকীয় বাহৰ বা camp আছিল; প্ৰথম শ্ৰেণীৰ ৰাজধানী নাছিল। প্ৰধান ৰাজধানী আছিল প্ৰাগ্জ্যোতিষপুৰ বা গুৱাহাটীত; নহ'লে বাৰে বাৰে ইয়াক কটক বোলা হ'ল কিয়?

**কটক**:—চৌধুৰী ডাঙৰীয়াৰ মতে "কটক" শব্দৰ অৰ্থ বাহৰ বা Resting camp. কটক শব্দটো আলোচ্যমান শাসনৰ তৃতীয় শাৰিতো আছে—"কৈলাস-কটক-মৃগমদবাসিত"। চৌধুৰী ডাঙৰীয়াই অনুবাদ কৰিছে—"কৈলাসৰ অধিবাসী হৰিণৰ কস্তুৰী-গোন্ধেৰে সুবাসিত।" হৰ্ণলিৰ অনুবাদ মতে কৈলাস-কটকবাসীৰ অৰ্থ—Living on the ridges of the Kailas-mountain; ৺বিদ্যাবিনোদৰ অনুবাদ মতে "কৈলাস পৰ্ব্বতৰ মধ্যদেশবাসী"।

সংস্কৃত অভিধান মেদিনীমতে "কটক" শব্দৰ অৰ্থ হৈছে—

"কটকো স্ত্ৰীনিতম্বোৰ্দ্ৰেৰ্দন্তিনাং দন্তমণ্ডলে।

সামুদ্ৰ-লৱণো ৰাজধানী বলয়য়োৰপি ॥"

—পৰ্ব্বতৰ মাজভাগ, হাতীৰ দাঁত, সামুদ্ৰিক লৱণ, **ৰাজধানী** আৰু কঙ্কণ ( হাতৰ খাৰু ) এই কেইটা হৈছে কটক শব্দৰ অৰ্থ। ইয়াত অস্থায়ী বাহৰ অৰ্থ নাই।

গতিকে বলবৰ্ম্মাই পৈতামহ কটক বোলোতে তেওঁৰ পিতামহ বনমাল বৰ্ম্মাই স্থাপন কৰা ৰাজধানীক বুজাইছে। ইয়াৰ দ্বাৰা কাৰ দিনত এই নগৰখন প্ৰতিষ্ঠা কৰা হৈছিল, তেওঁক স্মৰণ কৰা হৈছে। বনমালৰ ফলিত উল্লেখকৰা ৰাস্তা-ঘাট, জন-সমাগম আৰু নৈৰ ঘাটৰ বিৱৰণৰ প্ৰতি লক্ষ্য কৰিলে হাৰুপ্পেশ্বৰক প্ৰথম শ্ৰেণীৰ ৰাজধানী নুবুলি উপায় নাই।

প্ৰাসঙ্গিক ভাৱে যি সকলে অসমত প্ৰচলিত "কটকী" পদৰীটো "আহোম" ৰজাৰ অৱদান বুলি ভাবে, তেওঁলোকে প্ৰশস্তিত উল্লেখ কৰা "কটক" শব্দ আৰু তাৰ অৰ্থৰ প্ৰতি মন কৰা উচিত।

**বাবাসে**:—শাসনৰ "বাবাসে পত্তন বিষয়ান্তঃপাতি ৰূপাদেৱ পাটক" সম্পৰ্কে চৌধুৰী ডাঙৰীয়াই কব খোজেযে, এই ফলিৰ প্ৰায় তিনিশমান বছৰ পাছত পছিম কামৰূপ অঞ্চলৰ ৰজা বৈদ্যদেৱে এজন ব্ৰাহ্মণক যি "বাবা" বিষয়ত মাটি দান কৰিছিল, সেই বৰপেটা অঞ্চলৰ "বাবা"ই এই তাম্ৰ শাসনৰ বাবাসেপত্তন। সমৰ্থনত তেওঁ ৺ৰায়বাহাদুৰ কনকলাল বৰুৱাৰ এটি মন্তব্যৰ উল্লেখ কৰিছে। ৺ৰায়বাহাদুৰৰ উক্ত মন্তব্যটো হ'ল—"I think the villages Bada and Mandara mentioned in the inscription ( বৈদ্যদেৱৰ কমৌলি ) can be identified with the modern villages of Bada and Mandia in the Barpeta subdivision of the Kamarupa district." ( J. A. R. S. Vol II. p. 87 ). বৈদ্যদেৱৰ কমৌলি তাম্ৰশাসনৰ "বদা"ক চৌধুৰী ডাঙৰীয়াই "বাবা"ভাবি "বাবাসে"ৰ লগত এক কৰি বৰপেটাত ঠাই দিবলৈ বিচাৰিছে বুলি মনত হয়।

বনমালৰ তামৰ ফলিৰ ত্ৰিস্ৰোতানৈৰ পাৰৰ মাটিও ৺বিদ্যাবিনোদে বঙ্গদেশৰ ৰংপুৰ জিলা তিস্তানৈৰ পাৰত বুলি থিৰাং কৰিছে ( কামৰূপ শাসনাবলী—পৃঃ ৫৭ )। আমি কিন্তু কালিকা-পুৰাণত আমাৰ তেজপুৰৰ ঢেকিয়াজুলিৰ ওচৰৰ প্ৰাচীন শিঙ্গৰীৰ শিৱমন্দিৰৰ ধ্বংসস্তূপৰ ওচৰেদি বই যোৱা এটা ত্ৰিস্ৰোতা নৈ পালো—

"দীপৱত্যাঃ পূৰ্ব্বতস্তু শৃঙ্গাটো নাম পৰ্ব্বতঃ।
তস্যদেৱস্য ভৰ্গস্য লিঙ্গমেকং প্ৰতিষ্ঠিতম্॥
সৰিত্ সিদ্ধা ত্ৰিস্ৰোতা দক্ষিণোদধি-গামিনী।
শৃঙ্গাটকস্য সততং স্ৰৱন্তী সা তু পাদতঃ
দক্ষিণং সাগৰং যাতি ভৰ্গস্য প্ৰিয়কামিনী।"

( কালিকা-পুৰাণ—৮০।৩।৫ )

এই শৃঙ্গাটক পৰ্ব্বতৰ গুপ্তেশ্বৰ শিৱলিঙ্গ শঙ্কৰদেৱ মহাপুৰুষৰ পিতৃপিতামহৰ দিনৰেপৰা আজিলৈকে সকলোৰে জনাজাত, আৰু সেই পৰ্ব্বতৰ মন্দিৰৰ ভগ্নস্তূপত নৱম-দশম শতিকাৰ ভাস্কৰ্য্যৰ অলেখ নিদৰ্শন জ্বল-জ্বল পট্-পটকৈ আজিলৈকে আছে। ইয়াৰ ওচৰেদি—ঢেকিয়াজুলি বজাৰৰ ওচৰেদি প্ৰবাহিত সৰু নৈটো সঁচাকৈয়ে পৱিত্ৰ ত্ৰিস্ৰোতা নামত জনাজাত হৈ প্ৰাচীন কালত বইছিল নে নাই, অনুসন্ধান কৰিবলৈ ধৰোঁতে ওৰাঙ্গৰ ওচৰৰ পাঁচনৈয়ে আমাৰ গৰকাপ্তানীৰ পকি দলং আৰু আলি বছৰি বছৰি বগৰাই নি আমাক চিন্তিত কৰি পেলালে। তেতিয়া পুৰাতত্বৰ হেঁপাহ এৰি নিজৰ চাকৰীৰ দায়িত্বৰ প্ৰতি মনোযোগ দি পাঁচনৈৰ উৎপত্তি স্থানৰ প্ৰতি আগবাঢ়ি অলপ দূৰ যাওঁতেই প্ৰাচীন মন্দিৰৰ ধ্বংসস্তূপ আৰু সেই ধ্বংসস্তূপৰ পৰা নি ওৰাং ক্লাবৰ চোতালত ৰখা ব্ৰহ্মাৰ ভগ্নমূৰ্ত্তিৰ লগত ভেট কৰি দিলে। আৰু অলপ আগবাঢ়ি দেখা গ'ল—পৰ্ব্বতৰ পৰা অহা তিনিটা সূঁতি একেলগ হৈ এটা নদীৰূপে আগতে ঢেকিয়াজুলিৰ ওচৰেদি শিঙ্গৰীৰ পিনে বই গৈছিল। এতিয়া সেই নদী মৃতপ্ৰায়। পছিম ফালেদি বাগৰি গৈ আৰু দুটা সূঁতিৰ লগত মিহলি হৈ পাঁচনৈ বা পঞ্চনদী ৰূপে প্ৰবল ৰূপ ধৰি ওৰাঙ্গৰ ওচৰেদি বই গৈছে আৰু গৰকাপ্তানীক ব্যতিব্যস্ত কৰিবলৈ ধৰিছে।

এই অনুসন্ধানৰ ফলত আমাৰ নদী সংযমন ক্ৰিয়া যেনে সহজ হ'ল, তেনে বনমালৰ ফলিৰ ত্ৰিস্ৰোতাক বিচাৰিবলৈ বঙ্গদেশৰ ৰংপুৰলৈ যোৱাও স্থগিত হ'ল, আৰু ব্ৰহ্মাৰ ভগ্নমূৰ্ত্তিক পাই বনমালৰ ফলিৰ মাটিপোৱা ব্ৰাহ্মণৰ "ব্ৰাহ্মোণ বিধিনা সম্যক্ পৰিণীতা" ( ৩১ ) হোৱাৰ কাৰণো জনা গ'ল।

সেইদৰে বলবৰ্ম্মাৰ পুৰণিগুদাম ফলিত দান কৰা "দিজ্জিন্না" বিষয়ৰ স্থান নিৰ্ণয় কৰাত ৺বিদ্যাবিনোদৰ অসুবিধা হলে আমি পুৰণি-গুদামৰ অলপ পূৱত দিজুনৈৰ দলং সাজোঁতে আৰু দিজু চাহ-বাগানৰ মাজেদি গৰকাপ্তানীৰ আলি পকি কৰোঁতে ফলিৰ দিজ্জিন্নাক চিনি পোৱাত বিশেষ অসুবিধা নহল।

এতিয়া, সেইদৰে তেজপুৰৰ ওচৰত "বাবাসে" শব্দৰ অনুৰূপ কোনো শব্দযুক্ত ঠাইৰ নাম বিচাৰিবলৈ হলে আগৰ হাৰুপ্পেশ্বৰ নগৰৰ সীমনাত, বৰ্ত্তমান তেজপুৰ চহৰৰ চাৰিমাইলমান পছিমৰ—সপ্তম শতিকামানৰ ভাস্কৰ্য্য থকা দেৱ-পৰ্ব্বতীয়া ( আধুনিক ইংৰাজী নাম দহ-পৰ্ব্বতীয়া ) গাৱঁৰ অলপ আঁতৰৰ "বেছেৰীয়া" গাৱঁৰ কথা মনত পৰে। আৰু আঁতৰলৈ যাবলৈ হলে—আগতে উল্লেখ কৰা শিঙ্গৰীৰপৰা ছ'মাইলমান পছিমত, গড়আলিৰ দক্ষিণত ( ব্ৰহ্মপুত্ৰৰ ফালে ) অসংখ্য প্ৰাচীন কীৰ্ত্তিৰে ভৰপূৰ প্ৰাচীন কালৰ সমৃদ্ধ নগৰ—বৰ্ত্তমানে "বৰছলা" বুলি জনাজাত ঠাইৰ কথা মনত পৰে।



'বৰছলা'ৰ প্ৰাচীন ধ্বংস-কীৰ্ত্তিবোৰৰ অনুসন্ধান আৰম্ভ কৰোঁতেই মই তেজপুৰৰ পৰা বদলি হৱ-লগীয়া হ'ল ( ১৩৩৯ চন )। তাৰ কেইবছৰমান পাছত শ্ৰীযুত সৰ্ব্বানন্দ ৰাজকোৱঁৰ ডাঙৰীয়াই সেই অঞ্চল তন্ন-তন্নকৈ অনুসন্ধান কৰি অসংখ্য প্ৰাচীন কীৰ্ত্তিৰ এখন বহল বিৱৰণ মোলৈ লিখি পঠাইছিল।

যি অঞ্চলত আলোচ্যমান ফলি খন পোৱা গৈছে—সেই হাওৰাঘাট অঞ্চল কালিকা পুৰাণৰ দিনত "ৰৱাসনপুৰ" নামেৰে জনাজাত আছিল —"দুৰ্জ্জয়াখ্যস্য পূৰ্ব্বস্যাংপুৰং নাম ৰৱাসনম্" ( কালিকা-পুৰাণ—৭৯/১৬১ )। দুৰ্জ্জয়া—হোজাই অঞ্চলৰ যোগিজান ( J. A. R. S. vol V, 1, page 30 ) সেই অঞ্চলৰ "ভৰাবছা" আদি ঠাইৰ প্ৰাচীন ধ্বংস-কীৰ্ত্তিৰ বহল বিৱৰণ কামৰূপ অনু-সন্ধান সমিতিৰ জৰ্ণেলত ( J. A. R. S. vol. VIII, 3, pp. 85-90 ) প্ৰকাশ কৰা হৈছে। আৰু পাছৰ কালত ৺পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ দিনতো এই অঞ্চল "বছা" বুলি জনাজাত আছিল।

গতিকে আলোচ্যমান ফলিৰ দাতা ৰজাৰ বংশৰ প্ৰাচীন কীৰ্ত্তিৰ লগত সম্পৰ্ক থকা "বেছেৰীয়া", "বৰছলা", "ৰৱাসন", "ভৰাবছা", "বছা" নামৰ ঠাইবোৰৰ আক্ষৰিক আৰু উচ্চাৰণ-গত সামঞ্জস্য "বাবাসে"ৰ লগত পোৱা যায় যেতিয়া 'ৰৱা'ক 'বাবা' কৰিবলৈ অলপ টান হয়।

**হাৰুপ্পেশ্বৰ**ঃ—এতিয়া "হাৰুপ্পেশ্বৰ" নামৰ আঁতিগুৰি সম্পৰ্কে অলপ আলোচনা কৰা বোধ কৰো অপ্ৰাসঙ্গিক নহব। ৺বিদ্যাবিনোদ লিখিছে —"হাৰুপ্প এটি ম্লেচ্ছত্বসূচক শব্দ। সম্ভৱ হাৰুপ্প নামৰ কোনো ৰজাই স্থাপন কৰা শিৱলিঙ্গ" ( কামৰূপ ৰাজাৱলী—২২ পিঠি পাদটীকা )। কিন্তু বনমালৰ ফলিত তেওঁ নিৰ্ম্মাণ কৰা "হাটক শূলিনঃ" (২৪) মন্দিৰৰ উল্লেখ থকাত হাৰুপ্পেশ্বৰৰ ইঙ্গিত পোৱা গ'ল।

মহাভূতিবৰ্ম্মাই অনা যাগ-যজ্ঞ-বিধি-পাৰ্গত যি ব্ৰাহ্মণ সকলক চন্দ্ৰপুৰী বিষয়ত কৌশিকী নৈৰ পাৰত মাটি-বাৰী দি বসতি কৰিবলৈ দিছিল ( নিধানপুৰ ফলি ), তেওঁলোকে যে সৌৰাষ্ট্ৰ দেশৰ পৰা অহা নাগৰ ব্ৰাহ্মণ আছিল,—সেই বিষয়ে এতিয়া আৰু সন্দেহ নাই। তেওঁলোকৰ আদি বাসস্থান "নগৰ" অঞ্চলৰ প্ৰধান দেৱতা হাটকেশ্বৰ শিৱ, আৰু হাটকেশ্বৰ তীৰ্থৰ বহল বিৱৰণ স্কন্দ পুৰাণ নাগৰখণ্ডত ( ২৮—৩১ অধ্যায় ) আছে। এই ব্ৰাহ্মনসকল কামৰূপলৈ আহি নতুন বসতি ঠাইত নিজৰ ইষ্টদেৱতাৰ মূৰ্ত্তি স্থাপন কৰি যি মন্দিৰ প্ৰতিষ্ঠা কৰিছিল সিয়েই আছিল বনমালৰ ফলিৰ "হাটক-শূলিনঃ" মন্দিৰ। চন্দ্ৰপুৰী বিষয় আৰু কৌশিকী নৈ যে তেজপুৰতেই আছিল,—কৰিমগঞ্জত (ভট্টশালী, বিদ্যাবিনোদ) বা বিহাৰত (কনকলাল বৰুৱা) নহয়;—আৰু তেজপুৰৰ ওচৰৰ কেতেকীবাৰীৰ বিশাল পঞ্চমুখী শিৱলিঙ্গই যে হাটকেশ্বৰ শিৱলিঙ্গ—সেই সম্পৰ্কে Background of Assamese Culture গ্ৰন্থত বহলকৈ আলোচনা কৰা হৈছে—পুনৰুক্তি নিষ্প্ৰয়োজন।

উত্তৰপাৰৰ বৈদিক ৰাজগুৰু ব্ৰাহ্মণসকল অধ্যুষিত অঞ্চলত থকা প্ৰধান ৰাজবিষয়াই গোটেই উত্তৰ-পূৰ্ব্ব অঞ্চলৰ পাৰ্ব্বত্য সামন্তসকলৰ অধীশ্বৰৰূপে—বৰ্ম্মন্-বংশৰ ৰাজ্যৰ এটি প্ৰধান খুটি বা শালস্তম্ভ ৰূপে পৰিগণিত হৈ ভাস্কৰবৰ্ম্মাৰ মৃত্যুৰ পাছত কি ভাৱেৰে সেই ব্ৰাহ্মণসকলৰ উদ্গাণি আৰু সমৰ্থনত ম্লেচ্ছ-বিদ্ৰোহ আৰম্ভ কৰি বৰ্ম্মন্ বংশৰ পতন ঘটাই নিজে প্ৰাগ্‌জ্যোতিষৰ

সিংহাসন অধিকাৰ কৰিছিল—ই বুৰঞ্জীৰ কথা। পূৰ্ব্বোক্ত গ্ৰন্থত এই বিষয়েও বহল আলোচনা কৰা হৈছে।

ভাৰতীয় ৰাজন্য সমাজৰ চিৰাচৰিত পন্থা অনুসৰি এটি বিজেতা বংশই কেতিয়াও বিজিত বংশৰ ৰাজধানী নগৰত নিজৰ ৰাজধানী নাপাতে। সকলো দেশতেই এই ৰীতি প্ৰচলিত আছিল আৰু আছে। গতিকে বিজেতা শালস্তম্ভ বংশৰ ৰজাই বিজিত বৰ্ম্মন্ বংশৰ ৰাজধানী প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰ বা গুৱাহাটীত ৰাজধানী পতাৰ কোনো যুক্তি নাই।

অনুমান হয়, প্ৰথমতে শালস্তম্ভ বংশৰ ৰাজধানী উত্তৰপাৰৰ কুৰুৱা নাইবা বৰছলা অঞ্চলত আছিল। এই দুই ঠাইৰ অসংখ্য প্ৰাচীন ধ্বংসকীৰ্ত্তিবোৰ এই কল্পনাৰ সমৰ্থক। কিন্তু, পাচত বনমালবৰ্ম্মাৰ দিনত হাটকেশ্বৰ মন্দিৰ নতুনকৈ নিৰ্ম্মাণ কৰাৰ লগে লগে তেজপুৰতেই বিশাল নগৰ প্ৰতিষ্ঠা কৰা হয়, আৰু তেতিয়াৰে পৰা ই প্ৰধান ৰাজধানীৰূপে গণ্য হয়।

তেজপুৰ চহৰৰ পূব সীমনাৰ ভৰলু নৈৰ মৰা-সুঁতি, পছিমত বেছেৰীয়া, উত্তৰত হলেশ্বৰ মৌজা আৰু দক্ষিণত ব্ৰহ্মপুত্ৰ—এই চাৰি-পাঁচ মাইল মান ব্যাসৰ ভিতৰত কিমান হেজাৰ মঠ, মন্দিৰ আৰু প্ৰাসাদৰ ধ্বংসাৱশেষ যে মাটিৰ তলত পোত খাই আৰু ওপৰত ওপঙি আছে, তাৰ সীমা-সংখ্যাই নাই। ইয়াৰ ভাস্কৰ্য্য আৰু স্থাপত্যৰ নিদৰ্শনৰ তুলনা দিবলৈ ভাষা নাই। এই বোৰৰ খনন, ৰক্ষণ আৰু গৱেষণাৰ কাৰণে কৰ্তৃপক্ষৰ বা দেশবাসীৰ সহানুভূতি নোপোৱাতে অলপ দ'কৈ চকু ফুৰোৱা জনৰ চকুলো টোকাই একমাত্ৰ আত্মপ্ৰসাদ।

এনে এখন বিশাল নগৰ কেতিয়াও Resting camp হোৱা সম্ভৱপৰ নাছিল। বনমালৰ কবিয়ে এই নগৰৰ যি বৰ্ণনা লিখি গৈছে, ই অতিৰঞ্জিত নহয়, আংশিকহে মাথোন!

সি যি কি নহওক, যেতিয়া আগৰ হাটকেশ্বৰ মন্দিৰক কেন্দ্ৰ কৰি, সেই দেৱতাৰ অনুগ্ৰহত নতুন নগৰ স্থাপনা কৰা হ'ল, তেতিয়া স্বভাৱতঃ নগৰৰ নাম হাটকেশ্বৰপুৰ হোৱাই উচিত আছিল,—কিন্তু ই হলে সৌৰাষ্ট্ৰ দেশৰ তলতীয়া নগৰ বুলি সৰ্ব্বসাধাৰণে এটা আসোঁৱাহ ধৰাৰ এবং অইন দেশৰ ৰজা সকলে ভবাৰ সম্ভাৱনা থাকে। সেই কাৰণে দেৱতাৰ প্ৰতি ভক্তি অটুট ৰাখি নগৰৰ এটি নতুন নামকৰণ কৰা হ'ল।

"হ" অক্ষৰৰ অৰ্থ আকাশ। সদাশিৱ আকাশ-ৰূপী দেৱতা। সেই কাৰণে শিৱৰ বীজমন্ত্ৰও "হং"। গতিকে এই 'হ' ৰূপী ঈশ্বৰ দেৱতাৰ নামকৰণ কৰা হ'ল—"হৰূপেশ্বৰ" বা "হাৰূপেশ্বৰ"। এতিয়া লিপিকাৰে অলপ আক্ষৰিক সালসলনি কৰি হাৰু-প্পেশ্বৰ, হাৰুপ্যেশ্বৰ, হৰোপেশ্বৰ কৰা স্বাভাৱিক।

গতিকে ইয়াত ম্লেচ্ছত্বৰ একো চিন-চাব নাই, পৰন্তু ই শুদ্ধ সংস্কৃত শব্দ—প্ৰাচীন কামৰূপৰ পাণ্ডিত্যৰ চৰম নিদৰ্শন, হিন্দু সংস্কৃতি ক্ষেত্ৰত এটি শ্ৰেষ্ঠ অৱদান!

**ফলিদানৰ তাৰিখ** :—বলবৰ্ম্মাৰ ৰাজত্বৰ পঞ্চম বছৰত "শক্ৰোত্থান" বাৰ্ষিক পূজাৰ দিনা মাটি দান কৰা হৈছিল। শক্ৰোত্থানপূজা ভাদমাহৰ শুক্লা দ্বাদশীত হয়। ইয়াক "ইন্দ্ৰোৎসৱ", বা "ইন্দ্ৰধ্বজো-ত্তোলন" বোলা হয়। আজিকালিও বঙ্গদেশৰ বাঁকুড়া জিলাত এই পূজাৰ প্ৰচলন আছে। কোনো কালতে এই দিনাৰপৰা দক্ষিণায়ণ আৰম্ভ হৈছিল; দীঘল খুঁটি এটা পুঁতি তাৰ ওপৰত সূৰ্য্যৰ ছাঁ দক্ষিণায়ণ হৈছে কি নাই তাকেই চোৱা আছিল প্ৰধান উদ্দেশ্য। ই খাটি বৈদিক বিধানৰ এটি ব্ৰত।

# সাহিত্যত আধুনিক মূল্যবোধ

**শ্ৰীযুত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য**

আধুনিক সাহিত্য সৃষ্টিৰ বাট মুকলি কৰিবৰ বাবে সবাতোকৈ প্ৰয়োজনীয় বস্তু হৈছে মন-মুক্তি—কিয়নো সাহিত্য সৃষ্টিক আমি এক মানবীয় প্ৰবাহ হিচাপে চাবলৈ আৰম্ভ কৰিছো। ঐতিহাসিক দৃষ্টিভঙ্গিৰে বিচাৰ কৰি চালে দেখা পাম যে মানব মন এক গতিশীল প্ৰৱাহ, বাহিৰৰ পৰিবেশৰ সলনিৰ লগে লগে ইয়াৰ ৰূপ আৰু প্ৰকাশৰ ৰীতিও সলনি হয়। এই যুগত বিশ্ববাসী পৃথিৱীৰ সৰ্ব্বোত্তম মানসিক বিপ্লৱৰ সম্মুখীন হৈছে। আমাৰ সমুখৰ সাতখন অজ্ঞানৰ দুৱাৰ খোল খাই গৈছে। অধ্যাপক হাৰ্ভে ৰবিনচনে এই অজ্ঞানৰ দুৱাৰ কিখনৰ নামকৰণ কৰিছে এই বুলি: (১) মানুহৰ দৈহিক প্ৰকৃতি (২) মানব-চিন্তা আৰু বাসনাৰ ক্ৰিয়া-প্ৰক্ৰিয়া (৩) চৌকাষৰ বিশ্বজগতখন (৪) জাতিৰ ( race ) জন্ম ( ৫ ) ক্ষুদ্ৰ ডিম্বৰপৰা মানুহৰ বিকাশ-বুৰঞ্জী (৬) শৈশৱ আৰু কৈশোৰৰ বিলুপ্ত ধাৰণাৰ স্থায়ী আৰু দ প্ৰভাৱ আৰু (৭) বৰ্ব্বৰ পূৰ্ব্বপুৰুষ সকলৰ জীৱন-ধাৰণাৰ সুদীৰ্ঘ বুৰঞ্জী। বিজ্ঞানে এই সাতখন অজ্ঞানৰ দুৱাৰ মুকলি কৰি দিয়াত আমি আমাক বিৰাট অথচ ক্ষুদ্ৰ, গতিশীল অথচ গভীৰ, বস্তুনিষ্ঠ অথচ অন্তৰাশ্ৰয়ী এক বহুমুখী ৰূপত প্ৰত্যক্ষ কৰিছো; এই আত্ম-জ্ঞান বিজ্ঞানৰ দান, ব্ৰহ্ম-সাধনাৰ নহয়। মানবীয় জ্ঞানৰ প্ৰসাৰ ব্যাহত হৈ ৰোৱাৰ বাবে আমাৰ দেশৰ বেছি ভাগৰে মন আৰ্য্য-অনাৰ্য্য অনেক অৰ্দ্ধসত্য আৰু অন্ধবিশ্বাসেৰে মোহাচ্ছন্ন হৈ আছে। বঙ্গালী সাহিত্যিক অন্নদা শংকৰ ৰায়ে আমাৰ এই মনৰ এক পৰিচয় দিবলৈ গৈ কৈছে, "আমাৰ সংস্কৃতিৰ পদতলত ৰিয়েলিটি নাই। তাৰ ঠাইত আছে ঐতিহ্য অথবা শাস্ত্ৰ। সেই ঐতিহ্যও ৰিয়েলিটিৰ ভেটিত প্ৰতিষ্ঠিত নহয়। শাস্ত্ৰবিলাক ৰিয়েলিটিৰপৰা সহস্ৰযোজন দূৰত। আমাৰ পুৰণি ধৰ্ম্মগ্ৰন্থ অথবা দৰ্শন পুস্তক আধুনিক কালৰ অভিজ্ঞতা অথবা আবিষ্কাৰৰদ্বাৰা সংশোধিত হোৱা নাই। শোধন কৰাৰ শক্তিও যেন কাৰো নাই। আমাৰ মাজত যিবোৰ পৰম বিদ্বান তেওঁলোকেও ভুল ধৰিবলৈ সাহস নেপায়। অতি বেছি তেওঁলোকে একোটি প্ৰক্ষিপ্ত শ্লোক আঁৰি দিয়ে; অথবা এনেকুৱা এটা নতুন ব্যাখ্যা ( শাস্ত্ৰাদিৰ ) উলিয়াবলৈ চেষ্টা কৰে, যি ব্যাখ্যা এই যুগতো আমাৰ মনক নিচুকাই থয়। গীতাৰ ভাষ্য বহুতেই লিখে। কিন্তু গীতাৰ সমালোচনা এজনেও লিখা নাই।" (সংস্কৃতিৰ সংকট: সুন্দৰম্)। দুখৰ বিষয় সাহিত্যত যিসকলে বাস্তৱবাদী বুলি পৰিচয় দিয়ে, তেওঁলোকেও ঐতিহ্য আৰু শাস্ত্ৰৰ সমালোচনা কৰিবলৈ ভয় কৰে। এই কাৰণেই আমাৰ মাজত এতিয়াও শঙ্কৰী আৰু দামোদৰী পন্থা লৈ কন্দল লাগে; অথচ কোনেও সংসাহেৰে এই কথা ঘোষণা কৰিব নোৱাৰে যে শঙ্কৰ-দামোদৰৰ যুগ শেষ হৈ গৈছে। অসমীয়া মনৰ এই দীনতাৰ প্ৰধান কাৰণ হৈছে আমাৰ আত্ম-জ্ঞানৰ অভাৱ।

বিজ্ঞানক জীৱনৰপৰা আমি যিমান দিন নিৰ্ব্বাসন দি থম, সিমান দিন আমাৰ মন হব

ত্ৰিশঙ্কুৰ দৰে দোদুল্যমান। কৃত্ৰিম জোন চায়ো বিশ্বব্ৰহ্মাণ্ডৰ প্ৰকৃত স্বৰূপ আমি উপলব্ধি নকৰিলে দোষ আমাৰেই হ'ব। শব্দতত্ব, জাতিতত্ব, নৃতত্ব, পুৰাতত্ব আৰু ইতিহাস-দৰ্শনৰপৰা আমি যদি মানুহৰ বিশ্বকৰ্ম্মা আৰু শিল্পপ্ৰাণ ৰূপ ন-কৈ উদ্ধাৰ কৰি আনিব নোৱাৰো, তেন্তে আমি সভ্যতাৰ প্ৰতিযোগিতাত পাচ পৰি ৰম। লুইত-গঙ্গা-সিন্ধু-নীল-ডানিয়ুবৰ তীৰলৈ কেতিয়া মানুহ আহিল, কেনেকৈ সি বৰ্ব্বৰতাৰ পৰা সভ্যতাৰ পথলৈ গতি কৰিলে,—তাক যদি আমি নেজানো তেন্তে মানুহক আমি প্ৰকৃত ৰূপত চিনি নেপাম। মানুহক নিচিনিলে আমি সত্য আৰু সৌন্দৰ্য্যকো চিনি নেপাওঁ। মনক মুক্ত কৰিব নোৱাৰিলে প্ৰকৃত মুক্ত সংস্কৃতি বা সাহিত্যও গঢ়িব নোৱাৰি।

কথাটো ব্যাখ্যা কৰা দৰকাৰ। বজাৰৰ শেহতীয়া কিতাপখন পঢ়িলেই অথবা বিশ্ববিদ্যালয়ৰ উচ্চতম ডিগ্ৰী পালেই কোনো আধুনিক মনৰ প্ৰতিনিধি নহয়। একোখন কিতাপ বা থেচিচে আমাক কিমান নতুন সত্য অথবা সৌন্দৰ্য্য দান দিব পাৰে, সেয়ে হৈছে আচল সুধিবলগীয়া প্ৰশ্ন! এই প্ৰশ্নৰ যথাযথ উত্তৰ নেপালে নিঃসন্দেহে আমি কব পাৰিম যে আলোচিত কিতাপ বা থেচিচখন পোৰাণিক,—তাত সত্যতকৈ অৰ্দ্ধসত্যই বেছি। তাত সত্য বা সৌন্দৰ্য্যৰ নতুন পৰিচয় নেথাকে। আধুনিক যুগত কিতাপ, বাতৰি-কাকত আৰু আলোচনীৰ সংখ্যা বাঢ়িছে। ৰেডিঅ'-চিনেমাই আমাৰ শিক্ষা আৰু মনোৰঞ্জন বৃদ্ধিৰ দিহা কৰিছে। কিন্তু দুৰ্ভাগ্যবশতঃ এই-বোৰৰ বেছি ভাগেই আধুনিক মনৰ পৰিচয় নহয়। আধুনিক মনৰ পৰিচয় দিয়া কিতাপ আমাৰ সাহিত্যত ওলোৱা নাই। সেইবাবে আমাক বেলেগ ধৰণৰ কিতাপ লাগে—যিবিলাক কিতাপ পঢ়ি আমি কব পাৰো এই বুলি : Such book could be set off against those that were but expressions of vague discontent or emulation, or denunciations of things because they are as they are, are not they are not. ( হাৰ্ভে ৰবিনচন )।

আমাৰ দেশৰ বহুতো সাহিত্যিক আৰু সাহিত্যসেৱী মানুহৰ মাজত নানা অৰ্দ্ধসত্য আৰু ভুল মূল্যাঙ্কন প্ৰচাৰ কৰিছে। কিয় লিখিছো, নিলিখিলে কি হয়, নিলিখি থাকিব পাৰিনে নোৱাৰি, কাৰ বাবে লিখিছো—আদি বহুত প্ৰশ্নই আমাৰ সমুখত জুমুৰি দি ধৰিছেহি ; কিন্তু আমি সেইবোৰ এৰাই চলি আছো। এক কথাত সমালোচনালৈ আমাৰ ভয় সোমাইছে। যশ-মান-ধনৰ আকাঙ্খাত আমি পাহৰি গৈছো সেই সাধনাৰ কথা,—যি সাধনাই আমাৰ বিপ্লৱোত্তীৰ্ণ নবীন মনক এক ৰেনেসাঁসৰ পোহৰেৰে আৰু প্ৰগতিৰ ব্যাকুলতাৰে চঞ্চল কৰি তুলিব। সংকীৰ্ণ ব্যক্তিবাদ, শ্ৰেণী-স্বাৰ্থ, জাতীয়তা আৰু বিষম অসমতাই আমাক সৰু সৰু মনৰ চুবুৰীত বন্দী আৰু বিভক্ত কৰি ৰাখিছে। সাহিত্যিক সকলৰ আৰু সমাজৰ মানসিক বিপ্লৱৰ পথত এয়া এবুৰি বাধা। যিসকল ৰিয়েলিষ্ট, তেওঁলোকেও ৰিয়ে-লিটিক সামগ্ৰিক ৰূপত দেখা নাই ; তেওঁলোকৰ মনত সেই ৰূপ সহজ হৈ প্ৰতিভাত নোহোৱাৰ ফলত সাহিত্যত সৃষ্টিৰ জোৱাৰ অহা নাই। ইউৰোপৰ ৰেনেসাঁস আৰু এছিয়াৰ নৱ-জাগৰণৰ ঢউত উটি অহা পলস পৰি আমাৰ হৃদয় সাৰুৱা হৈ আছে, কিন্তু অভাৱ হৈছে সমবায় কৃষিৰ। ইংৰাজী সাহিত্যৰ যোগেদি আমি বিশ্বৰ মন-মুক্তিৰ সংবাদ পাইছো, কিন্তু সেই মন-মুক্তিৰ ভেটিত আমি সাহিত্যৰ সৌধ ৰচনা কৰিব পৰা



নাই। মনত অনেক দ্বিধা-ভয়-সংশয় উপজিছে, অপৰিচিতক বৰণ কৰিবৰ সামৰ্থ্যও আমাৰ যেন হেৰাই গৈছে। জোনাকী যুগত ক্ষীণভাৱে আমাৰ সাহিত্যত আহি পৰিছিলহি ফৰাচী বিপ্লৱ আৰু পশ্চিমীয়া উদাৰনৈতিকতাৰ পোহৰ, তাৰ পিচত আহিল সমূহীয়া মুক্তিৰ উদগ্ৰ কামনা। কিন্তু সেই পোহৰ আৰু কামনা ৰাজনৈতিক ক্ষেত্ৰতে সীমাবদ্ধ হৈ ৰৈ গ'ল,—আমাৰ জীৱন আৰু সাহিত্যত দুৰ্জ্জয়ী ৰেনেসাঁস নাহিল। তাৰ ক্ষীণ ধ্বনি আধুনিক কালত ফুটি উঠিছে বিভিন্ন দিশত। কোনোৱে নিজৰ মনৰ অৱচেতনক প্ৰকাশ কৰিবৰ বাবেহে সাহিত্য বিচাৰিছে। তাৰবাবে যিমানদূৰ আৱশ্যক হয় জীৱন আৰু বিজ্ঞানৰ লগত সঙ্গতি স্থাপন কৰাৰ, সিমানখিনি তেওঁলোকে কৰি লৈছে। কিন্তু তেওঁলোকৰো আত্মজ্ঞান সীমিত। আনহাতে যেনোৱে মানুহৰ সামাজিক চেতনা আৰু অনুভূতি জাগ্ৰত কৰি সামাজিক ৰূপান্তৰৰ এক পৰম তৃষ্ণা চিৰ-জাগৰুক ৰাখিবলৈ চেষ্টা কৰিছে। তেওঁলোকৰ আত্মজ্ঞানো সীমিত। প্ৰথম দলে নিজকে চাইছে মাটিৰ প্ৰতি কামনাহীন বন্ধনমুক্ত হাঁইঠা চৰাইৰ দৰে। আৰু আনদলে চাইছে পদদলিত কেৰেলুৱা অথবা পৰুৱা পিপৰাৰ মনোভাৱেৰে। কিন্তু কোনোটি দলেই সহজ সত্যৰ দৃষ্টিৰে এতিয়াও জীৱনক নকৈ চাব পৰা নাই, তেওঁলোকৰ মনে আধুনিক জ্ঞানক আপোন কৰি লোৱা নাই। সেই কাৰণেই ৰেনেসাঁসৰ প্ৰেৰণাও অহা নাই উঠি অহা সাহিত্যিক সকলৰ কষ্টকল্প সাধনাৰত মনত। সহজ প্ৰেৰণা যেতিয়ালৈকে নাহে, তেতিয়ালৈকে আধুনিক ৰিয়েলিটিৰ ভেটিত সাহিত্য-সৃষ্টি অসম্ভৱ। আমাৰ অসমীয়া আধুনিক কবিতা আৰু গল্পত ফৰ্ম আৰু বিষয়-বস্তুৰ যি পৰীক্ষা চলিছে, সেই পৰীক্ষাত সেইকাৰণে সুৰ অনেক। পৰীক্ষাৰ যোগেদি তেওঁলোকে এই ৰেনেসাঁসৰ সাধনা কৰিছে।

আধুনিক সাহিত্যৰ সৈতে পোৰাণিক সাহিত্যৰ এক প্ৰভেদ সাধাৰণতে পৰিস্ফুট হয় ৰচনা-নীতিত। হেমা সুন্দৰীৰ উপাখ্যান আৰু 'ডাৱৰ আৰু নাই'ৰ মাজত এটা ৰেনেসাঁস আছে। মানুহে গল্প আগতেও শুনিছে কিন্তু সেই গল্পবোৰৰ চৰিত্ৰ বেছিভাগেই হয় দেৱতা, নহয় ৰজা, নহয় নৰ-পশু। কিছুমানত হয়তো আছে তেজীমলাৰ দৰে মানবী ফুল হোৱাৰ কৰুণ কাহিনী। কিন্তু প্ৰকৃত মানুহক ৰূপায়িত কৰিবলৈ চেষ্টা কৰিছে আধুনিক গল্পই। মানৱ-প্ৰকৃতিক মানৱীয় দৃষ্টিভঙ্গিৰে চাবৰ প্ৰথম চেষ্টা এইমাত্ৰ আৰম্ভ হৈছেহে। আধুনিক কবিতালৈও সেই কথা। নতুন কল্পচিত্ৰ, খণ্ডবাক্য, পৰোক্ষ-সূচনা আৰু মুক্তক ছন্দৰ মাজেদি মানুহৰ নিৰ্জ্জন মন আৰু চৰাচৰ ব্ৰহ্মাণ্ডৰ নতুন চেতনাক কবিসকলে ফুটাই তুলিছে। এই কবিতাত আছে কাল আৰু স্থানৰ ব্যাপক চেতনা। শব্দৰ মাজেৰে বিবিধ বৰ্ণালীৰ সৃষ্টি হৈছে। ব্যঞ্জনাৰ যোগেদি পাঠকক অভূতপূৰ্ব্ব সৌন্দৰ্য্যৰ চেতনা দিয়াৰ অভিনৱ কৌশল তেওঁ-লোকে অৱলম্বন কৰিছে! কাব্য-সৃষ্টিক বৈজ্ঞানিক প্ৰণালীৰে বুজিবৰ চেষ্টা কৰিছে।

অকল সেয়ে নহয়—যৌন সম্পৰ্ক, অসাম্য আৰু অন্যায় আদি সমস্যাতো তেওঁলোকে বিজ্ঞানৰ দৃষ্টি গ্ৰহণ কৰিছে। যোগাযোগ ব্যৱস্থাৰ উন্নতিয়ে দেশ-কালৰ ব্যৱধান ভাঙি দিয়াত তেওঁলোকে মানুহক জাতীয় অথবা আন্তৰ্জ্জাতিক ৰূপত চাবলৈ আৰম্ভ কৰিছে। আধুনিক জীৱনৰ গভীৰতা আৰু তাৰল্য, বস্তুনিষ্ঠতা আৰু বস্তুনিৰপেক্ষতা, প্ৰগতি আৰু পৰাগতিৰ দ্বন্দ্বই তেওঁলোকৰ সাহিত্যতো আশা-নিৰাশাৰ সুৰ সৃষ্টি কৰিছে। বিভূগীতৰ

দিনৰ সেই পথৰুৱা প্ৰেম আৰু নৈপৰীয়া মানৱতা আৰু নাই। মানুহে আদিম জীৱনৰ স্বাভাৱিকতাৰ ঠাইত আধুনিক জীৱনৰ জটিলতাক গ্ৰহণ কৰিছে। বৈষ্ণৱ সাহিত্যৰ একান্ত ঈশ্বৰ-নিৰ্ভৰশীলতা আৰু ব্ৰহ্মাণ্ড-চেতনা এতিয়া আধুনিক মনে গ্ৰহণ নকৰে। তাৰ ঠাইত আহিছে এক মানৱীয় দৃষ্টিভঙ্গীৰ জোৱাৰ। কোনো কোনোৱে অতীত ইতিহাসত, কোনো কোনোৱে প্ৰকৃতিত, কোনো কোনোৱে অৱচেতনৰ গভীৰ গুহাত, কোনো কোনোৱে সামাজিক কল্লোলত বিচাৰিছে গল্প-কৱিতাৰ বিষয়-বস্তু। তাক প্ৰকাশৰ বাবে তেওঁলোকে বিচাৰিছে স্বাধীনতা। ডাঃ হেম বৰুৱাৰ 'জহৰা' লৰাটোও মানুহ, হোমেন বৰগোহাঞিৰ 'মহাশ্বেতা' জনীওতো মানুহ! হব পাৰে পৰিত্যক্ত, কিন্তু সেই পৰিত্যক্ততা স্বীকাৰ কৰা মানেই জানো আমাৰ মানৱতাক সীমিত কৰা নহয়? সেই একেদৰে বৈজ্ঞানিক মানৱতাৰ সুৰ ফুটি উঠিছে আধুনিক কবিতাত। সঁচা কথা মানুহ এটা সামাজিক জীৱ, কিন্তু তাৰ এটা ব্যক্তিত্বওতো আছে। মনোবিজ্ঞানে আৰু নৃতত্ত্বই আমাৰ স্মৃতিৰ অৱচেতন কাৰাগাৰ মুকলি কৰি দিছে। তাত যিবোৰ জ্ঞেয় আৰু অজ্ঞেয় ইতিহাসে অতদিনে আত্মগোপন কৰি আছিল সেইবোৰ জানো পোহৰলৈ অনা উচিত নহয়? কবি যেন এক অৱলম্বন যাৰ যোগেদি প্ৰকাশ পাব মানুহৰ জীৱনৰ এক নতুন পৰিচয়! অকল সেয়ে নহয় তাৰ পিচতে কবিৰ আকৌ উপলব্ধি হৈছে, "We are both spectators and actors in the great drama of existence." ( Neils Bohr )। সুদূৰতম তৰাৰ সংকেত আহে চিকমিকনিত, মানুহে আকাশত কৃত্ৰিম জোন উৰুৱায়, কলকলনাদিনী লুইতৰ বুকুত জাগি উঠে তাৰ সুপ্ত জলবিদ্যুৎ শক্তি, যুগ যুগ বিস্মিত কৰি অহা আৰু আশ্ৰয় দি অহা আমাৰ পৰিচিত অৰণ্যত আমাৰ পূৰ্ব্বপুৰুষসকলক দেখা পাওঁ সোঁশৰীৰে আৰু জীৱলগা গতিৰে। অকল সেয়ে নহয়, আমি এই বিৰাট ব্ৰহ্মাণ্ডৰ এজন অভিনেতা বুলি নিজকে ভাবো। আমাৰ ৰঙ্গমঞ্চ হয়তো পৃথিবী, হয়তো এখন ক্ষুদ্ৰ ঘৰ, হয়তো এক বিশাল মন। আমাৰ হাতত হয়তো জীৱিকাৰ হাতুৰী। আমাৰ অভিনয়ৰ টীকা, পৰিচয় অথবা সমালোচনা আছে আমাৰ কবিতাত। হয়তো দুই এক উদগ্ৰ কল্পনাশীল মনে তাৰো উৰ্দ্ধলৈ গতি কৰি নিজৰ পৃথিৱীখনতে একোখন নতুন নাটক সৃষ্টি কৰিবৰ বাবে বিচাৰিছে। কিন্তু এনে নটৰাজ সদৃশ কবি আমাৰ মাজত এতিয়াও জন্ম হোৱা নাই। হয়তো প্ৰকৃতিৰ বাছনি আৰু অনুকূল পৰিবেশত পৰিলে এদিন ইয়াৰ মাজৰ পৰাই ওলাব সেই কবি। সেই কবি অসমীয়া কবি নহয়, সেই কবি হব নতুন বিশ্বৰ কবি।

আধুনিক সাহিত্য সৃষ্টিৰ বাবে অকল চেতনা হলেই নহব, লাগিব প্ৰেৰণা। চেতনা কেনেকৈ প্ৰেৰণালৈ ৰূপায়িত হয় সিও এক গভীৰ অজ্ঞেয় প্ৰক্ৰিয়া। সাহিত্য সৃষ্টি বা কাব্য সৃষ্টিৰ যুক্তিসঙ্গত ব্যাখ্যা এতিয়াও দিব পৰা হোৱা নাই, কাৰণ এই সম্বন্ধে আমাৰ তথ্য বৰ তাকৰ। কিন্তু বহিৰ্জ্জগত আৰু মানসিক জগতৰ এক গতিশীল ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফল স্বৰূপেই যে সাহিত্য সৃষ্টি হয় এই কথা ঠিক। নতুন জ্ঞানে মানুহক প্ৰকৃতিৰ আৰু সমাজৰ বাস্তৱতাৰ সন্ধান দিয়াৰ লগে লগে নিজৰ উন্নতিৰ অৰ্থে পৰিবৰ্ত্তনৰো ইঙ্গিত যোগায়। এই কথা প্ৰমাণ কৰিছে সভ্যতাৰ অগ্ৰগতিয়ে। বাস্তৱতাই যেতিয়া মানুহক সমসাময়িক আচাৰ-ব্যৱহাৰ, জ্ঞান-শিল্প আৰু সমাজ ব্যৱস্থাৰ সীমা-



বদ্ধতাৰ স্বৰূপ উদঙাই দেখুৱায়, তেতিয়া সি প্ৰয়োজন অনুভৱ কৰে ৰূপান্তৰৰ। ইয়াকেই কয় বিপ্লৱৰ চেতনা। আধুনিক জ্ঞানে ভাৰতৰ সমাজ-ব্যৱস্থা, সাহিত্য আৰু সভ্যতাৰ সীমাবদ্ধতা দৰ্শোৱা কাৰণেই মানুহে পৰিবৰ্ত্তন বিচাৰিছে। এই পৰিবৰ্ত্তনক বাধা দি ৰখাৰ কোনো প্ৰয়োজন নাই বৰং তাক যুগ-ধৰ্ম্ম বুলি গ্ৰহণ কৰি কেনেকৈ সেই পৰিবৰ্ত্তন সাহিত্য-শিল্প-বিজ্ঞান আৰু সমাজত সাৰ্থক ৰূপত ৰূপায়িত কৰিব পাৰি তাৰেই আমি সাধনা কৰা উচিত। এই কাৰণেই আধুনিক সাহিত্যিকৰ এটি জ্ঞানসম্মত বিশ্ব-বীক্ষাৰ প্ৰয়োজন হৈ পৰিছে। আধুনিক সাহিত্যত বৈপ্লৱিক চেতনাৰ মূল্য এইখিনিতে। দুৰ্ভাগ্যবশতঃ অসমীয়া সাহিত্যিকসকলৰ বেছি ভাগেই এই অৰ্থত আধুনিক নহয়। তেওঁলোক সাময়িক সাহিত্যিক—যাৰ আকাঙ্ক্ষা কেৱল যশ লাভ। এই যশপ্ৰাৰ্থী সাহিত্যিকসকল সাময়িক সাংবাদিকতা আৰু বণিক সভ্যতাৰদ্বাৰা পৰাভূত। মহাকালৰ চকুত এওঁলোক মূল্যহীন। এমুঠি সোণৰ বাবে আত্মা বেচিব পৰা সাহিত্যিক কেতিয়াও আধুনিক মনৰ প্ৰতিনিধি হ'ব নোৱাৰে।

এই কাৰণেই আধুনিক সাহিত্যিকসকলে এক অনুকূল পৰিবেশ সৃষ্টিৰ দাবী জনাইছে সমাজৰ ওপৰত। সমাজে তেওঁলোকৰ সৃষ্টিশক্তিৰ অবাধ স্ফুৰণ আৰু সৃষ্টিৰ মাজেদি মানুহক নতুন সত্য আৰু সৌন্দৰ্য্যবোধ বিতৰণৰ অবাধ অধিকাৰ দিব পৰা নাই। সাহিত্যিকৰ ব্যক্তিত্ব সমাজে চিনি নেপায়; এই কাৰণেই প্ৰকাশক, ৰাষ্ট্ৰ আৰু মালিকসকলৰ ওচৰত তেওঁলোক লাঞ্ছিত। আনকি বিশ্ববিদ্যালয়ৰ দৰে শ্ৰেষ্ঠ সাংস্কৃতিক অনুষ্ঠানেও আধুনিক সাহিত্যৰ প্ৰকৃত স্বৰূপ উপলব্ধি নকৰে। পুৰণি সাহিত্যৰ অনুশীলন আৰু মূল্যাঙ্কনৰ দ্বাৰা সমাজৰ ভৱিষ্যত নাগৰিকসকলৰ মনত সাহিত্যৰ যি খণ্ডিত আৰু জড় ৰূপ আঁকি দেখুওৱা হয়, সি তেওঁলোকৰ মনত আধুনিক বিশ্ব-বীক্ষা নিদিয়ে। ফলত ভৱিষ্যত নাগৰিকসকলৰ ৰুচি বিভ্ৰাট হয় আৰু তেওঁলোকে সংৰক্ষণশীল মূল্যাঙ্কনৰ বেদীত মূৰ দোঁৱাৰ লগা হয়। এনে পৰিস্থিতি কাৰণ-জনিত; কাজেই সেই কাৰণবোৰ অন্বেষণ আৰু দূৰীভূত কৰিবৰ আৱশ্যক হৈ পৰিছে। ইয়াৰ বাবেই আধুনিক সাহিত্যিকসকলে বিচাৰে এক গতিশীল শিক্ষা ব্যৱস্থা আৰু এক সমাজবাদী সমাজ। প্ৰকাশক, মালিক আৰু ৰাষ্ট্ৰৰ খামখেয়ালিত অথবা অন্যায়ৰ ফলত অসমীয়া সাহিত্যৰ গতি ৰুদ্ধ হৈছেনে আগবাঢ়িছে তাক সমাজতাত্ত্বিক অন্বেষণৰ দৃষ্টিৰে চালে ধৰিব পাৰিম। চিন্তাশীল কিতাপ বা ৰচনা, গুণধৰ্ম্মী কাব্য বা উপন্যাসৰ পুথি, ন দৃষ্টিভঙ্গীৰ সাহিত্য সমসাময়িক সাহিত্যৰ বজাৰৰপৰা নিৰ্ব্বাসিত হৈ আছে। ইয়াৰ কাৰণ প্ৰকাশক আৰু পঢ়ুৱৈ উভয়েই সাহিত্যক কেৱল পণ্যদ্ৰব্য বুলি ভাবিবলৈ ধৰিছে। একাডেমী, ৰেডিঅ' আদিয়ে তাত ইন্ধন যোগাইছে। সাহিত্যক বজাৰৰ সোণৰ শিকলিৰ বান্ধোন আৰু তুচ্ছ সাংবাদিকতাৰ কৱলৰপৰা মুক্ত কৰি নতুন সত্য আৰু নতুন সৌন্দৰ্য্যৰ বাহক কৰিবৰ বাবে আজি সকলোৱেই এক প্ৰয়োজন অনুভৱ কৰিছে। তাকে নকৰিলে আধুনিক সাহিত্যসৃষ্টিৰ পথ ৰুদ্ধ হৈ ৰ'ব।

সাংবাদিক আৰু সাহিত্যিকৰ মাজত প্ৰভেদ আছে। সাংবাদিক হ'ল সংবাদ পৰিবাহক, আধুনিক যুগৰ ভাট বা চাৰণ। সাহিত্যিক হ'ল অত্যন্ত বিবেকসম্পন্ন নাগৰিক, দ্ৰষ্টা আৰু স্ৰষ্টা। ডিটেক্টিভ গল্পলিখক আৰু স্ৰষ্টাৰ মাজতো প্ৰভেদ আছে। ডিটেক্টিভ গল্পলিখক হৈছে সমাজৰ

'ড্ৰেইন-ইন্সপেক্টৰ'; স্ৰষ্টা হৈছে ন সৌন্দৰ্য্যৰ সাধক। প্ৰকৃতপক্ষে সাংবাদিকতা আৰু ডিটেক্টিভ গল্পই সাহিত্যক লক্ষ্যচ্যুত কৰিছে। এই লক্ষ্যচ্যুতিৰ বিৰুদ্ধেও আধুনিক সাহিত্যই বিদ্ৰোহ কৰা আৱশ্যক। সাংবাদিকতা মূলতঃ এটি বাহন কিন্তু এই বাহনৰ আমি অপব্যৱহাৰ কৰিছো। যুগ-যুগান্তৰ অন্যায় অবিচাৰৰ ফলত সকলো সুবিধাৰ পৰা বঞ্চিত আমাৰ পঢ়ুৱৈ সমাজে আধুনিক জ্ঞান আৰু শ্ৰেষ্ঠ সাহিত্য-শিল্পৰ সৌন্দৰ্য্য আহৰণৰ উপযোগী শিক্ষা পোৱা নাই। আধুনিক জ্ঞান বা সাহিত্যৰ চেতনাৰ লগত তেওঁলোকৰ চেতনাৰ মিল নাই; এক কথাত সমাজৰ সাংস্কৃতিক চেতনা অনগ্ৰসৰ হৈ আছে। এই অনগ্ৰসৰতা দূৰীভূত কৰিবৰ বাবে আধুনিক সাহিত্যিকসকলে যুক্ত প্ৰকাশক-ব্যৱস্থা, লিখা অথবা চিন্তাৰ স্বাধীনতা আৰু এটি প্ৰগতিশীল শিক্ষা-ব্যৱস্থা দাবী কৰিব লগা হৈছে। ই লিখকৰ সামাজিক স্বত্বৰ ভিতৰতে পৰে। কছ বিপ্লৱে সাহিত্যিকসকলক এই সামাজিক স্বত্ব দিম বুলিয়েই বিপ্লৱত তেওঁলোকৰ সমৰ্থন বিচাৰিছিল। কিন্তু বিপ্লৱোত্তৰ অভিজ্ঞতাৰপৰা দেখা গ'ল যে ছোভিয়েট দেশবোৰতো লিখক-সকলে তেওঁলোকৰ সৰ্ব্বোত্তম স্বাধীনতা—লিখাৰ স্বাধীনতা—তাক পোৱা নাই। পুঁজিবাদী প্ৰকাশ-ব্যৱস্থাৰ ঠাইত ৰাষ্ট্ৰীয় পুঁজিবাদী আৰু দলীয় নিয়ন্ত্ৰণ জাপি দিয়াৰ ফলত বহুতো লিখকৰ সৃষ্টিৰ স্বাধীনতা ব্যাহত হৈছে। কছ দেশত ইলিয়া ইৰেনবুৰ্গ, চীনদেশত টিং লিংৰ ওপৰত চলা দলীয় বা ৰাষ্ট্ৰীয় নিষেধাজ্ঞা তাৰে চিন। অলপতে হাঙ্গেৰীত বিপ্লৱ কৰিবলগা হোৱা লিখকসকলৰ অৱস্থাও এই দুৰ্লক্ষণৰে ফল। এই কথাই আধুনিক সাহিত্যিকসকলক পৃষ্ঠপোষক আৰু ৰাষ্ট্ৰ সম্বন্ধে নকৈ চিন্তা কৰিবলৈ বাধ্য কৰাইছে। কাৰণ স্বাধীনতাবিহীন লিখক প্ৰচাৰক হব পাৰে, কিন্তু সত্য আৰু সৌন্দৰ্য্যৰ সাধক হব নোৱাৰে। কোনো সমাজেই অন্তৰ্দ্দ্বন্দ্ব আৰু সমালোচনাৰ উৰ্দ্ধত থাকিব নোৱাৰে। লিখকসকলে এই অন্তৰ্দ্বন্দ্ব আৰু সমালোচনাৰ ছবি ফুটাই তোলাত আৰু জীৱনক আন্ধাৰৰপৰা পোহৰলৈ, অজ্ঞানৰ-পৰা জ্ঞানলৈ আৰু মৃতৰপৰা অমৃতলৈ আগবঢ়াই লৈ যোৱাত সমাজ উন্নতিকামীসকলৰ কি আপত্তি থাকিব পাৰে? এই সঙ্গত প্ৰশ্নৰ উত্তৰ স্বৰূপেই লিখকসকলে দাবী জনাইছে এক সুস্থ আৰু শুদ্ধ সমাজতত্ত্বৰ। বহুতে ভাবে যে বিকেন্দ্ৰী-কৃত সমাজ-ব্যৱস্থাই লিখকৰ স্বাধীনতাৰ পক্ষে অতি উত্তম পৰিবেশৰ সৃষ্টি কৰে। যি সকল সাহিত্যিকে ভাবে যে সাহিত্য-সমালোচনাৰ জ্ঞানো মানবীয় জ্ঞানৰ অংশবিশেষ মাত্ৰ, সেইসকলৰ বাবে এই কথাৰ তাৎপৰ্য্য উপলব্ধি কৰা বিশেষ একো কষ্টকৰ নহয়।

॥ খ ॥

সাহিত্য মানুহৰ সৃষ্টি-শক্তিৰ এটি শ্ৰেষ্ঠ নিদৰ্শন। ইয়াৰ নিজস্ব এক বুৰঞ্জী আছে। সাহিত্যৰ বিভিন্ন কলা-ৰূপবো নিজা প্ৰকাশ-ৰীতি আৰু বৈশিষ্ট্য আছে। সাহিত্য সমালোচনাই গল্প, কবিতা, নাটক, ৰম্যৰচনা আৰু প্ৰবন্ধৰ কলা-ৰীতি সম্বন্ধে অনেক তথ্য উলিয়াইছে। সেইবোৰৰ বিকাশ-বুৰঞ্জীও ৰচিত হৈছে। তাৰপৰা এই কথা ধৰিব পাৰি যে প্ৰাগৈতিহাসিক অসমত কিৰাতী উপাখ্যান আৰু সঙ্গীতৰ সতে সাহিত্য সানমিহলি হৈ আছিল। আৰ্য্য-বিজয়ৰ লগে লগে সেই বিৰাট মৌখিক-সাহিত্য হয়তো বৈদিক সাহিত্যৰ সমুখত মিশ্ৰিত অথবা পৰাজিত হ'ল। পৰ্ব্বতে-পাষণ্ডই বিৰাট জনস্ৰোতৰপৰা আঁতৰি



থকা কিৰাতসকলৰ মৌখিক সাহিত্যও লাহে লাহে বৈদিক আৰু বৌদ্ধ সাহিত্যৰদ্বাৰা প্ৰভাবান্বিত হবলৈ ধৰিলে। বৈদিক-পৰৱৰ্ত্তী যুগৰ আৰ্য্য আৰু অনাৰ্য্যসকলৰ সামাজিক স্মৃতি কিছুমান উপাখ্যান আৰু সঙ্গীতত সংৰক্ষিত হৈ আছে। (নৰকৰ উপাখ্যানক কেন্দ্ৰ কৰি ডাঃ কাকতিয়ে প্ৰাচীন অসমৰ বুৰঞ্জী উদ্ঘাটনৰ চেষ্টা কৰিছে) পৰ্ব্বতে-পাষণ্ডই থকা জনজাতিবোৰৰ উপখ্যান আৰু গীতবোৰতো অসমৰ সংস্কৃতিৰ এটি অধ্যায় লুকাই আছে। অসমীয়া ভাষাৰ প্ৰাচীনতম লিখিত নিদৰ্শন বৌদ্ধ চৰ্য্যাপদবোৰতহে পোৱা যায় (খৃঃ ৯০০—১২০০ ভিতৰত); এইবিলাক ধৰ্ম্মগীত। ভূতিবৰ্ম্মাৰ (৫৫৫ খৃঃ) শিলালিপিৰ ভাষাত সংস্কৃতৰ লগে লগে কিছুমান অসমীয়া শব্দবো চিন পোৱা গৈছে। হিউৱেন চাঙৰ মন্তব্যৰপৰা পণ্ডিতসকলে অনুমান কৰিছে যে খ্ৰীষ্টীয় ৭ম শতিকাত অসমীয়া ভাষাই এক স্বকীয়া গঢ় লৈছিল। পণ্ডিতসকলৰ মতে এইটো অপভ্ৰংশৰ (বা অন্ত্য প্ৰাকৃত) কাল। এই কালছোৱাতে বোলে প্ৰায় নবম শতিকামানত মাগধী অপভ্ৰংশৰ-পৰা অসমীয়া ভাষাৰ জন্ম হৈছে। ত্ৰয়োদশ শতিকাৰপৰা প্ৰকৃত লিখিত অসমীয়া সাহিত্যৰ নিদৰ্শন পোৱা যায়। এই লিখিত সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠা কৰে বৈষ্ণৱ ৰেনেছাঁসে। কিন্তু ইয়াৰ আগতেই বৌদ্ধ ৰেনেছাঁসৰ ফলত প্ৰাকৃত ভাষাবোৰত লিখিত সাহিত্যৰ সৃষ্টি হয়। এইবোৰ মূলতঃ ধৰ্ম্মসাহিত্য। এইবোৰত অসমৰ জনজীৱনৰ প্ৰতিফলন হোৱা নাই। বঞ্চিত শ্ৰেণীবোৰৰ মুক্তিৰ আকাঙ্ক্ষা বিভিন্ন ধৰ্ম্মৰ দ্বন্দ্বৰ মাজেদি প্ৰকাশ পাইছিল যদিও সি অসমৰ সকলো শ্ৰেণীৰ জনতাৰ দৈনন্দিন জীৱনৰ ছবি প্ৰতিফলিত কৰা নাছিল। ব্ৰহ্মসাধনাৰ ধাৰাই সুদীৰ্ঘ কাল ধৰি অসমৰ শাসক শ্ৰেণীৰ ধৰ্ম্ম হৈ আছিল; অৱশ্যে ভাস্কৰ-বৰ্ম্মাৰ তামৰ ফলিত বৃহস্পতি-নীতি চৰ্চ্চাৰ উল্লেখ থাকিলেও প্ৰাচীন অসমত বস্তুবাদৰ চৰ্চ্চা সম্বন্ধে আমাৰ সংবাদ অতি তাকৰ। জনসাধাৰণৰ পোনপটীয়া বস্তুবাদী মনোভাৱ সেইবাবে লিখিত সংস্কৃত অথবা অসমীয়া সাহিত্যত কোনো দিনেই ফুটি উঠা নাই। এই মনোভাবৰ ইঙ্গিত পোৱা যায় বিহুনাম, সাধু আৰু জনজাতীয় উপাখ্যান আদি বিবিধ মৌখিক সাহিত্যত। কিন্তু এইবোৰৰ বহুততে আদিম বিশ্বাসৰ আধাৰ অলৌকিক দেৱদেৱী সকলক পোৱা গলেও তাৰ মাজত জীৱনৰ সুস্থ প্ৰতিফলনো আছে। এইবিলাক কেতিয়া ৰচিত হৈছে কব নোৱাৰি। সম্ভৱতঃ এইবোৰ কেইবাটাও যুগ, কেইবাটাও জাতি আৰু কেইবাখনো সমাজৰ সংস্কৃতিৰ সংমিশ্ৰণৰ চিন। অসম বুৰঞ্জীয়ে বৌদ্ধ যুগৰ ৰেনেছাঁসৰ কোনো সাহিত্যিক সাক্ষী ৰখা নাই। গুপ্তযুগত ব্ৰহ্মবাদৰ পুনৰুত্থান কালত হোৱা অসমৰ সাংস্কৃতিক আন্দোলনৰ (?) সাক্ষ্য তামৰ ফলিবোৰত যৎকিঞ্চিত সঞ্চিত হৈছে যদিও তাৰ ব্যাপক পৰিচয় আমি ক'তো নেপাওঁ। এই কাৰণে আদি সামন্ত যুগৰ সাক্ষ্য আমাৰ সাহিত্যত নাই। পুৰাণবিলাকৰ সংগৃহীত সংবাদে আমাৰ বুৰঞ্জীত আলোকপাত কৰিলেও আমি সেই সময়ৰ মৌখিক সাহিত্যৰ অৱস্থিতিৰ বিশেষ একো খবৰেই নেপাওঁ। হব পাৰে এই যুগৰ সাক্ষী আছে বহুতো প্ৰচলিত গল্প-গীতিত; হয়তো এইকালৰ সংবাদ আছে বিবিধ উপাখ্যানত আৰু বিহু আদি অনুষ্ঠানবোৰত। হয়তো এই কালৰে পৰিচয় পৰ্ব্বতীয়া জাতিবোৰৰ মৌখিক সাহিত্যত এতিয়াও লুকাই আছে। মিকিৰবিলাকৰ উপাখ্যানসমূহ এই প্ৰসঙ্গত উল্লেখযোগ্য।

'এজনী মিকিৰনী ছোৱালী' ( বলাইৰাম সেনাপতিয়ে লিখা ) নামৰ এটি উপাখ্যানত ৰজাই তিৰোতা এজনীক কৰা অবিচাৰৰ বিষম পৰিণতিৰ কথা বৰ সুন্দৰভাৱে লিপিবদ্ধ কৰা হৈছে। ঐতিহাসিক দৃষ্টিৰপৰা হয়তো এই সাহিত্য কৃষি আৰু পশুচাৰণৰ যুগ্মযুগৰ চিন। বিহুনাচত কন্যাক নগাৰ বসন্তোৎসৱৰ গীতত এতিয়াও Fertility cultৰ সংবাদ পোৱা যায়। জাতি-ভেদৰ অন্যায়ৰ, পিতৃ-প্ৰধান সমাজত তিৰোতাৰ পৰাধীনতাৰ কথা বিহুনামত আছে,—যিদৰে তেজীমলাৰ গীতত আছে বহু-পত্নীৰ কৰুণ পৰিণতি। ফুলকোঁৱৰ, মণিকোঁৱৰৰ গীতত আছে ৰজাৰ প্ৰণয়-কাহিনী। ডাকৰ বচনত আছে কৃষি-বিজ্ঞানৰ আৰু জীৱনৰ সাৰুৱা অভিজ্ঞতা। এইবোৰ আদি সামন্ত যুগৰ মৌখিক জন-সাহিত্য।

অসমত সামন্ত যুগৰ সাহিত্য সৃষ্টিত এক প্ৰবল আলোড়ন আনে বৈষ্ণৱ-ৰেনেসাঁসে। আহোম ৰজা চুহুংমুঙে ( ১৪৯৭-১৫৩৯ ) পোন-প্ৰথমতে হিন্দু নাম ( স্বৰ্গনাৰায়ণ ) লয়। অষ্টাদশ শতিকাত ৰুদ্ৰসিংহৰ দিনত পূৰ্ব্ব ভাৰতত হিন্দু সাম্ৰাজ্য গঠনৰ স্বপ্নই আহোমসকলৰ মন অধিকাৰ কৰে। আহোমসকলৰ দিনত ৰচনা কৰা বুৰঞ্জী সাহিত্যত ৰজাসকলৰ ৰাজত্বৰ কাহিনী পোৱাৰ লগে লগে আমি তেওঁলোকৰ পৃষ্ঠ-পোষকতাত এক বিশাল বৈষয়িক সাহিত্য গঢ়ি উঠা দেখা পাওঁ। হস্তীবিদ্যাৰ্ণৱ, ঘোৰানিদান, কামৰত্নতন্ত্ৰ, শ্ৰীহস্তমুক্তাৱলী, গীতগোবিন্দ আৰু শকুন্তলা কাব্য আদিৰ অনুবাদে সেইসময়ৰ বৈষয়িক সাহিত্যৰ পৰিচয় দিয়ে। কিন্তু এই সাহিত্য সম্পূৰ্ণৰূপে ৰাজকীয় অথবা অভিজাত সম্প্ৰদায়ৰ সাহিত্য আছিল। আনহাতে চুহুংমুঙৰ দিনতে বৰদোৱাত জন্মগ্ৰহণ কৰা মহাপুৰুষ শঙ্কৰদেৱৰ নৱবৈষ্ণৱ আন্দোলনে অসমীয়া সাহিত্যত সমাজৰ নিম্নশ্ৰেণীৰ জনতাৰ মাজতো যি এটা আধ্যাত্মিক মুক্তিৰ সোঁত বোৱালে, সি আমাৰ সাহিত্যৰ প্ৰকৃততে এক ৰেনেসাঁস ঘটালে। সাধাৰণ মানুহে বৈষ্ণৱ কবিসকলৰ ভক্তিধৰ্ম্মৰ প্ৰচাৰমূলক কাব্য আৰু নাটবোৰ সুলভ মানসিক আহাৰ হিচাপে ততালিকে গ্ৰহণ কৰিলে। শঙ্কৰ-দেৱৰ আগতে বস্তুবাদী জনসাধাৰণে হয়তো ইতিমধ্যে গুপ্তযুগৰ ব্ৰহ্মবাদৰ প্ৰভাৱ এৰাই অবৈদিক পন্থা গ্ৰহণ কৰি সহজ সুখবাদৰ চৰ্চ্চা কৰিবলৈ ধৰিছিল। আহোম ৰজাসকলে গুপ্ত সংস্কৃতিৰ বিশ্ববিজয়ী আদৰ্শৰ দৰে এটি সাম্ৰাজ্য গঠনৰ মনোভাৱ গ্ৰহণ কৰিবলৈ চেষ্টা কৰিছিল; কিন্তু এওঁলোকৰ দিনত ৰচিত সংস্কৃত সাহিত্য চৰ্চ্চাৰ জনসাধাৰণৰ বাবে একো অৰ্থ নাছিল। আনহাতে নৰনাৰায়ণৰ দিনত তেওঁৰ প্ৰজাসকলে আনকি শিৱপূজাকো অনাৰ্য্য পদ্ধতিৰে কৰিবলৈ আৰম্ভ কৰি দিছিল। এই সহজ সুখবাদৰ বিৰুদ্ধে এক সহজ প্ৰত্যয়বাদীৰ ভেটিত বেদক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ শঙ্কৰ-মাধৱে যত্ন কৰিলে আৰু তাৰ বাবে শ্ৰীমদ্ভাগৱদ, পুৰাণ আদি গ্ৰন্থবোৰ অসমীয়ালৈ অনুবাদ কৰিবলৈ ধৰিলে। ইয়াৰ পিছৰ পৰাই ভগৱান শ্ৰীকৃষ্ণৰ লীলাবোৰ অঙ্কীয়া নাট, কীৰ্ত্তন আৰু নামৰ মাজেদি পদব্ৰজে ঘূৰা বৈষ্ণৱসকলৰদ্বাৰা প্ৰচাৰিত হবলৈ ধৰিলে। শঙ্কৰদেৱৰ সাহিত্যিক আদৰ্শ কি আছিল, তাক দুটি ঘটনাৰপৰা বঢ়িয়াকৈ ধৰিব পাৰি। পীতাম্বৰ দ্বিজৰ 'ৰুক্মিণী-হৰণ'খনৰ 'কোন অঙ্গে থুন দেখি নাইলা যদুমণি' বোলা শাৰীটো শুনি তেওঁ সেই পুথিখনৰ নিন্দা কৰি কলে, 'ধৰ্ম্ম ধৰিবাক সিটো যোগ্য নোহে লোক।' দ্বিতীয় ঘটনাটি হ'ল অনন্ত কন্দলীৰ সতে। অনন্দ কন্দলীৰ



ৰচিত 'দশম'খন পঢ়ি তেওঁ কৈছিল বোলে কন্দলীয়ে 'যুদ্ধক দীৰ্ঘ কৈলে, ভক্তিক হ্ৰস্ব কৈলে।" উক্ত দুটি ঘটনাৰপৰা বুজিব পাৰি যে শঙ্কৰদেৱৰ সাহিত্যিক আদৰ্শ বৈষয়িক বা বস্তুবাদী নাছিল, আছিল ধৰ্ম্মমূলক। তেওঁৰ পিচত ৰচিত হোৱা বধকাব্যবোৰত আৰু গুপ্ত সাম্প্ৰদায়িক আৰু ( যৌন-ৰস প্ৰধান ) সাহিত্যবোৰত সেই ৰীতি ভঙ্গ কৰা হৈছিল। হয়তো সাধাৰণ মানুহে তেতিয়াও সাহিত্যত বৈষয়িক বৰ্ণনাহে বেছি বিচাৰিছিল। অসমৰ ধৰ্ম্ম-বুৰঞ্জীত মায়ামৰা সত্ৰৰ বিকাশ আৰু ৰাজনৈতিক বুৰঞ্জীত মৰাণ বিদ্ৰোহৰ কথাও এই প্ৰসঙ্গত স্মৰণীয়। মায়ামৰীয়া সত্ৰক সংগ্ৰামী পন্থাৰ সম্প্ৰদায়—যি সম্প্ৰদায়ে গোড়া আচাৰ-নিষ্ঠাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল আৰু মৰাণ বিদ্ৰোহ আছিল আহোমসকলৰ ৰাজধৰ্ম্মৰ বিৰুদ্ধে প্ৰজাধৰ্ম্মৰ অবিস্মৰণীয় অসন্তুষ্টিৰ প্ৰকাশ।

আহোমসকলৰ বস্তুবাদী দৃষ্টিভঙ্গীৰ সীমা-বদ্ধতাৰ ফলস্বৰূপেই অসমত বিজ্ঞান চৰ্চ্চাৰ বিকাশ নহল। ইউৰোপত পাঁচ শতিকা ধৰি হোৱা বৈজ্ঞানিক বিপ্লৱে সেই মহাদেশৰ জন-সাধাৰণক ধৰ্ম্মনিৰপেক্ষ ৰাষ্ট্ৰ, গণতন্ত্ৰ আৰু সাম্যৰ সংগ্ৰামৰ পথ মুকলি কৰি দিয়াৰ ফলত তাত এক বিৰাট ৰেনেসাঁস আৰম্ভ হ'ল সাহিত্যত। ছেক্সপীয়েৰ এই যুগৰ মহাকবি। সাম্য, গণতন্ত্ৰ আৰু সাধাৰণ মানুহৰ ব্যক্তিত্বৰ মূল্য আমি ইউৰোপীয় সাহিত্যৰ যোগেদি শিকিলো। ইংৰাজী সাহিত্যই আমাৰ অসমীয়া সাহিত্যক এক নতুন ব্যাপ্তি, ৰূপবৈচিত্ৰ্য আৰু আন্তৰ্জ্জাতিক দৃষ্টিভঙ্গী দান দিলে। কিন্তু আমাৰ ৰাজনৈতিক পৰাধীনতা আৰু অৰ্থনৈতিক অনগ্ৰসৰতাই তাক সম্পূৰ্ণৰূপে জীৱনত গ্ৰহণ কৰিবলৈ সুযোগ নিদিলে। ইংৰাজী পঢ়া এশ্ৰেণী মধ্যবিত্তই শতিকাৰ এমূৰত আৰম্ভ কৰিলে "জোনাকী"ৰ পোহৰ। ইউৰোপীয় ৰোমান্টিছিজমৰ ছত্ৰছায়াত এক নতুন দৃষ্টি ফুটি উঠিল কবিতা, নাটক আৰু কাল্পনিক সাহিত্যত। ভয়ে ভয়ে এক মানবীয় আৰু সমালোচনাশীল দৃষ্টিভঙ্গী গ্ৰহণ কৰিলে ন সাহিত্যিকসকলে,—কিন্তু তথাপিও তাত থাকি গ'ল পশ্চাদগামী ধৰ্ম্মান্ধতা। প্ৰেম অথবা বিপ্লৱ যিহৰে কথা কবলৈ যাওক, মুখ ফালি কবলৈ গলেই বেদে বাধা দিয়ে। দ্বিতীয় দশকত লক্ষ্মীধৰ শৰ্ম্মাহঁতে 'গল্পপ্ৰয়াস' আৰম্ভ কৰিলে সম্পূৰ্ণ নতুন সুৰেৰে, আনদলে আৰম্ভ কৰিলে আধুনিক পদ্ধতিৰে বুৰঞ্জী চৰ্চ্চা। তৃতীয় দশকত অৰ্থনৈতিক সংকটে লিখকসকলৰ বুকুত তুলিলে বিপ্লৱৰ ঢউ। প্ৰকৃতপক্ষে এই দশকতে ডেকা গল্পলিখক আৰু সমালোচকসকলে আমাৰ সাহিত্যত মনোবিজ্ঞান আৰু সমাজ বিপ্লৱৰ চেতনা পৰিস্ফুট কৰি তোলে। ইয়াৰ লগে লগে ৰিয়াল্লিছৰ বিপ্লৱত জাতীয় আন্দোলনে এটি পৰিণতি পায় আৰু মহাসমৰে বৃটিছ সাম্ৰাজ্য-বাদৰ কঁকাল ভাঙে। জনসাধাৰণৰ বুকুলৈ তেতিয়া এক বিৰাট মুক্তিৰ হিল্লোল আহিল। পাঁচ হেজাৰ বছৰ ধৰি বঞ্চিত হৈ থকা জন-সাধাৰণে গণতান্ত্ৰিক শিক্ষা-পদ্ধতিৰ সুযোগ লৈ লিখিত আৰু ৰসাত্মক সাহিত্য ৰচনা কৰিবলৈ অধিকাৰ পায়। ইমান দিনলৈকে আমাৰ জন-সাধাৰণে কেৱল মৌখিক গীত-মাত-পদৰ যোগেদি নিজৰ শ্ৰম-গধুৰ জীৱনৰ মাজলৈ যৎকিঞ্চিত আনন্দ আৰু সৌন্দৰ্য্যৰ বিমল পোহৰ আনিছিল। গণতন্ত্ৰই অন্ততঃ নীতিৰ ক্ষেত্ৰত প্ৰত্যেক যোগ্য ব্যক্তিকে ৰস সৃষ্টি আৰু ৰসাস্বাদনৰ অধিকাৰ দিয়াত, শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৱেই প্ৰথমতে

সেই অধিকাৰ কাৰ্য্যতঃ প্ৰয়োগ কৰে। এই শ্ৰেণীটোৱেই ইউৰোপীয় ৰেনেচাঁসৰ প্ৰভাৱত অনুপ্ৰাণিত হৈ বিবিধ সাহিত্য-কলাৰ মাধ্যমেদি অসমীয়া সাহিত্যত এক আলোড়ন তুলিলে। আধুনিক অসমীয়া সাহিত্য এই শ্ৰেণীটোৰ সৃষ্টি। শতিকাৰ প্ৰথম তিনি দশক কাল অসমীয়া ভাষা-সংস্কৃতিয়ে আত্মপ্ৰতিষ্ঠাৰ চেষ্টাত ব্যস্ত থাকোঁতেই গ'ল। অসমীয়া ভাষাৰ স্বকীয়তা প্ৰতিপন্ন কৰিবৰ বাবে বেছিভাগ লিখকেই পুৰাতত্ত্ব, শব্দতত্ত্ব, বুৰঞ্জী আদিৰ চৰ্চ্চাত ব্যস্ত হোৱাত, সৃষ্টিধৰ্ম্মী সাহিত্য গঢ়াৰ একাণপতীয়া সাধনাৰ অভাৱ হৈছিল। তৃতীয় দশকত আমাৰ সাহিত্যত ইউৰোপীয় ৰেনেচাঁসৰ মূলমন্ত্ৰ—যুক্তিনিষ্ঠতা আৰু ব্যক্তি-স্বাধীনতাৰ ভাবধাৰাৰ ভেটিত এক বহুমুখী সাধনাৰ আৰম্ভণ হৈছিল, কিন্তু মহাযুদ্ধৰ সময়ত দুৰ্গতিৰ সম্মুখীন হৈ সেই প্ৰচেষ্টা ব্যাহত হয়। চতুৰ্থ আৰু পঞ্চম দশকৰ ভিতৰত আধুনিক সৃষ্টি-ধৰ্ম্মী সাহিত্য এটি জন্ম দিবৰ বাবে এটি সং প্ৰচেষ্টা চলিছে; এই প্ৰচেষ্টাৰ সফলতা নিৰ্ভৰ কৰিছে এটি প্ৰকৃত মানৱীয় সাহিত্য আৰু মানৱীয় দৃষ্টিভঙ্গী সৃষ্টি কৰাত। ইয়াৰ লগে লগে পৰিবেশ সৃষ্টিৰ সমস্যা এটাও উঠিছে। জন-সাধাৰণৰ সকলোকে আৰু প্ৰত্যেককে ৰস-সৃষ্টি আৰু ৰসাস্বাদনৰ যোগ্যতা দিয়া এটি ব্যৱস্থাৰো আমাৰ আৱশ্যক হৈ পৰিছে। বিশ্বসাহিত্যৰ বুৰঞ্জী, সাহিত্যৰ উন্নত কলা-কৌশল আয়ত্ব আৰু বহুমুখী বিবিধ মতবাদৰ লগত পৰিচিত হবৰ বাবে আমাক বহুতো স্বত্ব আৰু কৰ্ত্তব্যৰ প্ৰয়োজন হৈছে। সাহিত্যিকৰ মৰ্য্যাদা আৰু ব্যক্তিত্ব যাতে সমাজে স্বীকাৰ কৰি লয় তাৰ বাবেও এটি আন্দোলনৰ প্ৰয়োজন।

সমসাময়িক অসমীয়া সাহিত্যত মানৱীয় দৃষ্টি-ভঙ্গী এটিৰ জন্ম হৈছে। জীৱনৰ সকলো ফাল আৰু সমাজৰ নিম্নতম শ্ৰেণীৰ প্ৰতি কাল্পনিক সাহিত্য ৰচকসকলৰ দৃষ্টি প্ৰসাৰিত হৈছে। অকল সেয়ে নহয় তেওঁলোকে মানৱীয় সম্পৰ্কৰ অসামঞ্জস্যৰ স্বৰূপো উদঙাই দৰ্শাবলৈ চেষ্টা কৰিছে। অৱশ্যে বেছিভাগ লিখকেই এই অসামঞ্জস্য দূৰীভূত কৰাৰ সমাধান দিবলৈ ৰাজী নহয়। সৌন্দৰ্য্যবোধৰ আৰু সৌন্দৰ্য্য সৃষ্টিৰ যি কেইখন ৰুদ্ধ দুৱাৰ খোল খাই গৈছে সেই কেইখনৰ ভিতৰলৈ গৈ তেওঁলোকে বিচাৰিছে নতুন সৌন্দৰ্য্য। দৈনন্দিন জীৱনৰ বহুত শব্দ আৰু খণ্ডবাক্য, বহুতো বঞ্চিত উপমেয় আৰু উপমান, অতদিনে দেখা নোপোৱা শব্দৰ বিবিধ ব্যঞ্জনা, অৱচেতনৰ অনেক নিষিদ্ধ প্ৰতীক আৰু অৱলুপ্ত সামাজিক স্মৃতিৰ মুক্ত ব্যৱহাৰ আৰু ৰোমাণ্টিছিজিমক অতি-শয়োক্তিৰ দোৱৰপৰা মুক্তি দি আধুনিক কবিতাই সৌন্দৰ্য্যৰ এখন ন দুৱাৰ আমাৰ আগত খুলি দিছে। কৰ্মৰ এই বৈচিত্ৰ্য উন্নত সাহিত্যৰ সম্বল আৰু ভবিষ্যত সাহিত্যৰ ঐশ্বৰ্য্য। জীৱনে সাহিত্যক নতুন উপকৰণ যোগাইছে; যদিও সি অসাম্য আৰু অন্যায়ৰ জাল ছিঙি আগবাঢ়িব পৰা নাই। আমাৰ জীৱনত অধিক প্ৰাচুৰ্য্য, সমতা আৰু ন্যায়ৰ যিদৰে আৱশ্যক, সেইদৰে আৱশ্যক সৃষ্টিৰ অবাধ স্বাধীনতা। অসম বুৰঞ্জীত চিৰদিন বঞ্চিত হৈ অহা ব্ৰাত্য জনসাধাৰণে সৃষ্টিৰ সুযোগ পালেহে আধুনিক সাহিত্যৰ মহত্ত্ব, বিপুলতা আৰু বৈচিত্ৰ্য বাঢ়িব।

# যদুমণিদেৱৰ গীত

সংগ্ৰাহক—শ্ৰীকুমুদচন্দ্ৰ মহন্ত, বি-এ, বি-টি

[ ভৱানীপুৰীয়া গোপাল আতাৰ ১২ জন প্ৰধান শিষ্যৰ ভিতৰত বৰ যদুমণি বা হেঙুলীয়া যদুমণি অন্যতম। খৃষ্টীয় ১৭শ শতিকাৰ প্ৰথমাৰ্দ্ধত এখেতৰ উদ্ভৱ হয়। বাঁহবাৰী, শিলিখাতল, দিহিং, লেংদি, ন-মাটি, ধলৰ, তেলপানী আদি সত্ৰ যদুমণিদেৱ আৰু তেখেতৰ বংশধৰ সকলে স্থাপন কৰে। সাত কুড়ি গীত ৰচনা কৰাৰ উপৰিও যদুমণিদেৱে কংসযাত্ৰা নামে নাট ৰচনা কৰি যায়। ] সম্পাদক

### ৰাগ সিন্ধুৰা ( নাট ) যতিতাল

সজনিৰে জীৱন ধৰণ নযাই

চক্ষুৰ আখিৰ চাৰ পৰাণ হৰিয়া নিলে

মোহন শ্যাম কানাই ॥

মোহন মুৰলি নাদে কালা কানুৰ বাদে

ভূষণ পৰিয়া গেল ধান্ধে।

প্ৰেমে তোল বোল ৰসেৰ মাজে

ডুব দিয়া দিয়া কান্দে ॥

মৃগ পক্ষী কান্দে সুৰভি ৰাখোৱাল

বলাইৰ ভুলিল ভোল মন।

প্ৰাণ ভায়া বুলি কান্দে ধায়া ধায়া গলে বান্ধে

মুৰাৰি মুহিলে ত্ৰিভুবন ॥

অখিল লোকৰ পতি গোপেৰ সঙ্গতি

হুয়া বনে চাৰা ধেনু।

পৰম মুৰুখমতি কহয় যদুমণি

গতি মোৰ কানু পদৰেণু ॥ ১

---

### ৰাগ সিন্ধুৰা

কদম্বৰ তলে পেখলো শ্যাম কানাই।

বিধি নিৰমিলে শ্যামসুন্দৰ কানু

উপমা দিতেৰে নাহি ঠাই ॥

কিবিধি স্ৰজিলে হাসি কিবিধি স্ৰজিলে বাংশী

কিবিধি স্ৰজিলে আখি কোণা।

মোহন টালনি জুড়া কোন বিধি সৰজিলে

কি বিধি স্ৰজিলে কাল সোণা ॥

চান্দৰ উপৰে চান্দ কিনো বিধি নিৰমিলে

কুটিল কুণ্ডল কোন বিধি।

সকল বিধাতা একমতি হুয়া

স্ৰজিলে গুণেৰ নিধি ॥

বিধিৰো বিধাতা সকল ভুবন ত্ৰাতা

ভকত বৎসল যোহি হৰি।

কহয় যদুমণি সোহি ঈশ্বৰে কএ

বিধিয়ে স্ৰজিব কেন কৰি ॥ ২

---

### গীত ৰাগ গৌৰী

আৰে, শ্যাম বিনে বিৰহিণী ভয়ো।

কোটি কাম জিনি শ্যাম সুন্দৰ তনু

নটবৰ সাজনি বনে গয়ো ॥

মনোহৰ মূৰুতি টালনি জুড়া মনোহৰ

ভ্ৰূৰ মদনধনু নয়ন শোভা।

জলমল মকৰ কুণ্ডল মনমোহন

অৰুণ অধৰ দোহো মুৰলী নাদে ভুবন মোহে ॥

ৰতন ভূষণ বালা অঙ্গ শোভে জগমোহে

শ্যাম কানু ত্ৰিভঙ্গ ভবে।

বনমালা মধুপানে অলিকুল আকুল মোহন মাজে

কেলি কৰে গোপধায়া ধৰে ॥

অৰুণ চৰণ পঙ্কজ যুগ মনোহৰ

ভকতজনৰ মন শোভা কৰে।

যদুমণি দীন মূৰুখমতি পামৰ

গোপাল চৰণ ৰেণু শিৰে ধৰি মনে আশা কৰে ॥ ৩

---

### ৰাগ গৌৰী

মাইহে পেখো ভালা।
পীত বসন বৰণ কালা॥
অৰুণ চৰণে মঞ্জীৰ বাজে।
ৰূপে কোটি মদন লাজে॥
ত্ৰিভঙ্গ ললিত মুৰবি বাজে।
চান্দবয়ন গোপ মাঝে॥
জগত জীৱন সুন্দৰ শ্যাম।
যদুমণি মন পূৰণ কাম॥ ৪

---

### ৰাগ গৌৰী

মজিয়া ৰঙ্গমন অৰুণ চৰণ
ভকতি আনন্দ লাগিয়া।
ৰাম অমিয়া তেজিয়া গৰল
পানে মৰসি অভাগিয়া॥
সহস্ৰ বয়ন ব্ৰহ্মা ত্ৰিনয়ন
যত ৰামক সেৱকিয়া।
নাৰদ মুনিগণ সনক সনাতন
ৰাম যশ সাৰ জানিয়া॥
ৰাম নাম ধন অমূল্য ৰতন
সকলে বেদক জানিয়া।
গোপালক পাৱে লাগিয়া মাগয়
ভকতিৰতি যদুমণিয়া॥ ৫

---

### ৰাগ গৌৰী

পুছত ঘন চান্দবয়ন সুমৰে যশোৱা মাই।
উদ্ধৱ কহু হামাৰি বিৰহ তাপে তনু মিলাই॥
হামু অভাগী নাহি পেখবো সো হৰি প্ৰাণ মধাই।
পৰাণ নাৰহে কানুৰ বিৰহে গিৰি বৃন্দাবন চাই॥
কুটিল অলক তিলক নাসিকা অৰুণ অধৰ ৰহে।
সুবলিত বাহু ভ্ৰূৰ বক্ষস্থলে সুমৰিতে মনমোহে॥৬

---

### ৰাগ মাহুৰ

ৰাধে বিকলি ভয়ো শ্যাম বিনা।
জীৱন নাৰহে কানুক লাগি আগি যৈছে
পঙ্কজ হেম দীনা॥
অৱনিশি শ্যাম ফোকাৰে পদ্ম বয়না
নয়নে নীৰ জুৰাৱে।
শ্যাম গুণ গাৱে মূৰুচি মূৰুচি পৰে
জাগিয়া শ্যাম ধিৱাৱে॥
শ্যামক বিৰহে তাপ মাজে মজ্জল
নাহি পাৰ দুখসিন্ধু।
যদুমণি কহয় বিৰহ তাপ ছাৰহ
শ্যাম দীনজন বন্ধু॥ ৭

---

### ৰাগ তথা ( মাহুৰ নাট )

উদ্ধৱ কতনো সহৱ শ্যাম আগি।
সব দুখমোচন পঙ্কজলোচন নাহি
পেখবো মন্দ ভাগী॥
হামু অভাগিনী নন্দ নন্দনবিনি
নাহি নাহি নাম সমান।
ওহি গোকুলক মিলব মাধৱ
কৰব হামাৰ প্ৰাণদান॥
ওহি যব নাহে বিৰহে দেহা দহে ৰহব
জীৱন কতি লাই।
প্ৰেম সাগৰে মজ্জল সব গোপিনী
যদুমণি দীনগুণ গাই॥ ৮

---

### ৰাগ ধনশ্ৰী

মন ভজৰে নন্দনন্দন দুহো পাৱে।
কপট নন্দৰসুত নাম অদভুত গোপ মাজে
সুৰভি চৰাৱে।
নীল কুঞ্চিত কেশ বান্ধিয়া সুবেশ ৰতন
মুকুট ভালি শোভে।
সুচান্দ বয়ন মাজে অৰুণ অধৰ বাজে
পেখি ভুবন মন লোভে।



মকৰ কুণ্ডলমণি লম্বিত শ্ৰুতি মূলে
কণ্ঠে কৌস্তুভ মণি শোভে।
অভিনৱমালা কদম্ব কেলি দুলনা
কাল অঙ্গে জগ মোহে॥
ভুবনমোহন কটি জলমল পীত ধুতি
ৰতন মঞ্জীৰ জুৰে পাৱে।
গজেন্দ্ৰ গমন জিনি লয়লাসে যদুমণি
গোপ মাজে চৰণ চলাৱে॥
বেদশিৰোমণি চৰণে বিৰাজয় ব্ৰজ মাজে
চলন খেলাৱে।
ভকত বৎসল হৰি চৰণ শিৰে ধৰি যদুমণি
দীন গুণ গাৱে॥ ৯

---

### ৰাগ ভাটিয়ালী

কদম্বৰ তলে শ্যাম সাজনি।
পৰাণ নৰহে পেখি আখিৰ চাজনি॥
ৰতন ভূষণ তেজি বনমালা শোভে।
বনেৰ বাংশৰ বাংশী ত্ৰিভুবন মোহে॥
বনেৰ ময়ূৰ পুচ্ছ মাথায়ে পৰিধান।
নয়নে পেখিয়া আৰ ৰহিল পৰাণ॥
এথায়ে ৰহিতে নাৰি কিবা কৰে হিয়া।
কি লাগি হামাৰ প্ৰাণ ৰাখিল কালিয়া॥
পৰম মূৰুখমতি কহে যদুমণি।
অৰুণ চৰণে মাগো দেৱ শিৰোমণি॥ ১০

---

### ৰাগ গান্ধাৰ

শ্যাম গুণ সুমৰি সুমৰি আছে চিত্ত ধৰণ নযাই।
বিৰহ অনল দহে মোৰ পৰাণ মিলাই॥
কতনা লিখিল দুখ বিধিয়ে কম্পালে।
বিচোৰি হামাক মধুপুৰী গয়োৱে গোপালে॥
হৃদয়ে দগধ কানুক লাগি আগি।
বাহিৰে ভিতৰে দহে মোৰ যাইবে কাহে লাগি॥
কপট কানুৰ বোলে কপট মুৰাৰি।
কপট আখিৰ ঠাৱে চিত্ত ধৰিতে নপাৰি॥
যদুমণি কহয় পামৰ মূঢ়মতি।
গোপীনী ৰহল আছে গুণ গায়া যদুপতি॥ ১১

---

### ৰাগ মালাৰ

জয়তি জয় জয়, নন্দৰ তনয়, জয়তি জগত জীৱনৰে।
তেজিয়া বৈকুণ্ঠ, নিজানন্দ সুখ, বেকত
নন্দ ভৱনৰে॥
ব্ৰহ্মা শূলপাণি, চাৰি বেদ বাণী, কহতু বে
পদ সেৱাৰে।
নন্দ যশোৱাক, সুত হুয়া কেনে, সেৱা কৰে
সোহি দেৱাৰে॥
যাহে নাম এক, শুনিয়া কম্পয়, কাল
মায়া তৰতৰিৰে।
গোপী যশোৱাকু, নৱনী চুৰি কৰি ভয়ে
কাম্পে সোহি হৰিৰে॥
পৰম দীনহীন, মূৰুখ পামৰ, যদুমণি মতিহীনাৰে।
তোমাৰ নিজদাস, অনুদাস হৈবো, মোৰ
মনে আশাৰে॥ ১২

---

### ৰাগ মালাৰ

ৰে মই গৈলোৰে মই গৈলো।
কদম্বৰ তলে নন্দৰ নন্দন পেখি আকুল ভৈলো॥
সব ছৱালৰ মাজত উজ্জল শ্যাম সুন্দৰ ৰূপ।
কালা অঙ্গৰ মূৰতি পেখিয়া কোটি মদন চুপ॥
সকল বিধিৰ যতেক চাতুৰি এক অঙ্গক নাটে।
কোটি ব্ৰহ্মাণ্ডৰ যতেক মাধুৰি এক অঙ্গক খাটে॥

ই তিনি ভুবনে যতেক লাৱণ্য এক অঙ্গৰ উন।
বয়ন একু কহিতে নপাৰি শ্যাম ৰূপেৰ গুণ ॥
গৃহৰ ভিতৰে ৰহিতে নপাৰি শুনিয়া বংশীৰ ধ্বনি।
ওহি ৰূপে মন নিমজোক কহয় যতুমণি ॥ ১৩

## ৰাগ ভাটিয়ালী

যশোৱা ডাকে কানাই বলাই।
মোৰে নৱনিধি তুমি দুই ভাই ॥
সুৰভি চাৰিতে লৈয়ো শিঙ্গা বেত বেণু।
সঙ্গৰ বালকে ডাকে আইস ৰাম কানু ॥
নযায়ো গহন বনে আছে ৰাজদূত।
মাৰিয়া পেলাইব মোৰ আপুতিৰ পুত ॥
নাশুনি হামাৰ বোল যদি দূৰে যাহ।
কৰিবো শপত তেবে মোৰ মাথা খাস ॥
কতনা পুণ্যৰ ফলে লাগ পাইলো তোৰে।
এধন সম্পদ সুখ সবে তুমি মোৰে ॥
যতুমণি কহয় যশোৱা ভাগ্যৱতী।
গৃহতে পাইলেক ৰাখোৱাল জগত পতি ॥ ১৪

## ৰাগ শ্ৰীগান্ধাৰ

যশোমতি নন্দগোপ সুত গোধন চৰাৱে
ৰতন মঞ্জীৰ পায়।
নবীন বিৰিন্দাবনে সুৰভি চাৰিতে মনে
ব্ৰজেৰ বালক সঙ্গে ধাই ॥
কোটি মদন মন মোহন মূৰতি পৰিমালে
শোভিত ভাল।
কনক পাচনি হাতে মাণিক মুকুট মাথে
নটবৰ সুবেশ গোপাল ॥
সুৰভি চলয় হাকে শ্ৰীদামে সুদামে ডাকে
ৰঙ্গিয়া অধৰে বেণু বায়া।
জয় জয় কৃষ্ণ বোল সকলে বালকে বোলে
হাসি ৰসে ভুবন ভুলাই ॥

ভকতি ৰসেৰ পতি ভকত জনেৰ গতি
যোগী যাৰ চৰন ধিয়াই।
সোহি পৰমানন্দ ব্ৰজমহ খেলনা
যতুমণি দীন গুণ গাই ॥ ১৫

## ৰাগ বেলোৱাৰ

বিজয়ানন্দলাল মনোহৰ শ্যাম।
হামাৰি নৱনিধি নয়নকু আনন্দ বিধি মিলাৱলি
ঠাম।
ত্ৰিভুবন তাৰণ হেতু অৱতাৰ যোগী ধিৱাৱত যাৰা।
সকল নিগম নাহি অন্ত পাৱে সে হৰি দৈৱকী
কুমাৰা।
সনক সনাতন যাহাকু ধিয়ায় সহস্ৰ বয়নে গুণ গাই।
কোটি ব্ৰহ্মাণ্ড ৰোমকূপে যাৰা সে বনে বেণু
বজায়।
সকল কলাৰ ৰস নাগৰ সাগৰ ব্ৰজজন জীৱন
দয়াল।
যতুমণি কহয় জগতকু আত্মা সো প্ৰভু ব্ৰজে
ৰাখোৱাল ॥ ১৬

## ৰাগ তুৰ বসন্ত

সোই সাজে গোপাল সো ব্ৰজবাল ভুবনমোহন
কানু।
ৰূপে কোটি কাম জিনি বিৰাজিত গগনে উদিত
ভানু ॥
কপোলে মলয় তিলক সাজে জিনি কোটি এক
চান্দে।
কোটি নয়নক পান্থি বিৰাজিত ভুবনমোহন
ফান্দে।
সুচান্দ বয়ান মুৰাৰি সাজে পঞ্চম অমিয়া বাজে।
গাৱে পৰিমল ভুবন উজ্জ্বল পেখিয়া মদন লাজে।



নয়নৰ বেশ পেখিতে সুবেশ চৰণ মঞ্জীৰ বাজে।
কোটি মনমথ জিনিয়া উজ্জ্বল ব্ৰজেৰ বালক মাজে।
ৰূপেৰ মাধুৰি পেখিয়া হামাৰ হৃদয় নধৰে তাৱে।
যতুমণি মন মজিয়া ৰহোক নন্দেৰ নন্দন পাৱে ॥ ১৭

## ৰাগ সিন্ধুৰা

ৰে কানাই তোমাৰ মুৰবী কেবা জানে।
হিয়াৰ পুতলী ডাকিয়া আনে ধেনু ॥
জীৱন নাৰহে মোৰে কুচিত মুৰবী থোৰ বিকিলে
নযাই কড়া চাৰি।
কপট কালাৰ অঙ্গে মনোহৰ জ্ৰৱ ভঙ্গে তাৰ সনে
ৰহিতে নপাৰি ॥
মুৰবী পঞ্চম বাণে মনেৰ মৰণ হানে
ধৰিতে নপাৰো হামু হিয়া।
কমন বিধিয়ে আৰ থৈলেক মুৰাৰি নাম
সে বিধি পৰম কপটিয়া ॥
ই তিনি লোকৰ মাজে যতেক কপটী আছে কালা
অঙ্গেৰ মাজে মেলা।
পেখিতে নাৰহে মন হামাৰ হৃদয় ধন
মদনে মাৰয় বহুঠেলা ॥
তোমাৰ কপট কানু কতনা সহিবো বৰ ভাগে।
কহয় যতুমণি মুৰাৰী বজাৱে হামাৰ
শপত তেবে লাগে ॥ ১৮

## ৰাগ সাৰেঙ্গ ( নাট )

মাধু তোহো বৰি দেৱক দেৱা।
নিগম নিগুঢ় চৰণ হৰিতো নাহি কৰত হামু সেৱা ॥
তেজিয়া বৈকুণ্ঠপতি নন্দনন্দন কতি
ঐচন নাম তোহাৰা।
গৰুড় বাহন গতি তেজি কমলাপতি ব্ৰজ মাজে
কৰত বিহাৰা ॥

হাঠিতে কিঙ্কিণী বাজে ৰিণিঝিনি ফিৰি ফিৰি
আখি চালনি।
হাসি হাসি দোহো দান্ত দেখাৱত প্ৰেমে জুৰে
যশোৱা জননী ॥
কমনে জানবো তোহাৰি ব্যৱহাৰা
সুৰ সিদ্ধ মুনি নজানা।
ভকতি অধীনা ওহি সত্যবাণী যতুমণি
দীনগুণ গানা ॥ ১৯

## ৰাগ আসোৱাৰী

কমনে পামক মন ৰাম নাম নশি।
চৰণ মাধুৰি সুখ পাৱে নিবাসি ॥
আপুনি আতমা ৰাম দেৱক দেৱা।
পৰমানন্দ ৰাম যা কৰু সেৱা ॥
জপতু ৰাম ব্ৰহ্মা শূলপাণি।
সহস্ৰ বয়ানে ৰাম জপতু জানি ॥
অপাৰ আনন্দ ৰস ৰাম নাম নিজো (য়ো ?)।
শুণিয়া বিষয় গৰল পিজো ( য়ো ? ) ॥
যতুমণি দীন কহয় তত্ত্বাণী।
নিগম নিগূঢ় ৰাম জপতু জানি ॥ ২০

## ৰাগ গৌৰী

ৰাম বিনে আয়ু সমাপয়ো।
সমাপয়ো প্ৰাণী যমে গৈয়ো ॥
আজিকালি বয়স গৱাই।
মিছা মনোৰথ বিষয় ভুলাই ॥
গৰজিয়ে শমনক নিকট চাপিয়ে।
তেৱে কেনে আন বাত ৰমন কিয়ে ॥
মাতু পিতু সুহৃদ সুত জায়া।
দেহ ৰসধৰ মজত মায়া ॥

নিৰয় নিবাৰণ কৈছন হোই।
ৰাম বিনে নাহি বান্ধৱ কোই॥
জনমে জনমে ওহি মোৰ আশা।
ৰাম চৰণে নিজ দাসকো দাসা॥
যত্নমণি দীন মূকথমতি গাই।
ৰহু মেৰি ৰাম নাম বয়নে মিলাই॥ ২১

---

### ৰাগ গৌৰী

সাজে কানু সাজে পাৱে ৰতন মঞ্জীৰ বাজে।
নটবৰ জিনি মধুৰ সাজনি পেখি মদন লাজে॥
যশোমতি সুত জগত তাৰণ কাৰণ অৱতাৰা।
ব্ৰজবাল সঙ্গহি ৰঙ্গে খেলে নন্দকুমাৰা॥
নিগম নিগূঢ় অৱতাৰ গূঢ় ব্ৰজেৰ বালক মাজেৰে।
পৰমানন্দ ৰঙ্গ বিৰিন্দা বিপিন বিহাৰ সাজেৰে॥
শিঙ্গা শঙ্খ বেণু মুৰৰি বজাই গাৱয় গীত মধুৰে।
ৰাম হৰি বোলে ধৰ্ম্ম শিৰোমণি গগন মণ্ডল পুৰে॥
সুৰ শঙ্কৰ চৰণ কিঙ্কৰ যোগী যাৰ ধিয়ানা।
জগ জীৱন গোকুল ধন যত্নমণি গুণ গানা॥ ২২

---

### ৰাগ মাহুৰ

নন্দলালহে ব্ৰজবালক সঙ্গে।
শ্যামল অঙ্গে ত্ৰিভঙ্গ ৰঙ্গে॥
কোটি শশী কচিৰ নোহে।
শৰীৰে বসন পীত তৰিত যো ৰহে॥
কোটি মনমথ নাহি তুলে।
ৰূপ পেখি সুৰ ৰমণী ভুলে॥
জগতক জীৱন ধন গতি।
কহয় যত্নমণি পামৰ মতি॥ ২৩

---

### ৰাগ ভাটিয়ালী

মোৰে পতিত পাৱন আহে নাৰায়ণ মই
কিনো কাম কৈলো।
অপাৰ আনন্দ তোমাৰ চৰণ মই
পাপী বঞ্চিত ভৈলো॥
ব্ৰহ্মাৰ বাঞ্ছনী নৰতনু ইটো তাৰে
পাইলো বৰ ভাগে।
ভকতি অমিয়া তেজিয়া বিষয়
গৰল ভক্ষিলো ৰাগে॥
নিজ প্ৰয়োজন তোমাৰ চৰণ সকল বেদক বাণী।
সকল সুখেৰ মূল প্ৰয়োজন তাৰে
নাসেবিলো জানি॥
কপট চাতুৰি কৰিতে আমাৰ আয়ু
ভৈল সমাপতি।
যমেৰ দুৱাৰ চলিতে লাগে কিবা হৈবে
মোৰ মতি॥
পাতিত পাৱন তোমাৰ চৰণ জানিয়া
কৰিয়ো আশা।
এহি সত্য হয় জানিয়া কহয় যত্নমণি
মতিনাশা॥ ২৪

---

### ৰাগ কেদাৰ

ৰাম ৰাখু গোবিন্দ চৰণ অৰবিন্দ তুমহি মোৰ
নিজ গতিৰে।
মজিলো সংসাৰ নকৰি তোমাৰ চৰণ
পঙ্কজ ৰতিৰে॥
কতনা পুণ্যৰ ফলে নৰতনু ভাৰতবৰিষে
পাইলোৰে।
তোমাৰ ভকাত অমিয়া তেজিয়া বিষয়
গৰল খাইলোৰে।



আপুনি চিন্তিলো আপোন মৰণ শৰণ
নাকৰি সাৰৰে।
পতিত পাৱন তোমাৰ চৰণ ৰাখু
মোক একবাৰৰে॥
তুমি অগতিৰ গতি শ্ৰীপতি বিদিত
এ সৰ্ব্বলোকৰে।
ৰাখু ৰাখু মোৰ চৰণ নাতেৰি ইবাৰ
গোবিন্দ মোকৰে॥
নিগম শিৰোমণি দেৱ শিৰোমণি তোমাৰ
চৰণ ৰতিৰে।
ওহি সত্য বাণী জানিয়া কহয় যত্নমণি
মূঢ়মতিৰে॥২৫

---

### ৰাগ ভাটিয়ালী

ৰে মই কিনা ভৈল মোৰ মনেৰ আসুখ,
জীৱন ধৰিতে নাৰি।
মুৰুৰি নাদে মন হৰি নিলে হৃদয়ে নেদে থাৰি॥
আন ৰাখোৱাল দেখিয়া আছি সুৰভি
ৰাখয় জাকে।
নন্দৰ নন্দন ৰাখোৱাল তিনি ভুবনৰ
মন ৰাখে॥
পীতৰ ধৰানে লুলয় কটিত ভুবন মোহন ভালা।
ৰঙ্গিয়া অধৰে মুৰৰি বজাৱে শৰীৰ বৰণ কালা॥
জীৱন ধৰিতে নপাৰি মৰণ নাহিকে
জানিলো ভালে।
বাহিৰে ভিতৰে মনেৰ মৰয় জানিলো
পাইলেক কালে॥
কতনা কহিবো মনেৰ কথা কহিতে লগায় দুখ।
পৰম মুকথ যত্নমণি কহ ওহি পৰম সুখ॥ ২৬

---

### ৰাগ মাহুৰ

অপৰূপ পেখলো মাই।
মোহন পুলিন বনে খেলনা খেলাই॥
অভিনৱ মৌতিম মালা দুলাই।
কোটি মদন মন এৰূপে ভুলাই॥
ঈষত হাসি ৰসে নয়নে দুলাই।
অধৰ সুধাৰসে পঞ্চম গাই॥
কুণ্ডল ঝলমল ভুবন ভুলাই।
মোহন বালক সঙ্গে খেলনা খেলাই॥
গকুলক নৱনিধি নন্দকুমাৰ।
কহয় যত্নমণি জগত আধাৰ॥ ২৭

---

### ৰাগ কেদাৰ

সখিহে কে বিধি লিখিলে কপালে।
হামু অভাগিনী পৰম দুখুনী মধুপুৰী জীৱন
গোপাল॥
ওহি গকুলপুৰী ভৈল দিশ অন্ধিয়াৰি গোবিন্দ
বিন যেন চান্দা।
দিৱস নাশোভে ৰবি বিনে যৈছে ব্ৰজপুৰ
ভৈল আন্ধা॥
ওহি যমুনাকুলে তৰুৱা কদম্বমূলে মুৰুৰি নাশুনি
হামু কাণে।
নন্দনন্দন পতি বিছুৰিয়া গেল কতি কমনে
ধৰবো মেৰি প্ৰাণে॥
মলয়া চন্দন শৰীৰ মলয়া লাগি অধিক তাৱে।
হামাৰি জীৱন মধুপুৰি ৰহয় যত্নমণি গুণ গাৱে॥২৮

---

### ৰাগ আসোৱাৰী

পামৰু মন ৰামচৰণ চিত্ত লাই।
বৃথা জনম গৱাই গোৱিন্দ নামহি বয়ন মিলাই॥
কৈছে মাতা কৈছে পিতা কৈছে পত্নী তনয়ী।
দেহ এ বিনে পুত্ৰ হা কৈছে ৰাম বিনে গতি নাই॥

ভুবন চতুৰদশ ফিৰত কায়া তবহু অন্ত নাহোই।
জনম মৰণ ভুজঙ্গ পুনু দংশল ৰাম বিনে
গতি কোই ॥
সবকহো ৰৰজি ৰামচৰণে দোহো শৰণ লেহু
নিজ কাম।
পৰম পামৰ মতি যদুমণি কহয় লেহু
গোৱিন্দকেৰি নাম ॥ ২৯

বিষয় বিকলে আতুৰ ভৈলোহো চিন্তা বিষে
যাই প্ৰাণ।
সংসাৰ ব্যাধিৰ ঔষধ মাগো ভকতি
অমিয়া দান ॥
সকলে দেৱৰ দেৱ শিৰোমণি ভকতি
ৰসেৰ পতি।
অজ্ঞান আন্ধাৰে পৰিয়া আছও তুমি মোৰ
নিজ গতি ॥
পতিত পাৱন তোমাৰ চৰণ বিনে নাহি
মোৰ গতি।
তুমি দয়াময় জানিয়া কহয় যদুমণি মূঢ়মতি ॥ ৩০

**ৰাগ ভাটিয়ালী**

ৰে মোৰ প্ৰণত তাৰণ দেৱ নাৰায়ণ
শৰণ লৈলো তোমাতে।
মই অনাথক আপেক্ষিত কেনে তুমি মোৰ
নিজ নাথ।

## সংস্কৃত ৰূপকত হাস্যৰস

**শ্ৰীৰজনীকান্ত দেৱশৰ্মা**

প্ৰাচীনতম অলঙ্কাৰ গ্ৰন্থ মহামুনি ভৰতৰ নাট্য শাস্ত্ৰত দৃশ্যকাব্যৰ চাৰিপ্ৰকাৰ মূল ৰস—শৃঙ্গাৰ, ৰৌদ্ৰ, বীৰ আৰু বীভৎস আৰু এই চাৰিটাৰ আনুষঙ্গিক ৰস ক্ৰমে হাস্য, করুণ, অদ্ভুত আৰু ভয়ানক—মুঠ আঠ প্ৰকাৰ নাট্য ৰসৰ আলোচনা কৰা হৈছে।[1] সকলো প্ৰকাৰ ৰসৰে ফল চিত্তত অলৌকিক আনন্দ-অনুভূতিৰ উপলব্ধি হোৱা। এই আনন্দবোধ মূলতঃ একৰূপ হলেও বিভিন্ন ৰসৰ উপলব্ধিৰ সময়ত চিত্তভূমিৰ চাৰি প্ৰকাৰ পৰিবৰ্ত্তন লক্ষ্য কৰা যায়। শৃঙ্গাৰ আৰু হাস্য ৰসত চিত্তৰ বিকাশ হয়, ৰৌদ্ৰ আৰু করুণ ৰসত চিত্তৰ বিক্ষেপ হয়, বীৰ আৰু অদ্ভুত ৰসত চিত্তৰ বিস্তাৰ হয়, আৰু বীভৎস আৰু ভয়ানক ৰসত চিত্তৰ ক্ষোভ হয়।[2] গতিকে ভৰত, ধনঞ্জয় আদি নাট্য শাস্ত্ৰকাৰসকলে শৃঙ্গাৰ আৰু হাস্য দুয়োটা ৰসৰ অনুভূতিত চিত্তভূমিৰ একে ৰকমৰ পৰিবৰ্ত্তন—বিকাশ লক্ষ্য কৰি শৃঙ্গাৰ ৰসৰ পৰাই হাস্যৰসৰ উদ্ভৱ হোৱা বুলি কৈছে। ভৰতৰ মতে শৃঙ্গাৰ ৰসৰ অনুকৰণ বা আভাসেই হাস্য।[3] অভিনৱ গুপ্তই কিন্তু কয় যে সকলো ৰসৰ আভাসতে হাস্যৰসৰ সৃষ্টি হব পাৰে; কাৰণ অনুচিত বিভাৱ আদিৰ পৰাই হাস্যৰসৰ অভিব্যক্তি হয়।[4]

(১) তেষামুৎপত্তিহেতৱশ্চত্বাৰো ৰসাঃ। তদ্যথা—শৃঙ্গাৰো, ৰৌদ্ৰো, বীৰো, বীভৎস ইতি। অত্ৰ—
শৃঙ্গাৰাদ্ধি ভৱেদ্ধাস্যো ৰৌদ্ৰাৎ চ করুণো ৰসঃ।
বীৰাচ্চৈবাদ্ভুতোৎপত্তি বীভৎসাচ্চ ভয়ানকঃ ॥
না. শা. ৬।৪৩-৪৪

(২) শৃঙ্গাৰে বিকাশঃ, বীৰে বিস্তৰঃ, বীভৎসে ক্ষোভঃ, ৰৌদ্ৰে বিক্ষেপ ইতি। তদন্যেষাং চতুৰ্ণাং হাস্যাদ্ভুতভয়ানক-করুণানাং স্ব—সামগ্ৰীলব্ধপৰিপোষাণাং ত এৱ চত্বাৰো বিকাসাদ্যাশ্চেতসঃ সংভেদাঃ।—দশৰূপক—৪।৪৩-৪৪



নাট্যশাস্ত্ৰৰ মতে হাস্যৰসৰ স্থায়িভাৱ হাস (হাঁহি)। ইয়াৰ বিভাৱ হৈছে আচহুৱা সাজপাৰ, অলঙ্কাৰ, নিৰ্লজ্জতা, চপলতা, শঠতা, নিৰৰ্থক কথা, উপলুভা, লোকৰ বৈকল্য ক্ৰুটী আদিৰ বৰ্ণনা ইত্যাদি। এই ৰসৰ অভিনয়ত দাঁত, ওঠ, নাক, গাল আদিত স্পন্দন হয়, চকু কেতিয়াবা বিস্ফাৰিত, কেতিয়াবা সঙ্কুচিত হয়, শৰীৰৰ ঘাম, মুখৰ বিকাৰ আদি লক্ষিত হয়। ভাৱ-গোপন, আলস্য, মোহ, নিদ্ৰা, অসূয়া আদি হাস্যৰ পৰিপোষক ব্যভিচাৰী ভাৱ।[5]

মহামুনি ভৰতে হাস্যৰসক আত্মস্থ আৰু পৰস্থ এই দুই ভাগত ভাগ কৰিছে। নিজৰ বিকৃত অঙ্গ, সাজপাৰ, আচৰণ আৰু বাক্যৰ দ্বাৰা নিজে হাঁহিলে আত্মস্থ হাস্যৰস হয়, লোকক হঁহুৱালে পৰস্থ হাস্যৰস হয়। উত্তম, মধ্যম, নীচ লোক ভেদে হাঁহি তিনি প্ৰকাৰ হয়। এই ভেদ হাঁহিৰ বহিঃপ্ৰকাশৰ ওপৰত নিৰ্ভৰ কৰে।[6]

সংস্কৃত নাট্যৰসিক সকলে হাস্যৰসৰ ওপৰুক্ত বিভাৱবিলাকক মুঠতে তিনি শ্ৰেণীত ভগাই বিভাৱভেদেও তিনি প্ৰকাৰ হাস্যৰ বৰ্ণনা কৰিছে—"অঙ্গ হাস্য, কাব্য হাস্য, আৰু নেপথ্য হাস্য। অঙ্গ হাস্য—শাৰীৰিক বৈকল্যৰ দ্বাৰা ওপোজোৱা হাঁহি, কাব্য হাস্য—অসম্বন্ধ নিৰৰ্থক ভাষণৰ দ্বাৰা ওপোজোৱা হাঁহি আৰু নেপথ্য হাস্য—ফটা কাপোৰ, গেৰুৱা কাপোৰ আদি পিন্ধি, মুখা পিন্ধি গাত নানা ৰং ঘঁহি ওপোজোৱা হাঁহি।[7]

সংস্কৃত নাট্যকলাবিদসকলে এই দৰে হাস্যৰ পুংখানুপুংখ বিশ্লেষণ কৰি শৃঙ্গাৰ বা আদিৰসৰ লগত তাৰ গভীৰ সম্বন্ধ আৱিষ্কাৰ কৰি হাস্যৰসক নিজ মৰ্য্যাদাত স্থাপন কৰিছিল। শাস্ত্ৰকাৰ আৰু কবিসকলৰ মাজত হাস্যৰ প্ৰাধান্য লৈ মতদ্বৈধ হোৱা নাছিল। কাব্যৰস পৰিবেশনত হাস্যৰ অপৰিহাৰ্য্য প্ৰয়োজনীয়তাৰ উপলব্ধিতে জন্ম হৈছিল সংস্কৃত ৰূপকৰ এটি বিশিষ্ট চৰিত্ৰ বিদূষকৰ। কালৰ কুৰলী আঁতৰাই এদিন সংস্কৃত ৰূপক আৰু বিদূষকে যেন একেলগে আমাৰ আগত দেখা দিয়ে। বিদূষকৰ হাতত ধৰি সংস্কৃত নাটক আগ বাঢ়িছিল নে সংস্কৃত নাটকৰ আশ্ৰয় লৈ বিদূষক জীৱন্ত হৈছিল কোৱা টান হৈ উঠে।

নাট্যশাস্ত্ৰকাৰ ভৰতে সংস্কৃত ৰূপকৰ অভিনেতা-সকলৰ মাজত বিদূষকক শীৰ্ষস্থান দিছিল।[8] অভিনৱগুপ্ত, শাৰদাতনয় আদি আলঙ্কাৰিক সকলেও বিদূষকক এটি মুখ্য চৰিত্ৰ হিচাবে স্থান

(৩) শৃঙ্গাৰানুকৃতি র্যা তু স হাস্যস্তু প্ৰকীৰ্ত্তিতঃ।
না. শা. ৬।৪৫

(৪) নাট্যশাস্ত্ৰ—পৃঃ ২৯৭ গেইকোৱাৰ অৰিয়েণ্টেল ছিৰিজ (অভিনৱ ভাৰতী)

(৫) নাট্যশাস্ত্ৰ—পৃঃ ৩১৩ ; সা. দৰ্পণ—৩।২১৪—২১৬

(৬) দশৰূপক ৪।৭৫—৭৭ : না. শা. ৬।৫৬—৭৩। সা. দ. ৩।২১৭—২১৯

(৭) অঙ্গকাব্যকৃতং হাস্যং হাস্যং নেপথ্যজং স্মৃতম্।
না. শা.—১২।১২২

হাস্যং চ অঙ্গনেপথ্যৱচোৱিকাৰাৎ ত্ৰেধা। তত্ৰাঙ্গহাস্যং খলতিখঞ্জদন্তৰ ৱিকৃতাননত্বাদিনা। নেপথ্যহাস্যমত্যায়তা-স্বৰক্ষোল্লোকিতৱিলোকিতগমনাদিনা; ৱচোহাস্যমসম্বদ্ধান-ৰ্থকাশ্লীলভাষণাদিনা ভৱতি।—নাট্যদৰ্পণ
(টীকা)—পৃঃ ১৯৯

(৮) অত উৰ্দ্ধং প্ৰৱক্ষ্যামি ভৰতানাং বিকল্পনাম্।
ভৰতাশ্ৰয়াচ্চ ভৰতো ৱিদূষকস্তোৰিপো নটোঃ।
নন্দী (নান্দী) সূত্ৰধাৰো নাট্যৰসো নায়কশ্চৈৱ ॥
না. শা. ৩৬।

দিছে। বাৎসায়নৰ কামসূত্ৰত ৰজা, সম্ভ্ৰান্ত লোক বা গণিকা আদিৰ সহচৰ হৈ হাস্যৰ পৰিবেশনত নিযুক্ত বিদূষকৰ উল্লেখৰ পৰা[৯] বিদূষক চৰিত্ৰটো যে নাট্যমঞ্চৰ বাহিৰতো এটি আমোদজনক জনপ্ৰিয় চৰিত্ৰ আছিল তাৰে প্ৰমাণ পোৱা যায়। এই কথা অৱশ্যে খাটাং কৈ কোৱা টান যে নাটকেই বিদূষকক জনপ্ৰিয় কৰিলে, নে এনেহেন হাস্যৰসিক একশ্ৰেণীৰ লোকৰ জনপ্ৰিয়তাই তাক নাটকত স্থান দিলে।

অলঙ্কাৰ শাস্ত্ৰৰ অনুশাসন আৰু নাট্যকাৰৰ প্ৰয়োগ দুয়োকালৰ পৰাই বিদূষক চৰিত্ৰটো বিশ্লেষণ কৰিলে দেখা যায় যে মূলতঃ হাস্যৰসৰ দ্বাৰা দৰ্শকৰ চিত্তবিনোদনৰ কাৰণেই বিদূষকৰ চৰিত্ৰৰ উপযোগিতা বেছি।[১০] শৃঙ্গাৰ ৰস-প্ৰধান ৰূপক নাটক, প্ৰকৰণ, নাটিকা, ত্ৰোটক আদিত বিদূষক চৰিত্ৰ প্ৰায় অপৰিহাৰ্য্য আছিল। শৃঙ্গাৰাদ্ধি ভৱেদ্ধাস্য :—য'ত শৃঙ্গাৰ ৰস, ত'তেই হাস্যৰস—মহামুনিৰ এই কথাৰ তাৎপৰ্য্য আগতেই উল্লেখ কৰা হৈছে। শৃঙ্গাৰৰ দৰে এটি গহীন ৰসৰ পৰিবেশনৰ লগত দৰ্শকৰ মনত বিনোদৰ অৱসৰ উলিয়াবলৈ নাট্যকাৰসকলে বিদূষকৰ যোগেদি হাস্যৰসৰ অৱতাৰণা কৰাইছিল।

সকলো শ্ৰেণীৰ লোকক আমোদ দিব পৰাকৈ বিদূষক চৰিত্ৰটো সৃষ্টি কৰা হৈছিল। দেহৰ বিকৃতাকাৰ, সাজ-পাৰ, আৰু অসম্বদ্ধ, খুহুঁতীয়া আৰু বাক্যৰ দ্বাৰা বিদূষকে সমজুৱাক হঁহুৱাইছিল। সাধাৰণতে বিদূষকজনক তপামূৰা, পিতল-চকুৱা, উজলা-দঁতা, কুঁজা, পেঙুৰা, বাওনা আদি কৰি সজাই উলিওৱা হৈছিল।[১১] তেওঁ জাতিত ব্ৰাহ্মণ আছিল যদিও শাস্ত্ৰজ্ঞান প্ৰায় নাছিল। প্ৰাকৃতত কথা-বতৰা কৈছিল। হাতত দিয়া হৈছিল এডাল কেঁকোৰা লাখুটি। খোজ কাঢ়িছিল বেঁকাবেঁকিকৈ। জীৱনৰ একমাত্ৰ বিলাস আছিল ভূৰিভোজন। নিজৰ কোনো সমস্যা নাই, স্থায়ী দুখ নাই, জীৱনত ব্যক্তিগতভাৱে কোনো গভীৰ উদ্দেশ্য অনুসৰণৰ অভিপ্ৰায় নাই। নিজে হাঁহিব, লোকক হঁহুৱাব—এয়ে যেন জীৱনৰ ব্ৰত। বিদূষক সংস্কৃত নাট্যকাৰৰ সঙ্কীৰ্ণ গণ্ডীৰ ভিতৰতে আৱদ্ধ নহয়; সমগ্ৰ বিশ্বৰ আনন্দপ্ৰয়াসী মুক্ত আত্মাৰ প্ৰতীক।

পশ্চিমীয়া নাটকৰ বহুৱা ( Fool )ৰ লগত বিদূষকৰ বিজুনি নেখাটে। সংস্কৃত নাটকৰ বিদূষক এটি ওপৰঞ্চি চৰিত্ৰ মাথোন নহয়। নাটকীয় ঘটনাৰ লগত, বিষয়বস্তুৰ ক্ৰমবিকাশৰ লগত বিদূষক নিবিড়ভাৱে জৰিত। নায়কৰ নৰ্ম-সুহৃদ হিচাবে, নায়কৰ জীৱনৰ চিৰ-লগৰীয়া হিচাবে তেওঁৰ জীৱনৰ আকাঙ্ক্ষাবোৰ সফল কৰিবলৈ আন্তৰিকতাৰে চেষ্টা কৰি কেতিয়াবা কৃতকাৰ্য্য হয়, কেতিয়াবা নিজৰ মূঢ়তাৰ কাৰণে কৃতকাৰ্য্যতাত বাধা সৃষ্টি কৰি হাঁহিয়াতৰ পাত্ৰ হয়।

(৯) একদেশবিখ্যস্তু ক্ৰীড়নকো বিশ্বাস্যশ্চ বিদূষকো বৈহাসিকো বা। এতে বেশ্যানাং নাগৰকানাং চ মন্ত্ৰিণঃ সন্ধিবিগ্ৰহনিযুক্তাঃ। কা. সূ.—১।৪—৪৬-৪৭

(১০) বিদূষকস্যাপি গতি হাস্যত্ৰয়বিভূষিতা।

না. শা.—১২।১২১

হাস্যকৰঃ কলহৰতি বিদূষকঃ—সা. দৰ্পণ—৩।৪২

একবিদ্যো বিটশ্চান্যো হাস্যকৃচ্চ বিদূষকঃ—

দশৰূপক ২।৯

বিকৃতাঙ্গবচোবেষৈৰ্হাস্যকৃৎ স্যাৎ বিদূষকঃ—

ভাবপ্ৰকাশন

(১১) বামনো দন্তৰঃ কুব্জো দ্বিজন্মা বিকৃতাননঃ।

খলতিঃ পিঙ্গলাক্ষশ্চ স বিধেয়ো বিদূষকঃ॥

নাঃ শাঃ ২৪।১০৩



বিদূষক শাস্ত্ৰানভিজ্ঞ হলেও কথাবোৰ জীৱনৰ গভীৰ অভিজ্ঞতা ৰসেৰে সিক্ত। ভাস, অশ্বঘোষ, শূদ্ৰক, কালিদাস, হৰ্ষ, আৰু ৰাজশেখৰৰ নাটকাৱলীৰ মাজত তেৰজন বিদূষকৰ চৰিত্ৰ পোৱা যায়। প্ৰত্যেকজনে নিজ নিজ বৈশিষ্ট্য লৈ গঢ়ি উঠা একোটি অপূৰ্ব্ব চৰিত্ৰ। তেওঁলোকৰ বিকৃতবচনে হঁহুৱায়, কিন্তু ক'তো কুৰুচি বা গ্ৰাম্যতাৰ খোৰাক নোযোগায়।[১২] কোনোজনে নিজৰ মূৰ্খালিৰে হঁহুৱায়, কোনোজনে প্ৰত্যুৎপন্নমতিৰে একোটি উচ্চ পৰ্য্যায়ৰ কৌতুকতাৰ সৃষ্টি কৰে। অৱশ্যে বিদূষকৰ মুখত কেতিয়াবা গালিও ওলায়, বিশেষকৈ লিগিৰীৰ প্ৰতি; আৰু ইয়াৰ দ্বাৰাও স্থূল হাস্যৰ সৃষ্টি হয়। হয়তো ইও সমাজৰ এক শ্ৰেণীক ৰসিকতাৰ সোৱাদ দিয়ে। নাট্যং ভিন্নৰুচেৰ্জনস্য বহুধাপ্যেকং সমাৰাধনম্'—ৰুচি নিৰ্ব্বিশেষে সকলো মানুহকে নাট্যই আনন্দৰ যোগান দিয়ে। তথাপি, বিদূষকৰ তিৰস্কাৰত স্থূলতাবোধ থাকিলেও, গ্ৰাম্যতা বা বদ্‌ৰুচি নাই।

বিদূষকৰ অমৰ চৰিত্ৰৰ যোগেদি বিশুদ্ধ হাস্য-কৌতুকৰ যোগান ধৰাৰ উপৰিও সংস্কৃত নাট্যকবিসকলে আৰু নানা চৰিত্ৰ সৃষ্টি কৰি অসঙ্গতি, বৈসাদৃশ্য আদিৰ দ্বাৰা হাঁহিৰ সোঁত বোৱাইছিল। বিট, চেট, পীঠমৰ্দ, শকাৰ আদি তল খাপৰ কিছুমান চৰিত্ৰৰ সহায়ত হাস্যৰস ফুটাই তুলিবলৈ চেষ্টা কৰা হৈছিল।[১৩] ভৰতৰ নাট্যশাস্ত্ৰকে লৈ প্ৰায় আটাইবোৰ নাট্যশাস্ত্ৰই স্বীকাৰ কৰা প্ৰধান ৰূপক দহ প্ৰকাৰৰ ভিতৰত নাটক, ব্যায়োগ, সমৱকাৰ, ডিম, ঈহামৃগ আৰু অঙ্ক এই ছয় প্ৰকাৰ এটা সমষ্টিৰ ভিতৰত ধৰিব পাৰি, আৰু প্ৰকৰণ, প্ৰহসন, ভাণ আৰু বীথী মিলি আন এটা সমষ্টি হয়। প্ৰথমটো বীৰ চৰিত্ৰমূলক নাট্যৰ সমষ্টি, দ্বিতীয়টো সামাজিক চিত্ৰমূলক নাটৰ সমষ্টি। এই দ্বিতীয় বিধ ৰূপকতে ৰাজ-চৰিত্ৰ প্ৰায় বাদ দি সমাজৰ মধ্যবিত্ত আৰু নিম্ন শ্ৰেণীৰ চৰিত্ৰক ৰূপায়িত কৰি তোলা হৈছিল। এই শ্ৰেণীৰ ৰূপকেই ভৰতৰ নাট্যশাস্ত্ৰ ৰচনাৰো আগতে উচ্চ সমাজ-জীৱনৰ ব্যঙ্গ-চিত্ৰ আঁকি বিদ্ৰূপৰ মাজেদি হাঁহিৰ অৱতাৰণা কৰিছিল। নাট্যশাস্ত্ৰতে এই কথাৰ সমৰ্থন পোৱা যায়।[১৪]

বীথী, ভাণ, প্ৰহসন আৰু প্ৰকৰণ এই চাৰি-শ্ৰেণীৰ সামাজিক ৰূপকৰ ভিতৰত বীথী এক অঙ্কৰ শৃঙ্গাৰ-প্ৰধান অপূৰ্ণাঙ্গ ৰূপক আছিল। বীথীৰ উল্লেখযোগ্য উদাহৰণ নাই; কিন্তু নাট্যশাস্ত্ৰৰ পৰা পোৱা যায় যে শৃঙ্গাৰৰ লগতে ইয়াত হাস্যাদি অন্যান্য ৰসৰো সমাৱেশ হৈছিল।[১৫] ভাণো এক অঙ্কৰ ৰূপক। বীৰ আৰু শৃঙ্গাৰ ইয়াত প্ৰধান ৰস। ইয়াৰ নায়ক ধূৰ্ত্ত বিট। কেবাখনো ভাণ ৰক্ষিত হৈছে আৰু প্ৰকাশ পাইছে। উভয়াভিসাৰিকা, পদ্মপ্ৰাভৃতক, ধূৰ্ত্তবিটসংবাদ আৰু পাদতাড়িতক নামৰ চাৰিখন ভাণৰ নাম বিশেষ উল্লেখযোগ্য। এই চাৰিখন গ্ৰন্থৰ ভিতৰত সমাজৰ ব্যঙ্গ-চিত্ৰ এটি পৰিস্ফুট হৈ উঠিছে আৰু লগতে সৃষ্টি কৰা হৈছে এটি বিনোদজনক বিশ্ৰান্তিৰ পৰি-

(১২) বিদূষকস্তু ভূপানামগ্ৰাম্যপৰিহাসকঃ।

—ভাবপ্ৰকাশন

(১৩) স্ত্ৰীনীচ প্ৰকৃতাৱেষ ভূয়িষ্ঠং দৃশ্যতে ৰসঃ।

নাট্য-শাস্ত্ৰ ৬।৬০

অয়ং চ হাস্যৰসঃ প্ৰায়ো বাহুল্যেনাধমপ্ৰকৃতৌ পামৰ-প্ৰায়ে ভৱতি। নাট্য-দৰ্পণ ৩।১১৫ টীকা।

(১৪) মমেতে তনয়াঃ সৰ্ব্বে নাট্যৱেদমদান্বিতাঃ।

সৰ্ব্বলোক প্ৰহসনৈ বাধ্যন্তে হাস্যসংশ্ৰয়ৈঃ॥

(১৫) সৰ্ব্বৰসলক্ষণাঢ্য যুক্তাহ্যঙ্গৈস্ত্ৰয়োদশভিঃ।

নাঃ শাঃ ২০।১১৭

বেশ।[১৬] সংস্কৃত সামাজিক নাট্যৰ মাজত প্ৰকৰণেই সবাতোকৈ পূৰ্ণাঙ্গ। কালৰ সোঁতত অন্যান্য গ্ৰন্থৰ দৰে ভালেমান প্ৰকৰণ লোপ পাইছে। আজিলৈকে যি কেইখন প্ৰকৰণ প্ৰকাশ পাইছে, তাৰ ভিতৰত শূদ্ৰকৰ মৃচ্ছকটিক বিশেষ উল্লেখযোগ্য। বীৰ-চৰিত্ৰমূলক ৰূপকৰ মাজত কালিদাসৰ শকুন্তলাৰ যি স্থান, সামাজিক নাট্যৰ ভিতৰত মৃচ্ছকটিকৰে সেই স্থান। শৃঙ্গাৰ ৰস-প্ৰধান এই ৰূপকত হাস্যৰসে ভালেখিনি ঠাই জুৰি আছে। বিদূষক, বিট, শকাৰ, দ্যূতকৰ আদি চৰিত্ৰৰ আলম লৈ হাস্যৰস উপভোগ্য হৈছে।

দহপ্ৰকাৰ ৰূপক আৰু ওঠৰপ্ৰকাৰ উপৰূপকৰ মাজত প্ৰায় বেছি সংখ্যকতে শৃঙ্গাৰাদি মুখ্য ৰসৰ লগত হাস্যৰসৰ গৌণ স্থান আছে। কিন্তু অন্যতম সামাজিক ৰূপক প্ৰহসনত হাস্যৰসক মুখ্য স্থান দিয়া হৈছে। প্ৰহসনৰ বস্তু কবি-কল্পিত। চৰিত্ৰবোৰ মজলীয়া আৰু নিম্নস্তৰৰ। সাধাৰণতে কাজিয়া, শঠতা, চতুৰালি আদিৰ বৃত্তান্তই মূল বৰ্ণনীয় বিষয়। তপস্বী, সন্ন্যাসী, ভণ্ডাচাৰী আদি লোক প্ৰহসনৰ নায়ক। লিগিৰা, লিগিৰী, বিট, গণিকা, শিষ্য, বৈদ্য আদি ধূৰ্ত্ত চৰিত্ৰই ইয়াত আগ ভাগ লয়।[১৭] প্ৰহসনৰ বৰ পুৰণি উদাহৰণ পাবলৈ টান। ৭ম শতিকাৰ মহেন্দ্ৰবিক্ৰম বৰ্মাৰ মত্তবিলাস প্ৰহসনেই প্ৰাচীনতম প্ৰকাশিত গ্ৰন্থ। শৈৱ কাপালিক আৰু বৌদ্ধ সন্ন্যাসীৰ কপটাচৰণৰ ব্যঙ্গ কৰি হাস্যৰ সৃষ্টি কৰা হৈছে। সংস্কৃত সাহিত্যৰ শ্ৰেষ্ঠ প্ৰহসন বোধায়ন কবিৰ ভগবদজ্জুকীয়ত ঘটনাৰ আমোদজনক পৰিবেশৰ দ্বাৰা চৰিত্ৰৰ মৰ্য্যাদা লঘু নকৰাকৈয়ে উচ্চ পৰ্য্যায়ৰ হাস্যৰস সৃষ্টি কৰা হয়। কৌতুকপূৰ্ণ সংলাপো এই প্ৰহসনৰ হাস্যৰসৰ আন এটি উপাদান। ভগবদজ্জুকীয় সংস্কৃত সাহিত্যৰ প্ৰকৃত 'কমেডি', 'ফাৰ্চ' নহয়।[১৮] পৰবৰ্ত্তী কালৰ যিবোৰ প্ৰহসন পোৱা যায়, তাৰ প্ৰায়বিলাকতে কুৰুচি আৰু অশ্লীলতাৰ আশ্ৰয় লৈ অতি স্থূল হাস্যৰ নমুনা দাঙি ধৰা হৈছে। কবি-প্ৰতিভাৰ অভাবেই প্ৰহসনৰ হাস্যৰসৰ এই অৱনতিৰ মূল কাৰণ। সামাজিক চিত্ৰ প্ৰতিফলিত কৰিবলৈ গৈ প্ৰহসনৰ লিখকসকলে পিছলৈ সমাজ জীৱন অতিৰঞ্জিত বীভৎস ৰূপ এটি প্ৰহসনবোৰৰ মাজেদি চিত্ৰিত কৰি হাঁহিৰ নামত বহুৱালি কৰিলে। 'শৃঙ্গাৰাজ্জায়তে হাস্যঃ" কথাষাৰকে যেন বিদ্ৰূপ কৰা হ'ল।

ভাসৰ পৰা ৰাজশেখৰলৈকে প্ৰায় ডেৰ হাজাৰ বছৰ জুৰি এই কালছোৱাত নাটক, ত্ৰোটক, প্ৰকৰণ, ভাণ, প্ৰহসন, নাটিকা, সট্টক আদি নানা শ্ৰেণীৰ ৰূপক-উপৰূপকে ৰসপিপাসু সহৃদয় সমাজক হাস্যৰসৰ বিমল আনন্দ দান কৰিছিল। কোনো পণ্ডিতে এইদৰেও ভাবে যে গণ-নাট্যৰ পৰাই সংস্কৃত ৰূপকে প্ৰহসনৰ আদৰ্শটো পালে।[১৯] সি যিয়ে নহওক, বিদূষক চৰিত্ৰ আৰু হাস্যৰস সংস্কৃত ৰূপকত ইমান ব্যাপক হৈ পৰাৰ গুৰি কাৰণ হাঁহিৰ প্ৰতি জনতাৰ সহজাত প্ৰবৃত্তিয়েই নিশ্চয়।

(১৬) *History of Sanskrit Literature* by S. N. Dasgupta & S. K. De, p. 250

(১৭) ভৱেৎ প্ৰহসনং বৃত্তং নিন্দ্যানাং কৱিকল্পিতম্।
অঙ্গী হাস্যৰসস্তত্ৰ ৱীথ্যঙ্গানাং স্থিতিৰ্ন্ৱা ॥
তপস্বিভগৱদ্‌ৱিপ্ৰ প্ৰভৃতি ষত্ৰ নায়কঃ।
সাঃ দৰ্পণ ৬।২৬৪-২৬৬

(১৮) Prof. M. Winternitz—Preface to *Bhagavadajjukiyam* by P. Annjan Acham.

(১৯) *The Social Play in Sanskrit* by Dr. V. Raghaavan, p. 1

# নাৰী-পৰ্ব—সাত শাক তোলা

**শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস**

নামনি অসমত **"সাত শাক তোলা"** নামৰ এটি উৎসৱ আছে। এই উৎসৱ বয়সীয়া নাৰীসকলে পালন কৰে; পুৰুষৰ তাত প্ৰবেশ নাই। তাক "নাৰী-পৰ্ব"ও বুলিব পাৰি। বৰপেটাত এই উৎসৱ প্ৰতি বছৰে বহাগৰ পহিলা তাৰিখ ৰবদোমাহীৰ দিনা আৰু আন আন গাৱঁত ৬ বহাগ সাত বিহুৰ দিনাখন পালন কৰা হয়। ঠাই বিশেষে বিহুৰ ভিতৰত আন দিনাও হব পাৰে। আইসকলে শুকুলা বসন পৰিধান কৰি পুৱা গাৱঁৰ নাম-ঘৰৰ সন্মুখত সমবেত হয়। তাৰ পিচত এগৰাকী নামতীয়ে সুন্দৰ সুৰত "শঙ্কৰ মাধৱ এ, ভৈলা অৱতাৰ, ইবাৰ কৰিও হৰি জগত উদ্ধাৰ"—এই গীতটো প্ৰথমতে লগাই দিব, বাকী বিলাকে সমস্বৰে জাত্ জাত্ কৈ ধৰি শাৰী শাৰী হৈ সাত শাক তোলা ঠাইলৈ যাত্ৰা কৰিব। ওপৰত অসীম নীল আকাশ, তলত সেউজীয়া গছ-পাতেৰে সৈতে আই বসুমতী; তাতে আইসকলৰ নামৰ ধ্বনি। তাত সংসাৰৰ মায়া-মোহ, হিংসা-খিয়াল আৰু ধন-গৰ্ব, মান-গৰ্ব নাই, আছে কেৱল হৰি-নামামৃতৰ প্ৰেমৰ মধুৰতা। যি এবাৰ এই পৱিত্ৰ দৃশ্য দেখিছে, তাক তেওঁ জীৱনত পাহৰিব নোৱাৰে। বৰপেটা সত্ৰৰ আইসকলে এই উৎসৱ দক্ষিণ-পশ্চিমে চুকে থকা পিটৰপাৰ পথাৰত আৰু সুন্দৰীদিয়াৰ আইসকলে উত্তৰে থকা কলয়া পথাৰত পালন কৰে। সুন্দৰীদিয়া সত্ৰৰ কলয়া-বিলৰ পাৰত এটি পুৰণি নাম-ঘৰ আছে। তাতে মাঘৰ পহিলা তাৰিখ ৰবদোমাহীৰ দিনাখন আই-সকলে "ঘাট-সেৱা" উৎসৱ কৰে।

সাত শাক তোলা উৎসৱ কিমান দিন আগৰ পৰা আমাৰ ইয়াত চলি আছে কব নোৱাৰি। মানুহৰ স্বাস্থ্যৰ লগতো ইয়াৰ উৎপত্তি জড়িত থাকিব পাৰে। সাধাৰণতে যিখন সত্ৰ যি পন্থী, তাত সেই সত্ৰৰ ৰীতি-নীতিৰ চাৱ কিছু পৰি যায়। বৰপেটা, সুন্দৰীদিয়া, গণককুচি আৰু জনীয়া মহাপুৰুষীয়া সত্ৰ। সেই কাৰণে সেই সত্ৰ-বাসীসকলে পালন কৰোঁতে উৎসৱত গোৱা গীতৰ ভিতৰত তেখেতসকলৰ গুৰুসকলৰ গুণ-গৰিমাৰ বৰ্ণনা থকাটো স্বাভাৱিক।

আইসকলে মিলি-জুলি পথাৰৰ স্বভাৱজ পৰিষ্কাৰ সাতবিধ শাক তুলি আনি ঘৰত তাকে পৰম প্ৰীতিৰে খায় বাবেই উৎসৱটোৰ নাম সেইটো হল। পথাৰত আইসকলে মুকলি মনেৰে ৰং-ধেমালিও কৰে।

যাওঁতে বাটত তলৰ গীতটো গায়। ইয়াৰ ভিতৰত ৰাধা কৃষ্ণৰ কথোপকথন আছে। এগৰাকী নামতীয়ে গীতটো লগাই দিব আৰু প্ৰত্যেক শাৰীৰ পিচত বাকী আইসকলে "হায় ও হৰি" বুলি সমস্বৰে ধৰিব।

ঘোষা ॥ কাল পানী এ, কৰচীয়াৰ পাত;
অ' বেহাৰা যাওঁ আজি মথৰাৰ হাট।

পদ ॥ মুৰতে দধিৰে বোজা,
ওলালা সুন্দৰী ৰাধা,
অ' যায় ৰাধে যমুনাৰ ঘাটে। কাল পানী এ
যমুনাৰ বালি পাই,
ঠগ ধৰি আছে চাই,
অ' যায় ৰাধে মথুৰাৰ হাটে। কাল পানী এ,
ঘাটুৱাল বোলোঁ তোক,
আগে পাৰ কৰা মোক,
অ' যি লাগে দিম বেচ-কড়ি। কাল পানী এ,
নালাগে তোৰ বেচ-কড়ি,
মোৰ নৌকাত নিদিব ভৰি,
অ' অন্য ঘাটে হৈ যোৱা পাৰ। কাল পানী এ,
মোক যদি কৰা পাৰ,
গলৰ দিম হেম-হাৰ,
অ' আৰো দিম সোণৰ মাদুলী। কাল পানী এ,
অন্য ৰাধেক পাৰ কৰিলে,
লওঁ আনা আনা,
অ' এই ৰাধেক পাৰ কৰিলে লও কাণৰ সোণা। কাল পানী এ,
অন্য ৰাধেক পাৰ কৰিলে,
লম চাৰি চাৰি,
অ' এই ৰাধেক পাৰ কৰিলে লম পাটৰ শাৰী। কাল পানী এ,
আগ চুপি খোৱা বোজা,
গোৰ চুপি বহা ৰাধা,
অ' মাথাৰ ওৰণী গুচাই পানী ফেল্‌বা ধৰা। কাল পানী এ,
বাটৰ মাজত থাকা কানাই,
ৰাধাৰ কিবা দুখ!
অ' ভাঙা নাৱত পাৰ কৰিলে কিমান পাৱ তই সুখ। কাল পানী এ,
ভাঙা নহয় ডিঙা নহয়,
গামোৰীৰে সাৰ,
অ' হস্তী ঘোঁৰা পাৰ কৰোঁ মই ৰাধেৰ কিমান ভৰহে। কাল পানী এ,

ঘোষা ॥ কানাই পাৰ কৰিলোঁৰে,
ওৰে কানাই বেলিৰ দেখি ছায়া।
নষ্ট হৈলোঁ দধিৰ ভাৰ,
ৰাজাৰ হৈলোঁ বেয়া ॥

পদ ॥ সোণাৰে সিকিয়া গছি ৰূপৰে বাওকা।
কানাইৰ কান্ধে ভাৰ দিয়া চলিলা ৰাধিকা॥
পচোৱা বলিছে বাৱ, কানাই মেলিছে নাৱ।
ভাঙ্গি মুখে মেলি দিছে নাৱ ॥
মাজ সাগৰত পৰি জাববা জুবুৰা কৰি
খেন্দু উঠে খেন্দু তল যায় ॥
খোপাতে মালতী ফুল, কিবা জাতি কিবা কুল
যাওঁক জাতি ৰওঁক পীৰিতি ॥
কহয় মাধৱ দাসে ৰাধা-কৃষ্ণ হৰিনামে
ৰাধা কৃষ্ণৰ হৈ গৈল মিলন ॥

তলৰ গীতৰ ভিতৰত সাত শাকৰ বৰ্ণনা আছে—

ঘোষা ॥ আহাৰে সাত শাকৰ কি কি নাউ।
অ' গুজুৰে ভোমোৰা পাৰ্বতী নাউ,
হে সাত শাক তুলি ঘৰক যাওঁ ॥

পদ ॥ তুলি আনিলোঁ গোন্ধ-মালতী, ধুই আনিলোঁ ঘাটে।
দ্বাৰকাৰ শ্ৰীকৃষ্ণ আহিব কোন বাটে ॥
তুলি আনিলোঁ মুন খুইয়া, ধুই আনিলোঁ ঘাটে।
দ্বাৰকাৰ শ্ৰীকৃষ্ণ আহিব কোন বাটে ॥
তুলি আনিলোঁ লাফা শাক, ধুই আনিলোঁ ঘাটে।
দ্বাৰকাৰ শ্ৰীকৃষ্ণ আহিব কোন বাটে ॥
তুলি আনিলোঁ মানি-মুনি, ধুই আনিলোঁ ঘাটে।
দ্বাৰকাৰ শ্ৰীকৃষ্ণ আহিব কোন বাটে ॥
তুলি আনিলোঁ হাচুতি, ধুই আনিলোঁ ঘাটে।
দ্বাৰকাৰ শ্ৰীকৃষ্ণ আহিব কোন বাটে ॥
তুলি আনিলোঁ লাই জাবেৰি, ধুই আনিলোঁ ঘাটে।
দ্বাৰকাৰ শ্ৰীকৃষ্ণ আহিব কোন বাটে ॥
তুলি আনিলোঁ নানা শাক, ধুই আনিলোঁ ঘাটে।
দ্বাৰকাৰ শ্ৰীকৃষ্ণ আহিব কোন বাটে ॥



সাত শাক তুলি ঘৰলৈ আহোঁতে বাটত এই-বোৰ গীত গায়:—

(১) পাৰ কৰা এ, কলীয়া সুন্দৰ,
বিনা নাৱে পাৰ কৰা,
বেলি হেন দুপৰ।—

(২) অ' হৰি এ, পুবে বৰ বিলা।
মাধৱে নাম ধৰি যাউক সেদিনা।—

এই বোৰ গীতৰ স্বকীয়া পদ আছে। আই-সকলে গোৱা মতেই গীতপদবোৰ প্ৰকাশ কৰা হল।

এনে নানা ধৰণৰ গীত-পদ গাই গাই আই-সকলে ঘৰ পায়হি।

---

# পিয়লি ফুকন

শ্ৰীসৰ্ব্বানন্দ ৰাজকুমাৰ

পিয়লি ফুকন সাতঘৰীয়া আহোমৰ লফাবৰীয়া দুৱৰা খেলৰ অসমলৈ মান অনা বদন বৰফুকনৰ মাজু পুতেক। পিয়লি ফুকনৰ পিতৃপুৰুষসকলে আহোমৰ ৰাজত্বৰ শেষ ভাগত প্ৰায় দুশ বছৰ কাল বুৰঞ্জীত স্থান লাভ কৰে। তেওঁবিলাকে দুৱৰা খেলে ভোগ কৰিব পৰা "বৰবৰুৱা" আৰু "বৰফুকন"ৰ বিষয়া ভোগ কৰে। "কুকুৰ চিকুণ গিৰিহঁতৰ যশ।" এই কথা পিয়লি ফুকনৰ বংশত সম্পূৰ্ণ ৰূপে খাটে। এই বংশৰ পূৰ্ব্বপুৰুষৰ এটা বৰ্ডা কুকুৰে স্বৰ্গদেৱ চুৰামফাৰ দিনত [ ১৬৪১-৪৪ খঃ ] যেদি গৈ হাবিৰ এটা বনৰীয়া পশু ধৰে। তাত স্বৰ্গদেৱে সন্তোষ পাই কুকুৰটোক "ৰঙা চিলা" বোলে। পাচত স্বৰ্গদেৱে দিয়া উপাধি কুকুৰৰ গিৰিহঁতৰ গাত আৰোপ কৰা হয়। তেতিয়াৰ পৰা এই বংশ "লফাবৰীয়া ৰঙাচিলা দুৱৰা" বংশ বুলি জনাজাত হয়।

ৰঙাচিলা ফুকন আছিল। তেওঁৰ দুই পুতেক কিৰকিৰীয়া আৰু মেচা "বৰবৰুৱা" হৈছিল। কিৰকিৰীয়া বৰবৰুৱাৰ পুতেক তাঙ্কে, "ফুকন" হৈছিল। মেচা বৰবৰুৱাৰ পুতেক নন্দলালে কি বিষয় ভোগ কৰিছিল জনা নাযায়। নন্দলালৰ দুই পুতেক শ্ৰীনাথ "বৰবৰুৱা" আৰু হৰনাথ বা

অভিমন্যু "বৰফুকন" হৈছিল। শ্ৰীনাথ বৰবৰুৱাই "তুং-খুঙ্গীয়া" বুৰঞ্জী লিখে। হৰনাথ বৰফুকনৰ প্ৰথম পুত্ৰ ঘিনাই ওৰফে বদনচন্দ্ৰ "বৰফুকন" আৰু দ্বিতীয় পুত্ৰ "ন্যায়সোধা ফুকন" হৈছিল। বদনচন্দ্ৰ বৰফুকনৰ পুতেক জন্মি, পিয়লি আৰু মুমলি। ন্যায়সোধা ফুকনৰ পুতেক বুদ্ধৰাম বৰুৱা "দিহিঙ্গীয়া ৰাজখোৱা" হৈছিল। তেওঁৰ বংশৰ শ্ৰীভুবনেশ্বৰ উত্তৰ লক্ষীমপুৰৰ লালুক মৌজাৰ পুখুৰীপৰীয়া গাৱঁত আৰু শ্ৰীচুচেন যোৰহাটৰ চৰাইবাঁহী মৌজাৰ কমলাবৰীয়া গাৱঁত আছে। জন্মি আৰু মুমলিৰ বংশ বৰ্ত্তমান নাই। পিয়লিৰ বংশৰ শ্ৰীৰমাকান্ত, শ্ৰীবলোকান্ত, শ্ৰীশিৱ, শ্ৰীঘন, শ্ৰীশশিকান্ত আদি নগাওঁ জিলাৰ মাহৰোল গাৱঁত আৰু শ্ৰীদেৱকান্ত গুৱাহাটীত আছে। শ্ৰীদেৱকান্তই অসম চাৰ্ভে স্কুল, জালুকবাৰীত হেডমাষ্টৰৰ কাম কৰে।

বদনচন্দ্ৰ বৰফুকনক মান অনা বুলি সকলোৱে কয়। সেই কাৰণে তেওঁক আৰু তেওঁৰ পো, নাতিক আজিও অসমীয়াই গৰিহনা আৰু শাও দিয়ে। বদন ফুকনে অসমলৈ কিয় মান আনিছিল? তেওঁৱেই প্ৰথমে অসমলৈ মান আনিছিল নে? তেওঁ ৰাজদ্ৰোহী, দেশদ্ৰোহী আছিল নে? এইবিলাক প্ৰশ্নৰ যথাযথ বিচাৰ আজিও হোৱা নাই। ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই সেই সময়ত ৰাজ্যৰ ঘাই ধৰণী আৰু দূৰদৰ্শী ৰাজনীতিজ্ঞ পুৰুষ আছিল বুলি সকলোৰে ধাৰণা। উজনিত যিদৰে বুঢ়াগোহাঁইয়ে ৰাজমন্ত্ৰী হিচাবে ৰাজ্য ৰক্ষা কৰি সুশাসন কৰিব লাগিছিল ঠিক সেইদৰে নামনি অসমত ৰাজপ্ৰতিনিধি হিচাবে বৰফুকনে বঙালৰ সমুখ হৈ ৰাজ্য ৰক্ষা কৰি সুশাসন কৰিব লাগিছিল। এই দুয়ো ৰাজপুৰুষ সম্বন্ধত বিয়ৈ আছিল। ক্ষমতাত দুয়ো দুয়োৰো প্ৰায় সমকক্ষ আছিল যদিও ৰাজতন্ত্ৰৰ নিয়ম অনুসৰি ৰাজমন্ত্ৰী বুঢ়াগোহাঁইতকৈ ৰাজপ্ৰতিনিধি বৰফুকন তল খাপৰ বিষয়া আছিল। উজনিত ৰাজমন্ত্ৰীয়ে যি দৰে মৰাণ, মটক, চিংফৌ, খামটি আদিৰ পৰা ৰাজ্য ৰক্ষা কৰিব লাগিছিল নামনিত সেইদৰে ৰাজ-প্ৰতিনিধিয়ে বৰ-কান্দাজৰ উৎপাতৰ পৰা ৰাজ্য ৰক্ষা কৰিব লগাত পৰিছিল। ৰাজ্য ৰক্ষাৰ নামত উজনিত ৰাজমন্ত্ৰীয়ে কেৱল বিদ্ৰোহীৰে নহয়, নিজ প্ৰজাৰো যিমান প্ৰাণ নাশ কৰিব লগাত পৰিছিল বা কৰিছিল, নামনি অসমত ৰাজপ্ৰতিনিধিয়ে নিজ প্ৰজাৰ প্ৰাণ নাশ কৰা কথা বুৰঞ্জীয়ে সেইদৰে নকয়। এনে অৱস্থাত নামনিত ৰাজপ্ৰতিনিধিয়ে প্ৰজাৰ ওপৰত কৰা অত্যাচাৰৰ কথা প্ৰমাণ-সাপেক্ষ। ৰাজপ্ৰতিনিধিৰ পুতেক জন্মি, পিয়লিয়ে বালকদাস হাতীক ভাং খুৱাই পগলা কৰি প্ৰজাৰ ওপৰত মেলি ৰং চোৱা কথা ৺গুণাভিৰাম বৰুৱাৰ বুৰঞ্জীয়ে কয়; কিন্তু তাৰ বিহিত ব্যৱস্থা ৰাজপ্ৰতিনিধিয়ে কৰিছিল নে নাই বুৰঞ্জীয়ে একো নকয়। ৰাজপ্ৰতিনিধিৰ জীয়েক পিজৌ গাভৰুক ৰাজমন্ত্ৰীৰ ওৰেষা নাথ ঢেকিয়াল ফুকনলৈ বিয়া দিওঁতে যৌতুকত অনেক ধন, সোণ দিয়া দেখি ৰাজমন্ত্ৰীয়ে বোলে লাজ পাইছিল। নিজৰ সন্মান ৰক্ষা কৰি মৰমৰ জীয়েকৰ লগত দিয়া যৌতুক দেখি ৰাজমন্ত্ৰীয়ে লাজ পাবৰ বিশেষ অৰ্থ নাই। ৰাজপ্ৰতিনিধি বৰফুকন ভুত কুকুৰাচোৱাৰ পুতেক আৰু স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহৰ বাল্যবন্ধু আৰু সখি সতৰাম চাৰিঙ্গীয়া ফুকনে ৰাজমন্ত্ৰীৰ বিপক্ষে কৰা ষড়যন্ত্ৰত লিপ্ত আছিল বুলি ৰাজমন্ত্ৰীয়ে ধৰা পেলায়। চাৰিঙ্গীয়া ফুকনৰ বিপক্ষে অভিযোগ আনিছিল ৰাজমন্ত্ৰীয়ে নিজে আৰু স্বৰ্গদেৱৰ অনুপস্থিতত আন দুজন ডাঙৰীয়াৰ সৈতে বিচাৰো কৰিছিল নিজে। এতেকে এই



বিচাৰ কেতিয়াও সুবিচাৰ হব নোৱাৰে। এই ষড়যন্ত্ৰত লিপ্ত থকা আৰু কামৰূপত কুশাসন কৰা বুলি ৰাজমন্ত্ৰীয়ে ১৮১৫ খৃঃত ৰাজপ্ৰতিনিধি বৰফুকনক ধৰিবলৈ ব্ৰাহ্মণ মহেশ্বৰ পৰ্ব্বতীয়া ফুকনক পঠায়। হাতীৰে হে হাতীক ধৰিব পাৰে এই কথা ৰাজনীতিজ্ঞ ৰাজমন্ত্ৰীয়ে পাহৰিলে। সেয়েহে অসামৰিক বিষয়া পৰ্ব্বতীয়া ফুকনক পঠালে মৃত্যুৰ লগত খেল কৰোঁতা আজন্মযোদ্ধা সামৰিক বিষয়া বৰফুকনক ধৰিবলৈ। দেউতাকৰ বিপদৰ বাতৰি পৰজন্মৰ লগৰি ঢেকিয়াল ফুকনৰ পৰা বুজ পাই, পিজৌ গাভৰুৱে ৰোষ পতাত ঢেকিয়াল ফুকনে নিজেই চিঠিখন লিখি দিয়ে। পৰ্ব্বতীয়া ফুকন গুৱাহাটী পোৱাৰ আগতে এই চিঠি বৰফুকনৰ হাত পায়গৈ। ১৮১৫ খৃঃৰ ৭ আগষ্টৰ ৰাতি বৰফুকন তিনি পুতেকক লগত লৈ ভটিয়াই গৈ কোম্পানীৰ ৰাজ্যত আশ্ৰয় লয়। নেগুৰ কাটি বাঘক চোঙাত মেলা হ'ল।

ৰাজমন্ত্ৰী বুঢ়া গোহাঁয়ে স্বৰ্গদেৱ গৌৰীনাথসিংহ আৰু স্বৰ্গদেৱ কমলেশ্বৰ সিংহক বিহ খুৱাই মাৰিছিল বুলি স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই বৰফুকনলৈ চিঠি দি কোম্পানীৰ সহায়ত তেওঁক বুঢ়াগোহাঁইৰ পৰা ৰক্ষা কৰি সুপ্ৰতিষ্ঠিত কৰিবলৈ অনুৰোধ কৰিছিল বুলি পোৱা যায়। স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ বিধবা পত্নী আই কুঁৱৰী কমলেশ্বৰী দেৱীয়ে ১৮০৫ খৃঃত কোম্পানীৰ গৱৰ্ণৰ জেনেৰেললৈ লিখিছিল যে বুঢ়াগোহাঁয়ে ব্ৰজনাথক ৰজা নাপাতি অন্যায়কৈ কমলেশ্বৰ সিংহক ৰজা পাতিছে আৰু তেওঁ কোম্পানীৰ ৰাজ্যৰ মাজে সৈন্য আনি ব্ৰজনাথক ৰজা পাতিবলৈ অনুমতি বিচাৰিছিল। The Eastern Frontier of India নামে কিতাপত Mr. A. C. Banerjee য়ে লিখিছে যে ১৮১৫ খৃঃত স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই কোম্পানীৰ গৱৰ্ণৰ জেনেৰেললৈ সহায় খুজি লিখে যে বুঢ়াগোহাঁয়ে স্বৰ্গদেৱ গৌৰীনাথ সিংহ আৰু স্বৰ্গদেৱ কমলেশ্বৰ সিংহক ঔষধ বুলি বিহ খুৱাই হত্যা কৰে আৰু তেওঁকো হত্যা কৰিবলৈ চেষ্টা কৰিছে। Assam under the Ahoms নামে কিতাপত Mr. U. C. Gohain B. A., A. C. S. লিখিছে যে স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই বুঢ়াগোহাঁইৰ বিপক্ষে সহায় বিচাৰি বদন বৰফুকনক বৃটিছৰ ওচৰলৈ পঠায়। বৰফুকনে স্বৰ্গদেৱৰ চিঠি আৰু নিজৰ আৰ্জ্জি ভাটী ৰংপুৰৰ মেজিষ্ট্ৰেত স্কট্ চাহাবৰ আগত দাখিল কৰে। স্কট্চ চাহাবে চিঠি আৰু আৰ্জ্জি গৱৰ্ণৰ জেনেৰেলৰ ওচৰলৈ পঠায়। ৰাজমন্ত্ৰী আৰু স্বৰ্গদেৱৰ মাজত হোৱা বাদ-বিসম্বাদ ঘৰুৱা ঘটনা আৰু পৰৰাজ্যত হস্তক্ষেপ নকৰা নীতি বলৱৎ থকাৰ কাৰণে কোম্পানীয়ে বৰফুকনক সহায় নকৰিল। এই ঘটনাৱলীৰ পৰা ইয়াকে বুজা যায় যে ৰাজমন্ত্ৰীয়ে নিজৰ ৰাজ্যত শৃঙ্খলা আৰু শান্তি স্থাপন কৰাতকৈ নিজৰ ক্ষমতা অক্ষুণ্ণ ৰখাত বেছি যত্নবান হৈছিল।

কোম্পানীৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড হেষ্টিংচৰ পৰা সহায় নাপাই, বৰফুকন কলিকতালৈ অহা ব্ৰহ্মদেশৰ কটকীৰ লগত ব্ৰহ্মদেশৰ ৰাজধানী অমৰা পুৰলৈ যায়। দেশৰ ৰজা বড়োপায়াৰ কুঁৱৰী আছিল বৰফুকনৰ সৈতে একে দুৱৰা খেলৰ ৰঙ্গিলী গাভৰু। বুৰঞ্জীবিদ ডাঃ ভূঞাদেৱৰ মতে চিংফোক ৰবাবৰ কাৰণে পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে দুৱৰাৰ ধৰম বৰুৱাৰ পেহীয়েক ৰঙ্গিলীক চিংফৌৰ নায়ক বিচানঙ্গলৈ সালঙ্কৃতাকৈ বন্দীয়েৰেটীয়ে উপহাৰ দিয়ে আৰু বিচানঙ্গে তেওঁক অসম ৰজাৰ কুঁৱৰী বুলি বড়োপায়ালৈ দিয়ে। বুৰঞ্জীবিদ শ্ৰীযুত বেণুধৰ শৰ্ম্মা দেৱৰ মতে তেওঁক মান ৰজাই মহা সমাৰোহেৰে অভ্যৰ্থনা জনায়। এই কুঁৱৰীৰ

অনুগ্ৰহতেই বৰফুকনে মান ৰজাৰ পৰা সহায় পায়। তেওঁ ব্ৰহ্মৰজাৰ ৬০০০ কি ৮০০০ আৰু দাতিকাষৰীয়া ৮০০০ হেজাৰ সৈন্য লৈ ১৮১৬ খৃঃত নামৰূপত পদাৰ্পণ কৰে।

বুৰঞ্জীবিদ ডাঃ ভূঞাদেৱে কয় যে ১৭৯৭ খৃঃত দুজন আহোম কোঁৱৰে ধৰ্ম্মৰজা বড়োপায়াৰ পৰা অসমৰ বিপক্ষে সৈন্যৰ সহায় পাইছিল, কিন্তু বৃটিছ প্ৰতিনিধি কেপ্তেইন হীৰাম কক্‌চ চাহাবৰ উপদেশত বৰ্ম্মা ৰজাই অসম আক্ৰমণ পৰিত্যাগ কৰে। এই দুজন কোঁৱৰৰ এজনে তেওঁৰ জীয়েক বৰ্ম্মা ৰজালৈ বিয়া দিছিল। ইয়াৰ পাচত মায়ামৰীয়া মৰাণে অসমলৈ দুবাৰ মান আনিছিল কিন্তু পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে দুয়ো বাৰতে মানক ধন দি হাত কৰে। এই বিলাকৰ পৰা জনা যায় যে অসমৰ বিপক্ষে মান ৰজাৰ সহায় বৰফুকনৰ আগতে আনেও পাইছিল। কিন্তু বৰফুকনৰ বাহিৰে আনে মানসৈন্য অসমত সুমুৱাবহি পৰা নাছিল। এই কাৰণেই তেওঁক মান অনা বদন বৰফুকন বুলি কোৱা হয়।

বিপদত আনৰ সহায় লোৱা নীতি সকলোৱে গ্ৰহণ কৰে। মায়ামৰীয়া মৰাণৰ বিপক্ষে স্বৰ্গদেৱ গৌৰীনাথ সিংহই কোম্পানীৰ সহায়লৈ ৰাজ ভড়াল কোম্পানীক উদং কৈ দিয়ে। আইকুঁৱৰী কমলেশ্বৰীয়ে বিদেশী সৈন্যৰ সহায়ত ব্ৰজনাথ কোঁৱৰক ৰজা পাতিবলৈ যত্ন কৰিছিল। স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই নিজক প্ৰতিষ্ঠা কৰিবৰ কাৰণে মান আনিছিল। এনে বিলাক কাৰণত বদন বৰফুকনে বিদেশী অসমলৈ অনাৰ কাৰণে ববকৈ দোষিব নোৱাৰি।

বুৰঞ্জীবিদ শ্ৰীযুত বেণুধৰ শৰ্ম্মা দেৱৰ মতে বুঢ়াগোহাঁয়ে চিংফৌৰ বাৰগামৰ কথালৈ আওকাণ কৰি বৰফুকনক পৰ্ব্বততে বাধা নিদিয়াৰ কাৰণেই বৰফুকনে মানৰ সহায়ত অসম জয় কৰিব পাৰিছিল। বুঢ়াগোহাঁয়ে যেতিয়া দেখিলে যে তেওঁ ৰাজ্য ৰক্ষা কৰিব নোৱাৰিব তেতিয়া তেওঁ হাতৰ আঙুলিত থকা কাল হীৰা চেলেকি আত্মহত্যা কৰে।

বদনে মান আনিছিল বুঢ়া গোহাঁইৰ বিপক্ষে, অসম বা স্বৰ্গদেৱৰ বিপক্ষে নহয়। সেই কাৰণে তেওঁ ৰাজধানী হস্তগত কৰি নিজে ৰাজসিংহাসন আৰোহণ নকৰি স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ পুতেক গৰ্ভসিংহক বিচাৰি নাপাই পুনৰ স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহকে ৰজা পাতে। আৰু স্বৰ্গদেৱে বগা কোঁৱৰৰ জীয়েক হেমো আইদেওক বৰ্ম্মা ৰজালৈ দি সম্বন্ধ পাতে। বুৰঞ্জীবিদ শ্ৰীযুত বেণুধৰ শৰ্ম্মাই কয় যে বদনে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পুতেক ৰুচিনাথক মন্ত্ৰী বাবলৈ আহ্বান কৰিছিল। ৰুচিনাথে দেউতাকৰ পাছত মন্ত্ৰীহৈ স্বৰ্গদেৱক বিপদত এৰি থৈ যায় আৰু তেওঁ বৰফুকনৰ আহ্বানত ঘূৰি নাহে। বদন এইবাৰ ৰাজমন্ত্ৰী হয়। তেওঁ নিজৰ খুড়াক শ্ৰীনাথ বুঢ়াগোহাঁইৰ প্ৰধান সমৰ্থক আছিল বুলি “বৰবৰুৱা” ভাঙি ধনীক “বৰবৰুৱা” পাতে।

“উপকাৰীক অজগৰে খায়,” ধনী বৰবৰুৱাই ৰাজমাও দেউতাৰ সৈতে যুগুতি কৰি চাবি মাহৰ পাচতে বদন ৰাজমন্ত্ৰীক চোৰাংকৈ ৰূপসিং চুবেদাৰৰ হতুৱাই হত্যা কৰায়। তেওঁ ৰাজ্যত শান্তি স্থাপন কৰিবলৈ নাপালে। পুনৰ ৰাজ্যত গৃহ কন্দল হল। এইবাৰ ৰুচিনাথে ব্ৰজনাথ কোঁৱৰকলৈ স্বৰ্গদেৱৰ বিপক্ষে অস্ত্ৰ ধাৰণ কৰি, স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহক ৰজা ভাঙ্গি ব্ৰজনাথ কোঁৱৰৰ পুত্ৰ পুৰন্দৰ সিংহক ৰজা পাতে। বদন বৰফুকনৰ লগে লগে সেই সময়ত অসমত সুবিজ্ঞ ক্ষমতাশীল ৰাজনীতিজ্ঞ পুৰুষ অস্ত পৰে। বৰফুকন



আততায়ীৰ হাতত নিহত নোহোৱাহেঁতেন হয়তো অসম বুৰঞ্জী অন্য প্ৰকাৰে লিখিব লগা হলহেঁতেন।

কালৰ কুটিল গতিৰ ঘটনাচক্ৰত পৰি অসমৰ পৰা মান খেদিবলৈ অহা কোম্পানীৰ হাতত ১৮২৬ খৃঃৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবুত বৰ্ম্মা ৰজাৰ প্ৰতিনিধি আৰু কোম্পানীৰ প্ৰতিনিধিৰ মাজত হোৱা সন্ধিমতে বৰ্ম্মা ৰজাই “বেটনিত ঔ পৰিল বাসুদেৱায় নমঃ” বুলি অসম এৰি দিয়ে। অসম লবলৈ অহা নাই—কেৱল মান খেদিবলৈ আহিছোঁ বুলি ইস্তাহাৰ প্ৰচাৰ কৰা কোম্পানী অসমৰ অধিকাৰ হ’ল। অসমীয়াই চাই থাকিল। চোৰে চোৰে পিতল বাটিলে—গিৰিহঁতে কৰই নোৱাৰিলে। ইয়াণ্ডাবু সন্ধিৰ পাচতে কোম্পানীয়ে বিদ্ৰোহী খামটি নায়ক শদিয়াখোৱা গোহাঁই আৰু বেঙমৰাৰ বিদ্ৰোহী মটক ৰজাৰ সৈতে সন্ধি কৰে; কিন্তু স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহ, স্বৰ্গদেৱ পুৰন্দৰ সিংহ আৰু স্বৰ্গদেৱ যোগেশ্বৰ সিংহৰ লগত কোনো সন্ধি নকৰে।

মান খেদিবলৈ অহা কোম্পানীয়ে অসম নিজৰ কৰি লোৱাত অসমীয়াই ভাল নাপালে। এটা স্বাধীন জাতি দৈব-দুৰ্বিপাকত পৰি লোকৰ তলতীয়া হ’ল। স্বাধীনতা তেজ থকা অসমীয়াৰ শিৰে শিৰে তেতিয়া স্বাধীনতাৰ প্ৰবাহিত হৈছিল। সেই তেজত উদ্দীপ্ত হৈ গোমধৰ কোঁৱৰে প্ৰথমে লুপ্ত স্বাধীনতা উদ্ধাৰ কৰিবলৈ যত্ন কৰে। বুৰঞ্জীবিদ ডাঃ ভূঞাদেৱে গোমধৰ কোঁৱৰ স্বৰ্গদেৱ চুচেংফা ওৰফে প্ৰতাপ সিংহৰ বংশৰ কোনো গোহাঁইৰ পুতেক বুলি ঠাৱৰ কৰিছে। বুৰঞ্জীবিদ শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱৰ মতে বৃটিছৰ লগ নোলোৱা মানৰ দলত গোমধৰ কোঁৱৰ ওৰফে গমধৰ কোঁৱৰ, হৰনাথ গোহাঁই, মইনা ফুকন আদি ভালেমান বিষয়া আছিল। তেওঁবিলাক মানে পতা ৰজা স্বৰ্গদেৱ যোগেশ্বৰ সিংহৰ সমৰ্থক আছিল আৰু মান ৰজাৰ লগত অভিসন্ধি কৰি দাতি-কাষৰীয়া চিংফৌ, খামটি, মটক আদিক লগত লৈ বৃটিছক খেদিবৰ অভিপ্ৰায়ে ঢোপাবৰ, জয়পুৰ, তৰাতলী আদিত যুদ্ধৰ আখৰা কৰিছিল। ‘মণিৰাম দেৱান’ পুথিত শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱে লিখিছে—“যুদ্ধৰ সকলো আয়োজন কৰিছিল গমধৰ কোঁৱৰ আৰু হৰনাথ গোহাঞে। তেওঁবিলাকৰ লগত এই সকল লোকে উজান দিছিল—ধৰ্ম্মধৰ ৰাজগুৰু, ধেনুধৰ কোঁৱৰ, ধঞ্জয় বা পিয়লি বৰগোহাঁই, ৰূপচন্দ্ৰ কোঁৱৰ, ধঞ্জয়ৰ পুতেক হৰনাথ আৰু জোৰায়েক জীউৰাম দুলীয়া বৰুৱা, দেউৰাম দিহিঙ্গীয়া ফুকন, ঘুমলী বুঢ়াগোহাঁই, মইনা খাৰঘৰীয়া ফুকন, দহা ফুকন, খামতি বুঢ়াগোহাঁই, জম্নি ফুকন আৰু পিয়লি ফুকন।” গমধৰ কোঁৱৰে নিজক স্বৰ্গদেৱ বুলি ঘোষণা কৰি, আৰোৱাণ আৰু কেকোবাদোলা লৈছিল। তেওঁ বিষয়া আৰু প্ৰজাক বৃটিছৰ বিপক্ষে বিদ্ৰোহ কৰিবলৈ উদগাই ফুৰিছিল; আৰু খাজনা দিয়াত হকাবাধা কৰিছিল। গমধৰ কোঁৱৰৰ দলে শদিয়াত থকা বৃটিছৰ খাৰ-ঘৰত জুই দিয়ে। ১৮২৯ খৃঃৰ ২৯ অক্টোবৰত লেফ্‌টেনেন্ট ৰাদাৰফৰ্ডে গমধৰৰ সৈন্যদলক ঘটুৱায়। তাৰ বাৰদিনৰ মূৰত তেওঁ যোৰহাটত আত্মসমৰ্পণ কৰে। সেই সময়ত বৃটিছে অসমত পঞ্চায়তৰ দ্বাৰাই বিচাৰ কাৰ্য্য চলাইছিল। ডাঃ ভূঞাদেৱৰ মতে পঞ্চায়তৰ বিচাৰৰ কাগজ-পত্ৰ চাই অসমৰ কমিচনাৰ ডেভিড স্কটে গমধৰ কোঁৱৰক সাতবছৰ নিৰ্ব্বাসন দণ্ড আৰু অন্যান্য অপৰাধীক যথাযথ শাস্তি দিয়ে; কিন্তু হৰনাথে প্ৰমাণৰ অভাৱত খালাছ পায়। শ্ৰীযুত বেণুধৰ শৰ্ম্মাৰ মতে গমধৰক ডেভিড স্কট চাহাবে ১৪ বছৰলৈ ভাটী ৰংপুৰত

ফাটেক দি থয়। হৰনাথে ষড়যন্ত্রত ফাটেক খোৱা অপৰাধী কেইজনক ফাটেকৰ পৰা পলুৱাই আনি, নতুন দল গোটাই পুনৰ ষড়যন্ত্র আৰম্ভ কৰে। এই ষড়যন্ত্রৰ নেতা আছিল পিয়লি ফুকন আৰু তেওঁৰ প্ৰধান সাৰথি আছিল জীউৰাম ডুলীয়া বৰুৱা।

পিয়লি আজন্ম চাকোলা আছিল। তেওঁ মানুহৰ কান্ধত উঠি ফুৰিছিল। তেওঁৰ দেহা যদিও চাকোলা আছিল মন চাকোলা নাছিল। তেওঁ চাকোলা দেহেৰেই অসমৰ পৰা দেউতাকৰ লগত পলাই গৈ কলিকতাইদি বৰ্ম্মা দেশলৈ গৈ পুনৰ অসমৰ পূব ফালৰ পৰ্ব্বত অতিক্ৰম কৰি অসম সোমায়। তেওঁ চকুৰ আগত দেউতাকৰ হত্যা, ৰুচিনাথ বুঢ়াগোহাঁয়ে যুদ্ধত স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহক ঘটুৱাই স্বৰ্গদেৱ পুৰন্দৰ সিংহক ৰজা পতা, স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই পুনৰ অসমলৈ মান আনি দ্বিতীয়বাৰ ৰজা হৈ বগাকোৱঁৰৰ জীয়েক হেমো আইদেওক বৰ্ম্মা ৰজালৈ দি মিত্ৰতা কৰা, মানে তৃতীয়বাৰ অসম আক্ৰমণ কৰি অসম ধ্বংস কৰা, বৃটিছে মান খেদিবলৈ বুলি আহি, অসম দখল কৰি ইয়াণ্ডাবু সন্ধিৰ চনদ পাই, গজগজীয়া হৈ বহি লোৱা সকলো দেখা পাইছিল। অসমীয়াক বগা বঙালে উলাই কৰা তেওঁৰ সহ্য নহল। সেয়েহে তেওঁ গমধৰ কোৱঁৰৰ লগত অসম উদ্ধাৰৰ বাবে যোগ দিছিল। গমধৰ ধৰা পৰাত তেওঁ নিজেই সেই গুৰুভাৰ হাতত লয়।

পিয়লি ফুকনৰ লগত জীউৰাম ডুলীয়া বৰুৱা, ৰূপচাঁদ কোৱঁৰ, দেওৰাম দিহিঙ্গীয়া ডেকা, বৌম চিংফৌ, হৰনাথ, পিয়লি বৰগোহাঁই আৰু মটকৰ বৰ সেনাপতিৰ দ্বিতীয় পুতেকে যোগ দিয়ে। পিয়লি ফুকন আৰু পিয়লি বৰগোহাঁয়ে বিদ্ৰোহত যোগ দিবলৈ মোৱামৰীয়া, খামটি, নগা, গাৰো, খাছিয়া, জয়ন্তা, মণিপুৰ আৰু ডফলাৰ অধিপতিসকললৈ চিঠি দিয়ে। তেনে এখন চিঠি পাই শদিয়াখোৱা গোহাঁয়ে উজনি অসমৰ শাসনকৰ্ত্তা নিউভিল চাহাবক দিয়ে। চাহাবে পত্ৰবাহক হৰনাথক শদিয়াত গ্ৰেপ্তাৰ কৰে। বিদ্ৰোহী দলৰ কেন্দ্ৰস্থল আছিল মটক ৰাজ্যৰ অন্তৰ্গত তেজ্জী নামৰূপ। বিদ্ৰোহী দলে ১৮৩০ চনৰ ২৫ মাৰ্চ্চ তাৰিখে ৰংপুৰ কোঠত থকা বৃটিছৰ চিপাহী-ছাউনী আৰু খাৰ-ঘৰ পুৰি উজনি অসমৰ পৰা বৃটিছক খেদিবলৈ ঠিক কৰে। দেওপূজা পাতি সেই পূজাত দেওউঠা-জনৰ পৰা জয় হব বুলি জানি পিয়লি বৰগোহাঁয়ে সসৈন্যে যাত্ৰা কৰে। তেওঁলোকৰ লগত পিয়লি ফুকন যোৱা নাছিল। শ্ৰীযুত বেণুধৰ শৰ্ম্মাই কয় যে পিয়লি ফুকন পাচত গৈছিল। জীউৰাম ডুলীয়া বৰুৱাই কাড়ৰ আগত অঙ্গঠা বান্ধি কাড় মাৰি খেৰৰ খাৰ-ঘৰত জুই দিয়ে। খাৰ-ঘৰ জুই লাগি পোৰে। কোম্পানীৰ চিপাহীয়ে দেখি যোৱাত সকলো পলাই চৰাইদেওৰ কাষৰ গেলেকি-লৈ গ'ল—যাব নোৱাৰিলে কান্ধত উঠি থকা চাকোলা পিয়লি ফুকন; তেওঁ ধৰা পৰিল। পলাই সৰা সকলোকে জন্মি ফুকন আৰু ধঞ্জয় বৰ-গোহাঁইৰ বাহিৰে বৃটিছৰ চিপাহী জাগিম সিং, জয়নন্দন সিং আৰু প্ৰাগদত্ত চুবেদাৰে গেলেকিত ধৰে।

শ্ৰীযুত বেণুধৰ শৰ্ম্মাই 'মণিৰাম দেৱান'ত লিখিছে—"পিয়লি ফুকনক ধৰি আনি কাপ্টান নিউৱিল চাহাবৰ আগত হাজিৰ কৰিলেহি। নিউ-ৱিলে ফুকনক সুধিলে, "তুমি বিদ্ৰোহিতা আচৰণ কিয় কৰিছিলা ?" ফুকনে উত্তৰ দিলে, "মই দেশ উদ্ধাৰ কৰিবলৈ অহা সঁচা ; পাৰিতপক্ষে কোনেও পৰাধীন হবলৈ ভাল নাপায়। আমি মৰিম বুলি ভয় কৰি তোমালোকক খেদিবলৈ ওলোৱা নাই"



ইয়াৰ পৰা ইয়াকে বুজায় যায় যে "দেশতকৈ মোমাই ডাঙৰ নহয়" বোলা লাচিতৰ দেশত দেশতকৈ নিজৰ প্ৰাণ ডাঙৰ নহয় বুলি কওঁতাও এজন ওলাইছিল। ইয়াতেই পিয়লি ফুকনৰ মহত্ব, বীৰত্ব আৰু দেশ-প্ৰেম ফুটি ওলাইছে।

এই বিদ্ৰোহী দলৰ বিচাৰ হৈছিল জয়সাগৰ পুখুৰীৰ পাৰত বহা সদৰ দেৱানী পঞ্চায়তত আৰু বিচাৰক আছিল এজন বৰগোহাঁই আৰু এজন বৰবৰুৱা। পঞ্চায়তে 'অসমৰ দস্তুৰ আৰু বৃটিছ আইন' অনুসৰি পিয়লি ফুকন, জীউৰাম ডুলীয়া বৰুৱা, ৰূপচাঁদ কোৱঁৰ, দেওৰাম দিহিঙ্গীয়া ডেকা, বৌম চিংফৌ আৰু হৰনাথৰ ফাঁচি হব লাগে বুলি ৰায় দিয়ে। নিউৱিল চাহাবে সোধাত মণিৰাম ৰেভিনিউ চিৰস্তাদাৰে পঞ্চায়তৰ ৰায়কে সমৰ্থন কৰে। পঞ্চায়তে দিয়া ৰায় মতে ফাঁচি দিবলৈ ডেভিড্ স্কট চাহাবৰ অনুমোদন লাগে। স্কট চাহাব সেই সময়ত চেৰাপুঞ্জীত আছিল। সেই কাৰণে পঞ্চায়তৰ ৰায় অনুমোদনৰ কাৰণে স্কট চাহাবলৈ পঠোৱা হ'ল। শ্ৰীযুত বেণুধৰ শৰ্ম্মা দেৱৰ মতে চেৰাপুঞ্জীৰ পৰা স্কটৰ অনুমোদন আহি নৌ পাওঁতেই নিউৱিল চাহাবৰ মৃত্যু হয় আৰু স্কটৰ হুকুম আহি পোৱাত বেলি হোৱাত জেম্‌ছ মেথি চাহাবৰ আদেশত পিয়লি ফুকন আৰু জীউৰাম ডুলীয়া বৰুৱাক শিৱসাগৰ পুখুৰী পাৰৰ ঈশান কোনত ফাঁচি দিয়া হ'ল। বৌম চিংফৌ, দেওৰাম দিহিঙ্গীয়া ফুকন, ৰূপচাঁদ কোৱঁৰ আৰু হৰনাথ বৰগোহাঁইক ঢাকালৈ দেশান্তৰী কৰা হয় আৰু বেণুধৰ কোৱঁৰক স্থানীয় ফাটেকত ৰখা হয়। ডাঃ ভূঞাদেৱৰ মতে "১৮৩০ চনৰ ছয় আগষ্ট তাৰিখে অসমৰ কমিচনাৰ ডেভিড্ স্কট চাহাবৰ চেৰাপুঞ্জী আদালতত এই ষড়যন্ত্ৰৰ চূড়ান্ত বিচাৰ হ'ল। তাত এই শাস্তি বিধান কৰা হ'ল—পিয়লি বৰফুকন আৰু জীউৰাম ডুলীয়া বৰবৰুৱাৰ মৃত্যুদণ্ড, বৌম চিংফৌ, ৰূপচান্দ কোৱঁৰ, দেওৰাম দিহিঙ্গীয়া ডেকা আৰু হৰনাথ—এওঁলোকৰ প্ৰত্যেককে চৈধ্য বছৰলৈ নিৰ্ব্বাসন দণ্ড ; আৰু প্ৰথম পাঁচজন অপৰাধীৰ সকলো সম্পত্তি বাজেয়াপ্তি।" মুঠতে বৃটিছৰ পৰা অসম উদ্ধাৰ কৰিবলৈ যত্ন কৰোঁতাৰ ভিতৰত পিয়লি ফুকন প্ৰথমে ফাঁচি যায়।*

* চৰাইদেউত ১৯।১।৫৭ চনত পতা পিয়লি ফুকন উৎসৱৰ সভাপতিৰ অভিভাষণ।

# ভাষাৰ ঐক্য

শ্ৰীৰত্নকান্ত বৰকাকতী

[ "পত্ৰিকা"ত পূৰ্ব্বে প্ৰকাশিত "ভাষাৰ ঐক্য" বোলা প্ৰবন্ধৰ পাছৰ ছোৱা ]

আজিৰ অসমীয়া, বঙ্গালী, বিহাৰী সকলোৰে সমস্যা হ'ল কেনেকৈ সকলো ভাৰতীয় জাতি (An Indian Nation) এটা হৈ পৰিব ; অকল সেইটোৱেই নহয়, সমস্যাটো হৈ পৰিছে কেনেকৈ অসমীয়া অসমীয়া থাকি, বঙ্গালী বিহাৰী বঙ্গালী বিহাৰী থাকিও ভাৰতীয় হৈ পৰিব—সেইটোহে। সেই দেখিয়েই কংগ্ৰেছে প্ৰথমে কৰা ভাষাৰ ভেটিত প্ৰদেশ গঠনৰ আজি তুমুল আন্দোলন চলিব লাগিছে। মূলতঃ ভাৰতীয় সংস্কৃতিৰ লগত আমাৰ এটা আন্তৰিক যোগ, এটা আধ্যাত্মিক যোগ আছে দেখিয়েই আমি লাছিত, গদাধৰ, জয়মতীৰ বীৰত্ব, সতীত্বৰ গৌৰৱত যেনেকৈ গৌৰৱান্বিত বোধ কৰোঁ ; ৰাম লক্ষ্মণ, সীতা সাবিত্ৰী, ভীম অৰ্জ্জুন, কৃষ্ণ যুধিষ্ঠিৰ, দ্ৰৌপদীৰ বীৰত্ব সতীত্বক লৈয়ো তেনেকৈ সমানেই গৌৰৱান্বিত বোধ নকৰি নোৱাৰো। সেই দেখি আমি ব্যাস, বাল্মীকি, কালিদাস, ভৱভূতিৰ নামত যেনেকৈ গৌৰৱান্বিত, ৰবীন্দ্ৰনাথৰ নামতো তেনেকৈ কম গৌৰৱান্বিত নহওঁ। ৰবীন্দ্ৰনাথ আন্তৰ্জাতীয় পুৰুষ (International figure), কিন্তু সেই ৰবীন্দ্ৰনাথেও এদিন নিজৰ জন্মভূমি বঙ্গদেশৰ মঙ্গল কামনা কৰি গান গাইছিল :—

বাংলার মাটি বাংলার জল,
বাংলার বায়ু বাংলার ফল,
পুণ্য হউক, পুণ্য হউক—
হে ভগবান।

বাঙ্গালীর আশা
বাঙ্গালীর ভাষা
সত্য হউক সত্য হউক
হে ভগবান।
বাঙ্গালীর প্রাণ বাঙ্গালীর মন
বাঙ্গালীর ঘরে যত ভাই বোন
এক হউক এক হউক
হে ভগবান।

ইয়াত আমাৰ দুখ বা দ্বেষ কৰিবৰ একো কথা নাই, কাৰণ বঙ্গদেশৰ জল বায়ু ভাল হলে, বঙ্গদেশৰ ভাই-ভনীবোৰ মিলি জুলি এক হৈ থাকিলে, বঙ্গালী ভাষাৰ উন্নতি হলে,—ভাৰতৰহে এক অংশৰ ভাল আৰু উন্নতি হব যে তাত সন্দেহ নাই। সেই দেখি আমিও সেই আৰ্হি লৈয়ে নিশ্চয় বুকু ফিন্দাই গাব পাৰোঁ :—

অসমৰ মাটি অসমৰ জল,
অসমৰ বায়ু, অসমৰ ফল,'
পুণ্য হওক, পুণ্য হওক
হে ভগৱান।
অসমীয়াৰ আশা
অসমীয়াৰ ভাষা
সত্য হওক, সত্য হওক
হে ভগৱান।
অসমীয়াৰ প্ৰাণ
অসমীয়াৰ মন
অসমীয়া ঘৰৰ ভাই ভনী জন,
এক হওক, এক হওক,
হে ভগৱান।



আচল কথা confusion of issues অৰ্থাৎ বিষয়-বিভ্ৰম কৰিলে নহব। ন্যায়-শাস্ত্ৰৰ (Logic) ভাষাৰে কবৰ হলে আমাৰ পক্ষে হৈছে "ভাৰত" —সাধাৰণ ( Genus ) আৰু "অসম"—বিশেষ ( Species )। যিবিলাক সমল লৈ অসমীয়াৰ 'অসমীয়াত্ব' তাৰ হয়তো বহুখিনি ভাৰতৰ। আন জাতিৰ ভিতৰতো এটা সাধাৰণ ভাৰতীয়ত্ব আছে ( যেনে, প্ৰায় বিলাক ভাষাই সংস্কৃতমূলক, প্ৰায় বিলাক প্ৰদেশৰে প্ৰায় একে ঐতিহ্য (Tradition) —সেই একে ৰামায়ণ-মহাভাৰত, হিন্দুৰ ক্ষেত্ৰত সেই একে বৈদিক ক্ৰিয়া-পদ্ধতি, প্ৰায় প্ৰদেশৰে পৰম্পৰে প্ৰায় মিলি যোৱা একে আচাৰ-ব্যৱহাৰ, চাল-চলন, প্ৰায় প্ৰদেশৰে মানুহৰ গাৰ বৰণ সাধাৰণতে গৌৰবৰ্ণ বা শাওঁৰবৰণীয়া, প্ৰায় প্ৰদেশতে ভাৰতৰ সেই অতীত আধ্যাত্মিক ভাৱপ্ৰৱণতাৰ চিন ইত্যাদি)। আমাৰ অসমো উক্ত ভাৰতীয়ত্বৰ অংশীদাৰ। কিন্তু সেই বুলি আকৌ ভাষাকে ধৰি অসমীয়াৰ কিছুমান নিজস্ব সামাজিক আৰু সাংস্কৃতিক বৈশিষ্ট্য আছে, যিটো বঙ্গালীৰ বা আন ভাৰতীয়ৰ মুঠেই নাই। অসম কামৰূপ মহাভাৰতৰ দিনৰ পৰা ৰাষ্ট্ৰীয়ভাৱে (Politically) সুকীয়া হৈ অহাত ( ইংৰাজৰ দিনত হে ৰাষ্ট্ৰীয়-ভাৱে ভাৰতৰ লগত লগলাগিল ) অসমীয়া ভাষা সংস্কৃতিৰ বৈশিষ্ট্যটো আন সকলো ভাৰতীয় জাতিতকৈ বিশেষ চকুত লগা, বিশেষ সুকীয়াত্ব-সূচক হৈ আছে।

অসম বুৰঞ্জী আৰু ভাৰত বুৰঞ্জী এক হিচাবে দুখন সুকীয়া বুৰঞ্জী। সেই দেখি আমাৰ অসমীয়াই অসমৰ বাহিৰৰ আন সকলো মানুহকে ( অকল বঙ্গালীকে নহয় ) বঙ্গাল অৰ্থাৎ বিদেশী আখ্যা দিছিল। ইংৰাজকো বুলিছিল বগা বঙ্গাল। মধ্য যুগত ভাৰতত সিমূৰে কাশ্মীৰ আৰু ইমূৰে অসমৰ বাহিৰে কোনেও নিজৰ ধাৰা-বাহিক ভাৱে বুৰঞ্জী লিখি ৰখা নাছিল। এতিয়া সেই দেখি আমি ভাৰতীয় ভাৱেৰে জাগ্ৰত হবলৈ হলে এফালে যেনেকৈ আমি ভাৰতীয় সাংস্কৃতিক সূত্ৰেৰে ভাৰতৰ লগত একত্ব উপলব্ধি কৰিবলৈ চাব লাগিব, আন ফালে তেনেকৈ আমাৰ নিজৰ অস্তিত্ব, নিজৰ ভাষা, সাহিত্য, নিজৰ নিজস্ব অটুট ৰাখিবলৈ চাব লাগিব। আমাৰ নিজৰ ভাষা, নিজৰ স্বাতন্ত্ৰ্য অক্ষুণ্ণ নৰাখি নিজৰ ভাব ভাষা হোৱাই নোহোৱাই এৰি দি আত্ম-বিলোপ কৰিবলৈ চাব নালাগিব। এটা কথাৰে আমি প্ৰধানতঃ সাংস্কৃতিক ক্ষেত্ৰত ভাৰতীয়, আনকি বিশ্বতোমুখীও হব লাগিব ; কিন্তু আমাৰ জীৱন ধাৰণৰ ক্ষেত্ৰত আত্মৰক্ষণ আৰু আত্ম-প্ৰকাশৰ কাৰণে অলপ সংকীৰ্ণ হৈয়ো লাগিলে চলিব লাগিব। যদি আন আন প্ৰদেশৰ মানুহে আহি 'সৰ্ব্বভাৰতীয়ত্ব'ৰ গঁৱিলা লৈ আমাৰ মুখৰ মাত (ভাষা), মুখৰ ভাত কাঢ়ি লবলৈ ওলায় আৰু আমি ভাৰতীয় ভাৱৰ তাপত সেইবোৰ অকাতৰে এৰি দি গৈ থাকোঁ, তেনেহলে আমি নিজৰ যে অস্তিত্ব হেৰুৱামেই, ভাৰতীয় ভাৱেও আমি আনৰ লগত প্ৰকৃত মিলনৰ পৰা বঞ্চিতহে হম। মিলন হৈছে সমানে সমানে, ; দুৰ্ব্বলে সবলে হোৱা মিল কেতিয়াও প্ৰকৃত মিল নহয়। গতিকে আমি সবল হৈ থাকিবলৈ আমাৰ প্ৰধান অস্ত্ৰ হৈছে আমাৰ ভাষাৰ ঐক্য ; অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যৰ সবলতা বাদ দি সবল অসমীয়া জাতি এটা স্বপ্ন মাথোন। অসমীয়া হিচাপে আমাৰ বৰ্ত্তমান পৰিস্থিতিত আমি ভালকৈ হৃদয়ঙ্গম কৰিব লগা হৈছে যে সবল অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যইহে সবল অসমীয়া জাতিৰ মেৰুদণ্ড। এই সম্পৰ্কত পৃথিবীৰ ভিতৰত

আয়ৰ্লেণ্ড ( Ireland ) আমাৰ পক্ষে বহু পৰিমাণে অনুকৰণযোগ্য যেন লগা হৈছে। আয়ৰ্লেণ্ড সংস্কৃতিৰ ক্ষেত্ৰত বিশ্বতোমুখী হৈয়ো আত্মৰক্ষাৰ ক্ষেত্ৰত একেবাৰেই আইৰিচ ( Irish people ) বুলি স্বকীয়া হৈ পৰিছে। আইৰিচ ভাষাভাষী মানুহ মাথোন ২৭ লাখ, তাৰেই আইৰিচ এটা স্বকীয়া জাতি। আয়ৰ্লেণ্ড, গ্ৰেট বৃটেনৰ পৰা একেবাৰেই আলাদা হোৱাদি আমি অৱশ্যে ভাৰতৰ পৰা একেবাৰেই আলাদা হব নোৱাৰোঁ ; কিন্তু আমাৰ ভাষাৰ সম্পৰ্কত কিছু দূৰ সেই নীতি অনুসৰণ কৰিলেহে আমাৰ অসমীয়াত্ব অক্ষুণ্ণ থকাৰ সম্ভাৱনা যেন লগা হৈছেগৈ। এই সম্পৰ্কত আমাৰ মাজত বিশদ চিন্তা-চৰ্চ্চা, আলোচনা আন্দোলনৰ আৱশ্যক হৈ পৰিছে যে তাত সন্দেহ নাই। মুঠ কথা ভাষাৰ ঐক্যটো বৰ ডাঙৰ ঐক্য, আৰু নতুনকৈ সৰ্ব্ব-ভাৰতীয় জাতিগঠনত ই এটা গুৰুত্বপূৰ্ণ কথা।

কিছুদিনৰ আগতে হোৱা প্ৰদেশ কংগ্ৰেচ সভাপতি সন্মিলনত স্বয়ং শ্ৰীনেহেৰুৱে মন্তব্য কৰিছে যে ভাষাৰ কথাটো নিঃসন্দেহ গুৰুত্বপূৰ্ণ —"The question of language is undoubtedly important"। তেওঁ কয় যে ভাৰতৰ চৈধ্যটা ভাষাৰ আটাই কেইটাই জাতীয় ভাষা আৰু হিন্দীৰে সৈতে সমান মৰ্য্যাদাসম্পন্ন (তাৰ ভিতৰত অসমীয়াও এটা—লেখক) —"All the fourteen languages In india are national languages and they stand on equal status with Hindi"—আৰু কয় "It will be wrong to impose Hindi on others". অথচ কি আচৰিত কথা যে আজিও আমাৰ অসমীয়া ভাষাই সেই স্বীকৃত জাতীয় মৰ্য্যাদা ( National honour ) লাভ কৰিব পৰা নাই।

---

# 'কেৱল ঘোষা আৰু সম্প্ৰদায়' সম্পৰ্কে দুআষাৰ

**শ্ৰীগোপালকৃষ্ণ দেৱ ডেকা সত্ৰাধিকাৰ গোস্বামী**
( চলিহা বাৰেঘৰ সত্ৰ )

ষোড়শ বছৰ প্ৰথম সংখ্যা 'অসম সাহিত্য সভা পত্ৰিকা'ত শ্ৰীলীলা গগৈৰ ওপৰুক্ত শীৰ্ষকটিৰে সৈতে এটা আলোচনামূলক প্ৰবন্ধ ওলাইছিল। আমি মাত্ৰ প্ৰবন্ধত উল্লেখ কৰা কথাসমূহ আৰু তাৰ যুক্তিযুক্ততাত চকু ফুৰাই চাবৰ হেতু প্ৰয়াস কৰিলোঁ।

শ্ৰীগগৈয়ে কৈছে, কেৱল ঘোষা কেৱলা সম্প্ৰদায়ৰ ধৰ্ম্মগীত। এই সম্প্ৰদায়ক মানুহে বাহিৰত ৰাতিখোৱা সম্প্ৰদায়, গুপ্ত সম্প্ৰদায়, অৰীতীয়া, ভিতৰ পন্থীয়া, থেকেৰা ফুলীয়া আদি নামেৰে অভিহিত কৰে। সঁচাকথা এই ৰাতিখোৱা ধৰ্ম্ম বা ভিতৰ পন্থীয়া ধৰ্ম্মটো অসমত আজি বহুকাল



ধৰি চলি আহিছে। এই কেৱল ধৰ্ম্মভাগৰ বহুতো গীত-মাত, ঘোষা আদি আছে, যিবিলাক আধ্যাত্মিক আৰু ভৌতিক আদি ভাবাপন্ন। কিন্তু দুখৰ বিষয় এই বহুমূলীয়া সম্পদৰাজি এতিয়াও উদ্ধাৰ হোৱা নাই আৰু সেই হেতুকেই নানা ধৰ্ম্ম চাকিবাকি থকা এক শ্ৰেণীৰ লোকে যাকেতাকে ইয়াত লেতিয়াবলৈ সুবিধা পাইছে ; কিন্তু তেওঁ-লোকে এতিয়াও বুজিবলৈ বাকী আছে যে তেওঁ-লোকে অসত্যৰ লগতহে সহৃদয়তা স্থাপন কৰিছে।

কিমানদিনৰ পৰা এই গুপ্তধৰ্ম্মতো অসমত চলি আহিছে তাৰ আমি সীমাৰেখা টানিব নোৱাৰো। আমি নাজানো এই ধৰ্ম্মটি অসমত প্ৰাক্‌শঙ্কৰী দিনৰপৰাই আছিলনে নাইবা শঙ্কৰী দিনৰ পৰাই চলি আহিছেনে বা তেৰাৰ পিছৰ আন একশ্ৰেণীৰ ধৰ্ম্ম-প্ৰচাৰকৰহে উদ্ভাৱনা। বাৰু যি নহওক, এই গুপুত ধৰ্ম্মটো যে অসমত আছে ই সঁচা কথা। অসমেই নালাগে পৃথিবীৰ অন্যান্য দেশতো এনেকুৱা একোটা গুপ্ত ধৰ্ম্ম চলাৰ কথা শুনিবলৈ পাওঁ। পশ্চিমৰ সভ্যজাতিৰ মাজতো "লজ বা ফ্ৰিমেচন" নামে জনাজাত বুলি শুনিছোঁ। সেইদৰে শ্ৰীহট্ট আদি ঠাইত "কিশোৰী ভজন" নামেৰে এটি গুপ্তধৰ্ম্ম আছে। গুপ্তধৰ্ম্ম কাৰণেই ইয়াৰ আতিগুৰিও গুপ্ত। সেইমতে বঙ্গদেশৰ চৈতন্যদেৱৰ পন্থতো যে নাই এনে নহয়। সেইটিক "নেৰানেৰী" সম্প্ৰদায় বোলে। আমাৰ অসমৰ ৰাতিখোৱা বা অৰীতীয়া ধৰ্ম্মৰ বিষয়েও তথৈবচ।

অসমৰ এই ৰাতিখোৱা বা অৰীতীয়া ধৰ্ম্ম বৰ গুপুতে পতা হয়। ইয়াক নিশাই পাতে আৰু নিশাই ভাঙে। এই ধৰ্ম্মত নোসোমোৱা মানুহে ইয়াৰ ভূ-ভাকে নাপায়। এই ধৰ্ম্মৰ আচৰাব-বিলাকো বৰ বেলেগ ধৰণৰ। এই ধৰ্ম্মত দীক্ষিত হোৱা পুৰুষ, মহিলা সকলোৰে সমান আসন আছে। তেওঁলোকৰ মাজত নিন্দা, ঘৃণা, হিংসা আদিৰ স্থান নাই। আনকি তেওঁলোকে একেটি বাতিতেই নামৰ "সাজ" বা "ৰস" পান কৰে। এই নামৰ "ৰস" হ'ল মদ। তেওঁলোকে মদ, মাছ, মাংস আদি এই ধৰ্ম্মানুষ্ঠানত ব্যৱহাৰ কৰে। তেওঁলোকৰ সাধু, ভক্তি মাতৃ, দেউৰী, বিলনীয়া আদিয়ো আছে। এই সকলোবোৰ গগৈয়ে তেওঁৰ প্ৰবন্ধটোত ভালদৰে উল্লেখ কৰিছে।

এতিয়া প্ৰশ্ন হ'ল, অসমত এই ধৰ্ম্মভাগী প্ৰচাৰ কৰিলে কোনে? শ্ৰীগগৈয়ে কৈছে, অসমলৈ নৱবৈষ্ণৱ আন্দোলনৰ ধাৰা বোৱাই আনোতা, ব্ৰহ্মাণ্ড ভেদি যোৱাকৈ পাৰ ভাঙি দি হৰিনাম ৰস, প্ৰেম অমৃতৰ নদী বোৱাই দিওঁতা শ্ৰীমন্ত শঙ্কৰেই এহাতে উক্ত পন্থটো দি গ'ল বুলি ভকত সকলে কয়। ভকতসকলৰ লগতে মিল হৈ শ্ৰীগগৈয়েও এই মতটোকে সমৰ্থন কৰা যেন লাগে। কাৰণ তেওঁ "ভক্তি প্ৰেমাৱলী"ৰ

"দ্বাপৰ যুগত দৈৱকী নন্দন
কলিত কুসুম ধৰে।
কৃষ্ণেসে শঙ্কৰ স্বৰূপ ধৰিয়া
জগত উদ্ধাৰ কৰে।"

এই চৰণটি কেৱল বোলা গীতৰ

"অপৰ থানৰ কেৱল ভকতি
শঙ্কৰ-মাধৱ দুই।
দেহ তৈলে বৃক্ষ জীৱ পৰমাত্মা
পক্ষীৰ আকাৰ হুই॥"

* * *

"শঙ্কৰ মাধৱ গোপাল যাদৱ
হাড়ক টানি ৰস পিলে।" আদি

চৰণকেইটিৰ লগত ৰজিতা খুৱাইছে। এতিয়া কথা হ'ল এই "ভক্তি প্ৰেমাৱলী"ৰ দৃষ্টিভঙ্গী কেৱলা ভকতসকলৰ (অৰীতীয়া পন্থৰ) মিলেনে? শ্ৰীমন্ত শঙ্কৰদেৱে অসমত এক শৰণ ভাগৱতী বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছিল। তেৰাই হৰিনামৰ

ৰসেৰেহে কামৰূপ বা অসম প্লাবিত কৰিছিল। ই ৰাতিখোৱা বা অৰাতীয়া পন্থৰ—

"গুৰুৱে কি বুলি ৰসক দান কৰিব
ভকতে কি বুলি লৈব।
এনো ৰসকে ভকতে ভুঞ্জিলে
ভকতৰ কি ফল হৈব॥
মহৌষধ বুলিয়া গুৰুৱে ছুহিয়া
ভকতক ৰসে দান দিবা।
নিজ ৰস বুলিয়া ভকতে ভুঞ্জিয়া
পাতকী যাইবো তৰি॥"

ইত্যাদি 'ৰস' ও 'মদ' নহয়। মহাপুৰুষ মাধৱদেৱৰ সুৰতে সুৰ মিলাই কবলৈ গলে—

"বৈকুণ্ঠ প্ৰকাশে হৰি নাম ৰসে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি॥"

তাৰ উপৰি আমি তেৰাই 'মদ', 'মাংস' আদিৰেই এই অৰাতীয়া ধৰ্ম্ম প্ৰচাৰ কৰাৰ প্ৰমাণ নেপাওঁ। কাৰণ—

"কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সৱাৰো পাৰে কৰোহো প্ৰণাম॥"

তেৰা সমস্তৰ ধৰ্ম্মতত্ত্ব এয়েহে। তদুপৰি তেৰাৰ ইমানবোৰ গীত-পদ আছে, ইমানবোৰ নাট, বৰগীত, কীৰ্ত্তন, দশম, ঘোষা, ৰত্নাৱলী আদি শাস্ত্ৰ আছে—সিবিলাকতো এই অৰাতীয়া ধৰ্ম্মৰ বিষয়ে ক'তো দেখোন একো ইঙ্গিত নিদিলে। কিন্তু তেৰাই নাম ধৰ্ম্ম আদি প্ৰচাৰ কৰা সবাহ, ভাৱনা আদি পতাৰ কথা পদে পদে প্ৰমাণ পাওঁ। গতিকে শঙ্কৰদেৱৰ এই পৱিত্ৰ নাটটো অৰাতীয়া-সকলৰ অৰাতিৰ ফলেইনে কি তেৰাসকলেহে জানে।

শ্ৰীগগৈয়ে তেওঁৰ প্ৰবন্ধত কৰ খোজে যে অসমৰ কাল-সংহতি পন্থৰ সত্ৰসমূহেই এই গুপ্ত ধৰ্ম্মটোৰ পৃষ্ঠপোষকতা কৰিছে। অসমৰ সত্ৰবিলাক চাৰিটা সংহতিত ভাগ কৰা হয়। এই সংহতি চাৰিটা হ'ল কাল-সংহতি, পুৰুষ-সংহতি, ব্ৰহ্ম-সংহতি, আৰু নিকা সংহতি। এই কাল সংহতি পন্থটোৰ আঁতিগুৰিৰ বিষয়ে শ্ৰীযুত মোহনচন্দ্ৰ মহন্ত বি, এল দেৱে লিখিছে "মহাপুৰুষ মাধৱদেৱৰ প্ৰিয়তম শিষ্য আৰু ধৰ্ম্মাধিকাৰী শ্ৰীগোপাল (ভবানীপুৰীয়া) দেৱৰ কালঝাৰ সত্ৰত তিনিশ তিনিকুৰি তেৰজন শিষ্যৰে সৈতে যিটো সত্ৰীয়া সমাজ গঠিত হৈছিল সেয়ে কালক্ৰমত কালঝৰীয়া বা কাল-সংহতি নামেৰে পৰিচিত হবলৈ ধৰে। এই সংহতিৰ বিশেষত্ব হৈছে গুৰুত কাষ্ঠা।" এই কাল-সংহতিৰ ধৰ্ম্মসত্ৰসমূহ 'মদ, মাংসপিপাসু' অৰাতীয়া শ্ৰেণীৰ অনুষ্ঠান নহয়। কিন্তু শ্ৰীগগৈৰ আলোচনাটোত তুলি দিয়া কেইফাঁকিমান পদত দেখিবলৈ পোৱা যায় যে এই কেৱলা ঘোষা পদবোৰত সেই কাল-সংহতিৰে গুৰুসকলৰ 'নাম জড়িত হৈ আছে। তেৰাসকল যথাক্ৰমে শ্ৰীশঙ্কৰদেৱ, মাধৱদেৱ, গোপালদেৱ, যদুমণিদেৱ, ৰামানন্দদেৱ, সুনন্দদেৱ, শ্ৰীৰামদেৱ আদি। সেই সময়ত এই কাল-সংহতি সত্ৰসমূহৰ গুৰুসকলৰ গুণ, গৌৰৱ গোটেই অসম-জুৰি বিয়পি পৰিছিল। কামৰূপ বা অসমৰ যিমান জাতিৰ লোক সকলোকে শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ প্ৰকাশিত ভাগৱতী বৈষ্ণৱ নাম-ধৰ্ম্মত দীক্ষিত কৰায় উক্ত কাল-সংহতি সত্ৰৰ গুৰুসকলেই। এই সত্ৰবিলাকৰ গুৰুসকলৰ ধৰ্ম্মানুৰাগ আৰু পাণ্ডিত্যত মুগ্ধ হৈ বড়ো, কছাৰী, মিৰি, নগা আদিয়ো শৰণ ভক্তিত দীক্ষিত হৈ তেৰাসকলৰ শিষ্য হৈছিল। স্বৰ্গীয় আহোম ৰজা শিৱসিংহৰ দিনতে নগাৰ লথা খুনবাৰে শ্ৰীশ্ৰীচলিহা বাৰেঘৰ সত্ৰৰ সেই সময়ৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীৰাম-দেৱৰ ওচৰত শৰণ ভক্তিত দীক্ষিত হৈ নৰোত্তম নামে জগৎ প্ৰখ্যাত। অদ্য পৰিমিতো নেফা



অঞ্চলৰ অধিকাংশ নগা লোকেই এই সত্ৰৰ শিষ্য হৈ আছে।

শ্ৰীলীলা গগৈয়ে এই অৰাতীয়া পন্থৰ চাৰিটি বিহাৰৰ নাম উল্লেখ কৰিছে। ( ১ ) নিজ বিহাৰ বা বৰসেৱা ( ২ ) ফুল বিহাৰ (৩) গোপী বিহাৰ আৰু ( ৪ ) নগা বিহাৰ। আমি এই আটাই-বোৰ বিহাৰৰ আলোচনাৰ কথা নলৈ আমাৰ গাত লেতিয়াবলৈ যোৱাৰ কাৰণে চতুৰ্থ নগা বিহাৰৰ বিষয়টোহে মধ্যে বাছি ললো। কিয়নো শ্ৰীলীলা গগৈয়ে কৈছে বাৰেঘৰ সত্ৰৰ অধিকাৰ শ্ৰীৰামদেৱ আৰু নগাৰ নৰোত্তম আতৈৰ আধ্যাত্মিক মিলনৰ পটভূমিতে নগা বিহাৰ ৰচিত। আমি শ্ৰীৰামদেৱ মহাপুৰুষৰ নাতিপুতি হৈও নুবুজিলো কোন মহাপুৰুষৰ বিৰচিত এই নগা বিহাৰ নাটিকা-খনি? আমি জানো যে শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শতে শ্ৰীৰামদেৱে ধৰ্ম্মপ্ৰচাৰ কৰিছিল আৰু বাৰকুৰি সক গীত, এহেজাৰ সকঘোষা, গুণাৱলী, ভক্তিচন্দ্ৰমালা, ভক্তিবিবেক, সাত্বত তন্ত্ৰ ( শিৱ-নাৰদ সম্বাদ), ভক্তিৰত্ন, ভটিমা, চতিহা, ঝুনা আৰু অজামিল মোক্ষণ সচিত্ৰ নাট আদি লিখি থৈ গৈছে। তেখেতে এই কেৱলা ভক্তিৰ ধ্বজাৰোপ কৰা অৰাতীয়া ধৰ্ম্মৰ প্ৰচাৰক হোৱাৰ প্ৰথা আমি পদে-প্ৰমাণে নেপাওঁ। তেখেতে নগা নৰোত্তম আতৈকো শ্ৰীমন্ত শঙ্কৰদেৱৰ মতানুযায়ী শৰণহে দিছিল, ভজন দিয়া নাছিল আৰু অদ্য পৰিমিত আমিও নৰোত্তম আতৈৰ বংশধৰসকল, নামচাং, ৰৰদৰীয়া, লাপটাং, পানীদৰীয়া প্ৰমুখ্যে আৰু ইসকলৰ সঙ্গানুৱৰ্ত্তী যি ৰজা-প্ৰজাসকল আছে তেওঁলোকক সেইদৰেই শৰণ ধৰ্ম্মত দীক্ষিত কৰি আহিছো। তেওঁলোকৰ মদখোৱাতো "অৰাতীয়া ৰাতিখোৱা" ধৰ্ম্মৰ 'ৰস' নহয় আৰু তেওঁলোকে উক্ত নিজ বিহাৰ বা বৰসেৱা, ফুল বিহাৰ, গোপী বিহাৰ এইবোৰৰ গুংসূত্ৰকে নেজানেও নেপায়ও, আনকি নগা বিহাৰবো।



আমি আগেয়ে কৈ আহিছো যে শ্ৰীমন্ত শঙ্কৰদেৱ অৰাতীয়া ধৰ্ম্মৰ প্ৰচাৰক নহয়। তথাপিও ৰাতিখোৱা ধৰ্ম্মৰ ভকত গুৰুসকলে কেৱলা শব্দটো অৰাতীয়া অৰ্থত ব্যৱহাৰ কৰিছে আৰু ব্ৰাহ্মণ পুত্ৰয়ো এই ধৰ্ম্ম শ্ৰীমন্ত শঙ্কৰদেৱৰ ওচৰত লোৱা বুলি কবলৈ যায় আৰু কৃত্ৰিম গীত-মাত ৰচি লয়।

"তুমি যে নাজানা ব্ৰাহ্মণ তনয়
হলা চাৰি বেদৰ ৰাজ।
আজুৰি ছিঙিলা সুৱৰ্ণৰ লগুণে
ধৰিলা কেৱলাৰ ভাগ॥"

অৰাতীয়া পন্থৰ ভকত-গুৰুসকলে নাজানে যে এই কেৱলা ভক্তি ৰোলাটিৰ মদত কাষ্ঠা নহয়, গুৰুত কাষ্ঠাহে হয়। সেইদৰে শ্ৰীৰামদেৱ আৰু নৰোত্তম আতৈ আৰু সেই সংহতিৰ আন আন গুৰুসকলৰ আলম লৈ এই অৰাতীয়া ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ যোৱা নিশ্চয় অৰাতীয়া ৰীতি। আমি শ্ৰীৰামদেৱ বা সেই কাল-সংহতিৰে আন আন গুৰুসকলে এই সকামভাগ পতাৰ কথা ক'তো নেপাওঁ, আনকি তেৰাসকলৰ চৰিত্ৰ-পুথি-বোৰতো নাই। তেখেতসকলৰ ৰচিত পুথিবোৰত পালনাম গোৱা, ভাৱনা পতা ইত্যাদি কথা ঘনাই ঘনাই পাওঁ।

ফুলেশ্বৰী কুঁৱৰীয়ে বৰৰজা হৈ শাক্তপন্থীয়া ব্ৰাহ্মণৰ মন্ত্ৰণাত গৰ্ভ নোহোৱা অৱস্থাতে গৰ্ভ হৈছে বুলি কৈ শ্ৰীৰামদেৱক লৰা হ'বনে ছোৱালী হ'ব সুধিছিল। এই কথাৰ উত্তৰ দিবলৈ সময় লৈ আহি তেৰাই তিনিদিনকৈ তামী-ঘৰ বহুৱাই পালনাম পাতি শেষৰ দিনা ৰাতি নৃসিংহ যাত্ৰা ভাৱনা পাতি সিদ্ধান্ত দিবলৈ যোৱাৰ কথা তেখেতৰ চৰিত্ৰ-পুথিত উল্লেখ আছে। কিন্তু—

"শ্ৰীৰামদেৱৰে হাৰক টানি আনি
পূৰ্ণ জোখেৰে খোৱা।"

ধৰণৰ জোলৰ ভাৱনা পতা নাছিল। ই অৰীতীয়া ধৰ্ম্মপ্ৰচাৰকৰ ভুৱা প্ৰচাৰ মাথোন। ৰামদেৱ, শ্ৰীৰামদেৱ, সুনন্দদেৱ আদি মহাপুৰুষৰ পৱিত্ৰ নামতে যে এই অৰীতীয়া ভ্ৰষ্টাচাৰী ধৰ্ম্মটো প্ৰচাৰ কৰিছে ই সঁচাকৈ বৰ দুখ আৰু অনুতাপৰ বিষয়।

শেষত আমি ইয়াকে কব খোজো, যে এই ৰাতিখোৱা বা অৰীতিয়া ধৰ্ম্মটোৰ প্ৰৱৰ্ত্তক শ্ৰীমন্ত শঙ্কৰদেৱ নহয় আৰু তেওঁৰ মতস্থিত কাল-সংহতি সত্ৰানুষ্ঠানেও ইয়াক প্ৰচাৰ বা পৃষ্ঠপোষকতা কৰা নাই।

কমলেশ্বৰ সিংহ ৰজাৰ দিনত কাটনীপাৰৰ ব্ৰাহ্মণ মহন্ত সুনন্দক ৰীতীয়া মতত প্ৰৱৰ্ত্তা বাবে গাধত তুলি মদ ঢালি খেদিলে। এই ঘটনা ১৭২৪ শকৰ পানীমুৱা খবৰ। বৰ্ত্তমান কাটনীপাৰৰ গোঁসাইসকলে এই বিষয়ে লিখকলৈ কিবা লিখা-লিখি কৰিলেনে নাই আমি কব নোৱাৰো। কিন্তু চলিহা বাৰেঘৰ সত্ৰৰ শ্ৰীকৃষ্ণদেৱৰ পুত্ৰ তিনিজন। প্ৰথম শ্ৰীসুদৰিশনদেৱ বাৰেঘৰত সত্ৰাধিকাৰ হ'ল। দ্বিতীয় শ্ৰীবিজয়ানন্দদেৱ বুদবাৰী সত্ৰৰ, তৃতীয় শ্ৰীসুনন্দদেৱ কাটনীপাৰ সত্ৰৰ অধিকাৰ হ'ল। তেখেত উদাস আছিল। গদাধৰ সিংহ স্বৰ্গদেৱৰ দিনত যেতিয়া ৰজাই দেৱীপূজা নকৰাৰ কাৰণে কাল-সংহতিৰ মহন্তসকলক ধৰাই নি নামৰূপত কটোৱায়, তেতিয়া বাৰেঘৰ সত্ৰৰ শ্ৰীসুদৰিশনদেৱ বুদবাৰী সত্ৰৰ শ্ৰীবিজয়ানন্দদেৱ আদিকো নিয়ে, উদাসীন বুলি শ্ৰীসুনন্দদেৱক এৰিলে। তেখেত ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনতে বৈকুণ্ঠগামী হয়। তাৰ পিচত কাটনীত অন্য অৰ্থাৎ ব্ৰহ্ম কানাই নামৰ কোনো এজন মহন্ত হয়। কমলেশ্বৰ সিংহ স্বৰ্গদেৱৰ দিনত উক্ত কাটনীপাৰত শ্ৰীসুনন্দদেৱ নায়েই। আৰু ১৫৮৭ শকত জন্ম হৈ শ্ৰীসুদৰিশনদেৱৰ পুত্ৰ শ্ৰীৰামদেৱে ইমানবোৰ গীত-মাত, শাস্ত্ৰ ৰচিলে তাতো এই "অৰীতীয়া" ধৰ্ম্মৰ জোলৰ সোঁত নবলে। পৰম বৈষ্ণৱ শ্ৰীৰামদেৱৰ প্ৰপন্নশিষ্য নৰোত্তম আতৈৰ লিখনিতো আমি ইয়াৰ বিষয়ে একো নেপালো। কিন্তু তেওঁসকলৰ নাম কেইটি শ্ৰীগগৈয়ে তুলি দিয়া কেৱল ঘোষাইনেকি কেই-ফাকিত দেখিলো আৰু তেওঁসকলেও তেওঁসকলৰ জীৱিত কালত "মদ মাংস ভোজী অৰীতীয়া সকলৰ আচৰাব বোৰ নেদেখিলে। তেওঁসকলে যি দেখিছিল, যি বুজিছিল তাকেহে শিষ্যসকলৰ মাজত প্ৰকাশ আৰু প্ৰচাৰ কৰিছিল। আৰু ভবিষ্যতে প্ৰৱৰ্ত্তন কৰিবলৈকো অনুবৰ্ত্তীসকলৰ নিমিত্তে আহিঁ থৈ গৈছে। যথা,

পাৰ অতি পাৰমোক্ষ নিবাশিল ভক্তি সুখ
কৰো অভিবাদন নিশ্চয়।
মাগোঁহো নিষ্কাম ভক্তি প্ৰাণ প্ৰভু শিৱপতি
ভজো হেন দেৱ কৃপাময়॥
যাৰ মুখে মন্দ হাস নখইন্দু পৰকাশ
কৰে চক্ৰ ভুজঙ্গে শয়ন।
তাহ্ন বিনে আন দেৱ নামানো নকৰো সেৱ
বিশ্বনাথ সুৰেৰ বন্দন॥
নমো দেৱ শ্ৰীশঙ্কৰ মাধৱ গোপাল বৰ
যদুমণি ৰামানন্দ দেৱ।
শ্ৰীকৃষ্ণ শ্ৰীসুদৰ্শন চৰণে শৰণাপন্ন
ভকতসবকো কৰো সেৱ॥*

*যোড়শ বছৰ ১ম সংখ্যাত প্ৰকাশ হোৱা শ্ৰীলীলা গগৈৰ "কেৱল ঘোষা আৰু সম্প্ৰদায়" শীৰ্ষক প্ৰবন্ধটিৰ কেইবাটাও প্ৰতিবাদ আমাৰ হাতত পৰিছে। কেৱল সত্য তথ্য প্ৰকাশ কৰাৰ উদ্দেশ্যেই উক্ত প্ৰবন্ধ উলিওৱা হৈছিল, কোনো সম্প্ৰদায় বা সত্ৰক উক্ত গুপুত অৰীতীয়া মতৰ লগত লেটিয়াবলৈ নহয়। শ্ৰীগগৈৰো সেই উদ্দেশ্য মুঠেই নাছিল। যদি অজ্ঞাতসাৰে কোনো সম্প্ৰদায় বা সত্ৰক উক্ত গুপুত সম্প্ৰদায়ৰ লগত জৰীত কৰা হৈছে তাৰ কাৰণে আমি দুখীত। শ্ৰীগগৈয়ে নিজা মন্তব্য একো দিয়া নাছিল, গীতত যি আছে তাকেহে লেখিছিল। যাহওক ওপৰত প্ৰকাশ কৰা প্ৰতিবাদ প্ৰবন্ধই ক্ষুণ্ণ হোৱা সকলৰ অভিমত দাঙি ধৰিব পাৰিছে বুলি ভাবি প্ৰবন্ধটো প্ৰকাশ কৰা হ'ল। সম্পাদক

# সাহিত্য সভাৰ বাহিৰে ভিতৰে

## কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ তৃতীয় অধিবেশন

## যোৰহাট, ইং ৭।৮।৫৭

## কাৰ্য্য-বিবৰণী

৭।৮।৫৭ তাৰিখে অসম সাহিত্য সভাৰ ঘাই কাৰ্য্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ তৃতীয় অধিবেশন বহে। সভাত সভাপতিত্ব কৰে শ্ৰীবেণুধৰ শৰ্ম্মা দেৱে।

সভাত উপস্থিত থকা সভ্যসকল: শ্ৰীবেণুধৰ শৰ্ম্মা, শ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীপৰাগধৰ চলিহা, শ্ৰীব্ৰজেন্দ্ৰনাথ বৰপূজাৰী, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীবুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ, শ্ৰীপ্ৰমোদ ভট্টাচাৰ্য্য, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু শ্ৰীভৱানন্দ ৰাজখোৱা।

১। যোৱা অধিবেশনৰ কাৰ্য্যবিবৰণীৰ শেহলৈ ৫ নং দফাত "তলত দিয়া লোকসকলক লৈ পত্ৰিকাৰ বাবে এখন সম্পাদনা সমিতি গঠন কৰা হয়" এই ফাকি কথা যোগ দি, পিছত ছপা কাৰ্য্যবিবৰণী পঠিত আৰু গৃহীত হয়।

সম্পাদনা সমিতিৰ সভ্যসকল:—শ্ৰীপৰাগ চলিহা, ডা: প্ৰফুল্লদত্ত গোস্বামী, অধ্যাপক নৱকান্ত বৰুৱা, অধ্যক্ষ হেম বৰুৱা, শ্ৰীলক্ষ্মীনাথ দাস আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

২। চলিত বছৰৰ বাবে এই মৰ্ম্মে বাজেট গ্ৰহণ কৰা হয়—

জমা:—

| | |
|---|---|
| যোৱা বছৰৰ হাত জমা— | ৫৯২· ২৫ নয়া পইচা |
| ইউনাইটেড বেঙ্ক অব্ ইণ্ডিয়া— | ২১· ৪৭ " " |
| এপেক্স বেঙ্ক শিৱসাগৰ— | ২২৪৩· ৬৬ " " |
| যোৰহাট ডাকঘৰ— | ৩৬২৭· ৬২ " " |
| গুৱাহাটী ডাকঘৰ— | ৩০০৲ |
| চৰকাৰী অনুদান— | ৬০০০৲ |
| | ১২,৭৮৫৲ টকা |

| | |
|---|---|
| জেৰ | ১২,৭৮৫৲ |
| কাছাৰ পুঁজিলৈ দান— | |
| (শ্ৰীনীলকান্ত বৰুৱা মাহে ৫৲ হি:)— | ৬০৲ |
| শাখা সভাৰ বৰঙণি— | ১০০০৲ |
| পত্ৰিকাৰ বৰঙণি— | ১০০০৲ |
| সুত আদি— | ১০০৲ |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ ভাৰা— | ৪৮০৲ |
| পুথি বিক্ৰী— | ৫০০৲ |
| | ১৫,৯২৫৲ টকা |

| | |
|---|---|
| ওপৰঞ্চি জমা— | |
| ষ্টেট বেঙ্ক অব্ ইণ্ডিয়া, শ্বিলং (আজীৱন সভ্যৰ পুঁজি) | ৫০০০· ৬৩ ন: প: |
| ষ্টেট বেঙ্ক অব্ ইণ্ডিয়া, ডিব্ৰুগড় ( নৱদেৱ ন্যাস পুঁজি )— | ৫০০০৲ |
| নেশ্যনেল ছেভিংছ চাৰ্টিফিকেট (আজীৱন সভ্যৰ পুঁজি) | ৫০০০৲ |
| গুৱাহাটী বেঙ্ক— | ১০৬৪· ৫০ ন: প: |
| গুৱাহাটী বেঙ্ক (আজীৱন সভ্যৰ পুঁজি)- | ১০২ ·১৯ " " |
| এপেক্স বেঙ্ক, যোৰহাট, (কমলা দেৱী ন্যাস পুঁজি)— | ২০০০৲ |
| এপেক্স বেঙ্ক, যোৰহাট (চন্দ্ৰকান্ত, ইন্দ্ৰকান্ত দিবস পুঁজি )— | ১৫৫০৲ |
| যোৰহাট ডাকঘৰ (নৱদেৱ ন্যাস পুঁজিৰ সুত)— | ৫৭০· ৪৪ ন: প: |
| যোৰহাট ডাকঘৰ (কমলা দেৱী ন্যাস পুঁজিৰ সুত)— | ১১৬০· ৫৫ ন: প: |
| | ২১,৪৪৮·৩০ ন: প: |

খৰছ :—

| | |
|---|---|
| ১। কাৰ্য্যালয়—(ক) প্ৰধান সম্পাদকৰ কাৰ্য্যালয়— | |
| ঘৰভাৰা (মাহে ২৫৲ হিঃ) ২৫ × ১০ = | ২৫০৲ টঃ |
| কেৰেণী (মাহে ৪০৲ হিঃ) ৪০ × ১০ = | ৪০০৲ |
| গুৱাহাটী কাৰ্য্যালয়ৰ প্ৰাক্তন প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ৰ ভাৰা জুনলৈকে—২৫ × ৪ = | ১০০৲ |
| (খ) প্ৰধান কাৰ্য্যালয়— | |
| (১) কেৰেণী (মাহে ৫০৲ হিঃ) | ৫০ × ১২ = ৬০০৲ |
| (২) চকীদাৰ ( মাহে ৪৫৲ হিঃ) | ৪৫ × ১২ = ৫৪০৲ |
| (৩) মাটিৰ খাজানা— | ৫৮·২৫ |
| (৪) মিউনিচিপেল টেক্স (১১·৫০ নঃ পঃ প্ৰতি তিনি মাহে ) | ৪৬৲ |
| (৫) ফুলনি— | ৬০৲ |
| (৬) বিজুলী চাকি— | ৮৪৲ |
| ২। পুথি ভঁৰাল— | ৩৫০৲ |
| ৩। সাধাৰণ ছপা খৰছ— (নিয়মাৱলী, কাৰ্য্যবিবৰণী, চিঠি আদি)— | ৬০০৲ |
| ৪। কাৰ্য্যালয়ৰ খৰচ— | ৪০০৲ |
| ৫। ভ্ৰমণ বানচ— | ১৭০০৲ |
| ৬। সংগঠন— | ১০০০৲ |
| ৭। পত্ৰিকা প্ৰকাশ— | ৩৫০০৲ |
| ৮। পুথি প্ৰকাশ— | ৪০০০৲ |
| ৯। কাছাৰ জিলাৰ সাহায্য পুঁজি— | |
| (ক) দুজন শিক্ষক তিনিমাহৰ কাৰণে ১০০৲ × ৩ = | ৬০০৲ |
| (খ) শিলচৰ শাখা সাহিত্য সভা— | ২০০৲ |
| (গ) হাইলাকান্দি " " — | ১০০৲ |
| ১০। গোৱালপাৰালৈ সাহায্য— | ১০০৲ |
| ১১। বিজ্ঞাপন আদি— | ১০০৲ |
| ১২। অনুদান— | |
| (ক) চন্দ্ৰকান্ত ইন্দ্ৰকান্ত তিথি পালন— | ৫০৲ |
| (খ) ৰাধাকান্ত সন্দিকৈ স্মৃতি দিবস— | ৫০৲ |
| (গ) ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজিলৈ— | ১০০৲ |
| ১৩। সভাপতিয়ে ইচ্ছানুযায়ী দিব পৰা অনুদান— | ৫০৲ |
| ১৪। আকস্মিক ব্যয়— | ৫০০৲ |
| ১৫। হাতত— | ৩৮৬·২৫ |
| | মুঠ—১৫,৯২৫·২৫ নঃপঃ |

৩। বাজেট গ্ৰহণ কৰাৰ পিছত যোৱা অধিবেশনৰ সিদ্ধান্ত অনুসৰি প্ৰধান সম্পাদকে কামৰ আঁচনি দাঙি ধৰে আৰু সমজুৱাৰ আলোচনা আৰু সংশোধনীৰে তলত দিয়াৰ দৰে আঁচনি গ্ৰহণ কৰা হয়।

(ক) পোনতে গুৱাহাটীত বহিব লগা আগন্তক নিখিল ভাৰত কংগ্ৰেছৰ অধিবেশনত অসমৰ ভাষা-সাহিত্য বিষয়ক প্ৰচাৰৰ ক্ষেত্ৰত তলত দিয়া মতে কেইখনমান পুস্তিকা যুগুত কৰিবলৈ সিদ্ধান্ত কৰা হয়। পুথি কেইখন হিন্দী, ইংৰাজী আৰু অসমীয়া এই তিনিওটা ভাষাত প্ৰকাশ কৰা হব।

(১) অসমৰ জাতি, বুৰঞ্জী, সংস্কৃতি, সংস্কৃতিৰ সমন্বয়, ভাষা-সাহিত্য, অতীত কামৰূপ আৰু প্ৰাগজ্যোতিষ, উত্তৰ-পূব সীমান্ত প্ৰশাসন ইত্যাদিৰ বিষয়ে প্ৰায় চাৰিকুৰি পিঠীয়া এখন পুথি ৰচনা কৰা হব। এই পুথিখন ৰচনাৰ ভাৰ দিয়া হয় অধ্যক্ষ বিশ্বনাৰায়ণ শাস্ত্ৰীৰ ওপৰত। পুথি ৰচনাত সহায়তা কৰিব অধ্যাপক প্ৰমোদ ভট্টাচাৰ্য্য আৰু শ্ৰীলীলা গগৈয়ে। পুথিখন চাই-চিতি অনুমোদন কৰিবৰ বাবে সভাপতি শ্ৰীবেণুধৰ শৰ্ম্মা, অধ্যক্ষ হেম বৰুৱা আৰু অধ্যাপক প্ৰফুল্লদত্ত গোস্বামীদেৱক অনুৰোধ জনোৱা হয়। এই পুথিৰ বাবে খৰছ ধৰা হয় ৯০০০৲ টকা।

(২) উত্তৰ-পূব সীমান্ত প্ৰশাসনৰ বিষয়ে এখন পুস্তিকা প্ৰণয়ন কৰিবলৈ অধ্যাপক পৰাগধৰ চলিহাক অনুৰোধ কৰা হয়। সহায়তা কৰিব শ্ৰীলীলা গগৈয়ে। উপৰোক্ত লোক কেইগৰাকীয়েই এইখন পুথিও অনুমোদন কৰিব।

(৩) অসমৰ বীৰ-বীৰাঙ্গনা সকলৰ বিষয়ে চমু জীৱনী এখন লিখিবলৈ শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাক ভাৰ দিয়া হয়। এইখন পুথি অনুমোদন কৰিবলৈ শ্ৰীবেণুধৰ শৰ্ম্মা, শ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীনকুলচন্দ্ৰ ভূঞাক অনুৰোধ জনোৱা হয়। পিছৰ দুখন পুথিত খৰছ ধৰা হয় ৪,৫০০৲ টকা।

(৪) তদুপৰি কংগ্ৰেছ অধিবেশনৰ লগতে অসমৰ ন-পুৰণি ছপা আৰু সাঁচিপতীয়া পুথিৰ পুথি-প্ৰদৰ্শনী পাতিব-লৈকো সিদ্ধান্ত কৰা হয় আৰু খৰছ ধৰা হয় ৪,৫০০৲ টকা।

(খ) পুথি প্ৰকাশৰ বিষয়ত এইৰূপে আঁচনি গৃহীত হয় (১) শিশু সাহিত্য—১০০০৲ টকা (২) বিজ্ঞানৰ পুথি—২৫০০৲ টকা (৩) লোক-সাহিত্য সংগ্ৰহ আৰু প্ৰকাশ ২০০০৲ টকা (৪) পুৰণি অসমৰ চিত্ৰকলা বিষয়ক ৰঙীন চিত্ৰৰ পুথি প্ৰকাশ—১০,০০০৲ টকা (৫) জনজাতীয় ভাষাৰ পুথি প্ৰণয়ন আৰু প্ৰকাশ—৩০০০৲ টকা (৬) সাহিত্য-সমালোচনামূলক পুথি প্ৰকাশ—১২০০৲ টকা (৭) অসমৰ নৃত্য-কলা বিষয়ক ( শ্ৰীহস্ত-মুক্তাৱলী ) পুথি প্ৰকাশ ১৫০০৲ টকা।

(গ) উত্তৰ-পূব সীমান্ত অঞ্চলৰ লগত সমন্বয় সাধনৰ অৰ্থে তলত দিয়াৰ দৰে আঁচনি গৃহীত হয় (১) উত্তৰ-পূব সীমান্ত অঞ্চলৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰক বুজাবলৈ দিল্লীলৈ এটা সজাঁতী দল প্ৰেৰণ—১০০০৲ টকা (২) সীমান্ত অঞ্চললৈ শুভেচ্ছা দল প্ৰেৰণ ১০০০৲ টকা, (৩) সীমান্ত অঞ্চল বিষয়ক পুস্তিকা প্ৰকাশ ১০০০৲ টকা (৪) ভৈয়ামৰ ডেকাক সেই অঞ্চলৰ জনজাতীয় ভাষাত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা ( শিক্ষা শিবিৰ স্থাপন )—৩০০০৲ টকা (৫) সীমান্তবাসী জনজাতীয় ভাষাৰ পুথি প্ৰকাশ—২৫০০৲ টকা (৬) সীমান্তবাসী জনজাতীয় লোক-সাহিত্য সংগ্ৰহ আৰু প্ৰকাশ ৩৫০০৲ টকা (৭) অসম সাহিত্য সভাৰ ঘাই কাৰ্য্যালয়ত জনজাতীয় লোকৰ সাংস্কৃতিক সম্পদৰ সংগ্ৰহ আৰু সংৰক্ষণ ১৫,০০০৲ টকা। (৮) লক্ষীমপুৰৰ চাৰতি জনকল্যাণ কেন্দ্ৰলৈ সাহায্য—১০০০৲ টকা।

(ঘ) কাছাৰ-গোৱালপাৰা অঞ্চলত অসমীয়া ভাষা-সাহিত্য প্ৰসাৰণৰ অৰ্থে তলত দিয়াৰ দৰে আঁচনি গৃহীত হয়—(১) কাছাৰ জিলাত শিক্ষাদানৰ অৰ্থে এবছৰৰ বাবে ৪ জন অসমীয়া শিক্ষক প্ৰেৰণ—৪৮০০৲ টকা (২) কাছাৰ জিলাত সাহিত্য সভাৰ উদ্যোগত স্থাপিত হোৱা ৬টা পুথি ভঁৰাললৈ অনুদান—৩০০০৲ টকা (৩) শিলচৰ আৰু হাইলাকান্দি সাহিত্য সভালৈ সাহায্য—৮০০৲ টকা (৪) কাছাৰ জিলালৈ সাংস্কৃতিক দল প্ৰেৰণ—২০০০৲ টকা, (৫) কৰিমগঞ্জ, গড়েৰভিতৰ, বদৰপুৰ আৰু জাপিৰবন্দ শাখা সাহিত্য সভালৈ সাহায্য—৮০০৲ টকা (৬) কাছাৰ জিলাৰ খিলঞ্জীয়া লোকৰ বুৰঞ্জী প্ৰকাশ—১০০০৲ টকা (৭) শিলচৰ শঙ্কৰ নাট্য মন্দিৰলৈ সাহায্য—২৫০৲ টকা (৮) গোৱালপাৰা জিলালৈ সাংস্কৃতিক দল প্ৰেৰণ—২০০০৲ টকা (৯) গোৱালপাৰা জিলাৰ ৬টা পুথি ভঁৰাললৈ পুথি দান—৩০০০৲ টকা (১০) গোৱালপাৰা জিলাত লোক-সাহিত্য সংগ্ৰহ আৰু প্ৰকাশ—২০০০৲ টকা (১১) কাছাৰ আৰু গোৱালপাৰা জিলাৰ ছাত্ৰৰ মাজত বিনামূলীয়াকৈ পাঠ্য পুথি বিতৰণ—৫০০০৲ টকা।

এই বছৰৰ বাবে সৰ্ব্বমুঠ ৯১,৮৫০৲ টকাৰ এখন আঁচনি দাঙি ধৰা হয় আৰু বিতং আলোচনা পূৰ্ব্বক সভাই আঁচনি গ্ৰহণ কৰি সেই আঁচনি সম্পাদনৰ বাবে পোনতে চৰকাৰী অনুদান বিচাৰি সঁজাতী দল পঠাবলৈ থিৰ কৰে।

৪। ইয়াৰ আগতে উত্তৰ-পূব সীমান্ত অঞ্চলৰ বিষয়ে প্ৰকাশ কৰা স্মাৰক পত্ৰখন অসমীয়ালৈ অনুবাদ কৰি ছপাবলৈ থিৰ কৰা হয় আৰু উত্তৰ-পূব সীমান্ত অঞ্চলৰ লগত সততে যোগাযোগ ৰাখিবলৈ আৰু সম্পৰ্ক দৃঢ়ীভূত কৰিবলৈ মাৰ্ঘেৰিটা, উত্তৰ লক্ষীমপুৰ আদিত সাহিত্য সভাৰ শক্তিশালী শাখা সংগঠন কৰিবলৈ সিদ্ধান্ত কৰা হয়।

৫। মোককচাং হাইস্কুলৰ সহকাৰী শিক্ষক শ্ৰীমহেন্দ্ৰ সভাপণ্ডিতে ৰচনা কৰা "নীলাচল পাঠ" নামৰ আওনগা-অসমীয়া ইংৰাজীৰ প্ৰাইমাৰ খন প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰে আৰু সেই উদ্দেশ্যে অনধিক এহেজাৰ টকা মঞ্জুৰ কৰি অনতিপলমে এহেজাৰ কপি ছপাবলৈ দিহা কৰে।

৬। তিনিচুকীয়াত বহিব লগা আগন্তক সাহিত্য সভাৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিয়ে সাহিত্য সভাৰ অধিবেশন পিছুৱাই দিবলৈ কৰা আবেদন বিবেচনা কৰি অহা ইষ্টাৰ বন্ধত পাতিবলৈ দিন নিৰ্দ্ধাৰিত কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।

৭। চৰকাৰৰ ওচৰত আঁচনি দাঙি ধৰিবলৈ আগৰ চৰকাৰী অনুদান সম্পৰ্কত পূৰ্ব্বৰ সঁজাতী দলৰ লগত শ্ৰীদেবেশ্বৰ শৰ্ম্মা ( Ex. G. P. ) আৰু শ্ৰীনকুলচন্দ্ৰ ভূঞাক যোগ দিয়া হয় আৰু অলপতে অসমৰ বিত্তমন্ত্ৰী যোৰহাটলৈ আহিব বুলি গম পাই যোৰহাটতে বৰ্ত্তমান সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সভ্যসকলৰ লগতে শ্ৰীশৰ্ম্মা আৰু শ্ৰীভূঞাই লগ ধৰিবলৈ সিদ্ধান্ত কৰা হয়।

৮। সভাৰ শাখা সভা আদি নতুনকৈ স্থাপন কৰি পুৰণা শাখা সভাবিলাকক সক্ৰিয় কৰি তুলিবলৈ তলত দিয়া ৰূপে সংগঠনৰ ভাৰ দিয়া হয়। কামৰূপ-গোৱালপাৰা —সভাপতি শ্ৰীবেণুধৰ শৰ্ম্মা আৰু অধ্যাপক প্ৰমোদ

ভট্টাচাৰ্য্য, দৰং-লক্ষীমপুৰ—অধ্যক্ষ বিশ্বনাৰায়ণ শাস্ত্ৰী আৰু অধ্যাপক ভবানন্দ ৰাজখোৱা, কাছাৰ—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী আৰু শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা আৰু মাৰ্ঘেৰিটা-উত্তৰ লক্ষীমপুৰ—প্ৰধান সম্পাদক শ্ৰীপৰাগধৰ চলিহা।

৯। কাৰ্য্যনিৰ্ব্বাহক সভাৰ আগন্তুক অধিবেশন শিলচৰত পাতিবলৈ সিদ্ধান্ত কৰা হয়।

১০। সভাৰ নতুন সভ্য ভৰ্ত্তিৰ দিন ৩০।১২।৫৭ তাৰিখলৈ পিছুৱাই দিয়া হয়।

১১। অন্যান্য বিষয়ত কেইবাজনো লোকৰ পৰা বিভিন্ন বিষয়ে পোৱা চিঠি পাঠ কৰা হয়। (ক) শ্ৰীমহেন্দ্ৰ মালাকৰৰ চিঠি বিবেচনা কৰি সম্প্ৰতি পুঁজিৰ অভাৱত তেখেতে বিচৰা মতে "শৰাইঘাটৰ মুক্তি" নাটক খন প্ৰকাশ কৰিব নোৱাৰি দুখ প্ৰকাশ কৰা হয়। (খ) শোৱালকুছিৰ মহাপুৰুষীয়া ধৰ্ম্মালোচনী সভাৰ চিঠি পঢ়া হয় আৰু চিঠিত উল্লেখ কৰা মতে কোনো এখন পুথিৰ প্ৰচলন বন্ধ কৰা বিষয়টো সাহিত্য সভাৰ দায়িত্বৰ ভিতৰত নপৰে বুলি মত প্ৰকাশ কৰে। (গ) কৰুণাময়ৰ শ্ৰীহৰিপদ দেৱ-গোস্বামীৰ চিঠি পঢ়া হয় আৰু দাক্ষিণাত্য ভ্ৰমণ প্ৰসঙ্গত অসমীয়া সাহিত্য বিষয়ক কিছুমান কথা সংগ্ৰহ কৰাৰ বাবে ধন্যবাদ জনায়। (ঘ) অসম সাহিত্য সভাৰ লগত ঘনিষ্ঠ-ভাবে জড়িত অধ্যক্ষ হেম বৰুৱাই উত্তৰ-পূৰ সীমান্ত অঞ্চলত অসমীয়া ভাষাৰ ন্যায্য স্থান স্বীকৃতিৰ বিষয়ত সততে প্ৰচেষ্টা চলাই সভাৰ কাৰ্য্য আৰু উদ্দেশ্য সাধনত যথেষ্ট বৰঙণি যোগাই থকা বাবে শলাগ জনোৱা হয় আৰু অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ বিষয়ে আগলৈকে এই প্ৰচেষ্টা চলাই থাকিব বুলি আশা পোষণ কৰে। অসমৰ পৰা সংসদত প্ৰতিনিধিত্ব কৰা সদস্য সকলেও অসমৰ ভাষা-সাহিত্য তথা অসমত সমূহীয়া স্বাৰ্থজড়িত ব্যৱস্থা সাধনত অধিক তৎপৰতা দেখুৱাবলৈ আবেদন জনায়। (ঙ) উপ-সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱে দিয়া চিঠি পাঠ কৰি তেখেতে উল্লেখ কৰা মতে সভাৰ পৰা দিবলগীয়া ৭০০৲ টকাৰ বিষয়ে বিতং বিৱৰণ আনি পৰিশোধ কৰা আৰু পত্ৰিকাৰ বিষয়ত ৪০০৲ টকা দিয়া আৰু সভাপতি শ্ৰীশৰ্ম্মাৰ অভিভাষণৰ উপকৰ্ত্তাকৈ ছপা কৰা এহেজাৰ কপিৰ ছপা খৰচ ১৪২৲ টকা আদায় দিবলৈ সম্পাদকক পৰামৰ্শ দিয়ে। (চ) ডাঃ প্ৰফুল্লদত্ত গোস্বামীৰ চিঠি পাঠ কৰি তেখেতে সম্পাদনা কৰা গাৰ্ণিৰ "কামিনীকান্তৰ চৰিত্ৰ" নামৰ উপন্যাসখন প্ৰকাশ সমিতিৰ অনুমোদনমতে ছপোৱাৰ ব্যৱস্থা কৰিবলৈ থিৰ কৰা হয়। (ছ) ঘাই কাৰ্য্যালয়ৰ চকীদাৰ শ্ৰীপ্ৰমোদ হাজৰিকাৰ আবেদন পাঠ কৰি ১।৮।৫৭ তাৰিখৰ পৰা তেওঁৰ দৰমহা ৫৲ টকা বঢ়াই মাহিলী ৫০৲ টকা কৰিবলৈ থিৰ কৰা হয়। (জ) প্ৰধান সম্পাদকৰ কাৰ্য্যালয়ত কৰ্ম্মসচিবৰূপে থকা শ্ৰীমহেন্দ্ৰকুমাৰ গোস্বামীৰ সাময়িক নিযুক্তিৰ পৰা অব্যাহতি অনুমোদন কৰি ১।৮।৫৭ তাৰিখৰ পৰা শ্ৰীলীলা গগৈক মাহিলী ৪০৲ টকা পাৰিতোষিকত কৰ্ম্মসচিব নিযুক্তি অনুমোদন কৰে।

## কাৰ্য্যনিৰ্ব্বাহক সমিতি, চতুৰ্থ অধিবেশন.

১৬।১১।৫৭

**স্থান :—বি, বৰুৱা কলেজ, গুৱাহাটী।**

১৬।১১।৫৭ তাৰিখৰ দিনা গুৱাহাটীৰ বি, বৰুৱা কলেজত অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ( এই বছৰৰ ) চতুৰ্থ অধিবেশন বহে। সভাত সভাপতিত্ব কৰে সভাপতি শ্ৰীবেণুধৰ শৰ্ম্মাদেৱে।

সভাত উপস্থিত সদস্যসকল :—শ্ৰীবেণুধৰ শৰ্ম্মা ( সভাপতি ), শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ( উপ-সভাপতি ), শ্ৰীসত্যেন্দ্ৰনাথ শৰ্ম্মা ( পত্ৰিকা সম্পাদক ), শ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীবিশ্বনাথ ৰাজবংশী, শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী, শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীপ্ৰেমধৰ ৰাজখোৱা, শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, শ্ৰীমান প্ৰফুল্ল গোস্বামী, শ্ৰীপ্ৰমোদ ভট্টাচাৰ্য্য, শ্ৰীফণী তালুকদাৰ, শ্ৰীবুদ্ধীন্দ্ৰ কুমাৰ ৰাজখনিকৰ, শ্ৰীসদা মৰল, শ্ৰীপৰাগ চলিহা ( প্ৰধান সম্পাদক ) আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামী ( সহঃ সম্পাদক )।

১। প্ৰধান সম্পাদকে যোৱা অধিবেশনৰ কাৰ্য্য-বিৱৰণী পাঠ কৰে আৰু ই সৰ্ব্বসম্মতিক্ৰমে গৃহীত হয়। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আগৰ সিদ্ধান্ত অনুসৰি এই অধিবেশন শিলচৰত পাতিবপৰা কিয় নহল তাৰ কাৰণ ব্যাখ্যা কৰে। সভাত আগতে গৃহীত হোৱা সিদ্ধান্ত সমূহৰ ওপৰত এতিয়ালৈকে হোৱা আৰু কৰিবলগীয়া কাৰ্য্যাৱলীৰ এটি বিতং বিৱৰণী দাঙি ধৰি প্ৰধান সম্পাদকে কয় যে সভাৰ বিতং আঁচনি



চৰকাৰৰ আগত দাঙি ধৰা হৈছে আৰু এই সম্পৰ্কত শিক্ষা বিভাগৰ সচিবৰ লগত তেখেতৰ বিশদ আলোচনা হৈছে।

২। কংগ্ৰেছ অধিবেশনৰ সময়ত পাতিব খোজা প্ৰদৰ্শনী সম্পৰ্কত অভ্যৰ্থনা সমিতিৰ সভাপতিৰ লগত হোৱা চিঠি-পত্ৰৰ আদান-প্ৰদানৰ কথা উল্লেখ কৰি কয় যে অভ্যৰ্থনা সমিতিয়ে সাহিত্য সভাৰ এনে তৎপৰতাত সন্তোষ প্ৰকাশ কৰি সম্পাদকৰ আবেদন অনুযায়ী প্ৰস্তাৱিত কামৰ বাবে পাঁচহেজাৰ টকা দান আগবঢ়াই বাকী আৱশ্যকীয় টকা চৰকাৰৰ পক্ষৰপৰা সাহিত্য সভাক দিবৰ বাবে অভ্যৰ্থনা সমিতিৰ তৰফৰপৰাও অনুৰোধ জনাইছে। এই সম্পৰ্কত অভ্যৰ্থনা সমিতিৰ সভাপতিয়ে অসমৰ মুখ্য-মন্ত্ৰীলৈ দিয়া আশাপ্ৰদ চিঠিৰ নকল পাঠ কৰে। তদুপৰি অভ্যৰ্থনা সমিতিয়ে অসম সাহিত্য সভাৰ পুথি প্ৰদৰ্শনী অনুষ্ঠানৰ বাবে প্ৰদৰ্শনীৰ এটা কোঠা বিনামূলীয়াকৈ আগবঢ়োৱাৰ কথাও জনায়। কাঃ নিঃ সভাই সম্পাদকৰ এই সম্পৰ্কীয় সকলো চিঠি-পত্ৰ অনুমোদন জনাই কংগ্ৰেছ অভ্যৰ্থনা সমিতিৰ সহানুভূতি, সহায় আৰু উৎসাহৰ বাবে বিশেষ সন্তোষ প্ৰকাশ কৰি অভ্যৰ্থনা সমিতিৰ এই দান সাদৰেৰে গ্ৰহণ কৰে আৰু অসম সাহিত্য সভাৰ হৈ কংগ্ৰেছ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ যোগেদি সদৌ সদস্যবৃন্দলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

৩। অসমৰ বিভিন্ন অঞ্চলত সাহিত্য সভাৰ সংগঠন কাৰ্য্য আশানুৰূপ ভাৱে হোৱাত সম্পাদকে সন্তোষ প্ৰকাশ কৰে আৰু বিশেষকৈ কামৰূপ আৰু গোৱালপাৰা অঞ্চলত শ্ৰীপ্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যই সাহিত্য সভাৰ হৈ বিভিন্ন অঞ্চলৰ শাখা সভাৰ অৱস্থা বুজাৰ উপৰিও কেইবা ঠাইতো নতুন শাখা সভা স্থাপন কৰি তৎপৰতাৰে সংগঠন কাৰ্য্য সম্পাদন কৰাৰ বাবে শলাগ জনায়। সভাপতি শ্ৰীশৰ্ম্মা ডাঙৰীয়াৰো ভালেমান ঠাইলৈ গৈ সাহিত্য সভাৰ শ্ৰীবৃদ্ধি আৰু সংগঠনত সহায় কৰাৰ কথা উল্লেখ কৰে। মাৰ্ঘেৰিটা শাখাৰ সম্পাদকে প্ৰধান সম্পাদকক সংগঠনৰ বাবে তালৈ যোৱা বিষয়ে কিছুদিনৰ পিছত জনাব বুলি বাতৰি দিয়াৰ কথাও উল্লেখ কৰে। কাঃ নিঃ সমিতিৰ সদস্য শ্ৰীবুদ্ধীন্দ্ৰ কুমাৰ ৰাজখনিকৰেও নতুন শাখা সভা স্থাপনত সহায়তা কৰাৰ কথাও উল্লেখ কৰা হয়।

৪। আগন্তুক তিনিচুকীয়া অধিবেশনৰ প্ৰস্তুতি সম্পৰ্কত বাতৰি কাকতত প্ৰকাশ পোৱা কথালৈ উনুকিয়ায়। মূল কাৰ্য্যালয়ৰপৰা তিনিচুকীয়াৰ অভ্যৰ্থনা সমিতিলৈ প্ৰস্তুতি বিষয়ক বিতং বাতৰি বিচাৰি দিয়া চিঠি-পত্ৰৰ কথাও উল্লেখ কৰে।

৫। জাতীয় কংগ্ৰেছৰ আগন্তুক অধিবেশনৰ সময়ত অসম সাহিত্য সভাই পাতিব খোজা পুথি প্ৰদৰ্শনীৰ কথা আলোচনা কৰা হয় আৰু অসমৰ বিভিন্ন সাংস্কৃতিক কেন্দ্ৰ সমূহত অনুসন্ধান কৰি বাছকবনীয়া পুথি সংগ্ৰহ কৰিবলৈ সিদ্ধান্ত কৰা হয় আৰু এই প্ৰসঙ্গত ইতিমধ্যে বিভিন্ন লোকৰপৰা পোৱা চিঠি-পত্ৰৰ কথা সম্পাদকে উল্লেখ কৰে।

পুথি-সংগ্ৰহ সংক্ৰান্তত অসমৰ বিভিন্ন ঠাইত যেনে :—মাজুলী আৰু উত্তৰ লক্ষীমপুৰত শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী; যোৰহাটত শ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী আৰু শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা; কাছাৰত শ্ৰীবিশ্বনাথ ৰাজবংশী; কামৰূপত শ্ৰীপ্ৰমোদ ভট্টাচাৰ্য্য; শিৱসাগৰত শ্ৰীপৰাগ চলিহা, শ্ৰীলীলা গগৈ আৰু শ্ৰীবুদ্ধীন্দ্ৰকুমাৰ ৰাজখনিকৰ আৰু ডিব্ৰুগড় অঞ্চলত শ্ৰীপ্ৰেমধৰ ৰাজখোৱাই উপযাচি পুথি-সমীক্ষণৰ কাম কৰিবলৈ গাত লোৱাত সভাই শলাগণি জনায়। তদুপৰি কামৰূপত শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস, শ্ৰীদণ্ডীৰাম দত্ত, শিলঙত শ্ৰীবীৰেন তালুকদাৰ আৰু শ্ৰীদেবীচৰণ দাস; তেজপুৰত শ্ৰীগজেন বৰুৱাক এই সমীক্ষণৰ কাৰ্য্যত সহায়তা কৰিবলৈ সভাই অনুৰোধ জনায়।

৫। ( ক ) পুথি প্ৰদৰ্শনীৰ সকলো কাম নিয়াৰিকৈ সম্পাদন কৰিবলৈ তলত নাম দিয়া পাঁচজন লোকেৰে এখন উপ-সমিতি গঠন কৰি দিয়া হয় আৰু অধ্যক্ষ তীৰ্থনাথ শৰ্ম্মা দেৱ উক্ত সমিতিৰ সম্পাদক সৰ্বসম্মতিক্ৰমে নিৰ্ব্বাচিত হয়।

উপসমিতিৰ সদস্য সকল :

( ১ ) অধ্যক্ষ তীৰ্থনাথ শৰ্ম্মা ( ২ ) অধ্যাপক অতুল হাজৰিকা ( ৩ ) অধ্যাপক প্ৰমোদ ভট্টাচাৰ্য্য, শ্ৰীবেণুধৰ শৰ্ম্মা আৰু অধ্যাপক পৰাগ চলিহা।

৬। জাতীয় কংগ্ৰেছৰ অধিবেশন উপলক্ষে প্ৰকাশ কৰিব খোজা পুস্তিকা তিনিখনৰ বিষয়েও আলোচনা কৰা হয় আৰু ভাৰপ্ৰাপ্ত লিখক শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী, শ্ৰীপ্ৰমোদ

ভট্টাচাৰ্য্য আৰু শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই তেখেত সকলৰ বৰীয়া পুথি লিখাত অগ্ৰগতি হোৱাৰ কথা সভাত জনায়। উত্তৰ-পূৰ সীমান্ত অঞ্চলৰ বিষয়ে লিখিবলৈ দিয়া পুথিখন বিভিন্ন বিজ্ঞলোকৰ প্ৰবন্ধ-পাতি সংগ্ৰহ কৰি সম্পাদনা কৰিবলৈ শ্ৰীপৰাগ চলিহাই দাঙি ধৰা আৰ্চনিৰ প্ৰতি সভাই অনুমোদন জনায়। সময় নিচেই চমু চাপি অহাৰ বাবে পুথি কেইখন কলিকতাত ছপালেহে সময়ত কাম হৈ উঠাৰ আশা আছে বুলি বিবেচনা কৰি এই সম্পৰ্কত সকলো আগতীয়া দিহা-পোহা কৰিবলৈ সভাই প্ৰধান সম্পাদকক ভাৰ দিয়ে আৰু ছপা কামৰ বাবে আগতীয়াকৈ কলিকতালৈ যাতায়াতৰ বাবদ সভাই মুঠ ৩০০৲ (তিনি শ) টকালৈকে মঞ্জুৰ কৰে।

৭। অতুলচন্দ্ৰ হাজৰিকা (উপ-সভাপতি) ক গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্টলৈ অসম সাহিত্য সভাৰ প্ৰতিনিধি হিচাপে সদস্য নিৰ্ব্বাচিত কৰা হয়।

৮। নিখিল ভাৰত লিখক সঙ্ঘৰ সম্পাদকৰ চিঠি পাঠ কৰা হয় আৰু যথাবিহিত ব্যৱস্থা কৰিবলৈ সমিতিয়ে প্ৰধান সম্পাদকক ভাৰ দিয়ে।

৯। এই বছৰৰ তিনিখন বা ততোধিক কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ অধিৱেশনত একেলেঠাৰিয়ে কোনো কাৰণ লিখিতভাবে নেদেখুৱাকৈ অনুপস্থিত থকা সদস্য সকলক নিয়মাৱলীৰ পঞ্চম ছেদৰ ২১ ধাৰা মতে যথাবিহিত ব্যৱস্থা লবলৈ সম্পাদকক নিৰ্দ্দেশ দিয়ে।

১০। 'ভাষণাৱলী'ৰ ২য় খণ্ড প্ৰকাশ হোৱাৰ কথা সভাত জনোৱা হয় আৰু প্ৰথম দ্বিতীয় দুয়োখণ্ড আশানুৰূপ ভাবে বিক্ৰী নোহোৱাত আৰু কীট-পতঙ্গৰ মুখত পৰি নষ্ট পাবলৈ ওলোৱাত সভাই শঙ্কা প্ৰকাশ কৰি অচিৰে বিক্ৰী ব্যৱস্থা কৰাৰ আৱশ্যকতা বোধ কৰে আৰু ১ম আৰু ২য় দুয়োখণ্ড একেলগে কিনিলে ১০৲ টকাত দিবলৈ আৰু দ্বিতীয় খণ্ডৰ দাম ৮৲ আঠ টকা ধাৰ্য্য কৰি সভাৰ নিয়মীয়া সভ্যক ৬৲ টকাত দিবলৈ থিৰ কৰে।

১১। অসম সাহিত্য সভাৰ নিয়মাৱলীৰ স্বৰ্ত্তপূৰণ সাপেক্ষে ডুমডুমা সাহিত্য সভা, প্ৰগতি অসম সাহিত্য সভা, মৰাণ শাখা সাহিত্য সভা, পেঙেৰী শাখা সাহিত্য সভা, বগুৱান শাখা সাহিত্য সভা, খৈৰাবাৰী সাহিত্য সভা, সৰভোগ সাহিত্য সভা, মাজিগাওঁ সাহিত্য সভা, জ্ঞানোদয় সমাজ সাহিত্য সভা, ধৰ্ম্মপুৰ সাহিত্য সভা, বৰমা সাহিত্য সভা, টিহু সাহিত্য সভা, দিখৌমুখ সাহিত্য সভা, সৰ্থেবাৰী সাহিত্য সভা ( স্বীকৃত ), পশ্চিম ৰবিগোগ সাহিত্য সভা, বৰশিলা সাহিত্য সভা, চৈতাৰী সাহিত্য সভা, টংলা সাহিত্য সভা আৰু ফুলবাৰী সাহিত্য সভাৰ অন্তৰ্ভুক্তি অনুমোদন কৰে।

১২। শ্ৰীবিশ্বনাথ ৰাজবংশীয়ে কাছাৰৰ বিষয়ে এটি প্ৰতিবেদন দাঙি ধৰি ইতিমধ্যে কাছাৰত কেইবাখনো অসমীয়া স্কুল স্থাপন হোৱাৰ কথা কৈ এইবোৰ পৰিচালনত কিথিনি অসুবিধা হৈছে তাক উল্লেখ কৰে। এই সম্পৰ্কত সভাৰ আঁচনি চৰকাৰৰ ওচৰত দাঙি ধৰাৰ কথা প্ৰধান সম্পাদকে জনায়।

১৩। নিখিল ভাৰত পুথিভঁৰাল আয়োগৰ চিঠি পাঠ কৰি আয়োগৰ আগন্তুক ভ্ৰমণত সভাৰ প্ৰতিনিধিত্ব কৰিবলৈ সভাপতিৰ অনুপস্থিতিৰ হেতুকে উপ-সভাপতিক ক্ষমতা দিয়া হয়।

১৪। অসমৰ লগত চিৰকাল বন্ধুত্বসূচক সম্পৰ্ক জড়িত নগাপৰ্ব্বত জিলা আঁতৰি যাবলৈ উপক্ৰম হোৱাত সভাই উদ্বিগ্নতা প্ৰকাশ কৰি তলৰ প্ৰস্তাৱ দুটা সৰ্ব্ব-সম্মতিক্ৰমে গৃহীত কৰে।

১ম প্ৰস্তাৱ—"শ শ বছৰ জুৰি অসমৰ ভিতৰতে একেলগে আপোনভাৱে থকা নগাপৰ্ব্বত জিলা অসমৰ বুকুৰপৰা বিচ্ছিন্ন হবলৈ উপক্ৰম হোৱাত অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ আজিৰ অধিৱেশনে গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু আশা কৰে যে ৰাজনৈতিক ভাবে নগাপৰ্ব্বত অসমৰপৰা আঁতৰি গলেও, এনে কৃত্ৰিম বিভাজনে অসমীয়া ৰাইজৰ সৈতে নগা ভাই-ভনী সকলৰ যাউতিযুগীয়া সাংস্কৃতিক সম্বন্ধৰ কোনো ব্যাঘাত নজন্মাব আৰু অসমৰ স্বাভাৱিক ঐক্য অটুট ৰাখিব।

২য় প্ৰস্তাৱ—অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ আজিৰ এই অধিৱেশনে ওচৰে কাষৰে চিৰকাল অতি আপোন হৈ থকা পৰ্ব্বতীয়া ভাই-বন্ধু সকলৰ প্ৰতি স্বাভাৱিক মিলাপ্ৰীতিৰ ভাৱ দিনকদিনে বঢ়াবৰ অৰ্থে সকলো বিধৰ সামাজিক আৰু সাংস্কৃতিক যত্ন লবলৈ সৰ্ব্বো অসমীয়া ৰাইজক সহৃদয় অনুৰোধ জনায়।

# পৰিশিষ্ট

## পুথি প্ৰকাশ সমিতিৰ অধিৱেশন

১৬।১১।৫৭ তাৰিখে শ্ৰীবেণুধৰ শৰ্ম্মাৰ সভাপতিত্বত অসম সাহিত্য সভাৰ পুথি প্ৰকাশ সমিতিৰো এক অধিৱেশন বহে। সভাত শ্ৰীবেণুধৰ শৰ্ম্মা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত আৰু শ্ৰীপৰাগ চলিহা উপস্থিত আছিল।

প্ৰধান সম্পাদকে পুথি প্ৰকাশৰ আৱশ্যকতাৰ বিষয়ে এটি বিবৰণী দিয়াৰ পিছত সভাৰ বৰ্ত্তমান পুঁজিৰ প্ৰতি লক্ষ্য ৰাখি আশানুৰূপ ধন সংগ্ৰহ হলে সম্ভহতে তলত দিয়া মতে পুথি কেইখন প্ৰকাশ কৰিবলৈ দিহা কৰে।

১। "নীলাচল পাঠ" (নগা প্ৰাইমাৰ, সচিত্ৰ) ৰচোঁতা শ্ৰীমহেন্দ্ৰ সভাপণ্ডিত, মোককচাং। এই পুথিৰ ২২০০ কপি ইতিমধ্যে কলিকতাৰ নৱজীৱন প্ৰেছত প্ৰকাশন সমিতিৰ অনুমোদন সাপেক্ষে ছপাবলৈ দিয়া হ'ল বুলি প্ৰধান সম্পাদকে জনায় আৰু সমিতিয়ে এই ব্যৱস্থাৰ প্ৰতি অনুমোদন জনায়।

২। ডঃ গাৰ্ণিৰ "কামিনীকান্তৰ চৰিত্ৰ"।—মিচনেৰী যুগৰ গদ্যৰ আভাস আৰু অসমীয়া পুৰণি আৰু প্ৰথম উপন্যাস স্বৰূপে এই পুথি বহল ভূমিকাৰে সম্পাদনা কৰিছে ডঃ প্ৰফুল্লদত্ত গোস্বামী দেৱে। এই প্ৰসঙ্গত ডঃ গোস্বামীৰ টোকা এটি সভাত পাঠ কৰা হয় আৰু সোনকালে পুথি প্ৰকাশৰ দিহা কৰিবলৈ সম্পাদকক ভাৰ দিয়ে।

৩। শ্ৰীগণেশ চন্দ্ৰ মজুমদাৰৰ "আৰৱ-অসমীয়া শিক্ষা" পুথি প্ৰসঙ্গত পুথিৰ অনুমোদক স্বৰূপে ডঃ মহেশ্বৰ নেওগৰ মন্তব্য শুনা হয় আৰু পুথিখনৰ ব্যৱহাৰিক মূল্যৰ বিষয়ে পৰীক্ষা কৰিবলৈ শ্ৰীগঙ্গাধৰ ৰায়বৰুৱা দেৱক অনুৰোধ জনায়।

### অসম সাহিত্য সভা

### কাৰ্য্যকৰী সমিতি বিশেষ জৰুৰী অধিৱেশন

### স্থানঃ কুমাৰ ভাস্কৰ নাট্যমন্দিৰ, গুৱাহাটী।

৩০।১২।৫৭

৩০।১২।৫৭ তাৰিখে গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্যমন্দিৰত অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ এক বিশেষ জৰুৰী অধিৱেশন বহে। সভাত সভাপতিত্ব কৰে সহকাৰী সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা দেৱে। সভাত উপস্থিত সদস্যসকল :—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীপৰাগ চলিহা, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰী, শ্ৰীসদা মৰল আৰু শ্ৰীফণী তালুকদাৰ।

সভাত বিতংভাৱে আলোচনা কৰি তলত দিয়া সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয়।

১। তিনিচুকীয়া আদৰণি সমিতিৰ সম্পাদকৰ চিঠি পাঠ কৰা হয় ; আৰু আগন্তুক ষষ্ঠবিংশ অধিৱেশন তাত পতা খাতাং বুলি জনোৱাত সন্তোষ প্ৰকাশ কৰা হয়। কিন্তু ইষ্টাৰৰ বন্ধত অধিৱেশন পাতিবলৈ ভালেমান অসুবিধা হব বুলি বিবেচনা কৰি কাৰ্য্য নিৰ্ব্বাহক সভাই অহা ১৯ এপ্ৰিলত বিষয় বাছনি সভা আৰু ২০, ২১ তাৰিখে মূল সভাৰ দিন ধাৰ্য্য কৰিবলৈ উক্ত আদৰণি সমিতিক পৰামৰ্শ আগ বঢ়ায়।

২। আগন্তুক অধিৱেশনৰ সভাপতি নিৰ্ব্বাচনৰ বাবে আদৰণি সভা আৰু শাখা সভাসমূহে ২১ জানুৱাৰী তাৰিখৰ ভিতৰত প্ৰধান সম্পাদক শ্ৰীপৰাগ চলিহাৰ শিৱসাগৰৰ ঠিকনাত প্ৰস্তাৱিত সভাপতিৰ নাম পাঁচোটাকৈ প্ৰাৰম্ভিক বাছনিৰ বাবে পঠাব লগা থিৰ হয়। প্ৰস্তাৱিত সভাপতিৰ নামবোৰ গোপনীয়তা ৰক্ষা কৰি কোনোপধ্যে কাকতে-পত্ৰে প্ৰকাশ নকৰিবলৈ আদৰণি সমিতি বা শাখা-সভা আৰু বাতৰি কাকতসমূহক অনুৰোধ জনায়।

৩। নিয়মাৱলীৰ ৪০নং দফা অনুসৰি সভাপতি নিৰ্ব্বাচনৰ কাম কৰিবলৈ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সদস্য শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী, শ্ৰীব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰী, শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা আৰু শ্ৰীপৰাগধৰ চলিহাক ভাৰ দিয়া হয়।

৪। শাখা সভা আৰু স্বীকৃত সভাৰ বছেৰেকীয়া বৰঙনি জমা দিয়াৰ দিন ১৫ জানুৱাৰী, ১৯৫৮ চনলৈকে বঢ়াই দিয়া হয়।

৫। নিয়মাৱলীৰ চৰ্ত্তপূৰণ সাপেক্ষে তলত দিয়া শাখা আৰু স্বীকৃত সভা সমূহক অন্তৰ্ভুক্তি কৰা স্বীকৃতিৰ অনুমোদন কৰা হল :—(১) শোণিতপুৰ সাহিত্য সভা, তেজপুৰ ; ধেমাজি সাহিত্য সভা, ধেমাজি ; হাফলং সাহিত্য সভা, হাফলং ; কৰঙা সাহিত্য সভা, কৰঙা ; স্বজনগ্ৰাম সাহিত্য সভা, স্বজনগ্ৰাম ; কঠালগুৰি সাহিত্য সভা, কঠালগুৰি ; চিদলী সাহিত্য সভা, চিদলী ; সাপেখাতী সাহিত্য সভা, সাপেখাতী আৰু শঙ্কৰদেৱ কলা-পৰিষদ, বৈটামাৰী ( স্বীকৃত )।

৬। শাখা সভাবোৰৰ বাৰ্ষিক বিৱৰণী, সভ্যসংখ্যা আদিৰ বিতং হিচাপ ২০ জানুৱাৰীৰ আগতে প্ৰধান সম্পাদকলৈ শিৱসাগৰৰ ঠিকনাত পঠাবলৈ অনুৰোধ জনোৱা হয়।

৭। কংগ্ৰেছ অধিবেশনৰ সময়ত পাতিব খোজা প্ৰদৰ্শনী সম্পৰ্কীয় পুথি প্ৰকাশ কৰিবলৈ লোৱা সম্পৰ্কে অনুমোদক সকলৰ ধন, সময়-সুবিধা আদি যাবতীয় আলোচনা কৰি তলত নাম দিয়া পুথিকেইখন সম্প্ৰতি প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰা হয়।

(১) The Outlook on N. E. F. A. (ইংৰাজী)

(২) This is Assam ( ইংৰাজী )

(৩) অসম গৌৰৱ ( অসমীয়া )

(ক) ইয়াৰ উপৰিও নেফা সম্পৰ্কীয় অসমীয়া পুথিখন "সীমান্তৰ সন্ধেদ" ( অসমৰ উত্তৰ-পূব সীমান্তৰ ভাষা-সংস্কৃতিৰ পৰ্য্যালোচনা ) পুঁজিসাপেক্ষে সোনকালে প্ৰকাশ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়।

(খ) অসম সম্পৰ্কীয় ইংৰাজী পুথি "This is Assam"ৰ ৰূপান্তৰ "অসমা নিৰুপমা" নামেৰে বছৰেকীয়া অধিবেশনৰ আগে আগে পুঁজি সাপেক্ষে প্ৰকাশ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হয়।

৮। কংগ্ৰেছ অধিবেশনত প্ৰদৰ্শনী পতা সম্পৰ্কে আলোচনা কৰা হয় আৰু চৰকাৰী অনুদান বিচৰামতে নোপোৱাত আৰু আশানুৰূপ সংগ্ৰহ নোহোৱাত প্ৰদৰ্শনী পতাৰ কথা বাদ দিয়া হয়। তাৰ পৰিৱৰ্ত্তে পুথিৰ চ'ৰা এখনি পাতিবলৈ সিদ্ধান্ত কৰা হয়। এই শিতানত ৫০০৲ টকালৈকে খৰছ কৰিবলৈ মঞ্জুৰ কৰা হয়।

যোৱা কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে পাতি দিয়া প্ৰদৰ্শনী উপসমিতিয়েই এই চ'ৰাৰ কাম কৰিব।

৯। ১৬ ডিচেম্বৰৰ পৰা ( ১৯৫৭ ) ৩১ জানুৱাৰী ( ১৯৫৮ ) লৈকে গুৱাহাটীত উক্ত টকাৰ বাবে এটা অস্থায়ী কাৰ্য্যালয় স্থাপন কৰিবলৈ থিৰ কৰি মাহে ২৫৲ টকাকৈ তাৰ ভাৰা মঞ্জুৰ কৰা হয়।

১০। ঘাই কাৰ্য্যালয়ৰ চকীদাৰ শ্ৰীপ্ৰমোদ হাজৰিকাৰ আবেদন পাঠ কৰি তেওঁৰ বিয়াৰ বাবে বিচৰা আগধন ২০০৲ দুশ টকা দিবলৈ মঞ্জুৰ কৰা হয় আৰু এই আগধন তেওঁৰ প্ৰতিমাহৰ দৰমহাৰপৰা ১০৲ টকাকৈ কাটিবলৈ সিদ্ধান্ত হয়।

১১। ঘাই কাৰ্য্যালয়ৰ বাবে Duplicator মেচিন এটা ৮৯৫৲ টকাত কিনাটো কাৰ্য্যনিৰ্ব্বাহক সভাই অনুমোদন জনাই উক্ত টকা মঞ্জুৰ কৰে।

১২। যোৰহাটৰ ঘাই কাৰ্য্যালয়ত টেলিফোন স্থাপনৰ বাবে ৩০০৲ মঞ্জুৰ কৰা হয়।

১৩। অসম চৰকাৰৰ প্ৰচাৰ বিভাগক চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ কোঠা মাহে ১০০৲ টকা ভাৰাত সমূহতে ২০।১১।৫৭ তাৰিখৰ পৰা এবছৰলৈ ভাৰা দিবলৈ থিৰ হয়। এই ভাৰাৰ ধন ৰাধাকান্ত সন্দিকৈ স্মৃতি-ভৱন পুঁজিত জমা হব।

১৪। অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাই অলপতে প্ৰশাসন-নীতি সম্পৰ্কীয় ঘোষণাত সাহিত্যিক শিল্পীসকলৰ সাহায্যৰে সুকীয়া পুঁজি স্থাপন কৰাৰ ইঙ্গিত দিয়া বাবে সভা সন্তোষ প্ৰকাশ কৰে।

---

# পুথি-সমালোচনা

(১) **জীৱনীমালা—**

লেখক—**শ্ৰীসতীশচন্দ্ৰ কাকতি,**

প্ৰকাশক—সাহিত্য প্ৰকাশ, ট্ৰিবিউন বিল্ডিং

মূল্য—১॥০

বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰা কুৰিজন কৃতী অসম-সন্তানৰ চমু জীৱনী এই ১২৭ পিঠীয়া গ্ৰন্থখনত সন্নিৱেশ কৰা হৈছে। কৰ্ম্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, কমলাকান্ত ভট্টাচাৰ্য্য, আনন্দচন্দ্ৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, দেশভক্ত তৰুণৰাম ফুকন, হিতেশ্বৰ বৰবৰুৱা, কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ, ভুবনৰাম দাস, মাণিকচন্দ্ৰ বৰুৱা, ৰাধাকান্ত সন্দিকৈ, শৰৎচন্দ্ৰ গোস্বামী, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, বাণীকান্ত কাকতি, কালীৰাম মেধি, মহম্মদ ছাদুল্লা আৰু জ্ঞানদাভিৰাম বৰুৱাৰ জীৱনীৰ চমু পৰিচয় ইয়াত দিয়া হৈছে। ৺পদ্মনাথ গোহাঞি বৰুৱাৰ "জীৱনী-সংগ্ৰহ" আজি-কালি দুষ্প্ৰাপ্য হৈ পৰিছে, আৰু আধুনিক পটভূমিৰ লগত থাপ খুৱাই তাৰ পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধনৰো প্ৰয়োজন হৈছে। শ্ৰীকাকতিৰ জীৱনীমালাই জীৱনী-সংগ্ৰহৰ ঠাই পূৰণ কৰি উঠি অহা ছাত্ৰ-ছাত্ৰীক আদৰ্শ আৰু কৰ্ম্ম-প্ৰেৰণা দান কৰি চৰিত্ৰ গঠনত সহায় কৰিবলৈ সমৰ্থ হব বুলি আশা কৰা যায়। মহৎ লোকৰ জীৱনী আৰু চৰিত্ৰ অধ্যয়নে কোমলমতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনত দেশ-প্ৰেম, সাহিত্য-প্ৰেম, কৰ্ম্মনিষ্ঠা আৰু নৈতিক বলৰ বীজ অঙ্কুৰিত কৰি আদৰ্শ নাগৰিক হবলৈ এই পুথিয়ে সহায় কৰিব।

পুথিখন যিহেতুকে ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে ৰচিত সেই কাৰণেই জীৱনীসমূহ সমালোচনাত্মক নকৰি সহজ-সৰল ভাৱে প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে। প্ৰত্যেক জনৰে চমু জীৱনীৰ লগে লগে চৰিত্ৰৰ কিছু আভাস আৰু প্ৰধান প্ৰধান ঘটনা-ৱলী আৰু অৱদানৰ চমু ইতিবৃত্তও দাঙি ধৰা হৈছে। প্ৰসঙ্গক্ৰমে সমসাময়িক সমাজ আৰু ৰাজনৈতিক অৱস্থাৰ প্ৰতিও দৃষ্টি আকৰ্ষণ কৰা হৈছে, কাৰণ যি পাৰিপাৰ্শ্বিক অৱস্থাত তেখেত সকলে কাম কৰিব লগা হৈছিল সেই পটভূমি নাজানিলে তেখেত সকলৰ মহত্বৰ সম্যক উপলব্ধি হোৱা টান। শ্ৰীকাকতিৰ জীৱনীমালাক স্বাগত জনোৱাৰ লগে লগে ইয়াৰ এটা দ্বিতীয় খণ্ড পাবলৈ আশা কৰিলো—য'ত ওজা-সাহিত্যিক হেমচন্দ্ৰ বৰুৱা, প্ৰত্নতত্ত্ববিদ হেমচন্দ্ৰ গোস্বামী, কৰ্ম্মবীৰ চন্দ্ৰনাথ শৰ্মা, পণ্ডিত আনন্দৰাম বৰুৱা, দেশহিতৈষী জগন্নাথ বৰুৱা আদিৰ জীৱনী পোৱাৰ সুবিধা হব।

(২) (ক) **ৰংপুৰে কথা কয়—**

লিখক—অধ্যক্ষ পদ্মধৰ চলিহা, শিৱসাগৰ,

মূল্য—॥০ ১৯৫৬,

(খ) **অসমীয়া সাহিত্য আৰু ৰংপুৰৰ বৰঙণি,**

লিখক—অধ্যক্ষ পদ্মধৰ চালিহা, ১৯৫৬

মূল্য—১॥০

(গ) **মহাবীৰ লাচিত বৰফুকন,**

লিখক—অধ্যক্ষ চলিহা, শিৱসাগৰ

মূল্য—৸০

প্ৰবীণ সাহিত্যিক পদ্মধৰ চলিহাৰ ওপৰুক্ত তিনিখন গ্ৰন্থ অসমীয়া সাহিত্যলৈ নতুন বৰঙণি।

প্ৰাচীন স্মৃতিমণ্ডিত ৰংপুৰৰ মঠ-মন্দিৰ আৰু স্থান বিশেষৰ ঐতিহাসিক গুৰুত্ব, ইতিবৃত্ত আৰু সাংস্কৃতিক মূল্য 'ৰংপুৰে কথা কয়' নামৰ অমিত্ৰাক্ষৰী কাব্য-নাটখনৰ যোগেদি লেখকে প্ৰকাশ কৰিছে। শিৱসাগৰ, শিৱদ'ল, জয়সাগৰ, জেৰেঙা-পথাৰ, ৰংঘৰ, তলাতল ঘৰ, গৌৰীসাগৰ ইত্যাদি প্ৰাচীন ঐতিহ্য বহনকাৰী স্মৃতিচিহ্ন বোৰক চৰিত্ৰৰূপে থিয় কৰাই আত্মভাষণৰ (dramatic monologue) সহায়ত সেইবোৰৰ বুৰঞ্জী প্ৰকাশ কৰিছে। ঐতিহাসিক তথ্য আৰু কবি-কল্পনাৰ সমন্বয়ত সৰু কাব্য-নাটিকাখানি সুখপাঠ্য হৈছে। দ্বিতীয় খনত অসমীয়া সাহিত্যৰ সৃষ্টি আৰু উন্নতিত ৰংপুৰীয়াসকলৰ অৱদানৰ লেখ দিবলৈ চেষ্টা কৰিছে। অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ অন্যতম কেন্দ্ৰস্থানৰূপে আহোম স্বৰ্গদেউ সকলৰ দিনৰ পৰাই শিৱসাগৰে ( ৰংপুৰে ) বিশিষ্ট বৰঙণি যোগাই আছে। স্বৰ্গদেউ ৰুদ্ৰসিংহ শিৱসিংহৰ দিনত ৰংপুৰ সাহিত্য সাধনাৰ কেন্দ্ৰস্থল হৈ পৰিছিল। এই ৰংপুৰতেই এমেৰিকান বেপ্টিষ্ট মিছনেৰী সকলে আধুনিক অসমীয়া সাহিত্যৰ পাতনি মেলে। অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱাকে প্ৰমুখ্য কৰি যি সকলে অসমীয়া সাহিত্যৰ বেদীত বন্তি জ্বলাই গৈছে সেইসকলৰ চিনাকি আৰু প্ৰকাশিত-অপ্ৰকাশিত পুথিসমূহৰ তালিকা এই গ্ৰন্থখনত পোৱা যায়। পুথিখনৰ এটা ডাঙৰ বৈশিষ্ট্য হ'ল এয়ে যে লোকচক্ষুৰ অন্তৰালত থকা বহুতো অখ্যাতনামা কবি সাহিত্যিকৰ পৰিচয় আৰু তেওঁলোকৰ সাহিত্য সাধনাৰ নিদৰ্শন দাঙি ধৰিছে। তেওঁলোকৰ জীৱনী আৰু ৰচিত গ্ৰন্থৰ সংবাদ সংগ্ৰহ কৰোঁতে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগা হৈছে যদিও সেই কষ্টৰ সাৰ্থকতা এইখিনিতেই যে পাহৰণিৰ গৰ্ভৰ পৰা তেওঁলোকক পুনৰুদ্ধাৰ কৰিবলৈ অধ্যক্ষ চলিহা সক্ষম হৈছে। অসমীয়া সাহিত্যৰ বিশদ বুৰঞ্জী লেখিবলৈ কোনোবাই হাতত ললে অধ্যক্ষ চলিহাৰ এই পুথিখনে যথেষ্ট সহায় কৰিব। পুথিখনত ৰংপুৰীয়াসকলৰ অৱদানৰ উপৰিও অসমীয়া ভাষা আৰু সাহিত্যৰ বৰ্ত্তমান সমস্যা, শিক্ষাৰ মাধ্যম, বৰ্ত্তমান সাহিত্যৰ লক্ষণ আদি সময়োপযোগী আলোচনা দাঙি ধৰিছে। আকাৰত সৰু হলেও পুথিখনত মূল্যবান বিৱৰণ আৰু তথ্য সন্নিবিষ্ট হৈছে। তৃতীয় গ্ৰন্থ 'মহাবীৰ লাচিত বৰফুকন' এখন ঐতিহাসিক তথ্যপূৰ্ণ আলোচনা। লাচিতৰ জীৱনী, সমসাময়িক অসমৰ পৰিস্থিতি, শৰাইঘাটৰ ৰণ, লাচিতৰ দেশপ্ৰেম আৰু বীৰত্বৰ সবিশেষ বিৱৰণ এই পুথিত দাঙি ধৰিছে। বিভিন্ন বুৰঞ্জীত সিঁচৰতি হৈ থকা লাচিত ফুকন সম্পৰ্কে সকলো বিৱৰণ আহৰণ কৰি একে ঠাইতে থুপাই সহজ-লভ্য কৰি দিয়াত অধ্যক্ষ চলিহা শলাগৰ পাত্ৰ। 'আগকথা'ত শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই কোৱাৰ দৰে আমিও কওঁ "চলিহাদেৱে যি দৃষ্টিভঙ্গীত 'মহাবীৰ লাচিত বৰ ফুকন' যুগুত কৰিছে, তাত এটা আত্মবিশ্বাস হেৰুৱা জাতিয়ে আকৌ সজাগ হৈ উঠিবলৈ যথেষ্ট সমল পাব।"

(৩) **অসমীয়া লোক-গীতি**—( প্ৰথম ভাগ )

সংগ্ৰাহক-সম্পাদক—শ্ৰীলীলা গগৈ

প্ৰকাশক—গুৱাহাটী বিশ্ববিদ্যালয়

মূল্য—২৲ ; প্ৰথম সং—১৯৫৭

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সাহিত্য গৱেষণা বিভাগৰ সৌজন্যত অসমীয়া লোক-গীতিৰ প্ৰথম ভাগ শ্ৰীগগৈয়ে সংগ্ৰহ আৰু সম্পাদনা কৰি প্ৰকাশ কৰিছে। ইতিপূৰ্ব্বে শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা, ডিম্বেশ্বৰ নেওগ, ৰূপেশ্বৰ দত্ত আদিয়ে লোক-গীতৰ সংগ্ৰহ প্ৰকাশ কৰি ভালেখিনি জাহ যোৱাৰ পৰা ৰক্ষা কৰিছে। গগৈৰ এই সংগ্ৰহ ইতিপূৰ্ব্বে প্ৰকাশ নোহোৱা গীতৰ সমষ্টি। ইয়াত সৰ্ব্বমুঠ ১৬টা গীত সন্নিবিষ্ট হৈছে। গীতবোৰক ঘাইকৈ ২টা শ্ৰেণীত ভগাব পাৰি—(১) উৎসৱ বা অনুষ্ঠান-মূলক, যেনে সুবচনী পূজাৰ গীত, লখিমী সবাহৰ গীত, অপেচৰা সবাহৰ গীত ; (২) বুৰঞ্জীমূলক গীত যেনে নাহৰৰ গীত, চিকন-সৰিয়হৰ গীত, গৌৰীনাথ সিংহৰ গীত ইত্যাদি। কমলাকুঁৱৰীৰ গীতটি কিম্বদন্তীমূলক ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত।

কোনো এটা জাতিৰ ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান, ধৰ্ম্মবিশ্বাস, আচাৰ-বিচাৰ, খাদ্যাখাদ্য, সাজ-পোছাক, ব্যৱসায়-বাণিজ্য আৰু মানসিক উন্নতি-অৱনতি আদিৰ বিষয়ে লোক-গীতে বিশেষ সম্ভেদ দিব পাৰে। শিক্ষিত সম্প্ৰদায়ৰ মাৰ্জ্জিত সাহিত্যাই চহাজীৱনক প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰিলেও স্বাভাৱিক ৰূপত সকলোদিশ ফুটাই তুলিব নোৱাৰে ; লোক-গীতে সহজ সৰলৰূপে চহাজীৱনৰ আশা-আকাঙ্ক্ষাক ৰূপ দিব পাৰে। জাতিৰ সামাজিক ইতিহাস ৰচনাৰ সমল প্ৰচুৰ পৰিমাণে এই লোক-গীত সমূহে দান কৰিব পাৰে। সাংস্কৃতিক নৃতত্ত্বৰ (Cultural Anthropology) ফালৰ পৰাও সুবচনীৰ গীত, লখিমী সবাহৰ গীত, অপেচৰা সবাহৰ গীত আদি অনুষ্ঠানমূলক গীতবোৰ মূল্যবান। বিস্মৃতিৰ গৰ্ভত জাহ যোৱাৰ পৰা এই গীতবোৰ ৰক্ষা কৰা বৰ্ত্তমানে বিশেষ প্ৰয়োজন হৈ পৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ে উপযুক্ত সময়তে এই কাম হাতত লৈছে। বুৰঞ্জীমূলক গীতকেইটিৰ পৰা বুৰঞ্জীসমূহে সম্ভেদ নিদিয়া দুই-চাৰিটা তথ্য পোৱা যায় ; ভৱিষ্যতে অসমৰ বুৰঞ্জী প্ৰণেতাসকলক সামান্যভাৱে হলেও এই গীতকেইটিয়ে সমল দিব। অসমীয়া লোক-গীতিৰ দ্বিতীয় খণ্ডৰ কাম সোনকালে বিশ্ববিদ্যালয়ে হাতত লব বুলি আশা ৰখা হ'ল।

(৪) **জন্মান্তৰ ৰহস্য** :—

লিখক—শ্ৰীৰাধানাথ ফুকন, যোৰহাট,

প্ৰকাশক—গীতাৰ্থী সমাজ, গীতাভৱন,

যোৰহাট

মূল্য—১৷০ ( ১·২৫ ), ১ম সং ১৯৫৭

বয়োবৃদ্ধ দাৰ্শনিক পণ্ডিত শ্ৰীৰাধানাথ ফুকন ডাঙৰীয়াৰ 'জন্মান্তৰ ৰহস্য' অসমীয়া সাহিত্যলৈ নতুন বৰঙনি। ইতিপূৰ্ব্বে তেখেতে 'সাংখ্য দৰ্শন', 'বেদান্ত দৰ্শন', 'শ্ৰীমদ্ভাগৱত গীতা', 'কথাৰে উপনিষদ্' আৰু 'বিজ্ঞানৰ সিপাৰে' নামৰ কেবাখনো তত্ত্বগধুৰ দাৰ্শনিক গ্ৰন্থ অসমীয়াত ৰচনা আৰু প্ৰকাশ কৰি আমাৰ সাহিত্যৰ এটা অপৰিপুষ্ট শাখাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। 'জন্মান্তৰ ৰহস্য' নামৰ সদ্য-প্ৰকাশিত পুথিখনত "জন্মান্তৰ গ্ৰহণৰ প্ৰক্ৰিয়া দাৰ্শনিক আৰু বৈজ্ঞানিক যুক্তিৰ সমন্বয় সহকাৰে অতি মধুৰ অথচ সৰল ভাষাত প্ৰকাশ কৰিছে।"

জন্মান্তৰবাদত বিশ্বাস ভাৰতীয় জীৱনৰ বৈশিষ্ট্য। ভাৰতীয়ৰ, বিশেষকৈ হিন্দুৰ দৃষ্টিভঙ্গী, ক্ৰিয়া-অনুষ্ঠান আৰু ধৰ্ম্ম-বিশ্বাস জন্মান্তৰবাদে বোলাই ৰাখিছে। কিন্তু এই জন্মান্তৰবাদৰ দাৰ্শনিক আৰু বৈজ্ঞানিক ভিত্তি সম্পৰ্কে বহুতেই অজ্ঞ। শ্ৰীফুকন ডাঙৰীয়াই উপনিষদ, সাংখ্য, বেদান্ত আদি শাস্ত্ৰৰ যুক্তিৰ লগত আধুনিক মনোবিজ্ঞানৰ সমন্বয় দেখুৱাই জন্মান্তৰ গ্ৰহণৰ প্ৰক্ৰিয়া ব্যাখ্যা কৰিছে। তেখেতে দেখুৱাইছে যে প্ৰকৃততে আত্মাৰ জন্মান্তৰ নঘটে, লিঙ্গ-শৰীৰহে জন্মান্তৰ প্ৰক্ৰিয়াৰ বশবৰ্ত্তী। জন্মান্তৰ প্ৰক্ৰিয়াৰ

মূলতে হ'ল সংস্কাৰ; সংস্কাৰৰ পৰা মুক্ত হলে জন্মান্তৰো নঘটে; পুনৰ্জন্ম নহয়। জীৱৰ সংস্কাৰ যিমানেই পৰিশোধিত আৰু উন্নত হয় সিমানেই জীৱই ক্ৰমে উচ্চৰ পৰা উচ্চতৰ আৰু তাৰ পৰা উচ্চতম অৱস্থালৈ উত্তৰোত্তৰ গতি কৰি শেষত সংস্কাৰমুক্ত হৈ কৈৱল্যলাভ কৰিবলৈ সমৰ্থ হয়। শ্ৰীফুকন ডাঙৰীয়াই ১৬ টা অধ্যায়ত জন্মান্তৰ প্ৰক্ৰিয়াৰ সকলো দিশ আলোচনা কৰি জন্মান্তৰ-বাদৰ সত্যতা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। সাধাৰণতে এনে ধৰণৰ ভাৱ-গধুৰ দাৰ্শনিক পুথি ৰচনা কৰোঁতে ভাষা কঠিন আৰু নীৰস হৈ পৰে, কিন্তু ফুকন ডাঙৰীয়াৰ হাতত দাৰ্শনিক তত্ত্বও প্ৰাঞ্জল হৈ পৰিছে, ভাষাই বিশুদ্ধতা আৰু সৰলতা গুণ হেৰুৱা নাই। পৰিণত প্ৰজ্ঞাৰ ফল স্বৰূপ এই ভাৱ-গধুৰ দাৰ্শনিক পুথিখনৰ প্ৰচাৰ কামনা কৰোঁ।

(৫) **সোণটিৰ ভীষ্ম ঃ—**

লেখক—শ্ৰীনকুলচন্দ্ৰ ভূঞা, যোৰহাট

প্ৰকাশক—কালী বিল্ডিং, যোৰহাট

১ম প্ৰকাশ—১৯৫৬

প্ৰবীণ সাহিত্যিক শ্ৰীনকুলচন্দ্ৰ ভূঞাদেৱে সৰু লৰা-ছোৱালীক উদ্দেশ্য কৰি লেখা 'ভীষ্ম' নামৰ পুথিখনিয়ে আমাৰ শিশু-সাহিত্যৰ সংখ্যা বৃদ্ধি কৰাৰ লগে লগে লৰা-ছোৱালীৰ চৰিত্ৰ গঠনত সহায় কৰিব। কুৰুপিতামহ দৃঢ়ব্ৰত ভীষ্ম-দেৱৰ চৰিত্ৰ সকলোফালৰ পৰা আদৰ্শনীয়। সত্য-নিষ্ঠা, বীৰত্ব, জ্ঞান, ভক্তি, উদাৰতা, সংযম, ন্যায়পৰায়ণতা, ৰাজনৈতিক জ্ঞান—এই সকলো বিষয়তেই ভীষ্ম-চৰিত্ৰ অতুলনীয়। শ্ৰীভূঞাদেৱে লৰা-ছোৱালীৰ উপযোগী কৰি ভীষ্মৰ চৰিত্ৰ আৰু কাৰ্য্যকলাপ বৰ্ণনা কৰিছে। পুথিখনৰ আমি বহুল প্ৰচাৰ কামনা কৰোঁ।

(৬) **অসম সাহিত্য সভাৰ ভাষণাৱলী**

( ২য় খণ্ড )

সম্পাদক—শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা,

উপ-সভাপতি, অসম সাহিত্য সভা

প্ৰকাশক—শ্ৰীপৰাগধৰ চলিহা,

প্ৰঃ সম্পাদক, অসম সাহিত্য সভা

মূল্য—৮৲; পৃষ্ঠা—২৮+২৬৪ (৮ পিঠীয়া ফৰ্ম্ম)

প্ৰাপ্তিস্থান—চন্দ্ৰকান্ত সন্দিকৈ ভৱন,

যোৰহাট।

প্ৰায় দুবছৰৰ আগতে সাহিত্য সভাৰ ভাষণাৱলীৰ প্ৰথম ভাগ প্ৰকাশ হৈছে। উক্ত ভাষণাৱলীত দ্বাদশ অধিবেশনৰ সভাপতিৰ অভিভাষণ পৰ্য্যন্ত ১২ খন অভিভাষণ প্ৰকাশিত হৈছে। বৰ্ত্তমান প্ৰকাশিত ২য় ভাগত ত্ৰয়োদশৰ পৰা পঞ্চবিংশ অধিবেশনৰ সভাপতিৰ অভিভাষণ পৰ্য্যন্ত প্ৰকাশ হৈছে। পুথিখনত ১৩ খন অভিভাষণ, ১২ জন সভাপতিৰ (৺নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, ৺জ্ঞানদাভিৰাম বৰুৱা, ৺ৰায়বাহাদুৰ আনন্দচন্দ্ৰ আগৰৱালা, শ্ৰীৰঘুনাথ চৌধাৰী, শ্ৰীকৃষ্ণকান্ত সন্দিকৈ, ৺ডক্টৰ মফিজুল ইচলাম বৰা, শ্ৰীনীলমণি ফুকন, শ্ৰীঅম্বিকাগিৰি ৰায় চৌধুৰী, পদ্মশ্ৰী ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা, পদ্মশ্ৰী নলিনীবালা দেৱী, শ্ৰীযতীন্দ্ৰনাথ দুৱৰা, শ্ৰীবেণুধৰ শৰ্ম্মা) চমু জীৱনী, অসম সাহিত্য সভাৰ চমু ইতিবৃত্ত, বিষয়-ববীয়া সকল আৰু অসম সাহিত্য সভাৰ দলীলপত্ৰ সমূহ প্ৰকাশ কৰা হৈছে।

১৯৩১ চনৰ পৰা ১৯৫৭ চনলৈকে অসমীয়া সাহিত্যৰ ইতিহাস, সমস্যাৱলী, অভাৱ-অভিযোগ, গতি-প্ৰগতিৰ ধাৰা, সমসাময়িক ভাৱধাৰা আৰু আন্দোলনৰ প্ৰতিক্ৰিয়া, ভৱিষ্যতৰ ইঙ্গিত আৰু সম্ভাৱনা আদি বহুতো তথ্যৰে ভাষণাৱলীসমূহ সমৃদ্ধ। অসমীয়া ভাষা আৰু সাহিত্যৰ উৎপত্তি



আৰু বিকাশৰ সংক্ষিপ্ত বিৱৰণ, সাহিত্য ৰচনাৰ অনুকূল বা প্ৰতিকূল পৰিৱেশ, শাশ্বত সাহিত্যৰ লক্ষণ, জাতি-গঠনত আৰু উন্নতিত সাহিত্যৰ অৱদান, অসমীয়া জাতিৰ উন্নতি আৰু অসমীয়া সাহিত্যৰ প্ৰকাশ আৰু প্ৰচাৰত ওচৰ-চুবুৰীয়া ভাষা সাহিত্যৰ দুষ্ট প্ৰভাৱ, প্ৰচলিত শিক্ষা পদ্ধতিৰ আলোচনা, পুথি-ভঁড়াল আৰু সাংস্কৃতিক অনুষ্ঠানৰ আৱশ্যকতা, জন-জীৱনৰ লগত সাহিত্যৰ সম্পৰ্ক, সাহিত্যত বাস্তৱতাৰ স্থান—ইত্যাদি সকলো ধৰণৰ সাহিত্যৰ আনুসঙ্গিক আলোচনাই বিভিন্ন ভাষণৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। ভাষণাৱলী সমূহত আলোচিত হোৱা বহুতো কথাই সাময়িক। এসময়ত সেইবোৰ সমস্যাই অসমীয়া জাতি আৰু সাহিত্যৰ পথত অন্তৰায় স্বৰূপে থিয় দিছিল যদিও এতিয়া সেইবোৰৰ পৰিবৰ্ত্তে নতুন সমস্যাই দেখা দিছে। সেইবোৰ বিৱৰণৰ কোনো স্থায়ী মূল্য নাথাকিলেও অসমীয়া সাহিত্যৰ ইতিহাসৰ লগত ঘনিষ্ঠভাৱে জৰীত হৈ আছে। অসমীয়া সাহিত্যৰ বুৰঞ্জী-লেখকৰ পক্ষে সাময়িক কথা বা সমস্যা-সমূহো বিশেষ মূল্যৱান।

সাহিত্য সভাৰ উৎপত্তিৰ পৰা বৰ্ত্তমান সময়-লৈকে এটি চমু ইতিহাস সংযোগ কৰি দিয়া হৈছে। সাহিত্য সভাৰ বৰঙনিৰ বিচাৰ লবলৈ এই প্ৰবন্ধ বিশেষ সহায়ক হব বুলি আশা কৰা যায়। সভাপতিসকলৰ চমু জীৱনী আৰু তেখেতসকলৰ সাহিত্যিক আৰু ৰাজনৈতিক অৱদানৰ লেখে পুথিখনৰ মূল্য বৃদ্ধি কৰিছে।

সাহিত্য সভাৰ নিজা প্ৰকাশ বুলিয়েই আমি পুথিখনৰ দোষ-গুণ বহলাই আলোচনা নকৰি সেই দায়িত্ব পাঠকৰ ওপৰত থলো। প্ৰাক্তন প্ৰধান সম্পাদক আৰু বৰ্ত্তমান উপ-সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ পৰিশ্ৰম, আন্তৰিকতা আৰু ভাষা-সাহিত্যৰ প্ৰতি একনিষ্ঠ প্ৰেমৰ পৰিচয় এই সুবৃহৎ ভাষণাৱলীদ্বয়ে দাঙি ধৰিছে। অসমীয়া সাহিত্য-প্ৰেমীসকলৰ পৰা যথাযোগ্য সমাদৰ পাব বুলি আশা কৰা হ'ল।

---

**প্ৰাপ্তি স্বীকাৰ ঃ** ওপৰত আলোচনা কৰা পুথি কেইখনৰ বাহিৰেও কেবাখনো পুথি আৰু আলোচনী সমালোচনাৰ কাৰণে আমাৰ হাতত পৰিছে। এই সংখ্যাত সকলোবোৰ আলোচনা সম্ভৱ নহয় বাবে অহা সংখ্যাৰ কাৰণে থোৱা হ'ল।

(১) প্ৰজাপতিৰ নিৰ্ব্বন্ধ,

লেখক—অতুলচন্দ্ৰ বৰুৱা, এম্, এ; গুৱাহাটী

(২) Betrayal of Asam, by Captain Satyabrata Lahkar, Gauhati.

(৩) উদয়, ( নগাওঁ গৱৰ্ণমেণ্ট হাই স্কুলৰ চাৰিমহীয়া আলোচনী ), ১১ শ বছৰ, গ্ৰীষ্ম-শৰৎ সংখ্যা।

(৪) কামধেনু (সচিত্ৰ চাৰিমহীয়া), ১ম বছৰ, ১ম-২য় সংখ্যা,

সম্পাদক—শ্ৰীতীৰ্থনাথ শৰ্ম্মা, গুৱাহাটী।

# সম্পাদকীয় দু-আষাৰ

## (১) তেল শোধনাগাৰ—

যোৱা কেইমাহত অসমে কেইবাটাও ৰাজনৈতিক পৰিস্থিতিৰ সম্মুখীন হব লগাত পৰে। তেল-শোধনাগাৰ আন্দোলন আৰু সত্যাগ্ৰহ, নগা সমস্যা, পাৰ্ব্বত্য ৰাজ্যৰ দাবী আৰু মন্ত্ৰীসভাৰ পৰিবৰ্ত্তন এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। ৰাইজৰ দাবী, মন্ত্ৰীসভাৰ হেঁচা আৰু সত্যাগ্ৰহ আন্দোলনৰ ফল স্বৰূপে কেন্দ্ৰীয় চৰকাৰে অসমত এটা শোধনাগাৰ পতাৰ সিদ্ধান্ত লয়। কিন্তু বিহাৰৰ বাৰাউনিত দ্বিতীয় তেল শোধনাগাৰ স্থাপন কৰাৰ সিদ্ধান্তও এই প্ৰসঙ্গত মন কৰিব লগীয়া। অসমত স্থাপন কৰিব খোজা শোধনাগাৰত কিমান তেল পৰিশোধিত হব সেই বিষয়ে কোনো স্পষ্ট সংবাদ নিদিলেও এই কথা সহজে অনুমান কৰিব পাৰি যে অসমত উৎপন্ন হোৱা তেলৰ অংশ বিশেষহে উক্ত পৰিকল্পিত শোধনাগাৰত পৰিশোধিত হব, বাকী অংশ বাৰাউনিলৈ নিয়াৰ ব্যৱস্থা হব। অসমত শোধনাগাৰ স্থাপন যদি আৰ্থিক ফালৰ পৰা ক্ষতিকাৰক নহয় (হোৱা হলে কেন্দ্ৰীয় চৰকাৰে স্থাপন কৰিবলৈ মান্তি নহলহেঁতেন) তেন্তে অসমক উপেক্ষা কৰি বাৰাউনিত স্থাপন কৰাৰ সিদ্ধান্ত আগতে কিয় লোৱা হৈছিল? এতিয়াও যে পৰিকল্পিত শোধনাগাৰৰ এটা ঠেং অসমত আনটো বাৰাউনিত থব লগা হৈছে তাৰ কাৰণ বিহাৰৰ প্ৰতি অবাঞ্ছনীয় অনুগ্ৰহ প্ৰদৰ্শনৰ বাহিৰে আন একো হব নোৱাৰে। যাহওক, 'নাই মোমাইতকৈ কণা মোমায়েই ভাল'—এই নীতিৰ দ্বাৰা আশ্বস্ত নহৈ আমাৰ ৰাজ্যিক চৰকাৰে পাল-মৰা বিধৰ শোধনাগাৰৰ ঠাইত যাতে পূৰ্ণ পৰ্য্যায়ৰ শোধনাগাৰ অসমত স্থাপিত হয় তাৰ কাৰণে যত্নৰ ত্ৰুটি নকৰিব বুলি আমাৰ বিশ্বাস।

## (২) নগা সমস্যা—

কহিমা কন্‌ভেনচনৰ চৰ্ত্ত অনুসৰি কেন্দ্ৰীয় চৰকাৰে অসম ৰাজ্যৰ পৰা নগাপাহাৰ বিচ্ছিন্ন কৰি টিউৱেনচাং অঞ্চলৰ লগত চামিল কৰি এটা সুকীয়া প্ৰশাসন গোট স্থাপন কৰে। কেন্দ্ৰীয় চৰকাৰৰ বিশ্বাস যে এই কাৰ্য্যৰ দ্বাৰা সুকীয়া নগা ৰাজ্যৰ দাবী নগাবিলাকে পৰিহাৰ কৰিব আৰু নগাপাহাৰত শান্তি প্ৰতিষ্ঠা হব। কিন্তু যিটো দলে সুকীয়া নগাৰাজ্য দাবী কৰি অশান্তিৰ সৃষ্টি কৰিছে ফিজোৰ দ্বাৰা পৰিচালিত সেই দলটোৱে এই কাৰ্য্যত সহযোগ কৰা নাই আৰু অশান্তিও সম্পূৰ্ণ আঁতৰা নাই। গতিকে সুকীয়া নগাৰাজ্যৰ দাবী পৰিহাৰ হৈছে বা হব বুলি আমাৰ বিশ্বাস নহয়, হয় যদি অৱশ্যে ভাল কথাই। নগা ভাইসকলে যেতিয়া স্বইচ্ছাই অসমৰ পৰা আঁতৰি যোৱাৰ দিহা কৰিছে তাত আমাৰ কবলৈ একো নাই, কিন্তু আমাৰ ভয় হয় যে সুকীয়া প্ৰশাসনৰ সুবিধা লৈ অসমীয়া আৰু নগাৰ মাজত থকা ভাষাগত আৰু সাংস্কৃতিক সম্বন্ধটো ছিঙি দিয়াৰ ব্যৱস্থা কৰে বুলিহে। কেন্দ্ৰীয় চৰকাৰে নেফাত যি নীতি অনুসৰণ কৰিছে সেই নীতি নগাপাহাৰতো যদি প্ৰয়োগ কৰে তেন্তে পৰ্ব্বত আৰু ভৈয়ামৰ মাজত সম্প্ৰীতি স্থাপন হোৱাৰ কোনো সম্ভাৱনাই নাথাকিব। নগাপাহাৰৰ লগত অসমীয়াৰ সম্পৰ্ক



আজিৰ নহয়, শ শ বছৰ ধৰি সম্প্ৰীতিমূলক সম্বন্ধ চলি আহিছে। এই সম্প্ৰীতি যাতে অক্ষুণ্ণ থাকে তাৰ কাৰণে অসমীয়া আৰু নগাভাইসকল সজাগ হৈ থাকিব লাগিব। ককাই-ভাই নিজৰ সুবিধাৰ কাৰণে পৃথক হৈ যায় যদিও মৰম-চেনেহ বিসৰ্জ্জন নিদিয়ে, টানে আপদে ওচৰ চাপি আহে। নগাভাইসকলেও তেওঁলোকৰ সুবিধা হব বুলি ভাবি সম্প্ৰতি আঁতৰি গৈছে যদিও অদূৰ ভৱিষ্যতত আমাৰ লগ লাগিব বুলি আশা ৰাখিলোঁ। কেন্দ্ৰীয় চৰকাৰেও সম্বন্ধৰ ডোলগছি ছিঙি দিবলৈ উৎসাহ নেদেখুৱাই সম্প্ৰীতি বঢ়োৱাৰ চেষ্টাত থাকে যেন।

## (৩) মন্ত্ৰীসভাৰ পৰিবৰ্ত্তন—

শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াই শাৰীৰিক অসুস্থতাৰ কাৰণে মন্ত্ৰীত্ব পৰিত্যাগ কৰাত শ্ৰীবিমলাপ্ৰসাদ চলিহাদেৱৰ নেতৃত্বত নতুন মন্ত্ৰীসভা গঠন হৈছে। শ্ৰীচলিহাৰ কৰ্ম্মনিষ্ঠা, সাধুতা আৰু প্ৰগতিশীলতাৰ ওপৰত সকলোৰে আস্থা আছে। আশাকৰোঁ তেখেতৰ নেতৃত্বত ভাঙনমুখী অসম আকৌ সুস্থিৰ হব। পৰ্ব্বতীয়া ভাইসকলৰ মনৰ পৰা অবিশ্বাসৰ ভাৱ আঁতৰ কৰি পৰ্ব্বত-ভৈয়ামৰ মাজত একতা স্থাপন কৰিবলৈ তেখেত সমৰ্থ হব বুলি আশা ৰাখিলোঁ। সুকীয়া পাৰ্ব্বত্য ৰাজ্যৰ দাবী তোলা পৰ্ব্বতীয়া নেতা কেইজনক মন্ত্ৰীসভাৰ অন্তৰ্ভুক্ত কৰি তেওঁলোকৰ অবিশ্বাস আৰু পৃথক মনোভাৱ দূৰ কৰিবলৈ কৰা চেষ্টাও প্ৰশংসনীয়। শ্ৰীচলিহাৰ নতুন মন্ত্ৰীত্বৰ সাফল্য কামনা কৰোঁ।

এই প্ৰসঙ্গত আমি প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীবিষ্ণুৰাম মেধিৰ একনিষ্ঠ কৰ্ম্মপৰায়ণতাৰ শলাগ লৈ তেখেতৰ নতুন পদোন্নতিত সাফল্য কামনা কৰিলোঁ। আশা কৰোঁ মাদ্ৰাজৰ নিচিনা ডাঙৰ ৰাজ্যৰ ৰাজ্যপাল স্বৰূপে সুখ্যাতি অৰ্জ্জন কৰি অসমৰ তথা অসমীয়াৰ গৌৰব বৃদ্ধি কৰিব।

নতুন মন্ত্ৰীসভাই অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিকল্পে বিশেষ চকু দিব বুলি আশা ৰাখি আমি মাত্ৰ কেইটামান বিষয়লৈ মুখ্যমন্ত্ৰী আৰু শিক্ষা-মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

(১) অসমৰ প্ৰাচীন স্মৃতি আৰু ঐতিহাসিক ভগ্নাৱশেষৰ সংৰক্ষণ আৰু ঐতিহাসিক স্থান আদিৰ খনন কাৰ্য্যৰ কাৰণে আৰ্কিওলজিকেল বিভাগ স্থাপন।

(২) পুৰণি পুথিৰ সংগ্ৰহৰ কাৰণে বিশেষ বিষয়া নিয়োগ।

(৩) বিশ্বসাহিত্যৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহৰ অনুবাদৰ ব্যৱস্থা।

(৪) কাছাৰ জিলাত স্থান বিশেষত অসমীয়া স্কুল স্থাপন। কাছাৰ জিলাৰ বহুত ঠাইৰ পৰা অসমীয়া স্কুল বিচাৰি সাহিত্য সভালৈ আৱেদন-পত্ৰ আহি আছে। অসম চৰকাৰে সেই বিষয়ে কাম হাতত নললে সাহিত্য সভাৰ অল্পীয়া ধনেৰে স্কুল স্থাপন সম্ভৱ নহয়।

(৫) অসম পাঠ্য-পুথি নিৰ্ব্বাচন সমিতিত সাহিত্য সভাৰ প্ৰতিনিধি নিয়োগ।

## (৪) ৬৩তম কংগ্ৰেছ অধিৱেশন—

ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৬৩ তম অধিৱেশন জালুকবাৰীত নিৰ্ম্মাণ কৰা প্ৰাগ্‌জ্যোতিষপুৰ নগৰত মহা পয়োভৰে জানুৱাৰীৰ তৃতীয় সপ্তাহত অনুষ্ঠিত হয়। ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বৰেণ্য নেতা আৰু মনীষীসকলৰ উপস্থিতিৰ সুযোগ লৈ অসমৰ নেতাসকলে অসম তথা অসমীয়া সম্পৰ্কে তথা বহুতো ভ্ৰান্ত ধাৰণা, অসত্য অপপ্ৰচাৰ আঁতৰ কৰিবলৈ নিশ্চয় চেষ্টা কৰিছিল।

অসমৰ বাহিৰ মানুহ অসমবাসী আৰু অসমৰ কৃষ্টি সম্পৰ্কে ভ্ৰান্ত ধাৰণাৰ বশৱৰ্ত্তী হৈ থকা দেখা যায়; আনকি নেতৃস্থানীয় ব্যক্তিৰো এই সম্পৰ্কে অজ্ঞতা নথকা নহয়। অসম আৰু অসমীয়া সম্পৰ্কে সত্য তথ্যৰ আভাস দিবৰ উদ্দেশ্যেই অসম সাহিত্য সভাই দুখন ইংৰাজী পুথি যুগুত কৰি অভ্যাগত-সকলক উপহাৰ দিয়ে। এখনত নেফা প্ৰশাসনৰ স্বৰূপ আৰু আনখনত অসমৰ সংস্কৃতিৰ চমু বিৱৰণ দাঙি ধৰা হৈছে। খৰধৰকৈ প্ৰকাশ কৰি দিব লগা হোৱাত পুথি দুখনত দুই-চাৰিটা মুদ্ৰা-যন্ত্ৰৰ দোষ বৈ গলেও, পুথি দুখনে অসমৰ বিষয়ে কিছু আভাস দিব পাৰিব।

কংগ্ৰেছ অধিৱেশনত কেবাটাও সময়োপযোগী প্ৰস্তাব গ্ৰহণ কৰা হ'ল, কিন্তু প্ৰস্তাৱ অনুসৰি কাৰ্য্য কিমানদূৰ হয় সেইটোলৈহে সকলোৱে বাট চাইছে। হিন্দীক ভাৰতীয় জাতীয় ভাষাৰূপে গ্ৰহণ কৰি ১৯৬৫ চনৰ পৰা ইংৰাজীক শাসনতন্ত্ৰ সম্পৰ্কীয় সকলোক্ষেত্ৰৰ পৰা বহিষ্কাৰ কৰাৰ যি আঁচনি আছিল সেইটো সধ্যে কিছু ধিলাই দি ১৯৬৫ চনৰ পাছতো ইংৰাজী ব্যৱহাৰৰ সুবিধা দান কৰি যি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে তাত আমি আনন্দ পাইছোঁ। আশাকৰোঁ নেফা কৰ্ত্তৃপক্ষৰ হিন্দীভাষা নেফাবাসীৰ ওপৰত জাপি দিয়াৰ অত্যুৎসাহ কিছু কমিব, কাৰণ উক্ত প্ৰস্তাৱৰ আলোচনা প্ৰসঙ্গত হিন্দীভাষা আনৰ ওপৰত জোৰকৈ জাপি দিয়াৰ বিৰোধিতা কৰিছে।

---

## পত্ৰিকাৰ নিয়মাৱলী

১। অসম সাহিত্য সভা পত্ৰিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকে প্ৰথম সংখ্যাৰপৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪৲ আগ ধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। সাহিত্য সভাৰ সভ্যৰ কাৰণে বছেৰেকীয়া বৰঙণি ৩৲।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি ( ষোড়শ বছৰৰ কাৰণে ) এপিঠিত, ফটফটীয়াকৈ লিখি, "ডাঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ৰিহাবাৰী গুৱাহাটী" এই ঠিকনাত পঠাব। সকলো টকা-কড়ি আৰু কাকত সম্পৰ্কে চিঠি-পত্ৰ "শ্ৰীযতীন্দ্ৰনাথ গোস্বামী সহকাৰী সম্পাদক, অসম সাহিত্য সভা, যোৰহাট" এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা, অনুসন্ধান আদিৰ গবেষণামূলক প্ৰবন্ধইহে ইয়াত ঠাই পাব।

## জাননীৰ নিৰিখ

| | | |
|---|---|---|
| এপিঠিত | ৪০৲ | ( প্ৰতি সংখ্যাত ) |
| আধা পিঠিত | ২২৲ | ( " " ) |
| সিকি পিঠিত | ১২৲ | ( " " ) |
| বেটুপাতৰ ৩য় পিঠিত | ৪৫৲ | ( " " ) |
| বেটুপাতৰ ৪ৰ্থ পিঠিত | ৫০৲ | ( " " ) |

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
সহকাৰী সম্পাদক
অসম সাহিত্য সভা
যোৰহাট

# অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত পুথি

**অসম সাহিত্য সভাৰ ভাষণাৱলী** ( প্ৰথম ভাগ )—অসম সাহিত্য সভাৰ প্ৰথম বাৰজন সভাপতিৰ (৺পদ্মনাথ গোহাঞি বৰুৱা, কালিৰাম মেধি, অমৃতভূষণ দেৱ অধিকাৰী, হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ, বেণুধৰ ৰাজখোৱা, তৰুণৰাম ফুকন, লক্ষ্মীনাথ বেজবৰুৱা, কমলাকান্ত ভট্টাচাৰ্য্য, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা আৰু শ্ৰীমফিজুদ্দিন আহমদ হাজৰিকা ) বহুমূলীয়া আৰু তথ্যপূৰ্ণ অভিভাষণ আৰু তেওঁলোকৰ চমু চিনাকি এই গ্ৰন্থত পাব। সাহিত্য সভাৰ পুৰণি বিষয়-ববীয়াসকলৰ তালিকা আদিয়েও পুথিৰ মূল্য বঢ়াইছে। বেচ ৮৲ টকা (সভাৰ সভ্যৰ কাৰণে ৬৲ টকা)।

**অসম সাহিত্য সভাৰ ভাষণাৱলী** ( দ্বিতীয় ভাগ )—অসম সাহিত্য সভাৰ ত্ৰয়োদশ অধিবেশনৰ পৰা পঞ্চবিংশ অধিবেশনৰ সভাপতিৰ ( ৺নগেন্দ্ৰনাৰায়ণ চৌধুৰী, ৺জ্ঞানদাভিৰাম বৰুৱা, ৺আনন্দচন্দ্ৰ আগৰৱালা, শ্ৰীৰঘুনাথ চৌধাৰী, শ্ৰীকৃষ্ণকান্ত সন্দিকৈ, ডঃ ময়িদুল ইচলাম বৰা, শ্ৰীনীলমণি ফুকন, শ্ৰীঅম্বিকাগিৰি ৰায়চৌধুৰী, ডঃ সূৰ্য্যকুমাৰ ভূঞা, শ্ৰীমতী নলিনীবালা দেৱী, শ্ৰীযতীন্দ্ৰনাথ দুৱৰা আৰু শ্ৰীবেণুধৰ শৰ্ম্মা ) অভিভাষণলৈকে ১৩ খন বহুমূলীয়া আৰু তথ্যপূৰ্ণ ভাষণ আৰু তেওঁলোকৰ চমু চিনাকি। বেচ ৮৲ ( সভ্যৰ কাৰণে ৬৲ ), দুয়োখন একেলগে নিলে সভ্যৰ বাবে ১০৲ টকা।

**অসম সাহিত্য সভা বাৰ্ষিকী** ( প্ৰথম ভাগ )—অসম সাহিত্য সভাৰ ত্ৰয়োবিংশ অধিবেশনৰ সভানেত্ৰী শ্ৰীযুতা নলিনীবালা দেৱী, অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত ৰাধানাথ ফুকন, বুৰঞ্জী শাখাৰ সভাপতি শ্ৰীযুত সুৰেশচন্দ্ৰ ৰাজখোৱা, বিজ্ঞান শাখাৰ সভাপতি ডঃ হিৰণ্যচন্দ্ৰ ভূঞাৰ অভিভাষণ আৰু প্ৰধান সম্পাদকৰ প্ৰতিবেদন আদি একেলগে সঙ্কলিত মূল্যবান বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ টকা ( সভ্যৰ কাৰণে এটকা )।

**অসম সাহিত্য সভা বাৰ্ষিকী** (দ্বিতীয় ভাগ)—অসম সাহিত্য সভাৰ চতুৰ্ব্বিংশ অধিবেশনৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা, অভ্যৰ্থনা সমিতিৰ সভাপতি ন্যায়াধীশ শ্ৰীযুত হলীৰাম ডেকা, বিজ্ঞান শাখাৰ সভাপতি ডঃ ৰোহিণীকান্ত বৰুৱা, বুৰঞ্জী শাখাৰ সভাপতি ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু প্ৰধান সম্পাদকৰ প্ৰতিবেদন আদি একেলগে সঙ্কলিত বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ টকা, ( সভ্যৰ কাৰণে আধা )।

**শ্ৰীশ্ৰীব্ৰহ্মবৈবৰ্ত্ত পুৰাণ**—বলোৰাম দ্বিজ ৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ৩য় গ্ৰন্থ। বেচ এটকা ( সভ্যৰ কাৰণে আধা )।

**সাত্বত তন্ত্ৰ**—ভাগৱতী মিশ্ৰ বিৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ৪ৰ্থ গ্ৰন্থ। বেচ দহ অনা ( সভ্যৰ কাৰণে আধা )।

**লৱ-কুশৰ যুদ্ধ** ( সচিত্ৰ )—হৰিবৰ বিপ্ৰ ৰচিত। শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ৫ম গ্ৰন্থ। ডঃ মহেশ্বৰ নেওগ সম্পাদিত। বেচ দুটকা ( সভ্যৰ কাৰণে আধা )।

**বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা** ( প্ৰথম ভাগ )—১৮৪৬ চনৰপৰা বৰ্ত্তমান সময়লৈকে অসমীয়া আলোচনীত প্ৰকাশিত বুৰঞ্জীমূলক প্ৰবন্ধৰ তালিকা। ডঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত। বেচ দুটকা ( সভ্যৰ কাৰণে আধা )।

**শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ** ( ৰমাকান্ত দ্বিজ ৰচিত )—শ্ৰীশ্ৰীনৰদেৱ গ্ৰন্থাৱলীৰ ২য় গ্ৰন্থ। ( নতুন প্ৰকাশ, ১৯৫৬ চন )। বেচ বাৰ অনা। ( সভ্যৰ কাৰণে ।৵০ ) ডাক খৰচ স্বকীয়া।

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
সহকাৰী সম্পাদক
অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট

---

অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীৰ দ্বাৰা কলিকতা ৬৬ গ্ৰে ষ্ট্ৰীট নৱজীৱন প্ৰেছৰপৰা মুদ্ৰিত আৰু যোৰহাট কাৰ্য্যালয়ৰপৰা প্ৰকাশিত হল।